UG HT S6 - 02 (DSC)

# চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি. বি. চি. এছ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

# আধুনিক ভাৰতৰ সামাজিক আৰু অর্থনৈতিক ইতিহাস

# ইতিহাস

সূর্য কুমাৰ ভূঞা সমাজবিজ্ঞান অধ্যয়ন সত্র

## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## বিষয় বিশেষজ্ঞ মণ্ডলী

ড° পাৰমিতা দাস, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ৰাজীৱ সন্দিকৈ, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বর্ণালী শর্মা, সহযোগী অধ্যাপক, কটন বিশ্ববিদ্যালয়

**সমন্বয়ৰক্ষী ঃ** ড° সুকমায়া লামা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## প্রস্তুতি গোটৰ সদস্য

| অধ্যায় | অৱিহণা যোগাইছে | *ভাষান্তৰকাৰী* |
|---|---|---|
| ১ | জাহ্নবী গগৈ, গৱেষক (কটন বি.) | ১-৩, ৭ পল্লব বৰুৱা |
| ২ | ভীনিত কুমাৰ দাস, গৱেষক (কটন বি.) | |
| ৩ | ৰশ্মিতা ফুকন, গৱেষক (গু. বি.),<br>মিতালী কলিতা, (ডি. কে. মহাবিদ্যালয়) | |
| ৪ | ব. ডি. মহন্ত, প্রাগজ্যোতিষ মহাবিদ্যালয় | কিশোৰ কুমাৰ কলিতা |
| ৫,৬ | ইন্দ্রানী ডেকা, প্রাগজ্যোতিষ মহাবিদ্যালয় | ৫-৬ আদ্দিপ ফুকন |
| ৭ | ড° বিনোদ শর্মা, ৰঙ্গীয়া মহাবিদ্যালয় | |
| ৮ | ইন্দ্রানী ডেকা, প্রাগজ্যোতিষ কলেজ | ৮, ৯, ১২, ১৩, ১৪ (অদীপ ফুকন) |
| ৯ | ড° বিনোদ শর্মা, ৰঙিয়া কলেজ, | ১০, ১১ (পল্লভ বৰুৱা, সর্বদয়া কলেজ) |
| ১০ | জাহ্নবী গগৈ, গৱেষক, কটন বি. | ১৫ কিশোৰ কলিতা |
| ১১, ১২ | ভিনীত কুমাৰ দাস, গৱেষক, কটন বি. | |
| ১৩, ১৪ | বিৰাজ কলিতা, গৱেষক, গু. বি. | |
| ১৫ | ধ্রুৱ গগৈ, ডি. কে. কলেজ | |


**সম্পাদনা ঃ**

**বিষয়বস্তু সম্পাদনা** ঃ ড° সুকমায়া লামা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
**(অসমীয়া) ভাষা সম্পাদনা** ঃ ড° ৰুনমণি বৰাফুকন, চন্দ্রপুৰ মহাবিদ্যালয়
**গাঁথনিক সম্পাদনা** ঃ ড° সুকমায়া লামা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**মে'**, ২০২৬ **ISBN :**



Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.



*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।*

**মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭**
**উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;**
**Web : www.kkhsou.in**

# বিষয়সূচী

পৃষ্ঠা নং


**অধ্যায় ১ ঃ** ১৮শ শতিকাত ভাৰতৰ অর্থনীতিৰ প্রকৃতি ৭ - ১৫
১৮শ শতিকাৰ আগৰ পৰম্পৰাগত ভাৰতীয় অর্থনীতিৰ অৱস্থা ; কৃষি গাঁথনি জলসিঞ্চন ব্যৱস্থা
ইউৰোপীয় লোকৰ আগমণ আৰু ভাৰতৰ অথনীতিত প্রভাৱ; ৰাষ্ট্রীয় বজাৰ ব্যৱস্থাৰ আৰম্ভণী

**অধ্যায় ২ ঃ** বণিকবাদ আৰু ঔপনিবেশিক অর্থনীতি ১৬ - ২৩
বৱস্থাৰূপে বাণিজ্যিকতাবাদ, ঔপনিৱেশিক অর্থনীতিৰ বৈশিষ্ট্য, বাণিজ্যিক একাধিপত্য,
বিদেশী ব্যৱসায়িক প্রতিষ্ঠানৰ প্রৱেশ ভাৰততত বণিকবাদৰ প্রভাৱ

**অধ্যায় ৩ ঃ** সম্পদ নির্গত তত্ত্ব আৰু ঔপনিৱেশিক সাম্রাজ্যবাদ ২৪ - ৩০
বাণিজ্যৰ আর্হি চৰকাৰী বিত্ত সঞ্চয় আৰু বিনিয়োগ; লেনদেন পৰিশোধ; হোম চার্জ (গৃহ শুল্ক)

**অধ্যায় ৪ ঃ** ভু মি চুক্তি আৰু ভূমি ৰাজহ ব্যৱস্থা ৩১ - ৩৭
ৰাজহুৱা ভূমিৰ ধাৰণা; চিৰস্থায়ী বন্দবস্তু; ভূমি অধিকাৰৰ বৈশিষ্ট্য,
ভূমি ৰাজহৰ ব্যৱস্থাঃ ৰায়টবাৰী, মহলৱাৰী, জমিদাৰী; ভূমি ৰাজহ প্রশাসন

**অধ্যায় ৫ ঃ** গ্রমীন ঋণগ্রস্ততা আৰু দূর্ভিক্ষ ৩৮ - ৪৮
গ্রাম্য ঋণগ্রস্ততাৰ কাৰণসমূহ; গ্রাম্য ঋণগ্রস্ততাৰ পৰিণাম; দূর্ভিক্ষ আৰু খাদ্য বিদ্রোহ;
চৰকাৰৰ দূর্ভিক্ষ নীতি, ১৯২৯ চনৰ বৃহৎ মন্দাৱস্থা

**অধ্যায় ৬ ঃ** থলুৱা উদ্যোগৰ অৱনতি ৪৯ - ৬৫
থলুৱা উদ্যোগঃ বয়ন আৰু বস্ত্র উদ্যোগ, আন উদ্যোগসমূহ, বিনিপ্লায়নৰ কাৰণ,
আধুনিক উদ্যোগৰ বৃদ্ধিঃ বাগান সম্বন্ধীয় উদ্যোগ, খনি আৰু অন্যান্য
সৰবৰাহক অর্থনীতি হিচাপে ভাৰত

**অধ্যায় ৭ ঃ** কৃষিৰ বাণিজ্যিকীকৰণ ৬৬ - ৭৪
বজাৰ সম্প্রসাৰণৰ কৃষিৰ ওপৰত প্রভাৱ;নগদী শস্যৰ প্রতি মনোযোগ; ঔপনিৱেশিক সময়চোৱাত
কৃষিৰ পৰা ৰপ্তানি অর্জন

**অধ্যায় ৮ ঃ** **ঔপনিৱেশিক ভাৰতত যোগাযোগ ব্যৱস্থাৰ বিকাশ** ৭৫ - ৮৩
বাট-পথৰ বিকাশ, ৰে'লপথ, বন্দৰ আৰু জলপথ, ডাক আৰু টেলিগ্রাফ সেৱা।

**অধ্যায় ৯ ঃ** **ঔপনিৱেশিক ভাৰতত সামাজিক আৰু ন্যায়িক আন্তঃগাঁঠনিৰ বিকাশ** ৮৪ - ৯৩
আধুনিক শৈক্ষিক সুবিধাৰ উত্তৰণ; স্বাস্থ্যজনিত সুবিধাৰ ক্রমোন্নতি; আধুনিক ভাৰতৰ আইন-ব্যৱস্থা

**অধ্যায় ১০ ঃ মুদ্রা আৰু বেংক ব্যৱস্থা** **৯৪ - ১০২**

কোম্পানীৰ শাসনৰ পূৰ্বৰ মুদ্রা ব্যৱস্থা; কোম্পানী শাসনৰ সময়ছোৱাৰ মুদ্রা ব্যৱস্থা; মুদ্রা আৰু বিনিময় ব্যৱস্থাৰ পুনৰুত্থান; সোণ মজুতকৰণ; দ্বিতীয় বিশ্বযুদ্ধ আৰু মুদ্রাত ইয়াৰ প্রভাৱ, অনুষ্ঠানিক আৰু অনানুষ্ঠানিক ঋণ ব্যৱস্থা; বেংক আৰু বীমাৰ উত্থান।

**অধ্যায় ১১ ঃ আধুনিক শিক্ষা ব্যৱস্থাৰ বিকাশ** **১০৩ - ১১১**

সন্মানীয় শিক্ষা-ব্যৱস্থা; ঔপনিৱেশিক শাসনৰ সময়চোৱাৰ শিক্ষা-নীতি; মিচনেৰীসকলৰ অৱদান; আধুনিক ভাৰতীয় শিক্ষাবিদসকলৰ অৱিহনা।

**অধ্যায় ১২ ঃ মধ্যবিত্ত শ্রেণীৰ উত্থান** **১১২ - ১১৬**

অর্থ; মধ্যবিত্ত শ্রেণীৰ উত্থানৰ কাৰকসমূহ; সামাজিক-ৰাজনৈতিক প্রেক্ষাপটত মধ্যবিত্ত শ্রেণীৰ তাৎপর্য্য

**অধ্যায় ১৩ ঃ সংস্কাৰ আৰু নাৰী** **১১৭ - ১২৬**

সংস্কাৰ আন্দোলন আৰু নাৰী, সামাজিক প্রভাৱ, নাৰী সংগঠনসমূহ; স্বাধীনতা আন্দোলন আৰু নাৰী।

**অধ্যায় ১৪ ঃ ছপা মাধ্যমৰ আগমন** **১২৭ - ১৩৪**

সংবাদ মাধ্যমৰ প্রাৰম্ভ, ইংৰাজী আৰু আঞ্চলিক ভাষাৰ কাকতৰ বৃদ্ধি; সমাজত প্রভাৱ; ধর্ম আৰু শিক্ষা; সংবাদ মাধ্যম আৰু চৰকাৰৰ সংঘর্ষ; মিচনেৰী সকলৰ অৱদান।

**অধ্যায় ১৫ ঃ ভাৰতত কৃষক আন্দোলন আৰু অন্যান্য** **১৩৫ - ১৪১**

কৃষক আন্দোলন আৰু কৃষক সভাৰ ভূমিকা; পথৰুঘাট আন্দোলন আৰু ফুলগুৰি ধাৱা, লাচিমা বিদ্রোহ, পাবনা বিদ্রোহ, সন্থাল বিদ্রোহ।

**প্রসংগ পুথি** **১৪০ - ১৪২**

## পাঠ্যবিষয়ৰ পৰিচয় ঃ প্ৰাচীন সভ্যতাৰ ইতিহাস

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ষাণ্মাসিক পদ্ধতিৰ স্নাতক (কলা) পাঠ্যক্ৰমৰ ষষ্ঠ ষাণ্মাসিকৰ ইতিহাসৰ প্ৰথমটো পাঠ্যবিষয় হৈছে *আধুনিক ভাৰতৰ সামাজিক আৰু অৰ্থনৈতিক ইতিহাস*। এই পাঠ্যবিষয়টোৰ অধ্যয়নে শিক্ষাৰ্থীসকলে উপনিৱেশিক শাসনৰ অধীনত সামাজিক আৰু অৰ্থনৈতিক। ইতিহাসৰ বিষয়ে জ্ঞাত কৰিব। এই পাঠ্যবিষয়টো দুটা খণ্ডত ভাগ কৰা হৈছে।

## খণ্ড পৰিচয় - ১

পাঠ্যবিষয়টোৰ এইটো হৈছে প্ৰথম খণ্ড। এই খণ্ডত মুঠ ১৫টা অধ্যায় আছে। এই খণ্ডটোত ভাৰতৰ অৰ্থনীতি, বাণিজ্যি, পৰম্পৰাগত উদ্যোগৰ বিষয়ে বহলভাৱে আলোচনা কৰা হৈছে।

প্ৰথম অধ্যায়টো হৈছে *১৮শ শতিকাত ভাৰতৰ অৰ্থনীতিৰ প্ৰকৃতি*। এই অধ্যায়টিত ইউৰোপীয় সকলৰ আগমণৰ পূৰ্বে ভাৰতত অৰ্থনীতিৰ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টো হৈছে *বণিকবাদ আৰু ঔপনিৱেশিক অৰ্থনীতি*। এই অধ্যায়টিত বণিকবাদ ব্যৱস্থা আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়টি হৈছে *ড্ৰেন তত্ত্ব আৰু ঔপনিৱেশিক সাম্ৰাজ্যবাদ*। এই অধ্যায়টিত ঔপনিৱেশিক শাসনৰ অধীনত হোৱা বাৱসায়ৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়টি হৈছে *ভূমি চুক্তি আৰু ৰাজহৰ ব্যৱস্থা।* এই অধ্যায়টোত ঔপনিৱেশিক শাসনৰ অধীনতভূমি ৰাজহ প্ৰশাসনৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়টি হৈছে *গ্ৰামীন ঋণ আৰু দুভিক্ষ*। এই অধ্যায়টিত গ্ৰামীন ঋণৰ কাৰকসমূহ আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়টি হৈছে *পৰম্পৰাগত উদ্যোগৰ পতন*। এই অধ্যায়টিত ঔপনিৱেশিক শাসনৰ অধীনত উদ্যোগীকৰণ হ্ৰাস হোৱা সময়ছোৱাৰ বিষয়ে আলোচনা কৰা হৈছে।

সপ্তম অধ্যায়টো হৈছে *কৃষিৰ বাণিজ্যিকীকৰণ* । এই অধ্যায়টিত বজাৰ অৰ্থনীতিৰ সম্প্ৰসাৰণ আৰু কৃষিৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান আৰ্হি প্ৰশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

## পাঠ্যবিষয়ৰ পৰিচয় ঃ *আধুনিক ভাৰতৰ সামাজিক আৰু অৰ্থনৈতিক ইতিহাস*।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ যাণ্মাসিক পদ্ধতিৰ স্নাতক (কলা) পাঠ্যক্রমৰ পঞ্চম যাণ্মাসিকৰ ইতিহাসৰ প্রথমটো পাঠ্যবিষয় হৈছে *আধুনিক ভাৰতৰ সামাজিক আৰু অৰ্থনৈতিক ইতিহাস*। এই পাঠ্যবিষয়টোৰ অধ্যয়নে শিক্ষার্থীসকলে উপনিৱেশিক শাসনৰ অধীনত সামাজিক আৰু অৰ্থনৈতিক। ইতিহাসৰ বিষয়ে জ্ঞাত কৰিব। এই পাঠ্যবিষয়টো দুটা খণ্ডত ভাগ কৰা হৈছে।

## খণ্ড পৰিচয় - ২

*আধুনিক ভাৰতৰ সামাজিক আৰু অৰ্থনৈতিক ইতিহাস* পাঠ্যবিষয়টোৰ এইটো হৈছে দ্বিতীয় খণ্ড। এই খণ্ডত মুঠ ৮টা অধ্যায় আছে। এই খণ্ডটিত বিভিন্ন অনুষ্ঠানৰ বৃদ্ধিৰ দ্বাৰা বিকাশ হোৱা আধুনিকতাৰ বিষয়ে বহলভাৱে আলোচনা কৰা হৈছে।

অষ্টম অধ্যায়টো হৈছে *ঔপনিৱেশিক ভাৰতত যোগাযোগ ব্যৱস্থাৰ বিকাশ*। এই অধ্যায়টোত পথ, জলসেৱা, ৰে'লসেৱা, ডাকসেৱা ইত্যাদিৰ বিকাশৰ বিষয়ে আলোচনা কৰা হৈছে। নৱম অধ্যায়টো হৈছে *ঔপনিৱেশিক ভাৰতত সামাজিক আৰু ন্যায়িক আন্তঃগাঁঠনিৰ বিকাশ*। এই অধ্যায়টোত আধুনিক শিক্ষা, স্বাস্থ্য আৰু আইনৰ বিকাশৰ বিষয়ে আলোচনা কৰা হৈছে। দশম অধ্যায়টো হৈছে *মুদ্রা আৰু বেংক ব্যৱস্থা*। এই অধ্যায়টোত মুদ্রা ব্যৱস্থা আৰু বেংকৰ উত্থানৰ বিষয়ে আলোচনা কৰা হৈছে। একাদশ অধ্যায়টো হৈছে *আধুনিক শিক্ষা ব্যৱস্থাৰ বিকাশ।* এই অধ্যাযটোত বৃটিছৰ শিক্ষানীতি, ধর্মপ্রচাৰকৰ সকলৰ অৰিহনা আৰু মুখ্য ভাৰতীয় শিক্ষাবিদৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায়টো হ'ল *মধ্যবিত্ত শ্রেণীৰ উত্থান*। এই অধ্যায়টোত মধ্যবিত্ত শ্রেণীৰ অর্থ, উত্থান আৰু প্রভাৱৰ বিষয়ে আলোচনা কৰা হৈছে। ত্রয়োদশ অধ্যায়টো *সংস্কাৰ আৰু নাৰী*। এই অধ্যায়টোত সমাজ সংস্কাৰ আন্দোলনৰ নাৰীৰ ওপৰত প্রভাৱ আৰু স্বাধীনতা সংগ্রামত নাৰীৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে। চর্তুদশ অধ্যায়টো *ছপা মাধ্যমৰ আগমন*। এই অধ্যায়টোত সংবাদ মাধ্যমৰ প্রাৰম্ভ আৰু ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰা হৈছে। পঞ্চদশ অধ্যায়টো *ভাৰতত কৃষি আন্দোলন আৰু অন্যান্য*। এই অধ্যায়টোত ঔপনিৱেশিক ভাৰতত ঘটিত হোৱা কৃষিভিত্তিক আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আর্হি প্রশ্ন' হিচাপে কেইটিমান আর্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

# অধ্যায় ১ ঃ ১৮ শ শতিকাত ভাৰতৰ অর্থনীতিৰ প্রকৃতি

## অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ১৮ শ শতিকাৰ আগৰ পৰম্পৰাগত ভাৰতীয় অর্থনীতিৰ অৱস্থা
- কৃষি গাঁথনি
- জলসিঞ্চন ব্যৱস্থা

১.৪ ইউৰোপীয় সকলৰ আগমণ আৰু ভাৰতীয় অর্থনীতিত প্রভাৱ
- ৰাষ্ট্রীয় বজাৰ ব্যৱস্থাৰ আৰম্ভণী

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্রগতিৰ খতিয়ান
১.৮ আৰ্হি প্রশ্ন

## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৮ শ শতিকাৰ ভাৰতীয় অর্থনীতিৰ প্রকৃতি ব্যাখ্যা কৰিব পাৰিব,
- স্ব-নির্ভৰশীল গ্রাম্য অর্থনীতিৰ মূল বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব,
- বাণিজ্য আৰু অর্থনীতিৰ ক্ষেত্রত ইউৰোপীয় সকলে অনা পৰিৱর্তন সমূহ আলোচনা কৰিব পাৰিব।

## ১.২ পৰিচয়

এই অধ্যায় হৈছে পাঠ্যবিষয় 'আধুনিক ভাৰতৰ সামাজিক আৰু অর্থনৈতিক ইতিহাস'ৰ প্রথম খণ্ড। এই অধ্যায়ত আমি ১৮ শ শতিকাৰ আগৰ ভাৰতীয় অর্থনীতিৰ অৱস্থাৰ বিষয়ে আৰু লগতে ভাৰতীয় অর্থনীতিত বৃটিছৰ আগমনৰ প্রভাৱৰ ওপৰত আলোচনা কৰিম।

অর্থনৈতিক ইতিহাস হৈছে আমাৰ অতীতৰ বিকাশৰ অধ্যয়ন, বিশেষকৈ অর্থনীতি, শ্রমিক আৰু ব্যৱসায়ৰ লগত সম্পর্ক। উদাহৰণস্বৰূপে, কোনো দেশৰ অর্থনৈতিক বিকাশ, ব্যৱসায়িক প্রতিষ্ঠানৰ উত্থান আৰু কামৰ সংগঠন আদি ইয়াৰ অন্তর্ভুক্ত। সি সময়ত অর্থনৈতিক ইতিহাসে ব্যাপকভাৱে অর্থনীতি আৰু ইতিহাসৰ লগত ইয়াৰ নিকট সম্পর্ক অংকন (draw) কৰে, ইয়াৰ অন্তিম শক্তি এক বহল পৰিসৰৰ সমাজ বিজ্ঞান আৰু ব্যৱসায়িক বিষয়ৰ আদি শিক্ষাৰ বিশাল বিষয়ৰ লগত জড়িত হৈ আছে। ই নানা তৰহৰ কিন্তু আমাৰ অতীতৰ অর্থনীতি বুজি উঠাৰ কায চপাই নিয়ে, যি তত্ব, ধাৰণা আৰু এক বহল পৰিসৰৰ ইতিহাসিক তথ্য প্রকাশ কৰে। আধুনিক ভাৰতৰ অর্থনৈতিক ইতিহাসৰ অধ্যয়নৰ আৰম্ভণী অতি শেহতীয়া। ইতিহাস প্রণয়নৰ প্রাৰম্ভিক পর্যায়ত

নিচেই কম ইতিহাসবিদে ৰাজনৈতিক আৰু অৰ্থনৈতিক ইতিহাসৰ সংযোগক কেৱল অৰ্থনৈতিক অৱস্থাৰ এক অধ্যায় হিচাপে অব্যাহত আছিল বুলি স্বীকৃতি দিছিল। অৰ্থনীতিৰ কাৰণ আৰু ফলাফলক কেতিয়াও বিশ্লেষণ কৰা নাছিল।

ঔপনিবেশিক অৰ্থনীতিৰ বৈশিষ্ট্য পৰীক্ষা কৰি এই অধ্যায়ত ভাৰতীয় অৰ্থনীতিক একচেটিয়া বাণিজ্য কৌশলৰ লগত তীক্ষ্ণ মনোযোগেৰে ঔপনিবেশিকীকৰণ কৰাৰ প্ৰক্ৰিয়া, বৃটেইনত ভাৰতত উৎপাদিত সামগ্ৰী নিষিদ্ধ কৰা, শিল্প বিপ্লৱৰ পাছত বাণিজ্যৰ প্ৰকাৰ সলনি কৰা আৰু ভাৰতত বিদেশী ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰৱেশ আদি আলোচনা কৰা হৈছে। ইয়াত লগতে বহুলভাৱে ভূমি বন্দোৱস্তি, ৰাজহ নীতি, কৃষিৰ বাণিজ্যিকীকৰণ, হস্তশিল্পৰ অৱনতি, জলসিঞ্চনৰ অৱস্থা, যোগাযোগ, পৰিৱহণ আৰু মুদ্ৰাৰ বিকাশৰ বিষয়ে আলোচনা কৰা হৈছে। শেষত ই বৃটিছ শাসনৰ প্ৰভাৱ আৰু সম্পদ, অৰ্থনীতি নিৰ্গতৰ বিষয়টো মূল্যায়ণ কৰে।

## ১.৩ ১৮ শ শতিকাৰ আগৰ পৰম্পৰাগত ভাৰতীয় অৰ্থনীতিৰ অৱস্থা

কৃষিৰ ওপৰত প্ৰতিস্থিত স্ব-নিৰ্ভৰশীল গাঁও হিচাপে আদিম গৰু-ম'হৰ সহায়ত হাল-বোৱা আৰু হস্ত শিল্প সাধাৰণ সঁজুলীৰ দ্বাৰা কৃষি কাৰ্য সম্পন্ন কৰা। বৃটিছ শাসনৰ আগৰ পৰম্পৰাগত ভাৰতীয় সমাজৰ মূল বৈশিষ্ট্য আছিল। মৌলিক অৰ্থনৈতিক গোট হিচাপে স্ব-নিৰ্ভৰশীল গাঁও সমূহ ভাৰতত শতিকা জুৰি বিৰাজ কৰিছিল আৰু সামান্য সালসলনিৰ বাহিৰে সকলো ৰাজনৈতিক জোকাৰণি, ধৰ্মীয় অস্থিৰতা আৰু ধ্বংসাত্মক যুদ্ধৰ বাহিৰে বৃটিছ সকলৰ আগমণলৈকে বৰ্তি আছিল। গাঁওৰ জনসংখ্যা প্ৰধানকৈ কৃষকেৰে গঠিত। গাঁও সমিতি, যি বাস্তৱ ক্ষেত্ৰত গাঁৱৰ মাটিৰ মালিক আছিল তেওঁলোকে গ্ৰাম্য সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰিছিল, এই মাটি সমূহ কৃষক পৰিয়ালবোৰৰ মাজত ভূ-সম্পত্তিৰ স্বত্ব হিচাপে ভগাই দিছিল। প্ৰতিটো ভূমি-স্বত্বক কৃষক পৰিয়ালৰ সামূহিক সদস্যৰ যোগেদি আদিম হাল আৰু গৰু-ম'হৰ যোগেদি খেতি কৰা হৈছিল। কৃষক পৰিয়াল সমূহে এক পৰম্পৰাগত উত্তৰাধিকাৰীসূত্ৰে ভূমি স্বত্বৰ অধিকাৰ এটা প্ৰজন্মৰ পৰা আনটোলৈ ভোগ কৰিছিল। কৃষিভিত্তিক উৎপাদনৰ ভাৰতৰ গাঁওসমূহৰ এই কৃষিভিত্তিক উৎপাদনৰ গাঁথনিটো শতিকাজুৰি এনেকৈ অহস্তক্ষেপযুক্ত হৈ আছিল। কোনো সম্ৰাটেই কেতিয়াও গ্ৰাম্য গোটৰ গাঁৱৰ মাটিৰ ওপৰত থকা গতানুগতিক অধিকাৰক প্ৰত্যাহ্বান জনোৱা নাছিল। তদুপৰি গাঁৱৰ উৎপাদন গাঁৱৰ প্ৰয়োজনৰ কাৰণে আৰু এই উৎপাদনৰ এটা অংশ যাক সেই সময়ৰ মালিকক (Lord) আত্মসমৰ্পণ কৰা-সম্ভৱতঃ দিল্লী সম্ৰাটৰ চুবা (Suba) অথবা পুণা পেছোৱাৰ চৰ্দাৰ (Sardar) বাহিৰে গোটেই উৎপাদনক খেতিয়ক বা অনা-খেতিয়ক মানুহে প্ৰায় থলুৱাভাৱে গ্ৰহণ কৰিছিল। কৃষক পৰিয়ালৰ উপৰিও, গাঁৱৰ জনসংখ্যাত ঔদ্যোগিক বনুৱা যেনে - কমাৰ, বাঢ়ৈ, কুমাৰ, শিপীনি, মুচি, ধোবা, তেলী, নাপিত আৰু অন্যান্য অন্তৰ্ভুক্ত আছিল। এই সকলোৱে গাঁওবাসীৰ প্ৰয়োজন পূৰণৰ বাবে প্ৰায় আছুতীয়াভাৱে কাম কৰিছিল। গাঁওসমূহৰ বাহিৰৰ পৃথিৱী অথবা গাঁওসমূহৰ মাজত কোনো লক্ষণীয় বিনিময় সম্পৰ্ক নাছিল, কোনো উল্লেখনীয় বজাৰ দেখা নগৈছিল। গ্ৰাম্য অৰ্থনৈতিক জীৱনৰ আন এটা বৈশিষ্ট্য হৈছে কৃষি আৰু ঔদ্যোগৰ অপৰ্যাপ্ত পাৰ্থক্যৰ ভিত্তিত নিম্ন স্তৰৰ শ্ৰমৰ বিভাজন, এনেকৈ অৰ্থনৈতিকভাৱে গাঁওসমূহ প্ৰভাৱিত কৰা ধৰণে পূৰ্ণসাৰ্বভৌমত্ব(Autarchic) প্ৰধানকৈ থলুৱা শ্ৰমিক আৰু সম্পদৰ দ্বাৰা প্ৰস্তুত কৰা থলুৱা উৎপাদন প্ৰায় থলুৱাভাৱে গ্ৰহণ কৰা (Consume) হৈছিল। যি এক সামান্য বাণিজ্য বৰ্তি আছিল তাত গাঁও আৰু বাহিৰৰ বিশ্বৰ লগত নিচেই সামান্য বিনিময় হৈছিল আৰু যি সামান্য বাণিজ্য চলোৱা হৈছিল সাধাৰণতে

সপ্তাহৰ এটা নিৰ্দিষ্ট দিনত একোখন ডাঙৰ গাঁৱৰ বজাৰত য'ত ভিন্ন কেন্দ্ৰৰ পৰা অনা যথেষ্ট সংখ্যক সামগ্ৰী বিক্ৰি কৰা হৈছিল।

- **কৃষি গাঁথনি**

  এইটো সাধাৰণতে ধৰা হয় যে বৃটিছ যুগৰ আগৰ ভাৰতৰ গ্ৰাম্য সমাজৰ কৃষিভিত্তিক গাঁথনি আছিল স্ব-নিৰ্ভৰশীল গ্ৰাম্য গোটৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা কৃষি। সাধাৰণ কৃষিৰ সঁজুলী আৰু হাতেৰে চলোৱা সঁজুলীকেই জনা গৈছিল। কাঁচি আৰু হাল, কৰত আৰু বটালী, সূঁতা কটা যঁতৰ আদিৰে পুৰুষ পুৰুষ ধৰি সেৱা আগবঢ়াইছিল। গাঁৱৰ শিল্পী-কাৰিকৰসকলে থলুৱাভাৱে কেঁচা সামগ্ৰী লাভ কৰিছিল। যেনে-কাঠ,বোকা মাটি আৰু জন্তুৰ ছাল যাক তেওঁলোকৰ শিল্পৰ কাৰণে প্ৰয়োজন হৈছিল। কাঠ গাঁৱৰ পৰিধিত থকা জংঘলৰ পৰা অপৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল। গাঁৱৰ মৃত জন্তুৰ শবোৰে মুচিক চালৰ যোগান ধৰিছিল। দেশৰ প্ৰায় সকলো অংশতে কঁপাহ উৎপন্ন হৈছিল। সবৰ্তোপ্ৰকাৰে গাঁওসমূহে গ্ৰাম্য শিল্প উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচা সামগ্ৰীৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰশীল আছিল।

  যিহেতু ৰজা নাইবা মধ্যস্থতাকাৰী যেনে জমিদাৰ, জাগিৰদাৰ, ধৰ্মীয় আৰু দাতৰ সংস্থা কোনোৱেই মাটিৰ মালিক নাছিল, শাসক সকলৰ মাজত সংঘটিত হোৱা সকলো সংঘাত গ্ৰাম্য উৎপাদনৰ অংশৰ কাৰণে হৈছিল। এনেকৈ ভাৰতীয় সামন্তবাদ এই বিষয়ত ইউৰোপীয় সামন্তবাদতকৈ পৃথক আছিল যে ইয়াৰ অধীনত কোনো ব্যক্তিগত সম্পত্তি নাছিল। বৃটিছ সকলৰ আগৰ যি সামন্ত অভিজাতসকল বিৰাজ কৰিছিল তেওঁলোকক ৰজাই কেৱল এক নিৰ্দিষ্ট সংখ্যক গাঁৱৰ ওপৰত যথাযোগ্য ৰাজহ সংগ্ৰহৰ অধিকাৰ প্ৰদান কৰিছিল। বৃটিছ যুগৰ আগৰ ভাৰতীয় সমাজত কেতিয়াও জমিদাৰী সংস্থা নাছিল। আচল কথাটো হৈছে যে দয়ালু বা স্বেচ্ছাচাৰী, হিন্দু, বৌদ্ধ অথবা মুছলীম সকলো প্ৰকাৰৰ ৰজায়েই গ্ৰাম্য গোটসমূহক তেওঁলোকৰ ভূমিৰ স্বত্বৰ পৰা বঞ্চিত কৰিব বিচৰা নাছিল আৰু তেওঁলোকৰ ওপৰত এক শ্ৰেণীৰ মাটিৰ মালিক সৃষ্টি কৰিব বিচৰা নাছিল, লগতে এটা কথা দৃঢ়তাৰে প্ৰতিপন্ন কৰিব খোজা হৈছিল যে মাটিক ৰজাৰ সম্পত্তি হিচাপে গণ্য কৰা নহৈছিল, গ্ৰাম্য গোটসমূহ মাটিৰ প্ৰকৃত মালিক আছিল আৰু ৰাষ্ট্ৰ অথবা ৰজাৰ কেৱল গাঁৱৰ বাৰ্ষিক উৎপাদনৰ এটা অংশৰ ওপৰতহে দাবী আছিল।

  অন্য হাতেদি, তাত মাটিৰ ওপৰত কৃষকসকলৰ ব্যক্তিগত মালিকীস্বত্বও নাছিল। ই ইয়াকে বুজাই যে বৃটিছ যুগৰ আগৰ ভাৰতীয় সমাজত কোনো মাটিৰ ব্যক্তিগত মালিকীস্বত্ব বিৰাজ কৰা নাছিল।

- **জলসিঞ্চন ব্যৱস্থা**

  ভাৰতত কেইবা শতিকা জুৰি জলসিঞ্চন ব্যৱস্থা অৱলম্বন কৰা হৈছিল। কিন্তু এইটো নিৰ্ধাৰণ কৰাটো কঠিন যে ভাৰতত প্ৰকৃততে কেনেকৈ জলসিঞ্চন ব্যৱস্থাৰ আৰম্ভ হৈছিল? ভাৰতত আমি জনা আটাইতকৈ আগৰ জলসিঞ্চন ব্যৱস্থাৰ অন্তৰ্ভুক্ত আছিল হৰপ্পাৰ জলসিঞ্চন আৰু ইমানগাঁও (মহাৰাষ্ট্ৰ) অঞ্চলৰ। হৰপ্পা আৰু মহেঞ্জোদাৰো সভ্যতা (খ্ৰীষ্টপূৰ্ব ২৫০০) যি বেবিলনৰ "সাৰুৱা কাঁচিজোন" (fertile crescent) আৰু নৰ প্ৰস্তু সভ্যতাৰ উৎস স্থান নীল (Nile) ৰ সৈতে প্ৰতিযোগী আছিল জলসিঞ্চনৰ ওপৰত ভৰসা কৰিছিল। ইয়াত কিছু পৰিমাণে সন্দেহ আছে যে লোৰ আৱিষ্কাৰ আৰু প্ৰায় ৩০০০ বছৰৰ আগৰ ইয়াৰ বহুল ব্যৱহাৰৰ পাছত জলসিঞ্চন ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ প্ৰেৰণা লাভ কৰিছিল। জলসিঞ্চন ব্যৱস্থা নানা তৰহৰ প্ৰাকৃতিক অৱস্থাৰ কাৰণে উপযোগীকৈ ব্যপকতা লাভ

কৰিছিল। এতিয়াও বিৰাজ কৰি থকা কিছুমান পদ্ধতি সম্ভৱত সেই সময়তে সৃষ্টি হোৱা। ভাৰতত বিচাৰি পোৱা তিনিটা আটাইতকৈ গতানুগতিক ধৰণৰ পৰম্পৰাগত কাম হৈছে — সুঁতিৰ গতিপথ সলনি কৰা, মাটিৰ উপৰিভাগত থকা জলনিষ্কাষণৰ টেংক (tank) আৰু নাদ। দক্ষিণ ভাৰতত ডাঙৰ নদীসমূহৰ গতিপথ সলনি কৰা আটাইতকৈ চমৎকাৰী বিকাশৰ ধাৰা দেখা গৈছিল। গিয়াচুদ্দিন টোঘলক (১২২০-১২৫০) প্ৰথম শাসক হিচাপে যি পানীৰ নলা খন্দাক উৎসাহিত কৰিছিল বুলি বিশ্বাস কৰা হয়। ফিৰোজ টোঘলকক (১৩৫১-৮৬) আটাইতকৈ মহান নলা নিৰ্মাতা হিচাপে গণ্য কৰা হয়। পোন্ধৰ শ শতিকাত দক্ষিণ ভাৰতৰ বিজয়নগৰ সাম্ৰাজ্যৰ উত্থান আৰু বিস্তাৰৰ এক প্ৰধান কাৰক জলসিঞ্চন বুলি কোৱা হয়। বাবৰে, তেওঁৰ আত্মজীৱনী 'বাবৰনামা'ত সেই সময়ত প্ৰচলিত জলসিঞ্চন ব্যৱস্থাৰ এক স্পষ্ট বৰ্ণনা দি থৈ গৈছে। গবৰ বান্ধে ইয়াৰ দাঁতি কাষৰীয়া পৰ্বতবোৰৰ পৰা বাৰ্ষিক বৈ অহা পানী ধৰি ৰাখি আৰু জমা কৰি কৃষিভূমি অঞ্চলত উভৈনদী কৰি তুলিছিল। নলা সমূহৰ গতি সলনি কৰাৰ (diversion) মূল লক্ষ্য অঞ্চলভেদে পৃথক আছিল। হিমালয়ৰ কাষৰ সমতলভূমিত, য'ত ঢাল (slope) উচ্চ, সেইসমূহ মূলত জলসিঞ্চনৰ কাৰণে। কিন্তু গংগা ব-দ্বীপৰ মোহনা ওচৰত য'ত গোটেই বেংগল অন্তৰ্ভুক্ত, মূল উদ্দেশ্য আছিল জল নিষ্কাষণ ব্যৱস্থা আৰু বান নিয়ন্ত্ৰণ, যদিও জলসিঞ্চনৰ প্ৰয়োজনীয়তা এই নলাৰ যোগেদি পূৰণ কৰা হৈছিল। এই নলাসমূহক ইয়াত 'জল নিষ্কাষণৰ নলা' হিচাপে জনা গৈছিল। পিডমণ্ট নলা (Piendmont canal) ৰ দৰে, যাৰ অন্তৰ্বস্তু সঘনাই ভূমিভাগ হেলনীয়া কাৰণে খহনীয়া হৈছিল, বানপানী প্ৰৱণ সমতলভূমিৰ পানী খাল বা নলাসমূহে ধৰি ৰাখিছিল আৰু 'পদ্ধতিগত টেংক'ৰ দৰে কৃটিম জলাশয় অপ্ৰয়োজনীয়। উইলকক্স (Wileox ১৯৩০) ৰ মতে আজিকালিৰ কিছুমান প্ৰধান নদী মূলত কৃত্ৰিম নলা আছিল। এই ব্যৱস্থাটোৰ প্ৰাচীনতাৰ দিন বা তাৰিখ নিৰ্ধাৰণ কৰিব নোৱাৰি। কিন্তু প্ৰযুক্তিগত দিশে ইয়াকে সূচায় যে এইসমূহ বেছ পুৰণি আছিল। সিন্ধু সভ্যতাৰ সম্ভৱত মনত নপৰা সময়ৰে পৰা প্লাৱিত হোৱা নলাৰ ব্যাপক ব্যৱস্থা আছিল। কিন্তু গংগা উপত্যকাৰ বেছি অংশই কেৱল ৰাজকীয় স্মৃতিসৌধ আছিল, সম্ভৱত পশ্চিমবংগৰ আৰম্ভণী, কিন্তু কুখ্যাতমূলকভাৱে অভিযান্ত্ৰিক দিশত দুৰ্বল আৰু জলসিঞ্চনৰ সাফল্যৰ ক্ষেত্ৰত নিচেই নগণ্য কৃতকাৰ্যতা লাভ কৰিছিল।

### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** কৃষি কাৰ্যত ব্যৱহাৰ হোৱা কেইবিধমান সঁজুলিৰ নাম লিখক।

.....

**প্ৰশ্ন নং ২ ঃ** সেই সময়ত প্ৰচলিত জলসিঞ্চন ব্যৱস্থাসমূহ কি কি?

.....

**প্ৰশ্ন নং ৩ ঃ** কোনজন শাসকক নলা খন্দাৰ বাবে প্ৰেৰণা যোগোৱাৰ প্ৰথম কৃতিত্ব দিয়া হয়।

.....

## ১.৪ ইউৰোপীয় সকলৰ আগমণ আৰু ভাৰতীয় অৰ্থনীতিত প্ৰভাৱ

ইউৰোপীয় বণিক শক্তিসমূহৰ ভাৰতত প্ৰৱেশ ভাৰতৰ বাণিজ্য আৰু অৰ্থনীতিৰ কাৰণে এক মাইলৰ খুঁটি

আছিল। ভাৰতে বিদেশী বণিকসকলৰ লগত প্ৰাৰম্ভিক শতিকাসমূহত বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰিছিল। কিন্তু আগতে আহি ভাৰতত থাকি ভাৰতৰ পৰা সক্ৰিয় বাণিজ্য চলোৱা বিদেশী বণিক আৰু ১৬ আৰু ১৭ শ শতিকাত ভাৰতলৈ অহা ইউৰোপীয় সকলৰ মাজত বৃহৎ পাৰ্থক্য আছে। প্ৰাৰম্ভিক বিদেশী বণিকসকলৰ কেৱল বাণিজ্যিক অভিপ্ৰায় আছিল আৰু ঘৰুৱা চৰকাৰৰ নিচেই কম বা কোনো সমৰ্থন নাছিল। সময়ৰ গৰাহত সেই ইউৰোপীয় বণিক শক্তিসমূহৰ বাণিজ্যিক অভিপ্ৰায় ভৌগোলিক উচ্চাকাংক্ষালৈ সলনি হৈছিল আৰু ১৮ শ শতিকাৰ শেষৰ ফালে ভাৰতৰ এক অধিকাংশ ৰপ্তানিকাৰীৰ পৰা ঔদ্যোগত তৈয়াৰী সামগ্ৰীৰ এক বৃহৎ আমদানীকাৰী দেশলৈ পৰিৱৰ্তন হৈছিল।

যি কি নহওক বৃটিছ সকলৰ ভাৰত অধিগ্ৰহণ এক সুকীয়া ধৰণৰ আছিল। ই আছিল ভাৰতক এখন আধুনিক ৰাষ্ট্ৰই অধিকাৰ কৰা যি নিজ দেশত সামন্তবাদ উচ্ছেদ কৰিছিল আৰু পুঁজিবাদৰ উত্থান আৰু বিস্তাৰৰ যোগেদি এখন আধুনিক ৰাষ্ট্ৰ গঠন কৰিছিল। যিহেতু, অতীতৰ সলনি ভাৰতক এতিয়া এখন পুঁজিবাদী দেশে শাসন কৰিছিল, এই শাসনৰ অৰ্থনৈতিক গাঁথনিত এক গভীৰ প্ৰভাৱ পৰিছিল। ভাৰতত প্ৰগতিশীল বৃটিছ অধিকাৰৰ ইতিহাস সেইবাবে একে সময়তে বৃটিছ শাসনৰ আগৰ সামন্তবাদী অৰ্থনীতিৰ পৰা এক পুঁজিবাদী অৰ্থনীতিলৈ প্ৰগতিশীল পৰিৱৰ্তনৰ ইতিহাস যদিও নিখুঁত নাছিল, বিকৃত আছিল। ই পুৰণি ঔদ্যোগৰ ভূমি ব্যৱস্থাৰ লগত জড়িত পুৰণা শ্ৰেণীটোৰ ধ্বংসৰ সৈতে নতুন ভূমি ব্যৱস্থা আৰু নতুন আধুনিক ঔদ্যোগসমূহৰ লগত জড়িত এক নতুন শ্ৰেণীৰ উত্থানৰ লগত বান্ধ খাই আছিল। গ্ৰাম্য গোটসমূহৰ ঠাইত আধুনিক কৃষক মালিক আৰু জমিদাৰ, দুয়ো মাটিৰ ব্যক্তিগত মালিকৰ আবিৰ্ভাৱ হ'ল। যেতিয়া বৃটিছ শাসনৰ অধীনত আধুনিক ঔদ্যোগ আৰু পৰিবহণ ব্যৱস্থাৰ উত্থানৰ লগত শিল্পী আৰু হস্তশিল্পৰ কাৰিকৰ সকলৰ শ্ৰেণীটো নাইকীয়া হৈছিল, এক শ্ৰেণীৰ পুঁজিপতি, ঔদ্যেগিক আৰু পৰিৱহণৰ শ্ৰমিক, কৃষি বনুৱাৰ শ্ৰেণী, ভাৰাতীয়া মাটি ব্যৱহাৰ কৰা শ্ৰেণী, আধুনিক ভাৰত আৰু বিদেশী ঔদ্যোগৰ উৎপাদিত সামগ্ৰীৰ বেপাৰৰ লগত জড়িত এক শ্ৰেণীৰ আবিৰ্ভাৱ হৈছিল।

১৬০০ খৃঃৰ পৰা ১৮৫৭ খৃঃলৈ ইষ্ট ইণ্ডিয়া কোম্পনীয়ে এটা ব্যৱসায়িক প্ৰতিষ্ঠান হিচাপে ভূমিকা পালন কৰিছিল। তেওঁলোকে ভাৰতলৈ সামগ্ৰী অথবা মূল্যৱান পদাৰ্থ আনিছিল আৰু সেইবোৰ ভাৰতীয় সামগ্ৰী, যেনে— কাপোৰত বোৱা সূতা আৰু মছলা আদিৰ লগত সাল-সলনি কৰিছিল। ভাৰতীয় এই সামগ্ৰীবিলাক কোম্পানীয়ে বিদেশত বিক্ৰী কৰি লাভৱান হৈছিল

কিন্তু ভাৰতীয় সূতাই বৃটেইনত যি জনপ্ৰিয়তা পাইছিল তাত তেওঁলোক সুখী নাছিল। বৃটিছ কাৰিকৰবিলাকে ভাৰতীয় এই সামগ্ৰীবিলাকৰ ইংলণ্ডত বিক্ৰী সীমাবদ্ধ আৰু নিষেধ কৰিবলৈ তেওঁলোকৰ চৰকাৰক হেঁচা প্ৰয়োগ কৰিছিল। ১৭২০ খৃঃৰ ভিতৰতে আইন বলৱৎ কৰি চাপাত মৰা বা ৰং দিয়া সূতাৰ কাপোৰ পিন্ধা বা ব্যৱহাৰ কৰা নিষিদ্ধ কৰিছিল। তদুপৰি সাধাৰণ কাপোৰ আমদানিৰ ক্ষেত্ৰত অতিমাত্ৰা কৰ আৰোপ কৰিছিল। এই আইনবিলাক থকা স্বত্বেও ভাৰতীয় চিল্ক আৰু কাপোৰ বোৱা কপাহৰ চাহিদা বিদেশৰ বজাৰত ১৮শ শতিকাৰ মাজভাগলৈকে আছিল। ফলশ্ৰুতিত বৃটিছৰ কাপোৰ বোৱা কাৰখানাত নতুন কৌশল প্ৰয়োগ কৰি উৎপাদন আৰম্ভ কৰিবলৈ লৈছিল।

১৭৫৭ চনৰ পলাশী যুদ্ধৰ পাছত বঙ্গখন ইষ্ট-ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়, তাৰ পাছৰ পৰা তেওঁলোকে বংগত উৎপাদন আৰু বাণিজ্যৰ প্ৰভাৱ বিস্তাৰ কৰিব ধৰিলে। ই ব !ৰ ৰাজহ ব্যৱস্থা প্ৰয়োগ কৰি ভাৰতীয় সামগ্ৰীত

ৰপ্তানি অব্যাহত ৰাখিলে। কোম্পানীয়ে ব !ৰ শিপিনীবিলাকক কম দামত, আনকি লোকচান কৰি হ'লেও তেওঁলোকৰ উৎপাদিত সামগ্রী বিক্রী কৰিবলৈ হেঁচা দিলে। তেওঁলোকৰ বহুতকেই কম হাজিৰাত কোম্পানীৰ হকে কাম কৰিবলৈ বাধ্য কৰাইছিল আৰু ভাৰতীয় ব্যৱসায়ীসকলৰ হকে কাম কৰাত নিষেধাজ্ঞা জাৰি কৰিছিল। কোম্পানীৰ কর্মকর্তাসকলে কপাহৰ কেঁচা সামগ্রীৰ বিক্রী কাকো নিদি নিজে ভোগ কৰিছিল আৰু ব !ৰ শিপিনীসকলক ইয়াৰ বাবে অধিক দাম ভৰিবলৈ বাধ্য কৰিছিল। সেই একে সময়তে ভাৰতীয় সূতা ইংলণ্ডত প্রৱেশ কৰাৰ ক্ষেত্রত অতিমাত্রা কৰ ভৰিবলগীয়া হৈছিল। ভাৰতীয় তাঁত শিল্পত প্রকৃত আঘাত হানিছিল ১৮১৩ খৃঃৰ পাছত, যেতিয়া বিদেশ আৰু লগতে ভাৰততো ইয়াৰ চাহিদা নোহোৱা হৈছিল।

বৃটেইনৰ ঔদ্যোগিক বিপ্লৱে বৃটেইনৰ অর্থনীতিত প্রভূত পৰিৱর্তন আনি ভাৰতৰ সৈতেও আর্থিক সম্পর্কৰ সলনি ঘটালে। ঔদ্যোগিক বিপ্লৱে ইংলণ্ডৰ এক শ্রেণীৰ শক্তিশালী কর্মকর্তাৰ সৃষ্টি কৰিলে আৰু সি ভাৰতীয় প্রশাসন তথা ইয়াৰ নীতিত প্রভাৱ পেলালে। যিহেতু এই শ্রেণীটোৰ সংখ্যা আৰু শক্তি তথা ৰাজনৈতিক প্রভাৱ বৃদ্ধি পালে, ই কোম্পানীৰ ব্যৱসায়িক আধিপত্যক সমালোচনা কৰিবলৈ ধৰিলে। যিহেতু এই নতুন শ্রেণীটোৰ লাভ উৎপাদনৰ পৰাহে হৈছিল, বাণিজ্যৰ পৰা নহয়; ই উৎপাদিত সামগ্রীৰ আমদানিত উৎসাহ নিদি ভাৰতলৈ নিজা উৎপাদিত সামগ্রীৰ ৰপ্তানিতহে গুৰুত্ব দিলে আৰু লগতে ভাৰতৰ পৰা কপাহ আদি কেঁচা সামগ্রীৰ আমদানিতো গুৰুত্ব আৰোপ কৰিলে। ১৭৬৯ খৃঃত এক আইনৰ জৰিয়তে বৃটিছ উদ্যোগপতিসকলে কোম্পানীক ৩৮০,০০ পাউণ্ডতকৈ অধিক মূল্যৰ বৃটিছ উৎপাদিত সামগ্রী প্রতি বছৰে বিক্রী কৰিবলৈ বাধ্য কৰালে। ১৭৯৩ খৃঃত তেওঁলোকে কোম্পানীক প্রত্যেক বছৰে ৩০০০ টন সামগ্রী জাহাজেৰে পাৰ কৰোৱাৰ অনুমতি প্রদান কৰিবলৈ বাধ্য কৰালে। ফলস্বৰূপে বৃটিছ কপাহৰ ৰপ্তানি পূর্বত, বিশেষকৈ ভাৰতত বাঢ়িল। কিন্তু তথাপি বৃটিছ কর্মকর্তাসকল সুখী হোৱা নাছিল। ১৭৯৩ খৃঃৰ পৰা ১৮১৩ খৃঃলৈ তেওঁলোকে কোম্পানী আৰু বাণিজ্যিক সুবিধাবিলাকৰ বিৰুদ্ধে শক্তিশালী প্রচাৰ চলাইছিল। শেষত ১৮১৩ খৃঃত ভাৰতীয় বাণিজ্যত কোম্পানীৰ আধিপত্য ৰদ কৰিবলৈ সক্ষম হৈছিল।

ইয়াৰ ফলশ্রুতিত বৃটিছ সামগ্রী আহি ভাৰতৰ বজাৰত ভৰি পৰিছিল। ভাৰতীয় তাঁত শিল্প উদ্যোগৰ লোকচান হৈছিল; কিয়নো ইংলণ্ডৰ পৰা আহা মেচিনত তৈয়াৰ কৰা সামগ্রীৰ সৈতে ই ফেৰ মাৰিব পৰা নাছিল। চৰকাৰেও এই উদ্যোগবিলাক বর্তাই ৰাখিবলৈ বিশেষ একো কৰা নাছিল। তদুপৰি ভাৰতত স্থাপন কৰা মুকলি বজাৰ একপক্ষীয় আছিল। বিদেশী সামগ্রী ভাৰতলৈ সহজে আহিব পাৰিছিল; কিন্তু ভাৰতীয় সামগ্রী বৃটেইনত প্রৱেশ কৰিবলৈ হ'লে অতিমাত্রা কৰ দিবলগীয়া হৈছিল। মেচিন উদ্যোগৰ উত্থান তথা ভাৰতীয় সামগ্রীৰ ওপৰত অতিৰিক্ত কৰ আৰোপ আদি কাৰণত ভাৰতীয় সামগ্রীৰ বিদেশলৈ ৰপ্তনি বাৰুকৈ কমি গৈছিল। ভাৰতক তেতিয়া কপাহ, চিল্ক আদিৰ কেঁচা সামগ্রী ৰপ্তানি কৰিবলৈ বাধ্য কৰোৱা হ'ল যাতে সেইবিলাকে বৃটিছ উদ্যোগৰ চাহিদা পূৰণ কৰিব পাৰে। চীন দেশে বাধা আৰোপ কৰা সত্ত্বেও বৃটিছে ভাৰতীয় আফিং চীনত বিক্রী কৰাত উৎসাহ যোগাইছিল। ১৯ শ শতিকাৰ শেষৰ ফালে ভাৰতীয় ৰপ্তানি সামগ্রী বিলাকৰ ভিতৰত কেঁচা কপাহ, মৰাপাট আৰু চিল্ক, তেলজাতীয় শস্য, গম, চামৰা, নীল আৰু চাহ আছিল।

এনেকৈয়ে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাণিজ্যিক নীতি ১৮১৩ খৃঃৰ পাছত বৃটিছ উদ্যোগৰ চাহিদা অনুযায়ী পৰিচালিত হৈছিল। ইয়াৰ প্রধান লক্ষ্য আছিল ভাৰতক বৃটিছ উৎপাদিত সামগ্রী ক্রয় কৰোৱা আৰু ভাৰতীয় কেঁচা সামগ্রী বৃটেইনলৈ চালান দিয়া।

বৃটিছে ভাৰতত কিছুমান ধন সম্পদ বৃটেইনলৈ ৰপ্তানি দিছিল কিন্তু তাৰ বিনিময়ত ভাৰতে উচিত মূল্য বা

সৰঞ্জাম পোৱা নাছিল। এই 'ইকনমিক ড্রেইন' (অৰ্থনৈতিক নিষ্কাষণ) বৃটিছ শাসনৰ অতুলনীয় দিশ আছিল। বৃটিছ চৰকাৰে ভাৰতীয় মানুহৰ পৰা আহৰণ কৰি লোৱা আৰু উপাৰ্জনৰ এটা বৃহৎ অংশ বৃটেইনত খৰচ কৰিছিল, ভাৰতত নহয়।

ব ৰ পৰা আহৰণ কৰা সম্পদৰ নিষ্কাষণ ১৭৫৭ খৃঃত আৰম্ভ হৈছিল তেতিয়াৰ পৰা যেতিয়া কোম্পানীৰ কৰ্মকৰ্তাসকলে ভাৰতীয় শাসক, জমিদাৰ, সদাগৰ আৰু সাধাৰণ মানুহৰ পৰা আহৰণ কৰা সম্পদৰ এটা বৃহৎ অংশ তেওঁলোকৰ লগত কঢ়িয়াই নিছিল। ১৭৫৬ খৃঃত কোম্পানীয়ে ব ৰ 'দিৱানী' লাভ কৰিছিল আৰু তেনেকৈয়ে ইয়াৰ ৰাজহৰ ওপৰত নিয়ন্ত্রণ সাব্যস্ত কৰিছিল। কোম্পনীয়ে ব ৰ পৰা সংগ্রহ কৰা ৰাজহ ভাৰতীয় সামগ্রী কিনি ৰপ্তানি কৰাত খৰচ কৰিছিল। এই ক্রয়বোৰক বিনিয়োগ বুলি কোৱা হৈছিল। এনেকৈ বিনিয়োগৰ জৰিয়তে ব ৰ ৰাজহ ইংলণ্ডলৈ পঠোৱা হৈছিল। ১৮ শতিকাৰ শেষৰ ফালে এই নিষ্কাষণ ভাৰতীয় জাতীয় উপাৰ্জনৰ প্ৰায় ন শতাংশ হৈছিলগৈ। প্ৰকৃততে শেষৰফালে এই নিষ্কষণ আৰু অধিক আছিল। এইবিলাক ইংৰাজ বিষয়াসকলৰ দৰমহা তথা উপাৰ্জন আৰু ইংৰাজ বণিকসকলে কৰা বাণিজ্যিক লাভৰ ক্ষেত্রত আছিল।

১৮৫৮ খৃঃৰ পাছলৈকে এই নিষ্কাষণ বাঢ়িয়ে গৈ থাকিল। ভাৰতৰ পৰা আহৰণ কৰি উলিওৱা সম্পদে বৃটেইনৰ পুঁজিপতিসকলৰ উন্নতিত, ঘাইকৈ বৃটেইনৰ প্রাৰম্ভিক ঔদ্যোগিকবকাশৰ সময়ছোৱাত এটা বিশেষ ভূমিকা পালন কৰিছিল।

- **ৰাষ্ট্রীয় বজাৰ ব্যৱস্থাৰ আৰম্ভণী**

  ভাৰতে দুটা অনস্বীকার্য অৰ্থনৈতিক লাভ যোগাইছিল। ই আছিল বৃটিছ সামগ্রী আৰু সেৱাৰ কাৰণে বন্দী বজাৰ আৰু বৃটিছ কৰ দাতাসকলে কোনো ধন ব্যয় নকৰাকৈ এক বৃহৎ স্থায়ী সৈন্য বাহিনী পৰিচালনা কৰি বৃটিছ সকলৰ প্রতিৰক্ষাৰ সেৱা আগবঢ়াইছিল। কোম্পানীবোৰে সামগ্রী আৰু মূল্যবান ধাতু ভাৰতলৈ আনিছিল আৰু কাপোৰ আৰু মচলা আদিৰ দৰে ভাৰতীয় সামগ্রীৰ লগত বিনিময় কৰিছিল, যাক কোম্পানীবোৰে বিদেশত বিক্রি কৰিছিল। ইয়াৰ লাভ ঘাইকৈ ভাৰতীয় সামগ্রী বিদেশত বিক্রি কৰাৰ পৰা আহিছিল। এইটোৱেই আছিল কাৰণ যাৰ ভাৰতীয় শাসকসকলে কোম্পানীৰ ফেক্টৰী ভাৰতত স্থাপন কৰাৰ বাবে উৎসাহিত কৰাৰ লগতে সহ্য কৰিছিল। কিন্তু প্রথমৰে পৰা বৃটিছ উৎপাদনকাৰী সকলে ভাৰতীয় কাপোৰে বৃটেইনত জনপ্রিয়তা লাভ কৰাৰ বিষয়টোত ঈর্ষান্বিত হৈছিল। হঠাতে কাপোৰৰ শৈলী (Fashon)ৰ পৰিৱর্তন হৈছিল আৰু পাতল কপাহী কাপোৰে বৃটিছ সকলৰ খহটা উলৰ পোচাকৰ ঠাই লৈছিল। বৃটিছ উৎপাদনকাৰী সকলে তেওঁলোকৰ চৰকাৰৰ ওপৰত ভাৰতীয় সামগ্রী ইংলণ্ডত বিক্রি কৰাৰ ক্ষেত্রত বাধা আৰু সীমিত কৰিবলৈ হেঁচা প্রয়োগ কৰিছিল। সাধাৰণ কাপোৰৰ ওপৰত উচ্চ হাৰত আমদানি শুল্ক আৰোপ কৰা হৈছিল। হলেণ্ডৰ বাহিৰে আন ইউৰোপীয় দেশসমূহেও ভাৰতীয় কাপোৰৰ আমদানি বাধা আৰোপ কৰিছিল অথবা উচ্চ হাৰত আমদানি শুল্ক লগাইছিল।

  এই আইনসমূহৰ স্বত্বেও, ভাৰতীয় ৰেচম আৰু কপাহী কাপোৰে বিদেশৰ বজাৰত ১৮ শ শতিকাৰ মাজভাগলৈ যেতিয়ালৈকে ইংলেণ্ডৰ বস্ত্র উদ্যোগে নতুন আৰু আগবঢ়া প্রযুক্তিৰ ভিত্তিত বিকশিত হৈছিল তেতিয়ালৈকে ইয়াৰ স্বকীয়তা বজাই ৰাখিবলৈ সক্ষম হৈছিল। ১৭৫৭ চনৰ পলাশী যুদ্ধৰ পাছত কোম্পানীৰ ভাৰতৰ লগত বাণিজ্যিক সম্পর্কৰ এক গুণ সম্পর্কীয় পৰিৱর্তন হৈছিল। এতিয়া

কোম্পানীয়ে ভাৰতৰ বাণিজ্য আৰু উৎপাদনৰ ক্ষেত্ৰত ৰাজনৈতিক নিয়ন্ত্ৰণ খটু�ৰাব পাৰিছিল আৰু ভাৰতীয় বাণিজ্যিত প্ৰভাৱ খটুৰাব পাৰিছিল। তদুপৰি, ই বেংগলৰ পৰা সংগৃহীত ৰাজহ ভাৰতৰ সামগ্ৰী ৰপ্তানী কৰাত বিত্ত যোগান ধৰা কামত খটুৰাইছিল। বৃটিছ চৰকাৰ ইয়াৰ ঠন ধৰি উঠা যান্ত্ৰিক ঔদ্যোগৰ উৎপাদিত সামগ্ৰীক সুৰক্ষা দিব বিচাৰিছিল যাৰ উৎপাদিত সামগ্ৰীয়ে তেতিয়াও উন্নত ভাৰতীয় সামগ্ৰীৰ লগত ফেৰ মাৰিব নোৱাৰিছিল। আনকি সেয়ে ভাৰতীয় উৎপাদিত সামগ্ৰীয়ে ইয়াৰ কিছু ভিত্তি ধৰি ৰাখিছিল। ভাৰতৰ হস্তশিল্পৰ ওপৰত ১৮১৩ চনৰ পাছত মোক্ষম আঘাত পৰিছিল, যেতিয়া সেইসমূহে কেৱল বিদেশৰ বজাৰতে স্থিতি হেৰুৱা নহয়, বেছি গুৰুত্বপূৰ্ণ কথাটো হ'ল ভাৰতৰ ভিতৰতে বজাৰ হেৰুৱাব লগা হৈছিল। বৃটেইনৰ শিল্প বিপ্লৱে বৃটেইনৰ অৰ্থনীতি আৰু ভাৰতৰ লগত ইয়াৰ অৰ্থনৈতিক সম্পৰ্ক পৰিৱৰ্তন কৰিছিল।

## অগ্ৰগতি নিৰীক্ষণ

খালী ঠাই পূৰ কৰা

**প্ৰশ্ন নং ৪ ঃ** গ্ৰাম্য কমিউনৰ স্থান লৈছিল—

.....

**প্ৰশ্ন নং ৫ ঃ** .....সকলে ইংলেণ্ডৰ ভাৰতীয় সামগ্ৰী বিক্ৰীত বাধা আৰু নিষেধ কৰিবলৈ হেঁচা দিছিল

.....

**প্ৰশ্ন নং ৬ ঃ** .....ৰ বাহিৰে সকলো ইউৰোপীয় দেশত ভাৰতীয় বস্ত্ৰৰ আমদানিত নিষেধাজ্ঞা আৰোপ কৰিছিল।

.....

## ১.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো—

- ব্ৰিটিছ সকল অহাৰ আগতে ভাৰতৰ স্ব-নিৰ্ভৰশীল গ্ৰাম্য অৰ্থনীতিৰ বিষয়ে।
- ভূমি সংক্ৰান্তীয় গাঁথনি প্ৰধানকৈ গোটৰ ওপৰত নিৰ্ভৰশীল আৰু ই স্থানীয় লোকৰ প্ৰয়োজন পূৰণ কৰাৰ ক্ষেত্ৰত সেৱা আগবঢ়াইছিল।
- দীৰ্ঘ সময় জুৰি ভাৰতত জলসিঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল।
- ব্ৰিটিছ সকলৰ আগমনৰ পাছত ভাৰতীয় অৰ্থনীতিৰ গাঁথনি লগতে থলুৱা ঔদ্যোগৰ বৃহৎ পৰিৱৰ্তন হৈছিল।
- ব্ৰিটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে লাহে লাহে কিন্তু দৃঢ়ভাৱে ভাৰতবাসীৰ নিজৰ ৰাজহৰ মূল্যৰ বিনিময়ত ভাৰতত তেওঁলোকৰ বাণিজ্যিক বজাৰ গঢ়ি তুলিছিল।

## ১.৬ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**


1) Desai, A.R (2016). *Social Background of Indian Nationalism,* Sage Publication India Pvt. Ltd., New Delhi:India
2) Habib, Irfan (2016) : *Indian Economy, 1858-1914, Volume 28 of People's History of India, T*ulika Books, New Delhi: India
3) Roy Tirthankar (2000) : *The Economic History of India 1857-1947.* Oxford University Press, USA


## ১.৭ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** কাঁচি, নাঙল, কৰত আৰু বটালি, তাঁতশাল,

**২নং প্ৰশ্নৰ উত্তৰ ঃ** পৃথক প্ৰণালীসমূহ, পৃষ্ঠভাগৰ বিভিন্ন নৰ্দমাসমূহ, পুখুৰী আৰু কুঁৱাসমূহ,

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** গিয়াছুদ্দিন টুগলক,

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ব্যক্তিগত ভূমি গৰাকীসকল

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** শ্ৰমিক শ্ৰেণী/পুজিবাদী শ্ৰেণী

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** হলেণ্ড

## ১.৮ অগ্ৰগতিৰ খতিয়ান

**(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** স্ব-নিৰ্ভৰশীল গাঁও কি?

**প্ৰশ্ন ২ ঃ** ব্ৰিটিছৰ আগমনে হস্ততাঁত শিল্প উদ্যোগত কি প্ৰভাৱ পেলাইছিল উল্লেখ কৰক।

**(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** ১৮শ শতিকাৰ ভাৰতৰ কৃষি গাঁথনিৰ মূল বৈশিষ্ট্যসমূহৰ বিষয়ে চমু টোকা লিখক।

**প্ৰশ্ন ২ ঃ** ভাৰতত বাণিজ্যিক বজাৰ মুকলি কৰাত বৃটিছসকল কেনেকৈ কৃতকাৰ্য হৈছিল আৰু ইয়াৰ পাছত তেওঁলোকৰ মূল লক্ষ্য আৰু উদ্দেশ্যসমূহ কি আছিল?

**(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** ১৭শ আৰু ১৮শ শতিকাৰ আৰম্ভণীত ভাৰতৰ বাণিজ্যিক অৰ্থনীতিৰ বিকাশৰ আৰ্হি বিষয়ে আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** ১৯শ শতিকাৰ দ্বিতীয় ভাগত ভাৰতৰ বাণিজ্য আৰ্হিৰ পৰিৱৰ্তনৰ বিষয়ে বৰ্ণনা কৰক।

*** ***** ***

# অধ্যায় ২ ঃ বণিকবাদ আৰু ঔপনিৱেশিক অৰ্থনীতি

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ব্যৱস্থাৰূপে বণিকবাদ
২.৪ ঔপনিৱেশিক অৰ্থনীতিৰ বৈশিষ্ট্য
- বাণিজ্যিক একাধিপত্য
- বিদেশী ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰৱেশ

২.৫ ভাৰতত বণিকবাদৰ প্ৰভাৱ
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বণিকবাদৰ তত্ত্বৰ ক্ৰমবিকাশ আৰু ঔপনিৱেশবাদৰ প্ৰক্ৰিয়াত ই পালন কৰা ভূমিকাৰ বিষয়ে আভাস পাব,
- ঔপনিৱেশিক অৰ্থনীতিৰ সৈতে ঔপনিৱেশবাদৰ বিভিন্ন পৰ্যায় সমূহৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব,
- ভাৰতত বণিকবাদৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ১৮শ শতিকাৰ আগৰ ভাৰতীয় অৰ্থনীতিৰ অৱস্থা আৰু বৃটিছ অৰ্থনৈতিক নীতিৰ ভাৰতত প্ৰভাৱৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি বণিকবাদ আৰু ইয়াৰ প্ৰভাৱ ভাৰতীয় অৰ্থনীতিৰ ওপৰত, তাৰ বিষয়ে আলোচনা কৰিম।

বণিকবাদ আছিল এক অৰ্থনৈতিক তত্ত্ব আৰু অনুশীলন, ১৬শ শতিকাৰ পৰা ১৮শ শতিকাৰ ইউৰোপৰ এক সাৰ্বজনীন যিয়ে শত্ৰু দেশৰ শক্তিৰ বিনিময়ত নিজ দেশৰ শক্তি বৃদ্ধিৰ উদ্দেশ্যে কোনো এখন দেশৰ চৰকাৰী বিধি বা আইন পৃষ্ঠপোষকতা কৰিছিল। ই আছিল ৰাজনৈতিক অসীমতাৰ অৰ্থনৈতিক সম্পদাধিকাৰী। আইন ১৭শ শতিকাৰ প্ৰচাৰকসকল আটাইতকৈ উল্লেখনীয় হৈছে ইংলেণ্ডৰ থমাচ্ মুনৰো, জ্যাঁ ব্যাপ্তিষ্ট কলবাৰ্ট আৰু ইটালীৰ এণ্টনিঅ' চেৰা- যি কি নহওক তেওঁলোকে নিজে কেতিয়াও বণিকবাদ শব্দটো ব্যৱহাৰ কৰা নাছিল, ইয়াক স্কটলেণ্ডৰ অৰ্থনীতিবিদ আদাম স্মিথে তেওঁৰ Wealth of Nations (1776) গ্ৰন্থত প্ৰচলিত কৰিছিল।

## ২.৩ ব্যৱস্থাৰূপে বণিকবাদ

বণিকবাদত দৃঢ়ভাৱে লগ লাগি থকা বহুতো নীতি সন্নিবিষ্ট হৈ আছিল। সোণ আৰু ৰূপৰ দৰে মূল্যবান থাতুক কোনো এখন দেশৰ সম্পদৰ অপৰিহাৰ্য হিচাপে বিবেচনা কৰা হৈছিল। যদি কোনো এখন দেশৰ খনি নাথাকে অথবা ইয়াৰ পেৰত দখল নাথাকে, তেনে দেশে বাণিজ্যৰ দ্বাৰা মূল্যবান ধাতু আহৰণ কৰিব লাগে। এইটো বিশ্বাস কৰা হৈছিল যে বাণিজ্যৰ ভাৰসাম্যতা অনুকূল হ'ব লাগে, যি আমদানিতকৈ ৰপ্তানি অধিক হোৱা বুজায়। দখলীকৃত উপনিৱেশসমূহে ৰপ্তানিৰ বাবে বজাৰ আৰু উপনিৱেশিকাৰী ৰাষ্ট্ৰলৈ কেঁচা সামগ্ৰীৰ যোগান আগবঢ়াব লাগিব। উপনিৱেশ সমূহৰ পণ্য উৎপাদনত বাধা আৰোপ কৰা হৈছিল আৰু উপনিৱেশ আৰু উপনিৱেশ আৰু উপনিৱেশিকাৰী ৰাষ্ট্ৰ মাজৰ সকলো বাণিজ্য উপনিৱেশকাৰী ৰাষ্ট্ৰৰ একচেতিয়া বাণিজ্য হিচাপে গণ্য কৰা হৈছিল।

বণিকবাদ তত্ত্বৰ মতে, এখন শক্তিশালী ৰাষ্ট্ৰৰ বহুত জনসংখ্যা থাকিব লাগে, কিয়নো সৰহীয়া জনসংখ্যাই বনুৱাৰ যোগান, বজাৰ আৰু সৈন্যৰ যোগান ধৰিব। মানুহৰ আৱশ্যকতাক কমাব লাগে, বিশেষকৈ আমদানিকৃত বিলাসী সামগ্ৰী, কিয়নো সেইসমূহে মূল্যবান বিদেশী বিনিময় উলিয়াই পঠায়। চমৎকাৰী আইন (খাদ্য সামগ্ৰী আৰু ঔষধক প্ৰভাৱিত কৰা) প্ৰণয়ন কৰি মানুহৰ আৱশ্যকতাক লাঘৱ কৰাটো নিশ্চিত কৰিব লাগে। মিতব্যয়িতা, সঞ্চয় আৰু আনকি কৃপণালিক গুণ হিচাপে ধৰা হয়, কিয়নো এই উপায় সমূহৰ যোগেদিহে পুঁজি সৃষ্টি কৰিব পৰা যায়। ফলস্বৰূপে বণিকবাদে ইয়াৰ লাভৰ সৈতে বণিকবাদৰ প্ৰাৰম্ভিক বিকাশৰ অনুকূল বাতাবৰণ সৃষ্টি কৰিছিল। বণিকবাদী আদৰ্শ প্ৰাৰম্ভিক আধুনিক যুগৰ ইউৰোপৰ সকলোকে প্ৰভাৱিত কৰা অৰ্থনৈতিক আদৰ্শ আছিল আৰু বেছিভাগ দেশেই এক নিৰ্দিষ্ট মাত্ৰাত ইয়াক আকোঁৱালী হৈছিল। বণিকবাদ ইংলেণ্ড আৰু ফ্ৰান্তত কেন্দ্ৰীভূত আছিল আৰু এই দুখন দেশতেই বণিকবাদৰ নীতিসমূহৰ মাজে সময়ে বলবৎ কৰা হৈছিল।

**বণিকবাদত অন্তৰ্ভুক্ত নীতিসমূহ ঃ**

- উৎপাদিত সামগ্ৰীত উচ্চ হাৰত কৰ আৰোপ।
- উপনিৱেশসমূহক আন ৰাষ্ট্ৰৰ সৈতে বাণিজ্যত বাধা প্ৰদান।
- মুখ্য বন্দৰ সমূহৰ সৈতে বজাৰসমূহক একচেটিয়াকৈ ব্যৱহাৰ কৰা।
- সোণ আৰু ৰূপৰ ৰপ্তানি নিষিদ্ধ কৰা আনকি শত্ৰুক পৰিশোধ কৰা ধন।
- নৌ আইন (Navigation Acts) অনুসৰি বিদেশী জাহাজৰ দ্বাৰা বাণিজ্যত বাধা আৰোপ কৰা।
- ৰপ্তানিত ৰাজসাহাৰ্য প্ৰদান।
- পণ্য-উৎপাদন আৰু উদ্যোগক গৱেষণা আৰু প্ৰত্যক্ষ ৰাজ সাহাৰ্যৰ যোগেদি উৎসাহিত কৰা।
- মজুৰিক সীমিত কৰা।
- ঘৰুৱা সম্পদৰ ব্যৱহাৰ সৰ্বাধিক মাত্ৰাত কৰা বাণিজ্যত অনা-কৰ বাধা আৰোপৰ যোগেদি।
- ঘৰুৱা ব্যৱহাৰ সীমাবদ্ধ কৰা।

পাছলৈ বণিকবাদক কঠোৰ ভাষাৰে সমালোচনা কৰা হৈছিল। Laissez Faire মুক্ত বাণিজ্যৰ সমৰ্থকসকলে যুক্তি দৰ্শাইছিল যে ঘৰুৱা আৰু বিদেশী বাণিজ্যৰ মাজত প্ৰকৃততে কোনো পাৰ্থক্য নাই আৰু সকলো বাণিজ্যই বণিক আৰু উপভোক্তা দুয়োটাৰে কাৰণে উপকাৰী। তেওঁলোকে লগতে উল্লেখ কৰিছিল যে

কোনো এখন ৰাষ্ট্ৰক প্ৰয়োজন হোৱা মুদ্ৰাৰ পৰিমাণ অথবা ৰত্নভাণ্ডাৰক স্বয়ংক্ৰিয়ভাৱে নিয়ন্ত্ৰণ কৰিব পৰা যাব, আৰু অন্যান্য সামগ্ৰীৰ দৰে সেই টকা অতিৰিক্ত হিচাপে বিৰাজ কৰিব। তেওঁলোকে এখন দেশ আন এখন দেশৰ মূল্যৰ বিনিময়তহে চহকী হ'ব পৰা ধাৰণাটোক অগ্ৰাহ্য কৰিছিল আৰু যুক্তি দৰ্শাইছিল যে বাণিজ্য আচলতে এটি দ্বৈতমুখী সুচল পথ।

### অগ্ৰগতি নিৰীক্ষণ

**তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ**

**প্ৰশ্ন নং ১ ঃ** বণিকবাদক কোনটো বিকল্প তত্ত্বই সমালোচনা কৰিছিল?

.....

**প্ৰশ্ন নং ২ ঃ** এখন দেশৰ সম্পদ হিচাপে কোনবোৰ ধাতুক অপৰিহাৰ্য হিচাপে গণ্য কৰা হৈছিল?

.....

## ২.৪ ঔপনিৱেশিক অৰ্থনীতিৰ বৈশিষ্ট্য

ঔপনিৱেশবাদ আৰু অৰ্থনীতি দুটা ইটো-সিটোৰ লগত জড়িত পদ্ধতি যিহেতু ঔপনিৱেশকতাবাদক মাজে সময়ে এখন দেশে আন এখন দেশৰ মানুহ আৰু ভূখণ্ডৰ ওপৰত ইয়াৰ কৰ্তৃত্ব বৰ্তাই ৰখা বা সম্প্ৰসাৰণ কৰিব বিচৰা এক নীতি, সাধাৰণতে বাণিজ্যৰ সুযোগ সৃষ্টিৰে লক্ষ্যৰে বনোৱা নীতি। ঔপনিৱেশকাৰী ৰাষ্ট্ৰসমূহে ঔপনিৱেশিক ৰাষ্ট্ৰসমূহ বা ইয়াৰ ভূখণ্ডৰ পৰা লাভান্বিত হোৱাটো বিচাৰিছিল। ঔপনিৱেশকতাবাদক সমগ্ৰতা অথবা ঐক্যবদ্ধ গঠন হিচাপে অতি ভালকৈ পৰিলক্ষিত হয়। সকলো পৰিৱৰ্তন বা নতুনকৈ গঠন হোৱা অনুষ্ঠান আৰু সংগঠনসমূহে এক উমৈহতীয়া লক্ষ্যযুক্ত সংগঠনৰ সৃষ্টি কৰে, পাৰস্পৰিকভাৱে ইটো সিটোৰ লগত জড়িত আৰু ইটোৱে অধিক শক্তিশালী কৰে, যিয়ে বিকল্প সেৱা আৰু ঔপনিৱেশিক গঠনৰ সৃষ্টি কৰে।

প্ৰথমে মৌলিক বৈশিষ্ট্যটো সম্পূৰ্ণ কিন্তু ঔপনিৱেশসমূহ জটিল ৰূপত বিশ্বৰ পুঁজিবাদী ব্যৱস্থাৰ লগত পৰাধীন অথবা অত্যন্ত বিনম্ৰ ৰূপত ঐক্যবদ্ধ আৰু জড়িত হৈ পৰে। পৰাধীনতাই ঔপনিৱেশসমূহৰ অৰ্থনীতি আৰু সমাজৰ মৌলিক দিশসমূহৰ নিজৰ প্ৰয়োজন অথবা ইয়াৰ প্ৰধান সামাজিক শ্ৰেণীসমূহৰ প্ৰয়োজন আৰু আগ্ৰহৰ দ্বাৰা নিৰ্ধাৰণ নোহোৱাক বুজায় কিন্তু মহানগৰীয় অৰ্থনীতি (ঔপনিৱেশকাৰী ৰাষ্ট্ৰ) আৰু ইয়াৰ পুঁজিপতি শ্ৰেণীটোৰ প্ৰয়োজন আৰু আগ্ৰহক বুজায়। এইটো উল্লেখ কৰা প্ৰয়োজন যে ঔপনিৱেশসমূহৰ অৰ্থনীতি আৰু সমাজৰ পৰাধীনতা এক নিৰ্ণায়ক দিশ আৰু বিশ্বৰ পুঁজিবাদ আৰু বিশ্বৰ বজাৰৰ লগত কেৱল যোগসূত্ৰ অথবা ঐক্যবদ্ধ নহয়।

দ্বিতীয় বৈশিষ্ট্যটো হৈছে ঔপনিৱেশিক অৰ্থনীতিৰ অনুপযুক্ত বিনিময় আৰু আভ্যন্তৰীণভাৱে সংযুক্ত নোহোৱা এই দুই ধাৰাই দিশ নিৰ্ণয় কৰিছিল আৰু বিভিন্ন অসংলগ্ন (disarticulate) অংশ সংযুক্ত হৈ মহানগৰীয় অৰ্থনীতিৰ লগত বিশ্বৰ বজাৰ আৰু সাম্ৰাজ্যবাদী নেতৃত্বৰ যোগেদি এই দিশ নিৰ্ণয় কৰা হৈছিল। উদাহৰণস্বৰূপে ঔপনিৱেশসমূহৰ কৃষিকৰ্ম ইয়াৰ ঔদ্যোগিক খণ্ডৰ লগত প্ৰত্যক্ষভাৱে জড়িত নহয়, ই আভ্যন্তৰীণভাৱে সংযুক্ত নহয়। বৰং ই বিশ্বৰ পুঁজিপতি বজাৰৰ সৈতে সংযুক্ত আৰু ইয়াৰ উৎপাদিত বস্তু ক্ৰয় কৰা মহানগৰীয় বজাৰ লগত জড়িত। মহানগৰীয় অৰ্থনীতিৰ ঔদ্যোগিক উৎপাদিত পণ্যসমূহ ঔপনিৱেশসমূহলৈ আমদানি কৰা হয় আৰু গ্ৰাম্য

বজাৰত বিক্ৰী কৰা হয় আৰু এনেকৈয়ে সামগ্ৰী সৰবৰাহৰ বৃত্তাকাৰ গতিপথ বন্ধ কৰা হয়। ঔপনিৱেশসমূহে এইদৰে 'এক অসংলগ্ন বা সংযুক্ত নোহোৱা সাধাৰণীকৰণ সামগ্ৰী উৎপাদন'ৰ অভিজ্ঞতা অৰ্জন কৰে।

তৃতীয় বৈশিষ্ট্যটো হৈছে সম্পদৰ নিৰ্গতীকৰণ অথবা মহানগৰলৈ সামাজিক ৰাহিক একপক্ষীয়ভাৱে অপ্ৰয়োজনীয় ৰপ্তানিৰ যোগেদি হস্তান্তৰিত কৰা। এই দিশটো ঔপনিৱেশকতাবাদৰ প্ৰাৰম্ভিক ভাৰতীয় জাতীয়তাবাদী সমালোচক সকলৰ আটাইতকৈ দৰকাৰী আলোচ্য বিষয় আছিল। আনকি মাৰ্ক্সৰ ঔপনিৱেশকতাবাদৰ ভূমিকাক পুনৰ বিবেচনাকো এই দিশটোৱে যথেষ্ট প্ৰভাৱিত কৰিছিল। প্ৰাৰম্ভিক ভাৰতীয় জাতীয়তাবাদীসকল আৰু শেহতীয়া লিখকসকলেও আঙুলিয়াই দেখুৱাইছে যে ঔপনিৱেশিক ৰাষ্ট্ৰসমূহৰ সামৰিক আৰু অসামৰিক সেৱাত খৰচ হোৱা এক বৃহৎ পৰিমাণে ৰাহিৰ বাহ্যিক নিৰ্গতকৰণৰ লগত এক সামঞ্জস্য প্ৰতিফলিত কৰে।

সাধাৰণতে, এখন ঔপনিৱেশিকাৰী ৰাষ্ট্ৰই এখন ঔপনিৱেশিক ৰাষ্ট্ৰৰ ওপৰত তিনিটা পৰ্যায়ত ই দৃঢ় মূল স্থাপন কৰে, প্ৰত্যেকটো পৰ্যায়ে এক পৰাধীন ঔপনিৱেশিক অৰ্থনীতিৰ এক ভিন্ন আৰ্হি প্ৰতিফলিত কৰে আৰু অৱশেষত ভিন্ন নীতি, আদৰ্শ, প্ৰভাৱ আৰু ঔপনিৱেশিক জনগণৰ প্ৰতিক্ৰিয়া যদিও বিশ্বৰ বিভিন্ন অংশত সময় গাঁথনি, যি বিভিন্ন মহানগৰ আৰু ঔপনিৱেশ সমূহৰ সময় সীমা ভিন্ন হ'ব পাৰে। সেই সমূহে হৈছে—

**ক) বণিকবাদৰ যুগ ঃ** এই পৰ্যায়টোক একচেটিয়া বাণিজ্যৰ যুগ হিচাপেও জনা যায় আৰু ৰাজহৰ প্ৰত্যক্ষ বিনিয়োজন যিহেতু ঔপনিৱেশকাৰী ৰাষ্ট্ৰ সমূহৰ মূল লক্ষ্য আছিল একচেটিয়া বাণিজ্য আৰু ৰাজহৰ প্ৰত্যক্ষ বিনিয়োজন।

**খ) ঔদ্যোগিক মূলধন অথবা মুক্ত বাণিজ্যৰ যুগ ঃ** ঔপনিৱেশসমূহৰ প্ৰশাসনিক নীতি আৰু অৰ্থনৈতিক গাঁথনিক মহানগৰবাসী ঔদ্যোগিক মধ্যবিত্ত শ্ৰেণীৰ আগ্ৰহৰ দ্বাৰা নিৰ্ধাৰণ কৰাই এই পৰ্যায়টোৰ মূল বৈশিষ্ট্য আছিল। ঔপনিৱেশ একোখনক পৰাধীন বাণিজ্যিক অংশীদাৰ কৰা যি কেঁচা সামগ্ৰীৰ ৰপ্তানি আৰু উৎপাদিত সামগ্ৰী আমদানি কৰিব।

**গ) বিত্তীয় মূলধন অথবা প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ যুগ ঃ** এই পৰ্যায়টোৱে নতুন সুৰক্ষিত আৰু আচুতীয়া বজাৰ আৰু ঔপনিৱেশকাৰী দেশসমূহৰ মাজত কেঁচা সামগ্ৰীৰ উৎসৰ বাবে হোৱা গভীৰ সংঘৰ্ষক প্ৰতিফলিত কৰে।

- **বাণিজ্যিক একাধিপত্য**

ঔপনিৱেশকতাবাদৰ প্ৰথম পৰ্যায়টো হৈচে একচেটিয়া বাণিজ্য অথবা ৰাজহৰ বিনিয়োজন। ঔপনিৱেশকতাবাদৰ এই পৰ্যায়টোত ঔপনিৱেশকতাবাদৰ মৌলিক উদ্দেশ্য সমূহ আছিল—

ক) ঔপনিৱেশসমূহৰ সৈতে আন ইউৰোপীয় বণিক আৰু ঔপনিৱেশসমূহৰ বেপাৰী আৰু উৎপাদনকাৰীসকলৰ লগত একচেটিয়া বাণিজ্য।

খ) ৰাষ্ট্ৰৰ শক্তি প্ৰয়োগৰ যোগেদি ৰাজহ অথবা ৰাহিৰ প্ৰত্যক্ষ বিনিয়োজন। যেতিয়াই কাৰিকৰ অথবা অন্যান্য উৎপাদনকাৰীক ঔপনিৱেশকাৰী ৰাষ্ট্ৰ, নিগম অথবা ব্যৱসায়ীৰ কাৰণে নিয়োগ কৰা হয়, তেওঁলোকৰ ৰাহিসমূহক ঔদ্যোগিক পুঁজিপতিসকলৰ ধৰণে নহয় কিন্তু ব্যৱসায়ীৰ ব্যৱহাৰৰ প্ৰত্যক্ষভাৱে বাজেয়াপ্ত কৰা হয়।

ঔপনিৱেশকাৰী দেশ অথবা নিগমসমূহক ঔপনিৱেশসমূহত আৰু সাগৰত যুদ্ধ কৰিবলৈ, নৌ বাহিনী, দুৰ্গ, সৈন্যবাহিনী আৰু বাণিজ্য কোঠ জাৰি ৰাখিবলৈ বৃহৎ পৰিমাণৰ বিত্তীয় সম্পদৰ প্ৰয়োজন হয়।

ঔপনিৱেশসমূহৰ উৎপাদিত সামগ্ৰী ক্ৰয় কৰিবলৈও ঔপনিৱেশসমূহৰ বিত্তৰ প্ৰত্যক্ষ বিনিয়োজনৰ প্ৰয়োজন হয় যিহেতু ঔপনিৱেশসমূহে মহানগৰীয় উৎপন্ন সামগ্ৰী আৰু মহানগৰীয় ৰাজভঁৰালৰ লাভ হিচাপে কামত আহে। ঔপনিৱেশসমূহৰ ৰাহিৰ এক বৃহৎ অংশ বলপূৰ্বকভাৱে, শোষণ আৰু উচ্চ হাৰত দৰমহাৰ যোগেদি প্ৰত্যক্ষ বিনিয়োজন কৰে। এই সমূহ কৰা হয় কিয়নো ঔপনিৱেশসমূহৰ নগৰীয়া হস্তশিল্প, বাগান আৰু অন্যান্য উৎপাদিত বস্তুৰ যোগেদি ঔপনিৱেশৰ ৰাহিৰ বিনিয়োজনৰ ধৰণ, এজন কিনোতাৰ একচেটিয়া ক্ৰয়কাৰ্য আৰু ইয়াৰ ৰাজহৰ ওপৰত নিয়ন্ত্ৰণৰ যোগেদি, ঔপনিৱেশসমূহৰ মৌলিক আৰ্থ সামাজিক আৰু প্ৰশাসনিক পৰিৱৰ্তনৰ প্ৰয়োজন নহয়। এনে ৰাহিৰ বিনিয়োজনক ইয়াত বিৰাজ কৰা অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, আদৰ্শগত আৰু ৰাজনৈতিক গাঁথনিৰ তদুপৰি ঔপনিৱেশিক শক্তিসমূহে যিমান দিন পাৰি সিমান অৰ্থনৈতিক ৰাহিক কৃতকাৰ্যতাৰে শোষণ কৰি থাকিব পৰালৈকে তেওঁলোকৰ (দেশীয়) পূৰ্বপুৰুষসকলে কৰাতকৈ বেছিকৈ ঔপনিৱেশসমূহৰ গাঁওসমূহত সোমোৱাৰ প্ৰয়োজন বোধ কৰা নাছিল।

এই পৰিৱৰ্তনৰ প্ৰয়োজনৰ অভাৱ শাসকসকলৰ আদৰ্শ প্ৰতিফলিত হৈছিল। কোনো এজন শাসকৰে বিকাশৰ ধাৰণা নাছিল। পৰিৱৰ্তনকাৰী ঔপনিৱেশিক অৰ্থনীতি এটা নহয় কিন্তু ঔপনিৱেশসমূহত বৰ্তি থকা অৰ্থনীতি অৰ্থনৈতিক শোষণৰ ভেটি আছিল। তাত সেই কাৰণে, ঔপনিৱেশসমূহৰ সভ্যতা, ধৰ্ম আইন আদিৰ সমালোচনা কৰাৰ বৰ প্ৰয়োজন নাছিল, কিয়নো তেওঁলোকক তেতিয়াৰ প্ৰচলিত ৰাহি বিনিয়োজনৰ ধাৰণাৰ বাধা হিচাপে দেখা পোৱা নগৈছিল। তেওঁলোকক বুজি পোৱাটো প্ৰয়োজন আছিল যাতে প্ৰশাসনৰ যন্ত্ৰটো সুন্দৰভাৱে চলি থাকে। সমালোচনা মিচনেৰীসকলৰ মাজত সীমাবদ্ধ আছিল।

- **বিদেশী ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰৱেশ**

এইটো ঔপনিৱেশকতাবাদৰ তৃতীয় পৰ্যায় আছিল যি বিদেশী বিনিয়োগ আৰু ঔপনিৱেশৰ বাবে প্ৰতিযোগিতাৰ দিক্ নিৰ্ণয় কৰিছিল। বিশ্ব অৰ্থনীতিৰ বহুতো প্ৰধান পৰিৱৰ্তনৰ পৰিণতি স্বৰূপে ঔপনিৱেশকতাবাদৰ এক নতুন বাট দেখুৱাইছিল ঃ ইউৰোপৰ বহুতো দেশ, উত্তৰ আমেৰিকা আৰু জাপানত ঔদ্যোগিকীৰণৰ বিস্তাৰ, ঔদ্যোগত কাৰিকৰী তথা বৈজ্ঞানিক জ্ঞানৰ প্ৰয়োগৰ ফলস্বৰূপে ঔদ্যোগিকীকৰণৰ প্ৰৱলতা, আন্তঃৰাষ্ট্ৰীয় পৰিবহণ ব্যৱস্থাত বৈপ্লৱিক পৰিৱৰ্তনৰ কাৰণে বিশ্বৰ বজাৰৰ বেছি একত্ৰীকৰণ। তাত এতিয়া নতুন, সুৰক্ষিত আৰু একচেটিয়া বজাৰ, কৃষিৰ উৎস, খনিজ কেঁচা সম্পদ আৰু খাদ্য সামগ্ৰীৰ কাৰণে এক গভীৰ সংঘৰ্ষ সংঘটিত হৈছিল। তদুপৰি নিজ দেশত পুনৰ উৎপাদনৰ বিস্তাৰ আৰু বিদেশৰ ঔপনিৱেশ আৰু অৰ্ধ-ঔপনিৱেশসমূহৰ শোষণে উন্নত পুঁজিবাদী দেশসমূহৰ বৃহৎ মূলধন পুঞ্জীভূত কৰিছিল। বহুতো দেশত সমসাময়িকভাৱে মূলধন কেন্দ্ৰীভূত হোৱা আৰু বেংক মূলধনৰ লগত ঔদ্যেগিক মূলধন চামিল (merger) হয়। ই বৃহৎ পৰিমাণত মূলধনৰ ৰপ্তানি আৰু খেতিপথাৰ আৰু ঠাই বা অঞ্চলৰ সন্ধানক আগুৱাই নিছিল য'ত সাম্ৰাজ্যবাদী দেশসমূহৰ মূলধন বিনিয়োগত একচেটিয়া অধিকাৰ থাকিব।

বজাৰ, কেঁচা সামগ্ৰীৰ উৎস আৰু মূলধন ৰপ্তানি এই তিনিওটা দিশেই এটা আনটোৰ লগত জড়িত আৰু কোনো এটাক আনটোৰ মূল্যৰ বিনিময়ত বেছি গুৰুত্ব প্ৰদান কৰিব পৰা নগৈছিল। উদাহৰণস্বৰূপে, বিদেশত বিনিয়োগে নিজ অঞ্চলত (মহানগৰ) লাভৰ হাৰ নিশ্চিত কৰিব, কেঁচা সামগ্ৰীৰ উৎপাদনত সহায় কৰিব আৰু প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিজা দেশৰ (Home) ঔদ্যোগিক পণ্য বা উৎপাদিত সামগ্ৰীৰ কাৰণে বজাৰৰ সৃষ্টি কৰিব। যিহেতু সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত বিশ্বক বিভাজন আৰু পুনৰ বিভাজন কৰাটো তীব্ৰতৰ হৈছিল,

পুৰণি ঔপনিবেশসমূহৰ কাৰণে নতুন ব্যৱহাৰ বিচাৰি পাইছিল।

মহানগৰীয় (metropolis) মূলধন এই উপনিবেশসমূহত বৃহৎ পৰিসৰত বিনিয়োগ নকৰা আৰু তাৰ পৰিৱৰ্তে অন্যান্য বিদেশী ব্যৱসায়িক প্ৰতিষ্ঠানে কাৰ্য চলোৱাৰ প্ৰধান কাৰণ হৈছে যে তেওঁলোকৰ অৰ্থনীতি ঔপনিবেশকতাবাদৰ দ্বিতীয় পৰ্যায়ত ভাগি পৰিছিল অথবা অনুন্নত আছিল। যদি বিদেশী মূলধন ঔপনিবেশসমূহত বিনিয়োগ কৰা হ'ব, ইয়াৰ ফলস্বৰূপে উৎপাদিত সামগ্ৰী কোম্পানী সমূহৰ প্ৰধান বিক্ৰীৰ বস্তু হ'ব লাগিব, কিন্তু দ্বিতীয় পৰ্যায় সময়চোৱাত সেইসমূহক পুনৰ উৎপাদনশীল ঔপনিবেশত পৰিণত কৰাত বিফল হোৱাত এতিয়া বাধা হৈ পৰিছিল। অৱশেষত, যদিও কেৱল কৃষিকাৰ্য আৰু ঔদ্যোগিক প্ৰতিষ্ঠানসমূহত সীমিত বিদেশী মূলধন বিনিয়োগ কৰা হৈছিল, যাৰ উৎপাদিত সামগ্ৰীৰ ঔপনিবেশৰ বাহিৰত এখন প্ৰস্তুত হৈ থকা বজাৰ আছিল অথবা এনে ধৰণৰ ৰপ্তানিৰ আন্তঃগাথনি যোগান ধৰাৰ বাবে বিনিয়োগ কৰা হৈছিল।

## ২.৫ ভাৰতত বণিকবাদৰ প্ৰভাৱ

১৮ শ শতিকাৰ শেষভাগত আৰু ১৯ শ শতিকাৰ আৰম্ভণীত, শিল্প বিপ্লৱে ইউৰোপত উৎপাদন হোৱা সামগ্ৰীৰ গতি (Way) সলনি কৰিছিল। শিল্প বিপ্লৱে হস্তশিল্প আৰু হস্ততাঁত ঔদ্যোগৰ তুলনাত বৃহৎ পৰিমাণত সামগ্ৰী উৎপাদন সম্ভৱ কৰি তুলিছিল। উদ্যোগসমূহৰ ধনৰ লোভৰ কাৰণে অতি সোনকালে কেঁচা সামগ্ৰী আৰু তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিক্ৰি কৰিবলৈ বজাৰৰ অভাৱ হৈছিল। এই দুয়োটা প্ৰয়োজনকে তেওঁলোকে অধিগ্ৰহণ কৰা ঔপনিবেশসমূহে পূৰণ কৰিছিল।

ভাৰতত, শিল্প বিপ্লৱ সংঘটিত হোৱাৰ সময়চোৱাত বৃটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ১৭৫৭ চনৰ পলাসী যুদ্ধ (Plassey) আৰু ১৭৬৪ চনৰ বক্সাৰ (Buxar) যুদ্ধৰ পাছত ৰাজনৈতিক শক্তি হিচাপে মূৰ দাঙি উঠিছিল। ই বেংগল লাভ কৰিছিল আৰু কলিকতাৰ পৰা ইয়াৰ শাসন আৰম্ভ কৰিছিল।

বিখ্যাত হোৱা স্বত্তেও, ১৮ শ শতিকাৰ আৰম্ভণিত ভাৰতৰ হস্তশিল্প উদ্যোগৰ পতন আৰম্ভ হৈছিল। বৃটিছ সকলে গ্ৰহণ কৰা বণিকবাদৰ নীতি আছিল ইয়াৰ মূল কাৰণ। বৃটেইনে ইয়াৰ উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধিৰ কাৰণে কৌশল ৰচনা কৰিছিল। তেওঁলোকে কেঁচা সামগ্ৰী উৎপাদনক উৎসাহিত কৰিছিল। লগতে সমসাময়িকভাৱে ঘৰুৱা উৎপাদিত সামগ্ৰীত নিষেধাজ্ঞা আৰোপ কৰিছিল। উদাহৰণস্বৰূপে, ১৮৩৫ চনত বৃটেইনৰ পৰা আমদানি কৰা কপাহী কাপোৰত ২.৫ শতাংশৰ নামমাত্ৰ আমদানি শুল্ক আৰোপ কৰা হৈছিল য'ত ভাৰতীয় কপাহী কাপোৰৰ ৰপ্তানিত ১৫ শতাংশ ৰপ্তানি শুল্ক বা কৰ আৰোপ কৰা হৈছিল। ইয়াৰ উপৰিও, ইংলেণ্ডৰ পৰা সামগ্ৰী কেৱল ইংলেণ্ডৰ সামগ্ৰী কঢ়িওৱা জাহাজৰ দ্বাৰাহে আনিব পাৰিছিল। ফলস্বৰূপে ভাৰতীয় সামগ্ৰীয়ে ইংলেণ্ডৰ বজাৰত প্ৰৱেশ কৰিব নোৱাৰিছিল য'ত বৃটিছ সামগ্ৰীয়ে ভাৰতৰ বজাৰ উভৈনদী হৈ পৰিছিল। উদাহৰণস্বৰূপে, মুৰ্চিদাবাদ (পশ্চিমবংগ), যি ৰেচমৰ কেন্দ্ৰ হিচাপে বিখ্যাত হৈ পৰিছিল, শতিকাটোত অৱনতিৰ সন্মুখীন হৈছিল যিহেতু শিপিনীসকলে বৃটেইনৰ মিলত তৈয়াৰী সস্তীয়া কাপোৰৰ লগত প্ৰতিদ্বন্দীতাৰ সন্মুখীন হৈছিল।

এনেকৈয়ে ভাৰতৰ পৰা কেঁচা সামগ্ৰী ৰপ্তানিৰ সমসাময়িকভাৱে ইংলেণ্ডৰ উৎপাদিত সামগ্ৰীৰ আমদানিও বৃদ্ধি পাইছিল। ইংলেণ্ডত যান্ত্ৰিক উদ্যোগৰ বিকাশৰ সৈতে পূৰণি হস্ততাঁত শিপিনীৰ পতন হৈছিল। কিন্তু ভাৰতত হাজাৰ হাজাৰ শিল্পী আৰু কাৰিকৰসকলৰ পতন (ruin) নতুন বিকল্প ঔদ্যোগৰ বিকাশৰ সৈতে হোৱা নাছিল। ইয়াৰ পৰিণতিত বৃহৎ হাৰত কৰ্মসংস্থাপন হেৰুৱাব লগা হৈছিল। সেয়েহে ৰমেশ চন্দ্ৰ দত্তই কৈছিল — "ৰজাই

আৰোপ কৰা কৰ সূৰ্যই জলীয় বাষ্প শুহি লোৱা দৰে যি সাৰুৱা বৰষুণৰ দৰে ধৰালৈ ঘূৰি আহে, কিন্তু ভাৰতৰ মাটিৰ পৰা ওলোৱা জলীয় বাষ্প বা আদ্রতা এতিয়া সাৰুৱা বৰষুণ হিচাপে আন মাটিত বা দেশত অৱৰোহণ কৰিছে, ভাৰতত নহয়।"

## অগ্রগতি নিৰীক্ষণ

**খালী ঠাই পূৰ কৰা ঃ**

**প্রশ্ন নং ৩ ঃ** ঔপনিবেশকতাবাদৰ প্রথম পর্যায় হৈছে .....।

.....

**প্রশ্ন নং ৪ ঃ** বণিকবাদ আছিল ..... অর্থনীতিৰ প্রতিৰোধ।

.....

**প্রশ্ন নং ৫ ঃ** বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৭৫৭ চনৰ .....আৰু ১৭৬৪ চনৰ..... পাছত ৰাজনৈতিক শক্তি হিচাপে মূৰ দাঙি উঠিছিল।

.....

## ২.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি—

- বণিকবাদৰ তত্ত্বৰ সৃষ্টি বা উৎপত্তি আৰু ঔপনিবেশকতাবাদৰ পদ্ধতি নির্ধাৰণ কৰাত ইয়াৰ ভূমিকাৰ বিষয়ে জানিব পাৰিলো।
- ঔপনিবেশকতাবাদৰ বিভিন্ন পর্যায়ৰ ক্রমবিকাশৰ বিষয়ে জানিব পাৰিলো।
- ঔপনিবেশিক অর্থনীতিৰ বৈশিষ্ট্য সমূহৰ বিষয়ে জানিব পাৰিলো।

## ২.৭ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থ ঃ**


1. Tomlinson, B.R. (1988) : *The New Cambridge History of India, 1860-1970.* Foundation Books PVT.Ltd., Cambridge House, Ansari New Delhi.
2. Chandra Bipan (2009) : *History of Modern India.* Orient Blackswan Private Limited. Hyderabad, India.
3. Roy Tirthankar (2000) : *The Economic History of India 1857-1947.* Oxford University Press, New Delhi, India

## ✓ ২.৮ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** 'মুক্ত অৰ্থনীতি' (Laissez- Faire)ৰ তত্ত্বই বণিকবাদৰ সমালোচনা কৰিছিল।

**২নং প্রশ্নৰ উত্তৰ ঃ** সোণ আৰু ৰূপৰ দৰে মূল্যৱান ধাতু।

**৩নং প্রশ্নৰ উত্তৰ ঃ** একচেটিয়া বাণিজ্য আৰু ৰাজহ বিনিয়োজন (appropriation)

**৪নং প্রশ্নৰ উত্তৰ ঃ** ৰাজনৈতিক সম্পূৰ্ণতা (absolutism)

**৫নং প্রশ্নৰ উত্তৰ ঃ** পলাসী আৰু বক্সাৰ যুদ্ধ।

## ? ২.৯ আৰ্হি প্রশ্ন

**(ক) বস্তুধৰ্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন ১ ঃ** বণিকবাদৰ সংজ্ঞা দিয়ক।

**প্রশ্ন ২ ঃ** 'মুক্ত অৰ্থনীতি' (Laissez- Faire) ৰ প্রৱক্তা সকলে কিয় বণিকবাদৰ সমালোচনা কৰিছিল?

**প্রশ্ন ৩ ঃ** সম্পদ নিৰ্গত মানে কি?

**(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন ১ ঃ** ঔপনিবেশিকতাবাদ আৰু এখন দেশৰ অৰ্থনীতি কেনেকৈ ইটো আনটোৰ লগত জড়িত বৰ্ণনা কৰক।

**প্রশ্ন ২ ঃ** ঔপনিবেশিকতাবাদৰ প্রথম স্তৰ বা পৰ্যায়টোৰ আলোচনা কৰক।

**(গ) ৰচনাধৰ্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন ১ ঃ** ভাৰতত বণিকবাদৰ প্রভাৱৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ২ ঃ** এক ব্যৱস্থা (System) হিচাপে বণিকবাদৰ কাৰ্যাৱলী ইয়াৰ নীতি সমূহৰ সৈতে আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৩ ঃ সম্পদ নির্গত তত্ব আৰু ঔপনিৱেশিক সাম্ৰাজ্যবাদ

## অধ্যায় গাঁথনি


৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ বাণিজ্যৰ আৰ্হি

- চৰকাৰী বিত্ত
- সঞ্চয় আৰু বিনিয়োগ

৩.৪ লেনদেন পৰিশোধ

- হোম চার্জ (গৃহ শুল্ক)

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্রশ্ন


## ৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঔপনিবেশিক সাম্ৰাজ্যবাদৰ অধীনত বাণিজ্যৰ আৰ্হি আৰু চৰকাৰী বিত্তৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- সম্পদ নির্গত তত্ত্বৰ ক্ষেত্রত সঞ্চয় আৰু বিনিয়োগৰ প্রকৃতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ঔপনিবেশিক সাম্ৰাজ্যবাদৰ অধীনত সম্পদৰ নির্গতৰ এক গুৰুত্বপূর্ণ দিশ কাৰক লেনদেন পৰিশোধ আৰু হোম চার্জৰ বিষয়ে আলোচনা কৰিব পাৰিব,

## ৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি বণিকবাদৰ তত্ত্ব আৰু ঔপনিবেশিক অর্থনীতিৰ বৈশিষ্টসমূহৰ বিষয়ে আলোচনা কৰিছিল।

এই অধ্যায়ত আমি ঔপনিৱেশক অর্থনীতিৰ বিত্তীয় দিশ আৰু নাজৰাজিৰ ‘সম্পদ নির্গত তত্ত্ব’ বিষয়ে আলোচনা কৰিম। ঔপনিৱেশিক সাম্ৰাজ্যবাদ সাধাৰণতে অর্থনৈতিক দমন আৰু শোষণৰ নীতিৰ লগত নির্হিত হৈ আছিল। সম্পদৰ শোষণে পৰৱর্তী সময়ত ভাৰতৰ পৰা ইংলেণ্ডলৈ সম্পদৰ নিয়মীয়া সোঁতৰ পর্যায় পাইছিল যাৰ বিনিময়ত ভাৰতে পর্যাপ্ত অর্থনৈতিক, বাণিজ্যিক আৰু বস্তুনিষ্ঠ সম্পদ একো পোৱা নাছিল। ৰমেশ চন্দ্র দত্ত আদিৰ দৰে ঔপনিবেশিকতাবাদৰ অর্থনৈতিক সমালোচক প্রাৰম্ভিক উদাৰপন্থী জাতীয়তাবাদী সৃষ্টিত অৰিহণা যোগাইছিল। ঔপনিৱেশিবাদৰ জাতীয়তাবাদী সমালোচকসকলে মূলত ‘সম্পদ নির্গত তত্ত্বৰ’ ওপৰত মনোনিবেশ কৰিছিল। ‘সম্পদ নির্গত তত্ত্ব’ ভাৰতৰ পৰা এক বৃহৎ পৰিমাণৰ মূলধন ভাৰতৰ কর্মৰত অসমাৰিক

আৰু সামৰিক ইংৰাজ বিষয়াৰ দৰমহা আৰু পেন্সনৰ নামত , ভাৰত চৰকাৰে লোৱা ঋণৰ সূত, ভাৰতত থকা ইংৰাজ পুঁজিপতি সকলৰ লাভ আৰু হোম চার্জ অথবা ইংলেণ্ডত ভাৰত চৰকাৰৰ বাবদ হোৱা ব্যয়ৰ নামত ইংলেণ্ডলৈ হস্তান্তৰ বা নির্গত হোৱা ধাৰাৰ লগত প্ৰাৰম্ভিক জাতীয়তাবাদীসকলৰ মতে ভাৰতৰ পৰা সম্পদৰ নির্গমন হোৱাটোৱে কেৱল আমদানিতকৈ ৰপ্তানিৰ পৰিমাণ অত্যাধিক হোৱাটোৱেই নহয় ভাৰতৰ দৰিদ্রতা আৰু অর্থনৈতিক অনগ্রসৰতাৰ মূল কাৰণ হিচাপে ৰূপ ধাৰণ কৰিছিল। তদুপৰি, সম্পদৰ নির্গমনে ভাৰতৰ কৃষি আৰু উদ্যোগিক ক্ষেত্র খনৰ প্রয়োজনীয় উৎপাদনক্ষম মূলধনৰ পৰা বঞ্চিত কৰিছিল।

## ৩.৩ বাণিজ্যৰ আর্হি

উপনিবেশিক সাম্ৰাজ্যবাদৰ লগত বাণিজ্যৰ আর্হি আলোচনা কৰোতে এইটো উল্লেখ কৰা প্রয়োজন যে বৃটিছসকলে নতুন বিত্তীয় নীতি আৰম্ভ কৰাৰ লগে লগে ভাৰতৰ অর্থনীতি বৃটেইনৰ পৰিপূৰক হৈ পৰে। ১৮১৪ আৰু ১৮৫৮ চনৰ মাজত ভাৰতৰ ৰপ্তানী আৰু আমদানিৰ মূল্য আৰু আয়তন বৃদ্ধি পাইছিল, কিন্তু একে সময়তে সামগ্রীৰ গাঁঠনি আৰু বাণিজ্যৰ গতিৰ পৰিৱর্তন ঘটিছিল। এই পৰিৱর্তন ভাৰতৰ লেনদেন পৰিশোধৰ লগত জড়িত আছিল আৰু বৃটেইন বিশ্বৰ অগ্রণী ঔদ্যোগিক ৰাষ্ট্র হিচাবে পৰিগণিত হৈছিল আৰু আন্তঃৰাষ্ট্রীয় বাণিজ্য আৰু বিত্তৰ প্রধান কেন্দ্রবিন্দু হৈ পৰিছিল। তদুপৰি উপনিবেশিক ভাৰতৰ বৈদেশিক বাণিজ্যৰ আর্হিৰ ক্ষেত্রত কিছু উন্নতি পৰিলক্ষিত হৈছিল। ইয়াত অন্তর্ভুক্ত আছিল— ১৯ শ শতিকাত বাণিজ্যৰ ওপৰত নির্ভৰশীলতা বৃদ্ধি, কৃষিভিত্তিক ৰপ্তানিৰ বিশেষিকৰণ, কৃষিৰ পৰা ক্রমান্বয় পৰিৱর্তন যিহেতু উদ্যোগিকৰণৰ উন্নতিৰ হেতু কৃষিৰ ক্রমান্বয় পৰিৱর্তন, আৰু যুদ্ধৰ মাজৰ সময়চোৱাত প্রাৰম্ভিক ইংলেণ্ড কেন্দ্রীয় বাণিজ্যৰ পূৱ এচিয়া অভিমুখে ঢাল খায় ১৮১৪ বর্ষত ভাৰতৰ ৰপ্তানি মূলত বস্ত্র বা কাপোৰ-কানি, কেঁচা ৰেচম সূতা, কপাহ, কানি ইত্যাদিৰে গঠিত, ভাৰতৰ মূল বাণিজ্যিক লগৰীসমূহ আছিল বৃটেইন আৰু চীন, পৰৱর্তী সময়ত ফ্রান্স, আমেৰিকা, বার্মা, ইণ্ডোনেচিয়া আদি।

১৮৫৮-৯৩ সময়চোৱাত বিভিন্ন কাৰণত ভাৰতৰ বৈদেশিক বাণিজ্যৰ দ্রুত গতিত বৃদ্ধি ঘটিছিল। প্রথমতে, ৰেললাইন নির্মাণৰ ফলত হোৱা পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতি আৰু ১৮৬৯ চুৱেজ খালৰ মুকলিয়ে সামগ্রী পৰিবহণ ক্ষীপ্রতৰ কৰাৰ লগতে ভাৰত আৰু ইউৰোপৰ মাজত দূৰত্ব হ্রাস কৰি তুলিছিল। দ্বিতীয়তে, মুক্ত বাণিজ্যৰ ফলস্বৰূপে আমদানিৰ ওপৰত সকলো শুল্ক আৰু অনাশুল্ক উঠি যোৱাত ভাৰতলৈ বিদেশী সামগ্রীৰ প্রৱেশ ঘটিছিল। তৃতীয়তে, ইংলেণ্ডৰ ৰাহি পুঁজিৰ ভাৰতৰ চাহ, মৰাপাট, কয়লা খনি আদিত বিনিয়োগৰ যোগেদি ৰপ্তানি বৃদ্ধি পাইছিল।

যি কি নহওক, ১৮৯৪-১৯০০ সময়চোৱাত প্রাকৃতিক দুর্যোগ যেনে মহামাৰী, প্লেগ আদিৰ প্রাদুর্ভাৱৰ ফলত ভাৰতৰ বিদেশী বাণিজ্য স্থৰিৰ হৈ পৰিছিল। তদুপৰি, আমদানি শুল্ক পুনৰ আৰোপ কৰাত আমদানিত প্রভাৱ পৰিছিল আৰু চীন আৰু জাপানৰ যুদ্ধৰ সূচনা হোৱাত চীনলৈ ভাৰতৰ ৰপ্তানিত প্রভাৱ পেলাইছিল। ১৯ শ শতিকাৰ দ্বিতীয়ার্দ্ধত খাদ্যসামগ্রী, মৰাপাট, কানি, কপাহী কাপোৰে ভাৰতৰ ৰপ্তানি বাণিজ্যত প্রধান ভূমিকা লৈছিল। কৃষকসকলৰ ঋণ পৰিশোধ আৰু দৈনন্দিন প্রয়োজনীয় উৎপাদিত সামগ্রীৰ বর্দ্ধিত চাহিদাই ভাৰতৰ খাদ্য সামগ্রী আৰু কৃষিভিত্তিক কেঁচা সামগ্রীৰ ৰপ্তানি বৃদ্ধি ঘটিছিল। বাণিজ্যিক দিশত প্রাৰম্ভিক অৱস্থাত চীন আৰু ইংলেণ্ডৰ বজাৰৰ ওপৰত বেছি নির্ভৰশীল আছিল যদিও যুদ্ধৰ আগৰ সময়চোৱাত ইয়াৰ অৱনতি ঘটিছিল। যুদ্ধৰ

মাজৰ সময়চোৱাত ভাৰতৰ বৈদেশিক বাণিজ্যত ইংলেণ্ডৰ অংশৰ অৱনতি ঘটিছিল যদিও জাপান, আমেৰিকা, জার্মানী আৰু ইটালিৰ অংশ বৃদ্ধি পাইছিল। চমুকৈ, যুদ্ধকালীন সময়ছোৱাত ভাৰতৰ বাণিজ্যিক অংশীদাৰসকলৰ বৈচিত্র্যকৰণ হৈছিল।

- **চৰকাৰী বিত্ত ঃ** বিদেশত চৰকাৰী ব্যয় অৱসৰপ্রাপ্ত কর্মচাৰীক ষ্টাৰলিঙত (Sterling) পেন্সন প্রদান আৰু লণ্ডনত গ্রহণ কৰা চৰকাৰী ঋণৰ নামত খৰচ কৰা হৈছিল। চৰকাৰে তিনি প্রকাৰে ব্যয় বহন কৰিছিল -- প্রথমতে ইয়াক চলিত ৰাজহৰ পৰা কৰা হৈছিল আৰু ৭০ ৰ পৰা ৮০ শতাংশ চলিত ৰাজহ কৰৰ যোগেদি সংগ্রহ কৰা হৈছিল। দ্বিতীয়তে, বিদেশত ধাৰে লোৱা আৰু তৃতীয়তে নিজ দেশত লোৱা ধাৰ/ঋণ, উপনিবেশিক চৰকাৰে ইয়াৰ খৰচ বহন কৰিবলৈ কেৱল লণ্ডনতে নহয় ভাৰততো বৃহৎ মাত্রাত/পৰিমাণত ঋণ লৈছিল। বিশ্বযুদ্ধৰ সময়ত চৰকাৰৰ ঋণৰ মাত্রা চূড়ান্ত শিখৰ চুইছিল। ১৯ শ শতিকাৰ শেষ ভাগত লণ্ডনত লোৱা/গ্রহণ কৰা ঋণ যুদ্ধ আৰু ৰেললাইন নির্মাণত খৰচ/ব্যয় কৰা হৈছিল। যি কি নহওক, ১৯০০-১৯১৩ বছৰ সমূহত সামৰিক বাধ্যবাধকতা দুর্বল হৈ পৰিছিল আৰু ৰেল বিভাগত বিনিয়োগত অৱনতিৰ চিন পৰিলক্ষিত হৈছিল। বিনিয়োগৰ ক্ষমতা কেৱল প্রশাসনিক ব্যয়েই নহয় বিদেশত ঋণ গ্রহণ কৰাৰ সক্ষমতাৰ ওপৰতো নির্ভৰ কৰিছিল।
- **সঞ্চয় আৰু বিনিয়োগ ঃ** বহনক্ষম অর্থনৈতিক বিকাশত ৰাষ্ট্রীয় আয়ৰ পর্যাপ্ত পৰিমাণে বিনিয়োগ কৰাটো প্রয়োজন। ৰাষ্ট্রীয় আয়ক সামগ্রীৰ মূল্যবান আৰু এক নির্দিষ্ট সময়ৰ ভিতৰত সেৱা সৃষ্টিৰ দ্বাৰা জোখা হয়। বিনিয়োগত আংশিকভাৱে বেংকত জমা থকা ঘৰুৱা সঞ্চয়েৰে আৰু আংশিকভাৱে বিদেশী বিনিয়োগৰ আগমণৰ যোগেদি খৰচ কৰা হয়। জমা আৰু নিৰাপত্তা যি কি নহওক ভাৰতে জমা কৰা একমাত্র সম্পদ নহয়। মূল্যবান ধাতুৰ যোগেদিও এক অংশ জমা কৰা হৈছিল। তদুপৰি, সঞ্চয়ৰ এক ক্ষুদ্র অংশ বিদেশত বিনিয়োগ আৰু ভাৰতত চৰকাৰী খণ্ড (Bond) ক্রয়ত খৰচ কৰা হৈছিল। যন্ত্রপাতিত বিনিয়োগৰ অনুপাত কৃষিত বিনিয়োগৰ শতকৰা হাৰ আৰু মুঠ বিনিয়োগৰ পৰিমাণত চৰকাৰী অংশ তুলনামূলকভাৱে কম আছিল। আয়ৰ এক নির্দিষ্ট অনুপাত সোণ আৰু ৰূপ ক্রয় কৰাটো বিশেষভাৱে উল্লেখনীয়। এক সুস্থিৰ কৃষি বর্ষত ভাৰতীয়সকলে বৃহৎ পৰিমাণৰ সোণ আৰু ৰূপ ক্রয় কৰে। যি কি নহওক, মন্দাৱস্থা আৰু দুই বিশ্বযুদ্ধৰ সময়ত ব্যতিক্রম দেখা গৈছিল। যুদ্ধৰ সময়ত সোণৰ আমদানিত আইনগতভাৱে বাধা আৰোপ কৰা হৈছিল। একে সময়তে জলবায়ুৰ ক্ষতিৰ সম্ভাৱনা আৰু দ্রব্য মূল্যৰ উঠা-নমাৰ কাৰণে বিনিয়োগ প্রকল্পসমূহৰ পৰা আশা কৰা আয়ত প্রভাৱ পৰিছিল। যি দীর্ঘ সময়ত উৎপাদনশীল বিনিয়োগৰ চাহিদা হ্রাস কৰিছিল।

সকলো ধৰণৰ সঞ্চয় প্রগতিশীল বিনিয়োগগৰাকীক ঋণ দিয়াৰ হেতু প্রয়োজনীয় আছিল। কিন্তু যিসকল বিনিয়োগকাৰীয়ে ধাতু ক্রয় কৰিছিল তেওঁলাকৰ মাজত এই সমূহ মজুত কৰাৰ প্রৱণতা বেছি আছিল আৰু যেতিয়া ধাতুবোৰক ঋণৰ বিপৰীতে বন্ধকত দিয়া হয় ই কোনো নতুন বিনিয়োগৰ সৃষ্টি কৰা নাছিল। মুদ্রা আৰু কাগজী ৰূপত বিত্তীয় সঞ্চয়ৰ এক ক্ষুদ্র অংশ মজুত কৰা হৈছিল। কৃষিত বিনিয়োগৰ হাৰ যি কি নহওঁক কম আছিল যি অর্থনীতি আৰু জীৱনৰ গড় মানদণ্ড স্থবিৰ কৰি তুলিছিল। কৃষি খণ্ডত ..... বিনিয়োগ কম মাত্রাৰ/পৰিমাণৰ বিত্তীয় সঞ্চয়ৰ এক ফলাফল আছিল। বিত্তীয় সঞ্চয়ৰ বেছি অংশই কৃষিৰ বাহিৰত/উর্ধত বিনিয়োগ কৰা হৈছিল আৰু গ্রাম্য আয়ৰ প্রায় ৮ শতাংশ কৃষিকার্যৰ ভিতৰত পুঁজি মজুত/দ'মৰ কাৰণে একাষৰীয়াকৈ ৰখা হৈছিল। এই ধনৰাশিৰ প্রায় ১/৪ অংশ সোণ আৰু ৰূপ ক্রয়ত খৰচ কৰা হৈছিল। যিকোনো উৎপাদিত বর্ষত ভাৰতলৈ বৃহৎ পৰিমাণৰ সোণ আৰু ৰূপ আমদানি কৰা হৈছিল যাক পৰৱর্তী সময়ত অলংকাৰলৈ ৰূপান্তৰ কৰা হৈছিল। সোণ

আৰু ৰূপক এনেকৈ গ্ৰাম্য বিনিয়োগলৈ অনা হৈছিল। কৃষিত বিনিয়োগৰ অৱনতিও গ্ৰাম্য বিত্তীয় লেনদেনৰ বিশ্বাসযোগ্যতা আৰু মূলধনী বজাৰৰ গঠনৰ লগত জড়িত হৈ পৰিছিল। ধন ধাৰে দিয়া মহাজনবোৰ এক শোষণকাৰী এজেণ্ট আছিল আৰু ঋণৰ বজাৰৰ সম্ভাৱনাপূৰ্ণ ৰাহিক শস্যৰ উৎপন্নৰ পৰিমাণ উন্নতকৰণৰ পৰিৱৰ্তে অন্যান্য উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছিল। দীৰ্ঘ সময়ত বিশ্ব বজাৰৰ ক্ষতিৰ সম্ভাৱনা বৃদ্ধি, খাদ্য শস্যৰ পৰা নগদ ধনৰ শস্যলৈ পৰিৱৰ্তন আৰু পৰিণতিত মহামাৰী পাৰ্দুভাৱৰ ফলত কৃষকসকল ঋণৰ জালত বন্দী হৈ পৰিছিল।

বিনিয়োগ প্ৰকল্প সমূহৰ পৰা আশা কৰা আয়ত প্ৰভাৱ ছানষ্টিফেনো সন্ধি ৰাছিয়াৰ কাৰণে এক ডাঙৰ সফলতা আছিল। ক্ৰিমিয়াৰ যুদ্ধৰ অপমান ই মুচি পেলোৱাৰ লগতে বলকান অঞ্চলত ইয়াৰ প্ৰভাৱ নিশ্চিত কৰিছিল।

## অগ্ৰগতি নিৰীক্ষণ

**খালী ঠাই পূৰ কৰক ঃ**

**প্ৰশ্ন নং ১ ঃ** ..... আৰু ..... আদি উদাৰপন্থী নেতাৰ দ্বাৰা ঔপনিৱেশবাদৰ অৰ্থনৈতিক সমালোচক বিধিবদ্ধ হৈছিল।

.....

**প্ৰশ্ন নং ২ ঃ** ভাৰতীয়সকলৰ এক উল্লেখযোগ্য পৰিমাণৰ সঞ্চয় ..... ধৰণৰ আছিল।

.....

## ৩.৪ লেনদেন পৰিশোধ

১৯ শতিকাৰ দেনা পাওনাৰ আৰ্হিৰ এক বিশ্লেষণে প্ৰকাশ কৰিছে যে বাণিজ্যৰ ..... সাধাৰণতে ধনাত্মক আছিল য'ত পৰিশোধ কৰা ধন আৰু মূল্যবান ধাতুৰ আদান-প্ৰদান সাধাৰণতে ঋণাত্মক আছিল। তদুপৰি, সম্পূৰ্ণ পৰিশোধ কৰা ধনৰ ভিতৰত ব্যক্তিগত পৰিশোধকৃত ধন আৰু সোণ ক্ৰয়ৰ অংশ কম আছিল য'ত চৰকাৰৰ পৰিশোধকৃত ধনৰ পৰিমাণ বেছি আছিল। ভাৰতে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী বিভিন্ন প্ৰকাৰৰ পুঁজিৰ নিয়মিত যোগান লাভ কৰিছিল। পুঁজিৰ হ্ৰস্বম্যাদী যোগানক মূলত বাণিজ্যৰ ঋতুগত চাহিদা পূৰণ কৰাত ব্যৱহাৰ কৰা হৈছিল। লণ্ডনত হুণ্ডী বিক্ৰী কৰা হৈছিল যাক ভাৰতত শস্য চপোৱা বতৰৰ চূড়ান্ত সময়ত ৰপ্তানিৰ লেনদেন পূৰোৱাৰ বাবে পুনৰ ব্যৱহাৰ কৰিছিল। ভাৰতত সূতৰ হাৰ বিভিন্ন প্ৰকাৰৰ আছিল আৰু হ্ৰস্বম্যাদী পুঁজিৰ যোগান শস্য চপোৱা বতৰত প্ৰৱৰ্তিত কৰা উচ্চ সূতৰ হাৰৰ দ্বাৰা প্ৰভাৱিত হৈছিল। দীৰ্ঘম্যাদী পুঁজিৰ যোগান দুই প্ৰকাৰৰ আছিল - অৱশিষ্ট বিদেশী ব্যক্তিগত মালিকাধীন বিনিয়োগ আৰু অৱশিষ্ট চৰকাৰী ঋণৰ বৃদ্ধি। লেনদেন পৰিশোধ খণ্ডত ব্যক্তিগত মালিকাধীন বিদেশী বিনিয়োগ দুৰ্বল যোগসূত্ৰ হিচাপে বৰ্তি আছিল। আনহাতে ১৯ শ শতিকাৰ তৃতীয়ার্ধত ৰেলপথে ব্যক্তিগত বিনিয়োগক গভীৰভাৱে প্ৰভাৱিত কৰিছিল, কিন্তু শতিকাটোৰ শেষৰ ফালে এই ধাৰাৰ পৰিৱৰ্তন ঘটিছিল। এইটো মূলত চাহ, মৰাপাট আৰু খনিজ কোম্পানীৰ গঠনৰ কাৰণেই হৈছিল। তদুপৰি বিদেশী বিনিয়োগ আৰম্ভণীতে ভাৰতত গঢ়ি উঠা কোম্পানীবোৰৰ অংশ লণ্ডনত বিক্ৰী কৰা ধৰণৰ আছিল। যুদ্ধৰ মাজৰ সময়চোৱাত বিনিয়োগে বিদেশী ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰিপূৰক প্ৰতিষ্ঠান সমূহত প্ৰত্যক্ষ বিনিয়োগৰ ৰূপ ধাৰণ কৰিছিল। বিদেশী পুঁজিৰ ৭৭ শতাংশ মালিক বা গৰাকী বৃটিছ কোম্পানী আছিল। চৰকাৰে বিদেশত

পৰিশোধ কৰা ধন লেনদেন পৰিশোধনৰ এক গুৰুত্বপূৰ্ণ দিশ আছিল। প্ৰতি বছৰেই বৃটেইনক ষ্টাৰলিঙত (Sterling) এক উল্লেখযোগ্য পৰিমাণৰ ধন 'হোম চার্জ' হিচাপে দিয়া হয়। এইবোৰ সাধাৰণতে সৈন্যবাহিনী পৰিচালনাৰ কাৰণে কৰা ব্যয়, বিষয়া সমূহক প্ৰদান কৰা অৱসৰকালীন ভাট্টা আদি ধৰণৰ আছিল। এই পৰিশোধ কৰা ধন সমূহে বহল ভিত্তিত ঘৰুৱা অৰ্থনীতিৰ সঞ্চয় আৰু বিনিয়োগ উৎপাদন কৰাৰ সক্ষমতা হ্ৰাস কৰিছিল। পৰিশোধ কৰা ধনৰ লগত চৰকাৰৰ এটা সুস্থিৰ নীতি অনুসৰণ কৰাৰ সামৰ্থতাৰ লগত এৰা ধৰা কৰিব লগা হৈছিল যি বৃটিছ অৰ্থনৈতিক সূতৰ হাৰৰ ক্ষেত্ৰত স্বাধীন হ'ব। বাজেট আৰু লেনা-দেনা পৰিশোধৰ মাজত যোগসূত্ৰক ভাৰতৰ ৰপ্তানিৰ বাহি আৰু চৰকাৰৰ লণ্ডনত ষ্টাৰলিঙত যোগাৰ কৰাৰ সামৰ্থতাৰ দ্বাৰা পৰিচালিত হৈছিল। এই দুয়োটাই একেলগে বিদেশত চৰকাৰে পৰিশোধ কৰিব লগা ধন আৰু তেওঁলোকৰ বিনিয়োগৰ এটা অংশৰ বিত্ত যোগান ধৰিছিল। যি কি নহওক, যুদ্ধৰ মাজৰ সময়চোৱাত এই ব্যৱস্থাটো ভাগি পৰিছিল। দীৰ্ঘ সময়ত লেনা-দেনা পৰিশোধে ভাৰতীয় অৰ্থনীতিত এক ঋণাত্মক প্ৰভাৱৰ প্ৰতিফলন ঘটাইছিল।

- **হোম চার্জ (গৃহ শুল্ক) ঃ**

সম্পদ নির্গত কৰণৰ এটা উল্লেখযোগ্য অংশ হোম চার্জৰ দ্বাৰা গঠিত যিয়ে ভাৰতীয় অৰ্থনীতিৰ বিকাশত বাধা জন্মাইছিল। ওপৰত উল্লেখ কৰা ধৰণে বিদশত চৰকাৰে পৰিশোধ কৰা ধনৰ লগত লেনাদেনা পৰিশোধ কৰাত এক বিশাল পৰিমাণৰ ধন পৰিশোধ কৰাটো অন্তৰ্ভুক্ত হৈ আছিল। হোম চার্জে এনেকৈ ভাৰতৰ হৈ ৰাষ্ট্ৰৰ সচিব প্ৰধানজনে ইংলেণ্ডত ব্যয় কৰা ধনক বুজায়। হোম চার্জৰ প্ৰধান উপাদানসমূহ ৰেলপথ নির্মাণ, জলসিঞ্চনৰ সুবিধা আৰু গড়কাপ্তানি কামৰ উদ্দেশ্যে জমা কৰা বিদেশত সৃষ্টি কৰা ৰাজহৱা ঋণৰ সূতৰ হাৰৰ প্ৰকাৰৰ আছিল। অসামৰিক আৰু সামৰিক ব্যয়ও হোম চার্জৰ উপাদানৰ এক গুৰুত্বপূৰ্ণ অংশ আছিল। এইসমূহত অন্তৰ্ভুক্ত আছিল ভাৰতত থকা সামৰিক আৰু অসামৰিক বিভাগসমূহত কর্মৰত বৃটিছ বিষয়াসকলৰ অৱসৰকালীন ভাট্টাৰ বাবদ পৰিশোধ কৰা ধন, লণ্ডনত থকা ভাৰতৰ কার্যালয় সমূহৰ ব্যয়, বৃটিছৰ যুদ্ধ বিষয়ক কার্যালয় ইত্যাদি। বিদেশী পুঁজি বিনিয়োগৰ ওপৰত নির্ধাৰিত সূত আৰু বিদেশী বেংক ব্যৱস্থা, বীমা আৰু জাহাজ কোম্পানীসমূহ হোম চার্জৰ আন গুৰুত্বপূৰ্ণ ভাগ আছিল। বিদেশী পুঁজি বিনিয়োগৰ প্ৰকৃতি আৰু ইয়াৰ ওপৰত আৰোপিত সূতে ভাৰতৰ উদ্যোগখণ্ডৰ বিকাশত অৰিহণা যোগোৱা নাছিল, আনহাতেদি ই বিদেশী পুঁজিপতিসকলক ভাৰতৰ সম্পদ শোষণৰ বাট মুকলি কৰি দিছিল। বেংক, বীমা আৰু জাহাজ সেৱাৰ বাবে ভাৰতে বৃহৎ পৰিমাণৰ ধন পৰিশোধ কৰিবলগা হৈছিল যি ভাৰতীয় অৰ্থনীতিৰ নির্গত কৰিছিল আৰু এই ক্ষেত্ৰত ভাৰতীয় ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিকাশ ৰোধ কৰিছিল। এই সমূহৰ ভাৰতত আয় আৰু কর্মসংস্থানৰ সুযোগ সৃষ্টিত গুৰুত্বপূৰ্ণ প্ৰভাৱ আছিল।

## অগ্ৰগতি নিৰীক্ষণ

**খালী ঠাই পূৰ কৰক ঃ**

**প্ৰশ্ন নং ৩ ঃ** ..... য়ে ১৯ শ শতিকাৰ তৃতীয়ার্ধত ব্যক্তিগত বিনিয়োগত প্ৰাধান্য বিস্তাৰ কৰিছিল।

.....

**প্ৰশ্ন নং ৪ ঃ** ..... য়ে বিদেশী পুঁজিৰ ৭৭ শতাংশ মালিকীস্বত্ব লাভ কৰিছিল।

.....

**প্ৰশ্ন নং ৫ ঃ** হোম চার্জে ভাৰতত ..... আৰু ..... সৃষ্টিত প্ৰভাৱ পেলাইছিল।

.....

## ৩.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি —

- 'সম্পদ নির্গত তত্ব' আৰু এই তত্বৰ বিষয়ে জানিব পাৰিলো।
- সম্পদ নির্গত তত্বৰ লগত বাণিজ্যৰ আৰ্হি, সঞ্চয় আৰু বিনিয়োগ আৰু চৰকাৰী বিত্তৰ সম্পৰ্কৰ বিষয়ে জানিব পাৰিলো।
- ভাৰতৰ পৰা সম্পদ নির্গতৰ ক্ষেত্ৰত জড়িত লেন-দেন পৰিশোধ আৰু হোম চার্জৰ প্ৰকৃতি বৰ্ণনা কৰিব পাৰিলো।

## ৩.৬ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**

1. Chandra, Bipan (1988), *India's Struggle for Independence.* Penguin Books Ltd., Delhi.
2. Grover, B.L. (2004), *A New Look at Modern Indian History (From 1707 to the Modern Times).* S. Chand & Company Ltd, New Delhi.
3. Roy, Tirthankar. (2000), *The Economic History of India 1857-1947.* Oxford University Press. New Delhi.

## ৩.৭ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** দাদাভাই নৌৰাজী আৰু ৰমেশ চন্দ্ৰ দত্ত।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** মূল্যবান ধাতু।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** ৰেলপথ।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ব্ৰিটিছসকল।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** আয় আৰু নিয়োগ সংস্থাপন।

## ৩.৮ আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** ঔপনিবেশিবাদৰ জাতীয়তাবাদী সমালোচক সকলে মূলত কি বিষয়ত মনোনিবেশ কৰিছিল?

**প্রশ্ন ২ ঃ** বৃটিছ ভাৰতৰ চৰকাৰী খৰচৰ মূল প্রকাৰ দুটা কি আছিল?

**প্রশ্ন ৩ ঃ** ঔপনিবেশিক ভাৰতৰ দৃষ্টিগোচৰ হোৱা বৈদেশিক বাণিজ্যৰ আৰ্হিৰ বিকাশৰ বিষয়ে উল্লেখ কৰক।

**(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন ১ ঃ** ১৮৫৮-১৮৯৩ ৰ সময় চোৱাত ভাৰতে কিয় বিদেশী বাণিজ্যৰ বিকাশ দেখা পাইছিল?

**প্রশ্ন ২ ঃ** ভাৰতৰ কৃষি খণ্ডই কিয় পর্যাপ্ত বিত্তীয় বিনিয়োগ আকর্ষণ কৰাত বিফল হৈছিল?

**(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন ১ ঃ** ঔপনিবেশিক ভাৰতৰ লেনদেন পৰিশোধৰ এক বর্ণনা দিয়ক।

**প্রশ্ন ২ ঃ** 'হোম চার্জ'ৰ বিভিন্নসমূহ আৰু ভাৰতীয় অর্থনীতিত ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৪ ঃ ভূমি চুক্তি আৰু ৰাজহ ব্যৱস্থা

## অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ৰাজহুৱা ভূমিৰ ধাৰণা
- চিৰস্থায়ী বন্দবস্ত
- ভূমি অধিকাৰৰ বৈশিষ্ট্য

৪.৪ ভূমি ৰাজহ ব্যৱস্থা— ভূমি ৰাজহ প্রশাসন
- ৰায়টৱাৰী প্রথা
- মহলৱাৰী প্রথা
- জমিদাৰী প্রথা

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮৮ আৰ্হি প্রশ্ন

## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভূমি ব্যৱহাৰৰ বৈশিষ্ট্য আৰু ৰাজহুৱা ভূমিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- বিভিন্ন ৰাজহ-প্রশাসনিক ব্যৱস্থা যেনে— ৰায়টৱাৰী, মহলৱাৰী, জমিদাৰী প্রথাৰ বিষয়ে বর্ণনা কৰিব পাৰিব, আৰু
- নতুন ৰাজহ ব্যৱস্থাৰ আঁৰত থকা ব্রিটিছৰ অর্থনৈতিক নীতিৰ আলোচনা কৰিব পাৰিব।

## ৪.৩ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি বাণিজ্যিক ব্যৱস্থা আৰু সম্পদ নির্গত তত্ত্বৰ (Drain Theory) বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়টিত আমি ব্রিটিছৰ ৰাহজ প্রশাসনিক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়টিত আমি ভাৰতৰ ৰায়টৱাৰী, মহলৱাৰী আৰু জমিদাৰী প্রথাৰ বিষয়ে আলোচনা কৰিম।

## ৪.৪ ৰাজহুৱা ভূমিৰ ধাৰণা

প্রাৰম্ভণীৰ সময়ৰ পৰা ভাৰতৰ ভূমি ব্যৱস্থা আছিল জটিল। "ৰাজহুৱা ভূমি" (Common Land) বুলিলে

গাঁওবাসীয়ে গৰু, ঘোঁৰাৰ চৰোৱাৰ আৰু খৰিৰ যোগানৰ বাবে ব্যৱহাৰ কৰা ভূমিক বুজায়। এই ভূমিৰ কোনো স্বকীয় মালিক নাছিল। প্ৰাচীন ভাৰতত, ভূমি সম্পৰ্কত অন্তৰ্ভুক্ত হৈ আছিল ব্যক্তিগত মালিক, ৰাজতন্ত্ৰৰ অধীনত ভূমি আৰু ৰাজহুৱা ভূমি।

তেওঁৰ ৰচনা "The Land Systems of British India"ত বেডেন পাওৱেল (Baden Powell) এ "উষৰ বা উৰুঙা ভূমি"ক উল্লেখ কৰিছে। খেতি নোহোৱা ভূমি (মৰুময় ভূমি যিহেতু ইয়াৰ পৰা ৰাজহ কৰ উপলব্ধ হোৱা নাছিল) ৰাজ্য প্ৰশাসনে জব্দ কৰি লৈছিল।

গাঁওৰ ওচৰৰ ভূমি এটি ৰাজহুৱা সম্পদৰূপে সম্পূৰ্ণ গাঁওবাসী সকলৰ বাবে আছিল। বৃটিছৰ আগমন আৰু বেৰ দিয়ন নীতিয়ে বহু পৰিমাণৰ ৰাজহুৱা ভূমি বৃটিছ ৰাজৰ অধীনত নিছিল।

- **চিৰস্থায়ী বন্দবস্ত**

পলাচী আৰু বক্সাৰৰ যুদ্ধই বে।লক বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ অধীনলৈ আনিছিল। কোম্পানীক সাম্ৰাজ্য বিস্তাৰ আৰু ৰাজ্যবিলাকৰ শাসনৰ কাৰণে অৰ্থৰ প্ৰয়োজন হৈছিল। সেই সময়ত ভূমি ৰাজহেই উপাৰ্জনৰ মূল স্থল আছিল। আচলতে ভূমিৰ ৰাজহ সংগ্ৰহৰ কাৰণেই ১৮১৩ খৃঃলৈকে প্ৰশাসন আৰু ন্যায়পালিকা দৃঢ় কৰা হৈছিল। প্ৰথমতে লৰ্ড ক্লাইভে বে।লত দ্বৈত শাসন ব্যৱস্থাৰ প্ৰচলন ঘটাইছিল। ১৭৭৩ খৃঃত কোম্পানীয়ে নিজাববীয়াকৈ ভূমিৰ ৰাজহ ব্যৱস্থা পৰিচালনা কৰিবলৈ লয়। ওৱাৰেণ হেষ্টিংচে পাঁচবছৰীয়া কালৰ বাবে ৰাজহ সংগ্ৰহৰ ঠিকা ভিত্তিক ব্যৱস্থা পাতি নিবিদা বিচাৰি আটাইতকৈ বেছি ডাক দিওঁতাক ৰাজহ সংগ্ৰহ কৰিবলৈ দিছিল। ১৭৭৭ খৃঃত নিলাম পতাটো বছেৰেকীয়া কৰিছিল; কিন্তু তেওঁৰ চেষ্টা সফল নহ'ল। নিলামৰ সময়ত জমিদাৰ আৰু আন ফালে।য়ে ইজনে সিজনৰ বিৰুদ্ধে ডাক মাতিছিল। কিন্তু বছৰে বছৰে প্ৰকৃত সংগ্ৰহৰ তাৰতাম্য ঘটিছিল আৰু কোম্পানীয়ে বিচাৰ লক্ষ্যতো কেতিয়াও উপনীত হ'ব পৰা নাছিল। গতিকে ই কোম্পানীৰ ৰাজহ সংগ্ৰহত বিৰূপ প্ৰভাৱ পেলাইছিল।

পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ লৰ্ড কৰ্ণওৱালিছে ১৭৯৩ খৃঃত ব! আৰু বিহাৰত চিৰস্থায়ী বন্দৱস্তৰ সূচনা কৰিছিল। এই বন্দৱস্তৰ দ্বাৰা জমিদাৰসকলক তেওঁলোকৰ সম্পূৰ্ণ জমিদাৰী স্বত্বৰ মাটিৰ মালিক পাতি দিছিল, যাতে চৰকাৰৰ এজেণ্ট হিচাপে তেওঁলোকে প্ৰজাৰ পৰা ৰাজহ সংগ্ৰহ কৰিব পাৰে। তেওঁলোকৰ মালিকি স্বত্ব পৈতৃক আৰু হস্তান্তৰ কৰিব পৰা কৰি দিছিল। জমিদাৰসকলে ১০/১১ ভাগ সংগৃহিত ৰাজহ কোম্পানীক দিব লাগিছিল। কেৱল ১/১১ ভাগ ৰাজহ তেওঁলোকে নিজে ৰাখিব পাৰিছিল। অনুকূল পৰিস্থিতিৰ বাবে যদি ৰাজহ বেছিকৈ সংগ্ৰহ হয় তেনেহ'লে অতিৰিক্ত সংগ্ৰহখিনি জমিদাৰসকলক ৰাখিব দিয়া হৈছিল। কিন্তু কোনো কাৰণবশতঃ শস্য বেয়া হ'লেও নিৰ্দিষ্ট তাৰিখ মতে তেওঁলোকে ৰাজহ আদায় দিবলৈ বাধ্য আছিল। নহ'লে তেওঁৰ মাটি বিক্ৰী কৰিবলগীয়াও হৈছিল।

চিৰস্থায়ী বন্দবস্তই খেতিয়কসকলৰ সন্মান লাঘৱ কৰি ভাড়াতীয়লৈ পৰিণত কৰিছিল। তেওঁলোকক মাটিৰ মলিকি স্বত্ব তথা প্ৰচলিত নিয়ম অনুযায়ী চলি আহা অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। চৰণীয়া ঠাই, হাবিৰ মাটি, পানী যোগান ব্যৱস্থা, মাছপোহা পুখুৰীৰ ব্যৱহাৰ আৰু ভাড়া বৃদ্ধিৰ সুৰক্ষা আদিৰ অধিকাৰো তেওঁলোকৰ পৰা কাঢ়ি নিয়া হৈছিল।

চিৰস্তায়ী বন্দৱস্তৰ জৰিয়তে চৰকাৰে আগৰ অস্থায়ী উপাৰ্জনতকৈ এক নিৰ্দিষ্ট উপাৰ্জন লাভ কৰিবলৈ সমৰ্থ হৈছিল। ই কোম্পানীৰ অৰ্থনৈতিক সমস্যা দূৰ কৰিছিল।

কোম্পানীৰ কৰ্মকৰ্তাসকলে এতিয়া সময়ে সময়ে খাজানা নিৰ্ধাৰণ কৰাৰ সমস্যা তথা ৰাজহ সংগ্ৰহৰ পৰা ৰেহাই

পালে। খেতিৰ সম্প্রসাৰণ, হাবি পৰিষ্কাৰ, উৎপাদন বৃদ্ধি আদিয়ে জমিদাৰ তথা খেতিয়কসকলক লাভৱান কৰিলে।

অৱশ্যে চিৰস্থায়ী বন্দৱস্তৰ কিছুমান ত্ৰুটিও আছিল। ইয়াৰে প্ৰধানটো আছিল জমিদাৰসকলে উচ্চ হাৰৰ মাটিৰ খাজানা দিবলৈ নোৱাৰা হৈছিল যাৰ ফলস্বৰূপে তেওঁলোকৰ বহুতেই মাটি সমৰ্পণ কৰিব লগা হৈছিল। কোম্পানীয়ে এটা নিৰ্ধাৰিত উপাৰ্জন লাভ কৰিছিল ঠিকেই, কিন্তু পৰৱৰ্তী কালত ইয়াৰ ফলা-ফল ধ্বংসাত্মকহে হ'ল। কালক্ৰমত বেছি খেতি কৰাৰ ফলত উৎপাদন অতিমাত্ৰা বৃদ্ধি পালে আৰু জমিদাৰসকলেও অধিক হাৰত ৰাজহ সংগ্ৰহ কৰিবলৈ ললে, কিন্তু এই বৰ্দ্ধিত ৰাজহৰ অংশ হিচাপে কোম্পানীয়ে একো নাপালে। অনুপস্থিতিত মাটিৰ মালিকসকল (জমিদাৰ)ৰ শ্ৰেণী সৃষ্টিটোৱেই হ'ল তেওঁলোকৰ এক প্ৰধান দোষ। জমিদাৰসকলৰ বহুতেই তেওঁলোকৰ মাটি পৰিদৰ্শন নকৰিছিল আৰু জমিদাৰীত মুঠেই মনোযোগ নিদিছিল। তেওঁলোকে প্ৰতিনিধি (এজেণ্ট) কিছুমানৰ ওপৰত ৰাজহ সংগ্ৰহৰ দায়িত্ব এৰি দি চহৰত বিলাসী জীৱন কটাবলৈ লৈছিল। খেতিয়কৰ প্ৰতি তেওঁলোক সম্পূৰ্ণভাৱে উদাসীন হৈ পৰিছিল।

পাছলৈ এই চিৰস্থায়ী বন্দোৱস্ত উৰিষ্যা, মাদ্ৰাজৰ উত্তৰ জিলা আৰু বাৰাণসী জিলালৈ সম্প্রসাৰিত কৰা হৈছিল।

ভাৰতত ঔপনিদেশিক নীতি আৰু ইয়াৰ অৰ্থনৈতিক ৰূপায়ণৰ বিষয়ে বিশ্লেষণ কৰিবলৈ যাওতে সেই সময়ৰ ভূমি ব্যৱস্থা আৰু সাধাৰণ সম্পদসমূহৰ আৰ্থিক মূল্য নিৰূপণৰ ঔপনিৱেশিক ৰাজ্যসমূহৰ ভূমিকাৰ কথাও বিবেচনা কৰিব লাগিব। জনসাধাৰণৰ বাসস্থলৰ কথাও বিবেচনা কৰিব লাগিব। জনসাধাৰণৰ বাসস্থানৰ আতৰত থকা ভূমিসমূহ আছিল হাবি-জংঘল ঘাঁহনি আৰু পশুৰ চৰণীয়া পথাৰসমূহ। এই ভূমিসমূহ কিছুমান নিৰ্দিষ্ট নিয়ম-নীতি আৰু নিৰ্দেশৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হৈছিল। য'ত নৈতিক প্ৰাক ঔপনিৱেশিক সময়ছোৱাত, যিকোনো ভূমি ব্যৱহাৰ কৰা কাৰ্য সেই সময়ত প্ৰচলিত প্ৰথা আৰু ঔপনিৱেশিকতাই দিয়া কৃষক পৰিয়াল, সম্প্রদায়ৰ দ্বাৰা নিৰ্ধাৰিত হৈছিল। ঔপনিৱেশিক অৰণ্য নীতি আৰু বাণিজ্যিক শোষণ কাৰ্যই ৰাজ্যসমূহ আৰু ভাৰতীয় অৰণ্যসমূহৰ মালিকীস্বত্ব নিয়ন্ত্ৰণৰ সুবিধা প্ৰদান কৰিছিল। এইদৰে বাণিজ্যিক মূল্য থকা বৃহৎ ভূমিসমূহ "ৰিজাৰ্ভড" আৰু প্ৰক্টেড" হিচাপে শ্ৰেণীকৰণ কৰা হৈছিল। এই কাৰ্যই স্বাকীৰ কৰা আৰু স স্প্রদায়ৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল।

এই পৰিৱৰ্তনৰ ঔপনিৱেশিক কালৰ ভূমি ব্যৱস্থাত দেখিবলৈ পোৱা যায়। ইয়াৰ প্ৰমাণ আছিল সেই সময়ত কৰা বৃহৎ ভূমিত নগদী শস্যৰ কৃষিৰে সম্পদৰ বাণিজ্যকৰণ। এই বাণিজ্যকৰণে পুঁজিবাদী কৃষি কাৰ্যৰে গতি আৰু বজাৰৰ বাবে উৎপাদনকে বুজায়। কৃষিৰ যিহেতু ভাৰতীয় কৃষিকসকলক নগদী শস্য উৎপাদনৰ বাবে বাধ্য কৰোৱা হৈছিল, কাৰণ ইয়াৰ উচ্চ ৰাজহ সম্প্রসাৰণ আৰু পৰৱৰ্তী সময়ত বজাৰ কেনক্ৰীক অৰ্থনৈতিক প্ৰয়োভৰে ব্যৱস্থাৰ পৰিৱৰ্তন কৰে। দীৰ্ঘকালত এই ব্যৱস্থাই জনসাধাৰণৰ সেৱাৰ বাবে প্ৰয়োজনীয় ভূমি আৰু অৰণ্য অঞ্চল, পশুৰ চৰণীয়া পথাৰ আদিৰ পৰিমাণ হ্ৰাস কৰে। ভূমি ব্যৱস্থাৰ পৰিৱৰ্তনে কৃষিকাৰ্যক নগদ শস্যৰ উৎপাদনৰ প্ৰতি ধাবমান হয়। যিটো ঔপনিৱেশিক শাসন ব্যৱস্থাই প্ৰৰোচিত কৰিছিল।

ৰাজহ বৃদ্ধিৰ আকাংক্ষাই ঔপনিবেশিক ৰাজ্যক নতুন ৰাজহ নীতি ৰূপায়ণ কৰিবলৈ উৎসাহ যোগালে। যিহেতু কৃষিয়েই অৰ্থনীতিৰ মূল ভেটি আৰু উপাৰ্জনৰ উৎস আছিল, সেয়ে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নতুন ৰাজহ ব্যৱস্থাসমূহ পৰীক্ষণ কৰিবলৈ ললে যাতে কৃষি ক্ষেত্ৰৰে বিকাশ নহয় বৰঞ্চ তেওঁলোকে যাতে এটা নিয়মীয়া

উপার্জনো লাভ কৰে। এই উদ্দেশ্য আগত ৰাখিয়ে, লর্ড কর্মৱালিছে ১৭৯৩ চনত বেংগল প্রদেশত Permanent Settlement " ব্যৱস্থাৰ সূচনা কৰে। এই ব্যৱস্থাৰ মূল উদ্দেশ্য আছিল স্থায়ীভাৱে ৰাজহ নিশ্চিত কৰা যাতে ৰাজহ বিষয়াসকলে নিজ ইচ্ছানুসৰি নির্ধাৰণ কৰি দূনীতিত জড়িত হ'ব নোৱাৰে। স্থায়ী ৰাজহ ব্যৱস্থাৰ জৰিয়তে উচ্চ মানৰ ৰাজহ নির্ধাৰণ কৰি, বিত্রিছ সকলে আশা কৰিছিল যে কৃষিৰ পৰা ৰাহি হয়, তাৰ লাভ প্রত্যক্ষভাৱে ভূমি মালিক সকললৈ যাব। এই ভূমি গৰাকীসকলে ভূমিৰ উন্নীতকৰণ আৰু কৃষি অর্থনীতিৰ ধন বিনিয়োগ কৰিব। স্থায়ী ৰাজহ ব্যৱস্থাত জমিদাসকলক জড়িত কৰা হৈছিল আৰু সেয়ে এই ব্যৱস্থাত জমিদাৰী প্রথা বুলিও জনা যায়।

ঔপনিৱেশিক ৰাজ্যৰ ভূমি ৰাজহৰ প্রশাসন ব্যৱস্থাৰ লক্ষ্য আছিল ৰাজহ বৃদ্ধি কৰা আৰু ভূমিত ব্যক্তিগত কৰণ কৰি তোলা। স্থায়ী ৰাজহ ব্যৱস্থা জমিদাৰসকল লৈ কৰা হৈছিল। ইয়াক বেংগলৰ বাহিৰত প্রসাৰিত কৰা নহৈছিল। ইয়াৰ পিছত আৰু দুই ধৰণৰ ৰাজহ ব্যৱস্থাৰ পৰিচয় পোৱা হৈছিল। ৰায়তী ব্যৱস্থা আৰু াজত বা কৃষকসকলৰ লগত জড়িত আছিল আৰু মহালবাৰী ব্যৱস্থা গ্রাম্য সম্প্রদায়ৰ লগত জড়িত আছিল। এই সকলো ব্যৱস্থাত ৰাজহ সম্পন্ন আছিল আৰু এইসমূহ ভূমিৰ গুণাগুণ কথা বিবেচনা নকৰাকৈ স্বেচ্চাচাৰীভাৱে কৃষকসকলৰ ওপৰত জাপি দিয়া হৈছিল। যিহেতু কোম্পানীৰ প্রাথমিক লক্ষ্য আছিল ৰাজহ আয় বৃদ্ধি, এই ৰাজহ ব্যৱস্থাসমূহে বৃহৎ ঋণৰ সমস্যা, পৰিশোধৰ বাকী ভূমি বিক্রীৰ বর্দ্ধিত হাৰ আদি সমস্যাৰ সৃষ্টি কৰিছিল। ৰাজহ ব্যৱস্থাৰ পদ্ধতিসমূহে প্রচলিত কৃষি গাঁথনি পৰিবর্তন কৰিছিল যিয়ে ঔপনিবেশিক ৰাজ্যৰ প্রতি অসন্তোষ কৃষি সমস্যাৰ উদ্ভৱ কৰিছিল।

## ৪.৪ ভূমি ৰাজহ ব্যৱস্থা— ভূমি ৰাজহ প্রশাসন

- **ৰায়টৰাৰী প্রথা**

দক্ষিণ আৰু দক্ষিণ পশ্চিম ভাৰতত বৃটিছে এটা বেলেগ নীতি অৱলম্বন কৰিছিল। তেওঁলোকে 'ৰায়টবাৰী বন্দৱস্ত' জাৰি কৰি খেতিয়কসকলক তেওঁলোকৰ মাটিৰ মলিকী স্বত্বৰ স্বীকৃতি দিছিল আৰু তেওঁলোকে ৰাজহ পোনে পোনে কোম্পানীক দিব লাগিছিল। কিন্তু এই বন্দৱস্ত চিৰস্থায়ী কৰা হোৱা নাছিল। ইয়াক ২০/৩০ বছৰ পিছে পিছে সংশোধন কৰা হৈছিল। ৰায়টবাৰী বন্দৱস্তৰো বহুতো ত্রুটি আছিল। খেতিয়কসকল এই বন্দবস্তমতেও চৰকাৰৰ ভাড়াতীয়া হৈ পৰিল। তেওঁলোকে সময়মতে ৰাজহ আদায় দিব নোৱাৰিলে তেওঁলোকৰ মাটি বিক্রী কৰি পেলোৱা হৈছিল। প্রজাৰ অধিকাৰৰ কথাটি একেবাৰে বিবেচনা কৰা হোৱা নাছিল। আনহাতে বহু ঠাইত ৰাজহৰ পৰিমাণ অতি বেছি আছিল। আনকি আতাইতকৈ ভাল ঋতুতো ৰাজহ আদায় দিয়াৰ পাছত খেতিয়কৰ বাবে সামান্য কিবা অলপতে ৰৈছিল। চৰকাৰে নিজ ইচ্ছা অনুযায়ী ৰাজহ বৃদ্ধি কৰাৰ ব্যৱস্থা বাহাল ৰাখিছিল। খেতিয়কসকলে প্রাকৃতিক দুর্যোগ হৈ খেতি নহ'লেও ৰাজহ পৰিশোধ কৰিব লাগিছিল।

- **মহলৱাৰী প্রথা**

জমিদাৰী বন্দৱস্তৰ এটা সংশোধিত ৰূপ জাৰি কৰা হৈছিল গংগা উপত্যকা, উত্তৰ-পশ্চিম ৰাজ্যসমূহত, মধ্যভাৰতৰ কিছু অংশত আৰু পাঞ্জাৱত। ইয়াক 'মহলৱাৰী পদ্ধতি' বুলি জনা গৈছিল। গাঁও বা অঞ্চলসমূহত জমিদাৰ বা ঘৰৰ মূৰব্বীসকলে যিয়ে

সমূহীয়াকৈ গাঁও বা অঞ্চলৰ জমিদাৰ বুলি দাবী কৰিছিল, সেইসকলৰ সৈতে ৰাজহ বন্দোবস্ত কৰিব লগা হৈছিল। মহলৱাৰী অঞ্চলতো ৰাজহ সময়ে সময়ে সংশোধিত কৰা হৈছিল।

এনেকৈয়ে বৃটিছ ৰাজত্বৰ সময়ত মাটি ব্যক্তিগত সম্পত্তি হিচাপে স্বীকৃতি দিয়া হৈছিল, যিবিলাক ইচ্ছা

অনুযায়ী বিক্রী, বন্ধক বা হস্তান্তৰ কৰিব পৰা গৈছিল। দেশত প্রচলিত মাটিৰ অৱস্থিতিৰ মৌলিক সাল-সলনিবোৰ আহিছিল মাটি বিক্রী কৰিব পৰা হোৱাৰ পাছত। গাঁওবিলাকৰ অৱস্থিতি আৰু স্থিৰতাত ই আঘাত কৰিছিল আৰু গাঁওৰ সমাজ গাঁথনিও অৱনমিত হ'বলৈ আৰম্ভ কৰিছিল।

- **জমিদাৰী প্রথা**

এতিয়া জমিদাৰসকল ভূমি মালিকীস্তত্বৰ অধিকাৰেৰে বিভূষিত হৈছিল যিটো পূর্বৰ ৰাজহ সংগ্রহ ব্যৱস্থাৰ বিপৰীত আছিল। এনদৰে কৃষকসকল জমিদাৰসকলৰ কৰুণাৰ পাত্র হৈ পৰিল আৰু পৰম্পৰাগত ভূমি অধিকাৰক উপেক্ষা কৰা হ'ল। তেওঁলোক ৰায়তৰ পর্যায়লৈ অৱনমিত হ'ল। কিন্তু যিকি নহওক স্থায়ী ৰাজহ ব্যৱস্থাৰ অধীনত জমিদাৰসকলৰ উচ্চ ৰাজহৰ ব্যৱস্থাৰ কৃষকসকলৰ ওপৰতহে পৰিল যিসকলক এক বৃহৎ পৰিমাণৰ অবৈধ কৰ জমিদাৰক পৰিশোধ কৰিবলৈ বাধ্য কৰা হৈছিল। জমিদাৰী প্রথাই যদিও জমিদাৰ সকলক বহুতো সা-সুবিধা প্রদান কৰিছিল কিন্তু ইয়াৰ লগতে এই প্রথাৰ ফলত জমিদাৰ সকলক বহুতো অসুবিধাৰো সন্মুখীন হৈছিল। নির্ধাৰিত উচ্চ ৰাজহ সংগ্রহ কৰাৰ বোজাই জমিদাৰ সকলৰ তেওঁলোকৰ জমিদাৰীৰ ওপৰত থকা মালিকীসত্বৰ অধিকাৰৰ প্রতি ভাবুকি আনিছিল। "Sunset Laws" ৰ অনুসৰি জমিদাৰ সকল ৰাজহ সমূহ এটা বিশেষ জিনক সূর্যাস্তৰ আগতে পৰিশোধ কৰিবলগীয়া নিয়ম জমিদাৰ সকলৰ বাবে এক প্রত্যাহ্বান আনিছিল। জমিদাৰ সকলৰ বাবে উচ্চ হাৰৰ ৰাজহ সংগ্রহ কৰাতো বৰ সহজ নাছিল। সক্ষমতাৰে ৰাজহ সংগ্রহ কৰাৰ ক্ষেত্রত সন্মুখীন হোৱা অসফলতাৰ বাবে তেওঁলোকে জমিদাৰী হেৰুৱাবলগীয়া হৈছিল যি সমূহ উপনিৱেশিক ৰাজ্যসমূহৰ দ্বাৰা উচ্চ হাৰত নিলাম হৈছিল। ইয়াৰ উপৰিও স্থায়ী বুজাবুজিৰ পৰাও কোম্পানীয়ে ভূমিৰ পৰা আহ্বান কৰা বর্ধিত উপার্জনৰ কোনো অংশ লাভ নকৰিলে। তাৰ ফলত জমিদাৰ সকলে মাটিৰ গুণাগুণ বৃদ্ধি কৰাত কোনো ধানৰ চেষ্টা কৰা দেখা নগ'ল। কাৰণ তেওঁলোকো উচ্চ ৰাজহৰ সংগ্রহৰ বোজা ইতিমধ্যে কঢ়িয়াবলগীয়া হৈছিল। এই সকলোবিলাকে কৃষি অর্থনীতি ক্ষেত্রত গুৰুত্বপূর্ণ প্রভাৱ বিস্তাৰ কৰিছিল।

সেয়েহে ব্রিটিছ শাসনৰ সময়ত মাটি ব্যক্তিগত সম্পত্তিলৈ ৰূপান্তৰিত কৰা হৈছিল যাক সহজে বিক্রী বা বন্ধকত ৰখাৰ সুবিধা প্রদান কৰিছিল। ইয়াৰ লগে লগে দেশত ইতিমধ্যে উপলব্ধ ভূমি নীতিৰ মৌলিক সালসলনি ঘটোৱাও পৰিলক্ষিত হৈছিল। ই গাঁওসমূহৰ স্থায়ীত্ব আৰু নিৰন্তৰতাৰ ক্ষেত্রত আঘাত হনাৰ উপৰিও ইয়াৰ লগে লগে গাঁওসমূহৰ গঠনৰ ক্ষেত্রতো বিভাজন হোৱা পৰিলক্ষিত হয়।

## চিন্তা-চর্চা কৰক

চিৰস্থায়ী বন্দবস্ত আৰু ৰায়টৰাৰী ব্যৱস্থাৰ মাজৰ তিনিখন পার্থক্য লিখক—

.....

.....

.....

.....

.....

.....

## অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক—

**১ নং প্রশ্নৰ উত্তৰঃ** "Sunset Laws" বুলিলে কি বুজায়?

**২ নং প্রশ্নৰ উত্তৰঃ** চিৰস্থায়ী বন্দবস্ত কেতিয়া ঘোষণা কৰা হৈছিল?

**৩ নং প্রশ্নৰ উত্তৰঃ** ৰায়টৰাৰী ব্যৱস্থাৰ এটি ত্রুটি উল্লেখ কৰক।

## ৪.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আমি জানিব পাৰিলো—

- সাধাৰণ ভূমিসমূহ হ'ল সেই সমূহ ভূমি যিবিলাকত কৃষিকার্য হোৱা নাছিল আৰু পতিত ভূমি হিচাবে পৰিগণিত হৈছিল। যি কি নহওক এই পতিত ভূমিসমূহ পিছলৈ জমিদাৰ আৰু বৃটিছসকলে কৃষিকার্যৰ বাবে হস্তক্ষেপ কৰি লৈছিল।
- ঔপনিবেশিক চৰকাৰে আৰম্ভণি কৰা ভূমি ৰাজহ ব্যৱস্থা ত্রুটি আছিল।
- ভূমি ৰাজহ প্রশাসনৰ ৰাজহৰ বোজা কৃষকসকলে বৃহৎ হাৰত বহন কৰিবলগা হৈছিল।

## ৪.৬ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থঃ**


1) Bandopadhyaya, Sekhar (2013). *From Plassey to Partition.* Orient Blackswan. New Delhi, India.

2) Desai, A.R. (2013). *Social Background of Indian Nationalism,* Popular Prakashan. N. Delhi, India.

3) Desai, S.S. M. and Bhaleroo, Nirmal. (2010). *Economic History of India.* Himalaya Publishing House, Mumbai, India.

4) Grover, B.L. (2011). *A New Look at Modern Indian History.* S. Chand & Co. N. Delhi, India.

5) Singh, Subrata. (2012). *Common Lands Made Wastelands 'Making of the 'Wastelands' into Common Lands Foundation for Ecological Security Working Paper 32.* Retrieved from http://fes.org.in/include All. php? pld=MiOxilyoo


## ৪.৭ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰঃ** এই নীতিৰ অনুসাৰে জমিদাৰসকলে সূর্য্যাস্তৰ আগত ৰাজহ ধন জমা দিব লগা হৈছিল।

**২ নং প্রশ্নৰ উত্তৰঃ** ১৭৯৩ চন।

**৩ নং প্ৰশ্নৰ উত্তৰঃ** 'ৰায়টসকলে প্ৰাকৃতিক দুৰ্যোগ হৈ খেতি নহ'লেও ৰাজহ পৰিশোধ কৰিব লাগিছিল।

## ?৪.৮ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ঃ** "মহলৰাৰী প্ৰথা"ৰ প্ৰচলন কোনে কৰিছিল?

**প্ৰশ্ন ২ঃ** জমিদাৰী প্ৰথাৰ এটি ত্ৰুটি উল্লেখ কৰক।

**(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ঃ** চমুটোকা লিখক।

- ৰাজহুৱা ভূমি
- ৰায়টৰাৰী প্ৰথা
- স্থিৰস্থায়ী বন্দবস্ত

**(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ঃ** ঔপনিৱেশিক শাসনৰ অধীনত ৰাজহ ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰক।

**প্ৰশ্ন ২ঃ** ৰাজহ ব্যৱস্থাৰ ত্ৰুটিৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৫ ঃ গ্রাম্য ঋণগ্রস্ততা আৰু দুর্ভিক্ষ

## অধ্যায় গাঁথনি


৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ গ্রাম্য ঋণগ্রস্ততা কাৰণসমূহ

- গ্রাম্য ঋণগ্রস্ততাৰ পৰিণাম
- দুর্ভিক্ষ আৰু খাদ্য বিপ্লৱ

৫.৪ চৰকাৰৰ দুর্ভিক্ষ-নীতি

৫.৫ ১৯২৯ চনৰ বৃহৎ মন্দাৱস্থা

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন


## ৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গ্রাম্য ঋণগ্রস্ততাৰ বিষয়ে ব্যাখ্যা আৰু আধুনিক ভাৰতত ইয়াৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- গ্রাম্য ঋণগ্রস্ততাৰ কাৰণ আৰু ইয়াৰ পৰিণামৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- দুর্ভিক্ষ আৰু খাদ্য সংকটৰ কাৰণ আৰু ইয়াৰ পৰিণামৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- চৰকাৰে গ্রহণ কৰা বিভিন্ন দুর্ভিক্ষ-সাহার্য নীতিৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- ১৯২৯ চনৰ বৃহৎ মন্দাৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ভূমি বন্দৱস্তী আৰু খাজনা ব্যৱস্থা সম্পর্কে আলোচনা কৰিছিলোঁ।

এই অধ্যায়ত আমি ভাৰতীয় অর্থনীতিত পুৰণি কালৰে পৰা বর্তি থকা গ্রাম্য ঋণগ্রস্ততাৰ বিষয়ে আলোচনা কৰিম। ১৯ শ শতিকাৰ প্রথমার্ধত ই ভাৰতৰ অর্থনীতিলৈ নতুন মোৰ আনিবলৈ সক্ষম হয়। ব্রিটিছৰ শাসনৰ সময়ত খেতিয়কসকলৰ অর্থনৈতিক অৱস্থা বৰ দুখ লগা আছিল। উচ্চ হাৰৰ খাজনা আৰু পৰিয়ালৰ দায়িত্বই তেওঁলোকক হয় ভূমিৰ একাংশ বিক্রী কৰিবলৈ নতুবা গাঁৱৰ মহাজনৰপৰা ধন ধাৰে ল'বলৈ বাধ্য কৰিছিল। ধন ধাৰে দিয়া মহাজনজনে খেতিয়কৰ মাটি বন্ধকত থৈ উচ্চ হাৰত সুত দি ধন ধাৰে দিছিল। বেছিভাগ খেতিয়কেই ইমানেই দুখীয়া আছিল যে, এবাৰ ধাৰ লোৱাৰ পাছত সেই ধাৰৰ বোজা মোকোলাবলৈ যথেষ্ট কষ্টৰ মুখামুখি হ'ব লগা হৈছিল। ১৯ শ শতিকাৰ মধ্য ভাগত দহজন খেতিয়কৰ আঠজনেই ধাৰত বুৰ গৈ আছিল। খেতিয়ক আৰু চৰকাৰৰ মাজত আহি পৰা বিভিন্ন মধ্যভোগী, ভূমি খণ্ডিতকৰণ, ভূমিৰ বহু-মালিকীকৰণ

আদিৰ পৰিণতিত ভাৰতীয় কৃষিৰ জুৰুলা অৱস্থা অর্থাৎ গ্রাম্য ঋণগ্রস্ততা আহি পৰিছিল। বৃটিছ ৰাজত্বৰ সময়ত ভাৰতীয় কৃষকসকলৰ ঋণগ্রস্ততাৰ এক উত্তৰণ ঘটিছিল। এই অৱস্থা দশক দশক ধৰি চলি আছিল। গাঁৱলীয়া মানুহখিনিৰ ঋণগ্রস্ততা ক্রমান্বয়ে বাঢ়ি আহিছিল।

## ৫.৩ গ্রাম্য ঋণগ্রস্ততাৰ কাৰণ

বৃটিছ চৰকাৰৰ খাজনা-নীতি, চৰকাৰ আৰু কৃষকসকলৰ মাজত থকা এচাম মধ্যভোগী লোকৰ অৱস্থান আৰু ভূমি খণ্ডিতকৰণ, ভূমিৰ বহু-মালিকীকৰণ আদিৰ ফলত ভাৰত এক বিৰাট সংকটৰ সন্মুখীন হৈছিল আৰু সি হৈছে গ্রাম্য ঋণগ্রস্ততা। এই বিশেষ সমস্যাসমূহৰ এটা উল্লেখযোগ্য কাৰণ হ'ল জনসংখ্যা বৃদ্ধি। সন্দেহ নাই যে, ১৯২১ চনত জনসংখ্যা বৃদ্ধিয়ে এই সমস্যাবোৰ আৰু অধিক জটিল কৰি তুলিছিল যদিও ইয়াৰ মূল কাৰণ হিচাপে আন কাৰণহে বিচাৰি পোৱা যায়। এই কাৰণবোৰ ঘাইকৈ বৃটিছ চৰকাৰৰ ভুৱা আঁচনি আৰু গাঁৱলীয়া মানুহখিনিৰ কল্যাণৰ ক্ষেত্রত লোৱা অৱহেলাৰ মনোভাৱ। এইটোৱেই গ্রাম্য ঋণগ্রস্ততাৰো কাৰণ। কৃষকসকলৰ দৰিদ্রতা আৰু ঋণগ্রস্ততাৰ কাৰণবোৰ হ'ল—

- অত্যাধিক খাজনা বৃদ্ধিৰ বাবে কৃষি উন্নতিত বাধা
- দুখীয়া কৃষকসকলৰ ওপৰত কৰৰ বোজা
- সুতৰ হাৰৰ অত্যাধিক বৃদ্ধিৰ বাবে কৃষিত মূলধনৰ প্রয়োগ কৰিবলৈ অপাৰগ হোৱা
- ভূমিৰ উন্নতিকৰণৰ বাবে ভূমিৰ মালিকৰ আগ্রহৰ অভাৱ
- প্রাকৃতিক দুর্যোগৰ মুখামুখি হ'বৰ বাবে কৃষকৰ হাতত অতিৰিক্ত ধনৰ অভাৱ
- কৃষকসকল ধন ধাৰলৈ দি সুত লোৱা এচাম মহাজনৰ চক্রান্তৰ বলি হৈছিল
- মূলধনৰ অভাৱে কৃষি-উন্নয়নত হেঙাৰৰ সৃষ্টি কৰিছিল
- ৭৫%তকৈও অধিক কৃষকে কৃষি-ভূমিৰপৰা জীৱিকাৰ ন্যূনতম উপার্জনো কৰিবপৰা নাছিল
- ১৯২৯ চনৰ বিশ্ব অর্থনীতিৰ গভীৰ সংকটৰ ফলত কৃষিজাত সামগ্রীৰ দৰ হ্রাস হৈছিল

এই বিলাকৰ উপৰিও চৰকাৰৰ আঁচনিও গ্রাম্য ঋণগ্রস্ততাৰ বাবে প্রত্যক্ষভাৱে জগৰীয়া। যেতিয়া খাজনাৰ চাহিদা অতি বেছি আছিল, সেই সময়ত ৰয়তাৰী আৰু মহলৰাৰী প্রথা থকা স্বত্বেও সমাজত বর্তি থকা মধ্যভোগী লোকসকলক আঁতৰাবৰ বাবে চৰকাৰে কোনো ধৰণৰ প্রচেষ্টা লোৱা নাছিল। ১৯ শতিকাৰ প্রথমার্ধত অসমৰ এনে এলেকাসমূহৰ বাহিৰত চৰকাৰে নগদ হিচাপে সুত সংগ্রহ কৰিবলৈ আৰম্ভ কৰে আৰু এক নির্দিষ্ট তাৰিখত খাজনা সংগ্রহ কৰে। এনে ব্যৱস্থাই যিকোনো প্রকাৰে কৃষকসকলক স্থানীয় এচাম মহাজনৰ পৰা ধন ধাৰে ল'বলৈ বাধ্য কৰায়, যিচাম মহাজনে অধিক হাৰত সুত লয় আৰু অশিক্ষিত কৃষকসকলৰ অজ্ঞতাৰ সুযোগ লয়। এনেকৈ সেই মহাজনসকলে অসাধু উপায়েৰে কৃষকসকলৰ নামত ভুৱা একাউণ্ট খোলা, জোৰ-জবৰদস্তি কৰি চহী আদায় কৰা, প্রকৃততে লোৱা ধনৰ পৰিমাণতকৈও সৰহ ধন লোৱা বুলি দেখুওৱা আদি অনৈতিক কার্য কৰে।

### ● গ্রাম্য ঋণগ্রস্ততাৰ পৰিণাম

গ্রাম্য ঋণগ্রস্ততাৰ ক্ষেত্রত ধন ধাৰে দিয়াসকলৰ ভূমিকা উল্লেখযোগ্য। শোচনীয় আর্থিক অৱস্থাৰ বাবে কৃষকসকলে মহাজনৰ পৰা ধন ধাৰে লয় যদিও সময়ত সেই ধন পৰিশোধ কৰিবলৈ অপাৰগ হয়। সেয়ে বহুত

সময়ত কৃষকসকলে নিজৰ ভূমিৰ বা উৎপাদিত দ্রব্যৰ একাংশ স্থানীয় মহাজনক, (যিসকলে ধন ধাৰেও দিয়ে) কম মূল্যত বিক্রী কৰি ধাৰৰ বোজাৰ পৰা মুক্ত হ'ব খোজে।

ধন ধাৰে দিয়াসকলে কৃষকৰ ভূমিভাগ কাঢ়ি লোৱাৰ ফলস্বৰূপে তেওঁলোক ঋণগ্রস্ততাৰ বলি হ'বলগীয়া হৈছিল। এনেকৈ ভূমিহীন হৈ পৰা কৃষক এজনে আনকি এসময়ত নিজৰ পৰিয়ালটো পোহপাল দিবলৈও অপাৰগ হৈ পৰে। ঋণগ্রস্ততাৰ অন্ত পেলাবলৈ কিছুমান আইন প্রৱর্তন কৰা হৈছিল। সমবায় সমিতিসমূহে কম সুতত কৃষকলৈ ঋণ আগবঢ়াইছিল। ধন ধাৰে দিয়াসকলৰ বাবে কিছুমান বাধা-নিষেধ আৰোপ কৰা হৈছিল। ধন ধাৰে দিয়াসকলৰ ওপৰতো এক মাচুল আৰোপ কৰি, সুতৰ হাৰ নিৰীক্ষণত ৰখা হৈছিল। তথাপিও ধন ধাৰে দিয়াসকলৰ অসাধু মনোবৃত্তি আৰু চৰকাৰৰ আওকণীয়া মনোভাৱৰ বাবে এই দিশবোৰত অতি সামান্য পৰিবর্তন আহিছিল।

আচলতে শিক্ষিত চতুৰ মহাজনসকলে অশিক্ষিত হোজা কৃষকসকলক কৌশলেৰে আইনৰ মেৰপেচত সুমুৱাই লৈছিল। এনেকৈ ধন ধাৰে দিয়াসকলৰ শোষণ কমা নাছিল আৰু সেয়ে কৃষকসকলে যেতিয়াই অকণমান সকাহ পায়, তেতিয়াই ধন ধাৰে দিয়াসকলক তেওঁলোকৰ আক্রমণৰ প্রথম লক্ষ্য কৰি লয়। তথাপিও মহাজনজনৰ অত্যাচাৰ আৰু নিপীড়ন চলি থাকিছিল যাৰ ফলত কৃষকসকলৰ দৰিদ্রতাৰ অন্ত পৰা নাছিল। এনেকৈ বিভিন্ন কাৰণে গ্রাম্য ঋণগ্রস্ততাৰ উত্তৰণত বৰঙনি যোগাইছিল। তাৰ ফলত ভাৰতীয় কৃষকসকলৰ বাবে গ্রাম্য ঋণগ্রস্ততা এক সমস্যা হৈ ঠিয় দিছিল। বৃটিছ নীতিৰ ফলত জন্ম হোৱা এই ব্যৱস্থাৰ তেওঁলোকৰ শাসন কালত যথেষ্ট বৃদ্ধি হৈছিল।

### জানি থোৱা ভাল

**গ্রাম্য ঋণগ্রস্ততাৰ পৰিণাম—**

(ক) কৃষকৰ সম্পত্তিৰ এক বুজন অংশ মহাজনসকললৈ হস্তান্তৰ কৰা।

(খ) মহাজনসকলে অসহায় দুখীয়া কৃষকসকলক শোষণ কৰা।

(গ) মহাজনসকলে কৃষকসকলৰ অজ্ঞতাৰ সুবিধা লৈ প্রতাৰণাৰ বিভিন্ন উপায় লোৱা।

(ঘ) ভূমি বজাৰ-দ্রব্য হৈ পৰা।

(ঙ) ভাৰতীয় কৃষকসকলৰ ভূমিৰ ওপৰত দীঘলীয়াকৈ স্বত্ব নিৰসন কৰণ আৰোপ কৰাৰ ফলত মাটিৰ জমিদাৰী প্রথাৰ বিলোপ ঘটে।

## ● দুর্ভিক্ষ আৰু ৰাইজৰ খাদ্য বিপ্লৱ

ভাৰতত দুর্ভিক্ষ নতুন কথা নহয়। অতি প্রাচীন কালৰেপৰা ই বর্তি আছে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালত ভাৰতৰ বিভিন্ন ঠাইত ১২টা দুর্ভিক্ষ আৰু ৪টা সাংঘাতিক অনাটনৰ সন্মুখীন হৈছিল। দুর্ভিক্ষৰ বিলোপ বা প্রতিৰোধ কৰিবৰ বাবে কিন্তু কোনো ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাছিল। তথাপিও প্রাদেশিক চৰকাৰ আৰু জিলা প্রশাসনে দুর্ভিক্ষ পীড়িত অঞ্চলত সাহার্য দিবৰ বাবে বিভিন্ন পৰীক্ষামূলক ব্যৱস্থা লৈ চৰকাৰৰ দ্বাৰা খাদ্যবস্তু মজুতকৰণ, খাদ্যবস্তু লুকুৱাই থোৱাসকলক জৰিমনা ভৰোৱা , ফচল আদিৰ আমদানি, অগ্রিম ঋণৰ ব্যৱস্থা কৰা ইত্যাদি ব্যৱস্থা লৈছিল।

**ভাৰতত দুর্ভিক্ষৰ কাৰণ ঃ** ভাৰতত দুর্ভিক্ষ হোৱাৰ বাবে কেইবাটাও কাৰণক জগৰীয়া কৰা হয়। ক্রান্তীয় আৰু উপ-ক্রান্তীয় দেশ হিচাপে ভাৰতৰ কৃষি প্রধানকৈ মৌচুমী বায়ুৰ দ্বাৰা হোৱা বৰষুণৰ ওপৰত নির্ভৰশীল যদিও এনে বৰষুণৰ আগজাননী পোৱা নাযায়। সাধাৰণতে, ৫ বছৰীয়া এটা চক্রত দেখা যায়, প্রথম দুবছৰত মৌচুমী

বৰষুণ পোৱা নগ'ল, তাৰ পাছৰ দুবছৰত আশানুৰূপ নহ'ল আৰু শেষৰ বছৰটোতহে সন্তোষজনক বৰষুণ পোৱা গ'ল। ইয়াৰ পৰা বুজা যায়, বাৰম্বাৰ বিফল হোৱা মৌচুমী ঋতু, ভাৰতত দুর্ভিক্ষ হোৱাৰ এক উল্লেখযোগ্য কাৰণ। তদুপৰি ব্রিটিছৰ দিনত প্রতিৰক্ষাৰ খাতিৰত ৰেলৰেতকৈ জলসিঞ্চনত তুলনামূলকভাৱে অৱহেলা কৰা দেখা গৈছিল।

অতি প্রাচীন কালৰেপৰা ভাৰত সঘনাই দুর্ভিক্ষৰ গৰাহত পৰা দেখা গৈছে। ১৭৭০ চনত পশ্চিমবংগ এক বৃহৎ দুর্ভিক্ষৰ কবলত পৰে। ১৮৫৮ চনৰপৰা ১৯০০ চনলৈকে ভাৰতত কুৰি বাৰতকৈও অধিক সময় দুর্ভিক্ষই দেখা দিছিল। ১৮৬৬-৬৭ত উৰিষ্যাত হোৱা ভয়ানক দুর্ভিক্ষ উৰিষ্যাৰ দুর্ভিক্ষ নামেৰেই জনা যায়। ইয়াৰ পাছতে ভাৰতত দুর্ভিক্ষ কমিছনৰ আৰম্ভ হয়। তেতিয়াই জর্জ কেম্পবেলক মকৰল কৰি এক কমিছনে কাম কৰে।

**দুর্ভিক্ষৰ পৰিণাম ঃ**

**১। জনসংখ্যাৰ ওপৰত প্রভাৱ ঃ** দুর্ভিক্ষই এক বুজন পৰিমাণৰ লোকক আশাহত অৱস্থাত পেলায় আৰু কেইবাবিধো বেমাৰৰ বলি হৈ যথেষ্ট লোক মৃত্যুৰ মুখত পৰে। ই পৰৱর্তী কালত জনসংখ্যা বৃদ্ধিৰ হাৰতো প্রভাৱ বিস্তাৰ কৰে। দুর্ভিক্ষৰ কবলত পৰা লোকসকলে নিজৰ সাতামপুৰুষীয়া ঘৰ-বাৰী এৰি থৈ জীৱিকাৰ আশাত নগৰ-চহৰলৈ ঢাপলি মেলে। আপাত দৃষ্টিত এনে প্রব্রজন অস্থায়ী যেন লাগে যদিও ইয়াৰ ফলত গাঁৱলীয়া লোকসকল এক ভয়ানক সংকটৰ মুখামুখি হৈছিল।

**২। কৃষি উৎপাদিত সামগ্রীৰ বিপৰীত পৰিণাম ঃ** দুর্ভিক্ষই সৃষ্টি কৰা সর্বনশীয়া পৰিণতিয়ে কৃষি উৎপাদিত সামগ্রীৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে। কেৱল দুর্ভিক্ষৰ সময়তে নহয়, ইয়াৰ পৰৱর্তী সময়তো আকালে জুৰুলা কৰা কৃষকসকলে অধিক মূলধন প্রয়োগ কৰিব নোৱৰাৰ ফলত কৃষিৰ উৎপাদন কমি আহে।

**৩। আন শ্রেণীৰ ব্যক্তিৰ ওপৰত পৰিণাম ঃ** আকালৰ ফলত গ্রাম্য অঞ্চলৰ কিছুমান ক্ষেত্রতো সর্বনশীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। আটাইতকৈ দুখীয়া ভূমিহীন কৃষি কর্মীসকলে ভূমিৰ অভাৱত উপার্জন হেৰুৱায় আৰু কৃষি উৎপাদিত সামগ্রীৰ মূল্য বৃদ্ধি হয়। গ্রাম্য শিল্পীসকলে, বিশেষকৈ বোৱনীসকলে তেওঁলোকৰ উৎপাদিত সামগ্রীৰ চাহিদা বিচাৰি যথেষ্ট হতাশাত ভোগে। তেওঁলোকে নিজৰ জীৱিকা এৰি আন সাহার্য-কার্যত আত্মনিয়োগ কৰে, য'ত তেওঁলোকৰ আদৰ কম।

**৪। আন পৰিমাণ ঃ** সাধাৰণভাৱে দুর্ভিক্ষ মানে হৈছে জনসাধাৰণৰ ক্রয় ক্ষমতা কমি যোৱা। গাঁও আৰু চহৰ অঞ্চলৰ বিভিন্ন উদ্যোগৰ ওপৰত এই হ্রাসমান চাহিদাৰ প্রভাৱ পৰে। এইদৰে আকালে বেপাৰ-বাণিজ্য, উদ্যোগ আদিতো বিপৰীত প্রভাৱ পেলায়।

অতি প্রাচীন কালৰেপৰা একোটা সময়ৰ ব্যৱধানত ভাৰতত কৃষক ওলায়েই আছে যদিও তেওঁলোকৰ গতি আৰু প্রাবল্য যথেষ্ট পৰিমাণে পৃথক। ইষ্ট-ইণ্ডিয়া কোম্পানীৰ জন্মৰ সময়ত, ১৭৭০ চনত পশ্চিমবংগ, বিহাৰ আৰু উৰিষ্যাত অতি প্রাচীন দুর্ভিক্ষটোৱে দেখা দিছিল। ১৭৮৩ চনত হোৱা এক দুর্ভিক্ষৰ ফলত সমগ্র উত্তৰ ভাৰত আৰু ৰাজপুতনা, বোম্বাই আৰু মাদ্রাজ প্রদেশ আক্রান্ত হৈছিল।১৭৯০-৯৩ চনত বোম্বাই, গুজৰাট, উৰিষ্যা আৰু মাদ্রাজৰ বহু ঠাই এক ভয়ংকৰ দুর্ভিক্ষই আগুৰি ধৰে। ১৮০৬-০৭ চনত মাদ্রাজ আৰু কর্ণাটকত আকৌ এক ভয়ংকৰ দুর্ভিক্ষই দেখা দিলে। ১৮১২ চনৰ পৰা ১৮১৫ চনৰ ভিতৰত ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চল খৰাঙৰ কবলত পৰিছিল। কাকতি ফৰিং আৰু এন্দুৰেও যথেষ্ট খাদ্য-শস্য নষ্ট কৰিছিল। ১৮৫৪ চনত মাদ্রাজ প্রদেশৰ উত্তৰৰ জিলাকেইখন দুর্ভিক্ষ হোৱাৰ ফলত প্রায় ৩ নিযুত লোক আক্রান্ত হৈছিল।

১৮৫৭ চনৰ চিপাহী বিদ্রোহৰ পাছত, কৃষিৰ দিশতো ভালেমান বছৰলৈকে অমীমাংসিত হৈ আছিল। ১৮৫৮-৬০ চনৰ সময়ছোৱাত মৌচুমী বায়ু ভাৰতৰ প্রতিকূলে নাছিল আৰু ১৮৬০ চনত উত্তৰ প্রদেশ, আজমীৰ আৰু পঞ্জাৱৰ পূৱৰ জিলা কেইখনত দুর্ভিক্ষই দেখা দিছিল। ফলত নিবনুৱা সমস্যা আৰু অনাহাৰজনিত মৃত্যুৱে দেশখনক জুৰুলা কৰিছিল। ১৮৬৮-৬৯ চনত পশ্চিম ভাৰতৰ যথেষ্ট অঞ্চল দুর্ভিক্ষৰ গৰাহত পৰাৰ ফলত প্রায় ৪৫ নিযুত লোক ক্ষতিগ্রস্থ হৈছিল।১৮৭৩ আৰু ১৮৭৫ চনত পশ্চিমবংগ আৰু বিহাৰতো দুর্ভিক্ষই দেখা দিছিল।১৮৭৭-৭৮ চনত উত্তৰ ভাৰতে দুর্ভিক্ষৰ মুখামুখি হ'বলগা হৈছিল।১৮৭৮ চনত, ভাৰত চৰকাৰে চাৰ ষ্ট্রেচী (Sir Strachey)ৰ নেতৃত্বত '১ম দুর্ভিক্ষ কমিছন' গঠন কৰে। আকৌ ১৮৯৬ চনত দুর্ভিক্ষৰ প্রাদুর্ভাৰ হোৱাত চাৰ জে বি ল্যাল (J B Lyall)ৰ অধীনত '২য় দুর্ভিক্ষ কমিছন' গঠন কৰে। ১৯ শতিকাৰ শেষার্ধত ৰাজপুতনা, দক্ষিণ পঞ্জাৱ আৰু মধ্য বোম্বাইত দুর্ভিক্ষ বহলভাৱে বিয়পি পৰে। ইয়াৰ ফলত প্রায় ১.২ নিযুত লোকে জীৱন হেৰুৱাব লগা হৈছিল। এই দুর্ভিক্ষৰ ফলত চাৰ মেকড'নেল্ডৰ অধীনত '৩য় দুর্ভিক্ষ কমিছন' গঠন কৰা হয়।১৯০১ চনত ইয়াৰ প্রতিবেদন দাখিল কৰা হয়। ১৯৪৩ চনত পশ্চিম বংগত দেখা দিয়া দুর্ভিক্ষত প্রায় ৩ নিযুত লোকৰ প্রাণ হানি হয়। এয়া নিঃসন্দেহেই আছিল 'মানৱ-সৃষ্ট দুর্ভিক্ষ'।

উল্লেখযোগ্য যে, সময়ৰ পৰিবর্তনত আৰু অভিজ্ঞতা বঢ়াৰ লগে লগে, চৰকাৰৰ দুর্ভিক্ষ সাহার্য অভিযানৰ কমিছনসমূহ আৰু তাৰ উপায়সমূহ ক্রমান্বয়ে অধিকতৰ ফলপ্রসূ হৈ উঠিল। ফলত আক্রান্ত আৰু মৃতকৰ সংখ্যাও ক্রমাৎ কমি আহিবলৈ ধৰিলে।

- **ৰাইজৰ খাদ্য বিপ্লৱ ঃ**

১৯শ শতিকাৰ শেষৰ পিনে হোৱা 'আকাল' অকল মাথোন খৰাঙৰ ফলত হোৱা 'প্রাকৃতিক' দুর্যোগ নাছিল, তাৰ ওপৰতে ঔপনিবেশিক অর্থনীতিত সোমাই থকা গাঁথনিগত দুর্বলতাই ইয়াক তীব্রতৰ কৰি তুলিছিল। নিবেদিতা শংকৰ ৰয় বেনেটে তেওঁৰ- 'Indian Famine' (১৮৯৬-১৯০২) শীর্ষক গৱেষণা পত্রত খাদ্যৰ বাবে হোৱা সংঘাত জর্জৰ পৰিস্থিতি (food riots) আৰু শস্যৰ বাবে উদ্ভৱ হোৱা সংঘাত জর্জৰ পৰিস্থিতিৰ মূলতে আছিল সামূহিক হতাশা আৰু বিৰোধ, যেতিয়া স্থানীয় জনসাধাৰণে জীৱন-ধাৰণৰ মৌলিক প্রয়োজন পূৰণ কৰিবলৈও অসমর্থ হৈছিল- সেই বিষয়ে আলোকপাত কৰিছে। যিবোৰ ঠাইত শস্য আনকি কায়িকভাৱেও উপলব্ধ আছিল, তেনেবোৰ ঠাইতো ব্যৱসায়ীয়ে সেইবোৰ জমা কৰি ৰাখিছিল, অথবা শিথিল অর্থনৈতিক নীতিৰ অধীনত অধিক লাভজনক বজাৰলৈ ৰপ্তানি কৰিছিল। এইয়ে অভাৱ আৰু দৃশ্যমান যোগানৰ মাজত তীব্র বিৰোধৰ সৃষ্টি কৰিছিল। সাধাৰণ মানুহ বিশেষকৈ কৃষক আৰু শ্রমিক শ্রেণীৰ বাবে খাদ্যশস্যৰ মূল্য আকাশলঙ্ঘী হৈছিল তেতিয়া সিবিলাকৰ মাজত তীব্র উত্তেজনা বৃদ্ধি পাইছিল।

খাদ্য শস্যৰ বাবে হোৱা সংঘাত জর্জৰ পৰিস্থিতি বজাৰ অঞ্চল, শস্য-ভঁৰাল অথবা পৰিবহন স্থানত সংঘটিত হৈছিল। ক্ষুধার্ত জনতা যিসকলে প্রায়েই ভূমিহীন শ্রমিক অথবা গ্রামীণ দৰিদ্র জন- নেতৃত্বত তেওঁলোকৰ জনগণে সংৰক্ষিত খাদ্যশস্য জব্দ কৰিছিল। ইয়াৰ ৰপ্তানিত বাধা দিছিল বা সুলভ মূল্যৰ দাবী জনাইছিল। এনেধৰণৰ কার্য্যকলাপে হঠাতে বিয়পা হিংসাৰ ৰূপ নাছিল, বৰং নৈতিক অর্থনীতিৰ দ্বাৰা গঢ় লৈছিল, ইয়াৰ অন্তৰালত এটা গভীৰ বিশ্বাস আছিল যে সংকটৰ সময়ত খাদ্যশস্য সুলভ হ'ব লাগে আৰু সম্পূর্ণৰূপে ব্যৱসায়িক যুক্তিৰে পৰিচালিত হ'ব নালাগে। যেতিয়া এই আশা ভংগ হয়, তেতিয়া সর্বসাধাৰণে যাক ন্যায় বুলি অনুভৱ কৰে সেয়া সামূহিক কার্যৰ দ্বাৰা পূর্বৱত বাহাল ৰাখিবলৈ চেষ্টা কৰে। খাদ্যশস্যৰ এনে সংঘাত জর্জৰ পৰিস্থিতি প্রশাসনিক দুর্বলতাৰ

ফল। ঔপনিবেশিক শাসনৰ অধীনত সাহার্য্য প্রদান প্রায়েই পলম হৈছিল, ই আমোলাতান্ত্রিক আছিল আৰু সাহার্য সামগ্রীও পর্য্যাপ্ত নাছিল। দুর্ভিক্ষৰ সময়ত সাহায্য সামগ্রী লাভৰ মাপকাঠী অতি কঠোৰ আছিল আৰু শ্রম-পৰীক্ষাৰ ওপৰত দিয়া জোৰে 'য'ত ক্ষুধার্তসকলে অলপ সাহার্য্য সামগ্রীৰ বাবে কাম কৰিবলগীয়া হৈছিল' দুখ-কষ্ট অধিক বৃদ্ধি কৰিছিল। এনে প্রেক্ষাপটত খাদ্যৰ লগত জড়িত সংঘাত জর্জৰ পৰিস্থিতি হৈ পৰিল উভয় জীয়াই থকাৰ কৌশল আৰু চৰকাৰৰ সমালোচনা। ৰে- বেনেটে (Ray- Bennett) মত প্রকাশ কৰিছে যে- এনেকুৱা দুর্ঘটনাক ঔপনিবেশিক কর্তৃপক্ষই গাথনিগত দুর্বলতা বা দুর্যোগতকৈ আইন-শৃংখলাৰ সমস্যা বুলিহে সঘনাই ব্যাখ্যা কৰিছিল। ইয়াৰ ফলস্বৰূপে মূল্য নিয়ন্ত্রণ, বিতৰণৰ বিফলতাসমূহৰ নির্মূলকৰণ অথবা সাহার্য্যৰ সহজলভ্যতাৰ দৰে কাৰকসমূহ নিৰাময় কৰাত সঁহাৰি জনোৱাকলৈ আৰু দমন নীতিৰে তাৰ প্রত্যুত্তৰ দিছিল। ফলস্বৰূপে প্রভাৱিত জনসংখ্যা অধিক বিচ্ছিন্ন হৈ পৰিছিল আৰু কেতিয়াবা তীব্র অশান্তিৰ সৃষ্টি হৈছিল।

১৮৫০ চনৰ আগতে অনাবৃষ্টি আৰু বানপানীৰ ফলত দেশখনৰ ঠায়ে ঠায়ে খাদ্য-শস্যৰ সংকট আৰু পশুখাদ্যৰ অনাটনে দেখা দিছিল। খাদ্য-শস্যৰ সংকটৰ ফলতে সেই ঠাইবোৰ দুর্ভিক্ষই জুৰুলা কৰিছিল যদিও আন কোনো ঠাইত হয়তো সেই সময়ত সন্তোষজনক বৰষুণ হোৱাৰ ফলত যথেষ্ট পৰিমাণৰ খাদ্য-শস্য উৎপন্ন হোৱাৰ লগতে আৰু পশুখাদ্যও উভৈনদী হৈ পৰিছিল। খাদ্য-সংকট বা যথেষ্ট পৰিমাণে খাদ্য-শস্য নথকাৰ বাবেই স্থানীয়ভাৱে দুর্ভিক্ষই দেখা দিছিল। ১৮৫০ চনৰ আগতে যাতায়ত ব্যৱস্থা সন্তোষজনক নোহোৱাৰ বাবে এঠাইৰপৰা আন এঠাইলৈ খাদ্য-শস্য লৈ যোৱাটোও সম্ভৱ নাছিল।

বাট-পথ আৰু ৰেলৰে ব্যৱস্থাৰ উন্নতিৰ ফলত ভাৰতত দুর্ভিক্ষৰ ৰূপটোও সলনি হ'ল। ১৮৫০ চনৰ পাছত দুর্ভিক্ষ বুলিলে খাদ্য-শস্য আৰু পশুখাদ্যৰ সম্পূর্ণ অনাটন নুবুজাইছিল; ই বুজাইছিল ইবিলাকৰ যোগানত যথেষ্টখিনি হ্রাস হোৱাৰ ফলত খাদ্য-শস্য আৰু পশুখাদ্যৰ মূল্যৰ ওপৰতো পৰা প্রভাৱৰ কথা। এতিয়া আন ঠাইৰপৰা খাদ্য-শস্য অনাটো আগতকৈ ভালেখিনি সহজ হ'ল। কিন্তু নির্দিষ্ট কিছুমান ঠাইত বৰষুণ নোহোৱাৰ ফলত জীৱিকাৰ সুবিধা নোহোৱা আৰু উপার্জনৰ অভাৱৰ লগতে খাদ্য-শস্য আৰু পশুখাদ্যৰ অতি উর্ধমুখী দামৰ মুখামুখি হোৱা।

সাধাৰণভাৱে দুর্ভিক্ষক বুজিবলৈ খাদ্যৰ সুলভতাত অধোগতি (Food availability decline) কথাষাৰৰ ব্যাখ্যালৈ যাব লাগিব। বংগৰ দুর্ভিক্ষক বিশ্লেষণ আৰু ব্যাখ্যা কৰিবলৈ FAD এই কথাষাৰ ব্যাপকভাৱে ব্যৱহাৰ কৰা হৈছিল। ১৯৪৩ চনৰ বংগৰ দুর্ভিক্ষক কাৰণ আদি উদ্ধাৰ কৰিবলৈ ১৯৪৪ চনত উডহেড কমিছনক দায়িত্ব দিয়া হ'ল। এই কমিছনে আঙুলিয়াই দিয়ে যে, এই ক্ষেত্রত প্রশাসনে সহায়ৰ হাত আগবঢ়াই বংগৰ বাহিৰৰ অঞ্চলৰপৰা খাদ্য-শস্যৰ আমদানি কৰাব পাৰে। দুর্ভিক্ষ অনুসন্ধান কমিছনৰ দৃষ্টিত দুর্ভিক্ষৰ মুখ্য কাৰণ হিচাপে বংগৰ প্রয়োজনৰ বাবে লগা চাউলৰ যোগানত সাংঘাতিক অনাটন হোৱা কথাই ধৰা দিছে।

## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১ ঃ** গ্রাম্য ঋণগ্রস্ততাৰ অন্যতম মুখ্য কাৰণ কি?

.....

**প্রশ্ন নং ২ ঃ** উৰিষ্যা-দুর্ভিক্ষ কেতিয়া আৰম্ভ হৈছিল?

.....

**প্রশ্ন নং ৩ ঃ** বংগৰ দুর্ভিক্ষত কিমান লোকে প্রাণ হেৰুৱাইছিল?

.....

## ৫.৪ চৰকাৰৰ দুর্ভিক্ষ নীতি

প্রাক- ব্রিটিছ যুগত দুর্ভিক্ষ সাহার্য আঁচনি নি:সন্দেহে বর্তমানতকৈ ভালেখিনি নিস্ক্রিয় আছিল।সেয়ে দুর্ভিক্ষৰ ফলত যথেষ্ট পৰিমাণৰ জনধন আৰু পশুধনৰ মৃত্যু হৈছিল। ১৯ শতিকাৰ আৰম্ভণিতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে দুর্ভিক্ষ-আক্রান্ত লোকৰ সমস্যাবোৰ মীমাংসাৰ বাবে চেষ্টা কৰিছিল যদিও তাত আশানুৰূপ আগ্রহ নাছিল। ১৮৫৭ চনৰ বিদ্রোহৰ পাচত ব্রিটিছে ইষ্ট ইণ্ডিয়া কোম্পানীৰপৰা ভাৰতৰ শাসন ভাৰ লয়।

### জানি থোৱা ভাল

**দুর্ভিক্ষ আয়োগ ঃ**

১. চাৰ জর্জ কেম্পবেল কমিছন (১৮৬৭)

২. চাৰ ষ্ট্রেচী কমিছন (১৮৭৮)

৩. ল্যাল কমিছন (১৮৯৮)

৪. মেকড'নেল্ড কমিছন (১৯০০)

দুর্ভিক্ষ-সাহার্য কর্মৰ দায়িত্ব সেয়ে ব্রিটিছ চৰকাৰৰ ওপৰত পৰিল। ১৮৫৭ চনৰ পাছত স্থানীয়ভাৱে হোৱা কেইবাটাও দুর্ভিক্ষৰ পাছত ১৮৭৬-৭৭ চনৰ দুর্ভিক্ষই দেশৰ যথেষ্ট ঠাইত প্রভাৱ পেলালে আৰু ইয়াৰ দ্বাৰা এক বুজন সংখ্যক লোক ক্ষতিগ্রস্ত হ'ল। ভাৰত চৰকাৰে চাৰ ষ্ট্রেচীৰ অধীনত ১৮৭৮ চনত প্রথম দুর্ভিক্ষ কমিছন গঠন কৰি দিলে। কমিছনে কিছুমান সাধাৰণ নীতিৰে দুর্ভিক্ষ সাহার্য লৈছিল আৰু দুর্ভিক্ষ প্রশমন আৰু নিয়ন্ত্রণৰ বাবে কিছুমান সাহার্য-আঁচনি হাতত লৈছিল।

- কমিছনে দুর্ভিক্ষ-কাতৰ লোকসকলৰ প্রতি চৰকাৰৰ দায়িত্ব আঙুলিয়াই দিছিল।
- সমর্থসকলক কামৰ যোগাৰ কৰি দিয়া দৰমহা খাদ্য-শস্যৰ বাবে যথেষ্ট আছিল।
- বয়স্ক আৰু দুর্বলজনৰ বাবে নিজৰ গাঁৱতে সাহার্য প্রদান।
- ক্ষতিগ্রস্ত মাটিৰ গৰাকীক খেতিৰ বাবে ঋণৰ যোগান।
- দুর্ভিক্ষ-আক্রান্ত অঞ্চলত মাটিৰ খাজনা সাময়িকভাৱে বিতাৰণ আৰু ৰেহাই কৰি ৰাইজক কিছু আর্থিক সকাহ দিয়াৰ ব্যৱস্থা কৰা।
- খাদ্য-শস্যৰ ক্ষেত্রত ব্যক্তিগত বেপাৰ মুকলি।

→ **দ্বিতীয় দুর্ভিক্ষ কমিছন (১৮৯৮) ঃ** চাৰ জেমছ ল্যালৰ অধীনত গঠন হোৱা ২য় দুর্ভিক্ষ কমিছনে ১৮৮০ চনৰ প্রথম কমিছনৰ কিছুমান বিধি সাল-সলনি কৰি নতুন নীতি কিছুমান হাতত ল'লে।

১৮৯৯-১৯০০ চনৰ প্রচণ্ড দুর্ভিক্ষৰ ফলত চাৰ এন্টনি মেকড'নেল্ডৰ অধীনত তৃতীয় দুর্ভিক্ষ কমিছন গঠন কৰা হয়।

- ই আঁচনিৰ নৈতিক কার্যকলাপৰ উপযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- ই আগধন অনুমোদন কৰে —
  - (ক) গৰু আৰু বীজ ক্রয়ৰ বাবে
  - (খ) পোত যোৱা আৰু অস্থায়ী কুৱা ক্রয় আৰু মেৰামতি।
- দুর্ভিক্ষ-কমিছনাৰৰ নিয়োগ অনুমোদন
- দুর্ভিক্ষ-সাহার্যৰ কঠোৰ নিয়ন্ত্রণ-ব্যৱস্থা

- বৃহৎ ৰাজহুৱা কার্য ৰূপে গাঁৱৰ কামবোৰত গুৰুত্ব আৰোপ
- বৃহৎ ৰূপত কার্যালয় বহির্ভূত সহায়ত সাহার্য আৰোপ
- কৃষি-বেংক স্থাপন কৰা
- কৃষিৰ ক্ষেত্রত পোষণ ব্যৱস্থাত গুৰুত্ব আৰোপ
- জলসিঞ্চন ব্যৱস্থাত গুৰুত্ব আৰোপ

কৃষি সম্পর্কীয় যন্ত্র-পাতি আৰু জলসিঞ্চন ব্যৱস্থাৰ উন্নতিৰ লগে লগে দুর্ভিক্ষ-সাহার্য আঁচনিৰ জৰিয়তে কৃষি আৰু ৰেলৰে উন্নীতকৰণ হয়। ১৯১৯ চনত ভাৰত চৰকাৰৰ নিয়মৰ অধীনত প্রত্যেক আঞ্চলিক চৰকাৰে, প্রত্যেক বছৰে নিজৰ শক্তি অনুসাৰে এক নির্দিষ্ট অনুপাতে ইয়াত সহযোগ আগবঢ়াইছিল।

→ **উডহেড দুর্ভিক্ষ অন্বেষণ কমিছন (১৯৪৪) ঃ** ১৯৪৩ চনত বংগত হোৱা দুর্ভিক্ষৰ দুখজনক পৰিণতিৰ ফলতে এই কমিছনৰ জন্ম হয়। এই কমিছনে —

- ৰাজ্যই নিজৰ দায়িত্ব বুজি দুর্ভিক্ষ-পিড়িত অঞ্চলৰ সকলো লোককে খাদ্যৰ যোগান ধৰা
- খাদ্য-সমস্যাৰ সৈতে মোকামিলা কৰিবলৈ সদৌ ভাৰত খাদ্য পৰিষদ গঠন কৰা
- ৰাজ্যৰ যোগেদি একচেটিয়াকৈ খাদ্য যোগান ধৰা
- ক্রেতা আৰু উৎপাদনকাৰীৰ কথা মনত ৰাখি, কিছুমান নির্দিষ্ট বিপনিত এক সন্তোষজনক মূল্যত খাদ্য বিতৰণ কৰা

→ **১৯১৯ চনৰ মণ্টেগু-চেলচফ'ৰ্ড সংশোধন**ৰ পাছত দুর্ভিক্ষ সাহার্য প্রাদেশিক বিষয় হৈ পৰিল। প্রত্যেক প্রদেশে দুর্ভিক্ষ-সাহার্য পুঁজি গঠন কৰি, তাৰপৰা সংগ্রহ হোৱা ৰাজহেৰে বছৰেকীয়া হাৰত দুর্ভিক্ষ-আক্রান্তসকলক সহায় আগবঢ়াবলৈ ল'লে।

ভাৰত চৰকাৰৰ ১৯৩৫ চনৰ আইনৰ অধীনত দুর্ভিক্ষ-সাহার্য পুঁজি গঠনৰ কোনো সুকীয়া ব্যৱস্থা নাছিল। কিন্তু সকলো প্রদেশে পুৰণা নির্দেশনা মানি দুর্ভিক্ষ-সাহার্য পুঁজি প্রয়োগ কৰি আছিল।

### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৪ ঃ** প্রথম দুর্ভিক্ষ আয়োগৰ অধ্যক্ষ কোন আছিল?

.....

**প্রশ্ন নং ৫ ঃ** কোনটো আয়োগৰ অধীনত কোনো সুকীয়া দুর্ভিক্ষ-সাহার্য পুঁজিৰ ব্যৱস্থা নাছিল?

.....

**প্রশ্ন নং ৬ ঃ** তৃতীয় দুর্ভিক্ষ আয়োগ কেতিয়া গঠন কৰা হৈছিল?

.....

## ৫.৫ ১৯২৯ চনৰ বৃহৎ মন্দাৱস্থা

মন্দাৱস্থা বুলি ক'লেই সাধাৰণতে ১৯২৯-১৯৩৩ চনৰ পশ্চিম ইউৰোপ আৰু আমেৰিকাৰ মূলধনীয় অর্থনীতিৰ ভয়ংকৰ মন্দাৱস্থাৰ কথা বুজা যায়।

ভাৰতৰ সৈতে ইংলণ্ড আৰু পশ্চিম ইউৰোপীয় দেশবোৰৰ আমদানি-ৰপ্তানিৰ সম্পর্ক থকা হেতুকে এই ভয়ংকৰ মন্দাৱস্থাৰ ফলত ভাৰতো যথেষ্ট ক্ষতিগ্রস্থ হৈছিল।

**বিশ্ব মন্দাৱস্থাৰ কেইটামান কাৰক ঃ**

- পূর্ণ পুঁজিপতি অর্থনীতিয়ে গা কৰি উঠা পশ্চিম ইউৰোপ আৰু আমেৰিকাৰ দেশবোৰৰ কৃষি আৰু উদ্যোগ খণ্ডত উৎপাদন বৃদ্ধি
- সোণৰ অসম-বিতৰণ
- ১ম বিশ্ব যুদ্ধৰ পাছৰ মুদ্রা
- পুঁজিপতি দেশবোৰত প্রচলিত হৈ থকা নিয়ন্ত্রিত বাণিজ্য নীতি
- কোম্পানীৰ অংশ বেচা-কিনা সংস্থা আদিত বজাৰ ভাও খেলৰ মনোবৃত্তি ৱাল ষ্ট্রীটৰ কোম্পানীৰ অংশ বেচা-কিনা সংস্থা হঠাতে সংকুচিত হোৱাত ১৯১৭ চনৰ অক্টোবৰ মাহত বিশ্ব মন্দাৱস্থাৰ আৰম্ভ হয় আৰু ই অচিৰেই পৃথিৱীৰ আন আন ঠাইলৈও বিয়পি যায়। বিশ্ব মন্দামন্দাৱস্থাৰে ভাৰতীয় অর্থনীতিৰ প্রায় সকলো ক্ষেত্রত, যেনে- মূল্য, কৃষি, উদ্যোগ, বাণিজ্য, মানুহৰ উপার্জনৰ স্তৰ, নিয়োগৰ স্তৰ আদিত প্রভাৱ বিস্তাৰ কৰে।

বিশ্ব মন্দাৱস্থাৰ ফলত মূল্যলৈ হঠাত পতন আহে। লক্ষ্য কৰা যায় কৃষি উৎপাদিত সামগ্রী আৰু কেঁচামালতকৈ সেইবোৰ উৎপাতদনত ব্যৱহাৰ কৰা সামগ্রীৰ মূল্য অধিক ক্ষিপ্রতাৰে হ্রাস পায় ।কৃষিজাত সামগ্রীৰ এনে সাংঘাতিক মূল্য-হ্রাসৰ ফলত ভাৰতত কৃষিৰ সৈতে জড়িত একাংশ লোকৰ উপার্জনো সাংঘাতিক ধৰণে কমি আহে। স্বাভাৱিকতে মন্দাৱস্থাৰ সময়ত কৃষি ক্ষেত্রত দেখা দিয়া ক্ষিপ্র মূল্য-হ্রাসৰ এই ডাঙৰ বোজাই ঋণগ্রস্ততা বঢ়াই দিয়ে।

সাংঘাতিক মন্দাৱস্থাৰ ফলত ভাৰতীয় কৃষি-ব্যৱস্থাৰ কৃষিৰ লগে লগে আন পুজিঁপতি দেশবোৰো ভালকৈ আক্রান্ত হয়। ১৯২৯ চনৰ পৰা ১৯৩৩ চনৰ ভিতৰত ভাৰতৰ মূল কৃষিজাত দ্রব্যসমূহৰ মূল্য ক্ষিপ্রগতিৰে কমি যায়। ইয়াৰ ফলত কৃষকসকল অতি বেয়াকৈ ক্ষতিগ্রস্থ হয়। ভূমিত বিনিয়োগ কমি যোৱা আৰু ঋণগ্রস্ততা বাঢ়ি যোৱা আদি কাৰণত কৃষকসকল অতিৰিক্ত অসুবিধা ভুগিবলগা হয়। উদ্যোগিক ক্ষেত্রতো যথেষ্ট সংখ্যক নিবনুৱাই দেখা দিয়ে।

কিন্তু সাংঘাতিক মন্দাৱস্থাৰ ফলত উদ্যোগিক উন্নয়ন হৈ কোনো কোনো ক্ষেত্রত অনুকূল পৰিবেশৰ সৃষ্টি হৈছিল। কপাহী আৰু বস্ত্র উদ্যোগত, ১৯৩০ চনত, চৰকাৰে অনা-ব্রিটিছ কপাহী বস্ত্র সামগ্রীৰ ওপৰত ১৫% আমদানি কৰ বৃদ্ধি কৰে। ১৯৩২ চনত, অনা-ব্রিটিছ কপাহী বস্ত্র সামগ্রীৰ আমদানি কৰ ৫০% বৃদ্ধি হয়।

সাংঘাতিক মন্দাৱস্থাৰ সময়ত, ঘৰুৱা ব্যৱহাৰত কয়লাৰ প্রয়োগ কমি যোৱাত কয়লাৰ দাম হঠাতে কমি যায় আৰু ইয়াৰ ফলত কেইবাটাও কয়লা-খনি বন্ধ কৰি দিবলগা হয়। ১৯৩৩ চনৰ ভিতৰত কয়লাৰ উৎপাদন ক্রমান্বয়ে কমি যায়। ১৯৩৪ চনৰ পৰাহে কয়লাৰ উৎপাদন লাহে লাহে বাঢ়িবলৈ ধৰে।

বিশ্বত মৰাপাটৰ সামগ্রীৰ চাহিদাই সদায় ভাৰতৰ মৰাপাট উদ্যোগত এক উল্লেখযোগ্য ভূমিকা লৈ আহিছে। কৃষিৰ ক্ষেত্রত হঠাৎ মূল্য হ্রাস আৰু কৃষকসকলৰ ক্রয় ক্ষমতা হ্রাস পোৱাৰ ফলত সমগ্র বিশ্বৰে মৰাপাট উদ্যোগ আৰু মৰাপাটজাত সামগ্রীৰ মূল্য হ্রাসে ভাৰতৰ মৰাপাট উদ্যোগসমূহতো ইয়াৰ প্রভাৱ পৰে। মৰাপাট উদ্যোগৰ মন্দাৱস্থাৰ আৰু জটিলতাৰ ফলত ১৯৩২ চনত মৰাপাট অনুসন্ধান সমিতি গঠন কৰা হয়। সমিতিয়ে ১৯৩২ চনত ইয়াৰ প্রতিবেদন দাখিল কৰে আৰু মৰাপাটৰ খেতি আৰু বজাৰ উন্নয়ন ব্যৱস্থাৰ কথা সকীয়াই দিয়ে।

ভাৰতৰ লো আৰু ষ্টীল উদ্যোগে ১৯২৭ চনৰে পৰা উল্লেখযোগ্য বিকাশ কৰিছে যদিও এই উদ্যোগসমূহৰ ৰক্ষণাবেক্ষণ জৰুৰী। দেশৰ ৰেলৰে আৰু ইঞ্জিনিয়াৰিং উদ্যোগসমূহৰ চাহিদাৰ অধোগতি হোৱাত

সাংঘাতিক মন্দা-বজাৰৰ সময়ত, এই উদ্যোগসমূহৰ লাভাংশ কমি আহে। এনে মন্দাৱস্থাই বিশ্ব বাণিজ্যৰ লগতে ভাৰতৰ আন্তর্জাতিক বাণিজ্যতো প্রভাৱ পেলায়।

উক্ত আলোচনাৰ পৰা দেখা যায় যে, বছৰ বছৰ ধৰি হৈ থকা মন্দাৱস্থাই ভাৰতীয় অর্থনীতিতো দুর্যোগৰ সৃষ্টি কৰিছিল। অতিকৈ ক্ষতিগ্রস্ত হোৱা কৃষি-ক্ষেত্রৰ কৃষকসকলে সোণ বিক্রী কৰি নিজৰ ধাৰ পৰিশোধ কৰিবলগা হৈছিল। মূদ্রাৰ মূল্য হ্রাস হোৱাৰ বাবে আৰু বহুত দেশত আঁচনি নিয়ন্ত্রণৰ বাবেও উদ্যোগিক ক্ষেত্রসমূহো ক্ষতিগ্রস্ত হৈছিল। ভালকৈ চাবলৈ গ'লে, ভাৰত চৰকাৰে ভাৰতীয় অর্থনীতি সুৰক্ষাৰ বাবে বা মানুহক সাহার্য প্রদানৰ বাবে কোনো কামেই কৰা নাছিল।

## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৭ ঃ** বৃহৎ মন্দাৱস্থাৰ ফলাফলৰ এটা প্রধান কাৰণ বাচি উলিয়াওক।

.....

**প্রশ্ন নং ৮ ঃ** মৰাপাট অনুসন্ধান সমিতি কেতিয়া গঠন কৰা হৈছিল?

.....

## ৫.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো—

- ভাৰতত ব্রিটিছ শাসনৰ সময়তে আৰম্ভ হোৱা গ্রাম্য ঋণগ্রস্ততাই দুখীয়া খেতিয়কসকলৰ জীৱনত পেলোৱা প্রভাৱৰ বিষয়ে।
- ভাৰতত দুর্ভিক্ষৰ বাবে কেতিয়াবা মানুহ জগৰীয়া আছিল আৰু এক কৃত্রিম অৱস্থা কঢ়িয়াই আনিছিল, যদিও চৰকাৰে কেবাটাও দুর্ভিক্ষ সাহায্য আগবঢ়াইছিল।
- দুর্ভিক্ষৰ গুৰুত্বপূর্ণ পৰিণাম আছিল খাদ্য-সংকট।
- ভাৰতীয় অর্থনীতিত মন্দাৱস্থাৰ প্রভাৱ পৰিছিল।

## ৫.৭ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থ ঃ**

1) Bandyopadhyay, Sekhar, (2013). *From Plassey to Partition. Orient Blackswan;* New Delhi: India

2) Desai, A.R. Sekhar, (2013). *Social Background of Indian Nationalism.* Popular Prakashan*;* New Delhi: India

3) Desai, S.S.M. and Bhalerao, Nirmal, (2010). *Economic History of India.* Himalaya Publishing House; Mumbai: India.

4) Grover, B.L. (2011). *A New Look at Modern Indian History.* S. Chand and Company*;* New Delhi: India

## ✓ ৫.৮ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** দৰিদ্রতা

**২নং প্রশ্নৰ উত্তৰ ঃ** ১৮৬৬-৬৭

**৩নং প্রশ্নৰ উত্তৰ ঃ** প্রায় ৩ নিযুত লোক

**৪নং প্রশ্নৰ উত্তৰ ঃ** চাৰ ৰিচার্ড ষ্ট্রেচী

**৫নং প্রশ্নৰ উত্তৰ ঃ** ভাৰত চৰকাৰৰ আইন ১৯৩৫

**৬নং প্রশ্নৰ উত্তৰ ঃ** ১৯০০

**৭নং প্রশ্নৰ উত্তৰ ঃ** নিবনুৱা

**৮নং প্রশ্নৰ উত্তৰ ঃ** ১৯৩২

## ? ৫.৯ আৰ্হি প্রশ্ন

**(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন ১ ঃ** কোনো এক দুর্ভিক্ষ অন্বেষণ আয়োগৰ নাম লিখক।

**প্রশ্ন ২ ঃ** ব্রিটিছ শাসনকালত হোৱা গ্রাম্য ঋণগ্রস্ততাৰ কাৰণবোৰ কি কি?

**(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন ১ ঃ** চমু টোকা লিখক।

(ক) গ্রাম্য ঋণগ্রস্ততাত মধ্যভোগীৰ ভূমিকা

(খ) দুর্ভিক্ষৰ সময়ত খাদ্য-সংকট

(গ) ১৯৪৩ চনৰ বংগ দুর্ভিক্ষ

(ঘ) সাংঘাতিক মন্দাৱস্থা হোৱাৰ কাৰণবোৰ

**(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন ১ ঃ** ভাৰত চৰকাৰৰ দুর্ভিক্ষ আঁচনিৰ মূল বিষয়বোৰ পৰীক্ষা কৰক।

**প্রশ্ন ২ ঃ** দুর্ভিক্ষ সাহায্য আঁচনি হিচাপে ভাৰত চৰকাৰে লোৱা দুর্ভিক্ষ কমিছনৰ বিষয়ে চমুৱাই ব্যাখ্যা কৰক।

*** ***** ***

# অধ্যায় ৬ ঃ থলুৱা উদ্যোগৰ অৱনতি

## অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ থলুৱা উদ্যোগ
- বয়ন আৰু বস্ত্র উদ্যোগ
- আন উদ্যোগসমূহ

৬.৪ বিল্পায়নৰ কাৰণ
৬.৫ আধুনিক উদ্যোগৰ বৃদ্ধি
- কৃষি উদ্যোগ
- খনি আৰু অন্যান্য

৬.৬ সৰবৰাহক অর্থনীতি হিচাপে ভাৰত
৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্রগতিৰ খতিয়ান
৬.১০ আৰ্হি প্রশ্ন

## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ বিভিন্ন থলুৱা উদ্যোগসমূহৰ অৱনতিৰ কাৰণসমূহ ব্যাখ্যা কৰিব পাৰিব,
- আধুনিক উদ্যোগৰ বিকাশ আৰু উন্নতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- সৰবৰাহক অর্থনীতি হিচাপে ভাৰতক ব্রিটিছে কেনেকৈ ব্যৱহাৰ কৰিছিল তাৰ চমু আলোচনা কৰিব পাৰিব।

## ৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি গ্রাম্য ঋণগ্রস্ততা আৰু তাৰ কাৰণ সম্পর্কে আলোচনা কৰিছিলোঁ। আমি তাতে দুর্ভিক্ষৰ ফলত গ্রাম্য লোকসকলে যি দুর্ভোগ ভুগিব লগা হৈছিল তাৰো আলোচনা কৰিছিলোঁ।

এই অধ্যায়ত আমি থলুৱা উদ্যোগৰ অৱনতিৰ বিষয়ে আলোচনা কৰিম। প্রাক্-ব্রিটিছ যুগত গাঁওসমূহত আত্মনির্ভৰ গ্রাম্য-অর্থনীতিৰ ফলত গাঁৱৰ হস্তশিল্পীসকলে ঔদ্যোগিক ক্ষেত্রত সকলো সা-সুবিধা পাইছিল। ই আছিল অর্থনৈতিক সার্বভৌমৰ ঔদ্যোগিক স্তম্ভ, আৰু আনটো স্তম্ভ আছিল আত্মনির্ভৰ গ্রাম্য-কৃষি। তদুপৰি, শ্রম-বিভাজন নথকাৰ বাবে বেছিভাগ হস্তশিল্পীয়েই বছৰটোৰ নির্দিষ্ট সময় কৃষিত ব্যস্ত আছিল আৰু মহিলা

হস্তশিল্পীসকলৰ বেছিভাগেই মহুৱা ফুৰোৱাৰ দৰে কিছুমান ঔদ্যোগিক কার্যত ব্যস্ত আছিল। একাংশৰ বাবে সমাজত হস্তশিল্পীসকলৰ স্থান লগুৱা এজনতকৈ কিছু উন্নত আছিল আৰু তেওঁলোকৰ দ্বাৰা নির্মিত শিল্প বা তেওঁলোকৰ শ্রমৰ বিনিময়ত একাংশ লোকে তেওঁলোকৰ ব্যৱহাৰৰ বাবে কিছু খেতিৰ মাটি বা খেতিৰ দ্বাৰা উৎপাদিত কিছু শস্য দিয়েই হাত সাৰিছিল।

হস্তশিল্পসমূহৰ ভিতৰত শ্রম-বিভাজন তেনেই সীমিত আছিল বা নাছিলেই। তদুপৰি, সেইবিলাকত নিচেই সামান্য কৌশলীকৰণ থকাৰ বাবে হস্তশিল্পীসকলৰ দ্বাৰা কাৰিকৰী কৌশল অতি নিম্নমানৰ আছিল। এখন গাঁও অর্থনৈতিকভাৱে প্রায় স্বাধীন হোৱাৰ বাবে বাহিৰৰ কোনো গোটৰ সৈতে প্রতিযোগিতাৰ ভাবো নাছিল। ইয়াৰ ফলত হস্তশিল্পীসকলৰ কাৰিকৰী দিশ উন্নত হোৱাই নহয়, ই ভাৰতত স্থানীয় উদ্যোগসমূহৰ শ্রীবৃদ্ধিতো বাধা আহি পৰিছিল। ১৯ শতিকাৰ প্রথমার্ধত বা ১৮৮০ চনলৈকে ভাৰতীয় অর্থনীতিৰ এক উল্লেখনীয় ৰূপ পৰিলক্ষিত হয়। পশ্চিমীয়া দেশসমূহে ঔদ্যোগিকৰণৰ দিশত অগ্রসৰ হোৱাৰ সময়ত ভাৰতত ঔদ্যোগিকৰণৰ হাৰ ক্রমান্বয়ে অৱনমিত হৈ আহিছিল। এই অৱস্থা সাধাৰণভাৱে 'অনা-ঔদ্যোগিকৰণ' হিচাপে বর্ণনা কৰা হয়।

## ৬.৩ থলুৱা উদ্যোগসমূহ

ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱৰ সুদৃঢ় ভেঁটি তৈয়াৰ আৰু ভাৰতীয় অর্থনীতিত ইংলেণ্ডৰ কঠিন নিয়ন্ত্রণৰ সমসাময়িকভাৱে ভাৰতীয় হস্তশিল্প তথা থলুৱা শিল্পসমূহৰ অধোন্নতি আৰম্ভ হৈছিল। ভাৰতীয় হস্তশিল্প তথা থলুৱা শিল্পসমূহৰ অধোন্নতিৰ কেইবাটাও কাৰণ চকুত পৰে যদিও ঘাইকৈ ব্রিটিছ শাসন আৰু তেওঁলোকৰ অর্থনৈতিক বিস্ফোৰণৰ হেঁচাকে জগৰীয়া বুলিব পাৰি। সস্তীয়া আৰু অনা-ব্রিটিছ যন্ত্র-পাতিৰ ব্যৱহাৰৰ ফলত গাঁৱৰ হস্তশিল্পসমূহ ক্রমান্বয়ে অৱনমিত হ'বলৈ ধৰিলে। প্রথমে ৰে'ল ব্যৱস্থা আৰু পাছত বাছৰ চলাচল সহজ হ'বলৈ ধৰাত গাঁওসমূহলৈ সামগ্রীৰ অনা-নিয়া সুচল হৈ উঠিল। আন্তর্জাতিক কৌশলীকৰণে স্ব-নিয়োজিত স্থানীয় অর্থনীতি স্থানান্তৰিত কৰিলে আৰু ভাৰতীয় কাৰিকৰজনৰ হাতলৈ বাণিজ্যৰ উত্তৰণ ঘটিল। এনেকৈ ১৯ শতিকাৰ দ্বিতীয়ার্ধত আধুনিক শিল্পসমূহৰ এক স্থায়ী উত্তৰণ ঘটিল আৰু ফলত এই অধোগতি আৰম্ভ হ'ল। সামাজিক, অর্থনৈতিক আৰু স্থানীয় কাৰণত গাঁৱলীয়া শিল্পৰ (থলুৱা শিল্প) এই অধোগতি বিশ্বজনীন যদিও সকলোতে একেধৰণৰ নাছিল। সস্তীয়া যন্ত্র-পাতিৰ আমদানিৰ ফলত থলুৱা বস্ত্র উদ্যোগসমূহ অতি বেয়াকৈ ক্ষতিগ্রস্ত হৈছিল আৰু ১৮৫০ চনৰ পাছত ইবিলাকৰ পতন আৰম্ভ হৈছিল। খদ্দৰৰ ব্যৱহাৰ জনপ্রিয় হৈছিল যদিও যন্ত্রনির্মিত এইবিধ বস্ত্রৰ ব্যৱহাৰত বাধা আহি পৰিছিল বাবে এইবিধ বস্ত্রৰ ব্যৱহাৰ বৃদ্ধি পোৱা নাছিল।

গ্রাম্য অঞ্চলসমূহত যন্ত্রনির্মিত সামগ্রীৰ প্রচলন হোৱাত গাঁৱৰ কাৰিকৰসকলৰ অর্থনৈতিক অৱস্থা তুলনামূলকভাৱে পৰি আহিছিল। লোৰ হাল বা বাঁহ-বেতৰ সামগ্রী নির্মাণৰ ক্ষেত্রত লোৰ যন্ত্রৰ ব্যৱহাৰ আদিৰ দ্বাৰা গাঁৱৰ কাৰিকৰজনৰ অৱস্থাত বাৰুকৈয়ে আঘাত হানিলে। এনে একাংশ ধ্বংসপ্রায় কাৰিকৰে কাঠৰ আচবাব তৈয়াৰৰ কামত হাত দিলে আৰু চহৰত কাঠৰ আচবাব তৈয়াৰীৰ কাৰখানা স্থাপন কৰিলে। ইন্ধন হিচাপে কেৰাচিনৰ ব্যৱহাৰ বাঢ়ি অহাত গাঁৱৰ তেল যোগনিয়াৰসকলৰ অৱস্থা ক্রমান্বয়ে দুখলগা হৈ আহিছিল। ব্যৱহাৰৰ উপযোগী ভালেমান ধাতুৰ পাত্র বিদেশৰপৰা আমদানি কৰা হৈছিল আৰু ভাৰতৰ বিভিন্ন ঠাইত তৈয়াৰী চিকচিকীয়া পিতল আদি ধাতুৰ পাত্রবোৰে গাঁৱৰ কুমাৰসকলে তৈয়াৰ কৰা মাটিৰ

পাত্রবোৰৰ সৈতে প্রতিযোগিতাৰ সৃষ্টি কৰিছিল। তথাপিও কিন্তু গাঁৱৰ কুমাৰসকলে তৈয়াৰ কৰা মাটিৰ পাত্রবোৰৰ চাহিদা একেবাৰে কমি যোৱা নাছিল।

গাঁওবোৰত দেখা দিয়া কেইবাটাও দুর্ভিক্ষয়ো গাঁৱৰ কাৰিকৰসকলৰ অর্থনৈতিক অৱস্থাৰ অৱনতি ঘটাত অৰিহণা যোগাইছিল। এনে দুর্ভিক্ষৰ সময়ত গাঁৱৰ দুখীয়া কাৰিকৰসকলে, বিশেষকৈ বোৱনীসকলে আর্থিক সকাহৰ বাবে আন আন বৃত্তি অৱলম্বন কৰিবলগা হৈছিল। উদাহৰণস্বৰূপে, দামী ধাতুৰ পাত্রবোৰ কিনিব নোৱৰা যথেষ্টসংখ্যক গ্রাহকে গাঁৱৰ কুমাৰসকলে তৈয়াৰ কৰা তুলনামূলকভাৱে কমদামী মাটিৰ পাত্রবোৰ কিনাৰ ফলত এই শিল্পটো জীয়াই থাকে। তথাপিও কিন্তু গাঁৱৰ ভালেমান কুটীৰ শিল্প ধ্বংসৰ ফালেহে অগ্রসৰ হৈছে।

সকলো কথা চালি-জাৰি চাই ক'ব পাৰি ভাৰতৰ থলুৱা শিল্পসমূহৰ অধোন্নতিৰ বাবে প্রধানকৈ জগৰীয়া হৈছে ব্রিটিছ শাসন। সত্যৰ ওপৰত ভিত্তি কৰি দেখা যায়, ব্রিটিছ শাসনৰ লগে লগে হোৱা অর্থনৈতিক পৰিবর্তনৰ ফলতে আত্মনির্ভৰ গ্রাম্য অর্থনীতিৰ অৱনমন হয় আৰু আধুনিক পুঁজিবাদী অর্থনীতিৰ প্রতিষ্ঠা হয়। ব্রিটিছ শাসন আৰম্ভ হোৱাৰ লগে লগে, বহুতো অর্থনৈতিক সঞ্চাৰণ, যেনে ভাৰতীয় কৃষিৰ বাণিজ্যিকীকৰণ, আধুনিক উদ্যোগৰ উত্তৰণ, বেংক আৰু বীমা ব্যৱস্থাৰ প্রতিষ্ঠা আদিৰ ফলতে ঘাইকৈ ভাৰতীয় থলুৱা উদ্যোগৰ ভিত্তিত গঢ়ি উঠা আত্মনির্ভৰ গ্রাম্য অর্থনীতিৰ ক্রমান্বয়ে অৱনতি হ'বলৈ ধৰে। ব্রিটিছ শাসনকালত ভাৰতীয় উদ্যোগৰ ভিত্তিত গঢ়ি উঠা আধুনিক কল-কাৰখানাবোৰে দেশৰ ৰাষ্ট্রীয় অর্থনীতিৰ সবলীকৰণত উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিছিল যদিও ভাৰতীয় থলুৱা উদ্যোগৰ অৱনতিৰ ইয়ো এক কাৰণ।

## ● বয়ন আৰু বস্ত্র শিল্প

১৭৫৭ চনৰপৰা বয়ন শিল্পৰ অধোগতি হ'বলৈ ধৰে। ৰাজনৈতিক ক্ষমতাৰ বলেৰে কোম্পানী আৰু তাৰ লোকসকলে বোৱনীসকলক তেওঁলোকৰ উৎপাদিত সামগ্রী কম দামত বিক্রী কৰিবলৈ বাধ্য কৰায়। তেওঁলোকে বোৱনীসকলক সামগ্রী তৈয়াৰৰ বাবে আগধন দিয়ে আৰু তেওঁলোকৰ হৈ কাম কৰিবলৈ চুক্তিবদ্ধ কৰি লয়। এনেকৈ বোৱনীসকলে তেওঁলোকৰ উৎপাদিত সামগ্রী ধন ধাৰে দিয়াজনকে বেচিবলৈ বাধ্য হয়। সেই চুক্তি মতেও উৎপাাদকে তেওঁলোকৰ সামগ্রী ধন ধাৰে দিয়াজনৰ বাহিৰে আনক বিক্রী কৰিব নোৱাৰে। এনে অৱস্থাত বোৱনীসকলে তেওঁলোকৰ উৎপাদিত সামগ্রী মুকলি বজাৰৰ প্রতিযোগিতামূলক মূল্যতো কোনো ৰকমে বেচিবগৈ নোৱাৰে। এনেকৈ কোম্পানীয়ে বোৱনীসকলক লোকচান ভৰি হ'লেও বজাৰতকৈ কম দামত উৎপাদিত সামগ্রী বিক্রি কৰিবলৈ বাধ্য কৰে। কোম্পানীৰ বিষয়ববীয়া বা সমস্ত সৈন্যবাহিনীয়েও কোম্পানীৰ আদেশমতে কাপোৰ বৈ কম দামত বেচিবলৈ বাধ্য কৰায়। এনেকৈ পৰিস্থিতি চম্ভালিব নোৱাৰা হ'লে থলুৱা কাৰিকৰসকলে জীৱিকাৰ আন উপায় বিচাৰে। পাটশিল্পৰ ক্ষেত্রতো এনে অৱস্থা দেখা যায়। এই দুই শিল্পৰ ওপৰত কোম্পানীৰ একচ্ছত্রী ভূমিকাই শিল্প দুটাৰ অৱগমন মাতি আনে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয় বজাৰলৈ একাধিপত্য মাতি আনে। তেওঁলোকে আন ইউৰোপীয়ান পাইকাৰী ব্যৱসায়ীসকলক পটভূমিৰ পৰা আঁতৰাই পঠায়। তেওঁলোকে ৰাজনৈতিক ক্ষমতাৰে বলীয়ান হৈ এইদৰে কৰিব পৰা হয়।

উত্তৰ ভাৰতৰ বহুত ব্যৱসায়ীয়ে বংগৰ পৰা কপাহী আৰু পাটৰ ভালেমান সামগ্ৰী ক্ৰয় কৰে। কোম্পানীয়ে এওঁলোকৰ ওপৰত যিকোনো প্ৰকাৰে বাধা আৰোপ কৰে। যিহেতু তেওঁলোকৰ কোনো প্ৰতিদ্বন্দ্বী দল নাছিল, সেয়ে তেওঁলোকে এনে লেনদেনৰ পৰা যথেষ্ট পৰিমাণে লাভ আদায় কৰিব পাৰিছিল। কোম্পানীয়ে মূল্য আৰু উৎপাদন স্থিৰ কৰি দিয়ে। এই ওপৰঞ্চি টকাখিনি তেওঁলোকে তেওঁলোকৰ সেৱাৰ বাবে পোৱা 'কমিছন' বুলি কয়। এনেকৈ বোৱনীসকলে ঠগ খাবলগা হয়। এনে অৱস্থাত স্বাভাৱিকতে থলুৱা জীৱিকাৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ কমি যায়। বয়ন শিল্পৰ অধোন্নতি হোৱাৰ আৰু এটা দিশ আছে। কোম্পানীৰ লোকে বোৱনীসকলক কপাহ আদি বয়নৰ কেঁচামালসমূহৰ যোগান ধৰে। এই কপাহ তেওঁলোকে অধিক মূল্যত বেচে। কিন্তু উৎপাদিত সামগ্ৰীৰ বাবে কম দাম নিৰ্ধাৰণ কৰা হয়। এনেকৈ অধিক মূল্যত কেঁচামাল কিনা আৰু কম মূল্যত উৎপাদিত সামগ্ৰী বিক্ৰী কৰা ব্যৱস্থাই কাৰীকৰসকলক সেই দিশৰ পৰা ফালৰি কাটি যাবলৈ বাধ্য কৰায়। এনেকৈ বংগৰ বয়ন শিল্পৰ পতন আৰম্ভ হয়।

ইতিমধ্যে ১৭৬০-৮০ চনত ইংলণ্ডত শিল্প-বিপ্লৱৰ উকমুকনি উঠে। কাৰিকৰৰ থলুৱা হাথিয়াৰৰ ঠাইত যন্ত্ৰ-পাতিৰ ব্যৱহাৰ হয় আৰু লগে লগে সৰহ পৰিমাণৰ সামগ্ৰীৰ উৎপাদন হয়। মানচেষ্টাৰ আৰু লাংকশ্বেয়াৰ আছিল বয়ন শিল্পৰ উল্লেখযোগ্য কেন্দ্ৰ। ইবিলাকত বৃহৎ বৃহৎ উদ্যোগ প্ৰতিষ্ঠা কৰা হ'ল আৰু সিবিলাকৰপৰা দিনে-নিশাই যথেষ্ট পৰিমাণৰ কাপোৰ উৎপাদন হ'বলৈ ধৰিলে। এই কপাহী কাপোৰবোৰৰ বাবে ভাৰতকে এখন নিগাজী বজাৰ হিচাপে পোৱাৰ উদ্দেশ্যে ব্ৰিটিছ চৰকাৰে ইংলণ্ডত কম দামী অথচ মিহি ভাৰতীয় কাপোৰৰ বিক্ৰীত বাধা আৰোপ কৰে। পিছৰ স্তৰত ইংলেণ্ডৰ কপাহী উদ্যোগপতিসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী ভাৰতত বিক্ৰীৰ বাবে পঠায়। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সংসদীয় উপায়েৰে ভাৰতত বেপাৰ কৰাৰ বাবে একচেটীয়া সুযোগ লাভ কৰে। এনেকৈ ১৭৯৩ চনৰ পৰা ব্ৰিটিছ বস্ত্ৰ-উদ্যোগসমূহে ভাৰতৰ বজাৰত সোমাবলৈ ধৰিলে। ইয়াৰ ফলত ব্ৰিটিছ বস্ত্ৰ-উদ্যোগসমূহৰ পৰা উৎপাদিত কমদামী বস্ত্ৰৰ পয়োভৰ হোৱাত ভাৰতীয় বোৱনীসকলৰ পেটৰ ভাত মৰাৰ উপক্ৰম হ'ল।

এনে সংকটজনক অৱস্থাত কোম্পানীয়ে বয়ন শিল্পৰ বাবে এনে এক আঁচনি হাতত ল'লে, যাৰ ফলত বংগৰ মিহি কপাহী কাপোৰ ইংৰাজৰ বজাৰৰ পৰিৱৰ্তে ইংলেণ্ডৰ বজাৰত বিক্ৰীৰ অনুমতি দিয়া হ'ল। ইতিমধ্যে ইংলেণ্ড আৰু ফ্ৰান্সৰ মাজত যুদ্ধ আৰম্ভ হয়। নেপোলিয়নে মহাদেশীয় নীতি আৰোপ কৰি যিকোনো ইউৰোপীয় দেশতে ব্ৰিটিছ সামগ্ৰীৰ আমদানি বাৰণ কৰে। এনেকৈ ইউৰোপীয় বজাৰত বংগৰ কপাহী সামগ্ৰী বন্ধ হৈ যায়। কোম্পানীয়ে বোৱনীসকলৰ দ্বাৰা উৎপাদিত কাপোৰৰ চাহিদা কমাই দিয়ে। ইয়াৰ ফলত বংগলৈ এক বিৰতি আহে। ১৮০৬ চনৰপৰা ভাৰতীয় কাপোৰৰ ৰপ্তানি ক্ৰমান্বয়ে কমাই দিয়া হয়।

১৮১৩ চনৰ চার্টাৰ আইনে ভাৰতীয় বাণিজ্যৰ ওপৰত ইষ্ট ইণ্ডিয়া কোম্পানীৰ একচেটীয়া বাণিজ্য নিষিদ্ধ কৰে। ভাৰতীয় বজাৰত ব্ৰিটিছ সামগ্ৰী সোমোৱাত কোনো ধৰণৰ বাধা-নিষেধ নাছিল। ইংলেণ্ডত উৎপাদিত মিলৰ কাপোৰ ভাৰতৰ বজাৰত উভৈনদী হৈ পৰিল। বংগ আৰু ভাৰতৰ বৃহত্তৰ কুটীৰ আৰু বয়ন শিল্পই আক্ৰমণাত্মক প্ৰতিযোগিতাৰ বজাৰত ফেৰ মাৰিব নোৱাৰিলে। ফলত লাহে

লাহে লাহে ইবিলাকত ঘূণে খাবলৈ ধৰিলে। স্বয়ং ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বংগৰ বয়ন শিল্পক নিৰাপত্তা দিয়াৰ উদ্দেশ্যে ধন আৰু অর্ডাৰৰ যোগান ধৰিছিল। কিন্তু ইউৰোপীয় বজাৰ বন্ধ হৈ যোৱাৰ লগে লগে ব্রিটিছ সামগ্রী সোমোৱাও বন্ধ হৈ যায়। বংগৰ বিখ্যাত কপাহী আৰু পাটশিল্পৰ ভৱিষ্যতক লৈ কোম্পানীয়ে এক সুকীয়া নীতি গ্রহণ কৰে। কোম্পানীৰ এনে জড়তাৰ বাবে ভাৰতৰ বজাৰত ব্রিটিছ সামগ্রী হো-হোৱাই সোমাবলৈ ধৰে।

ইয়াৰ বিপৰীতে ব্রিটিছ চৰকাৰে ভাৰতীয় উদ্যোগৰ বাবে এক 'নিৰাপত্তা বেষ্টনী' তৈয়াৰ কৰে, য'ত কাপোৰকে আদি কৰি বিভিন্ন সামগ্রীৰ ওপৰত উচ্চ হাৰত আমদানি শুল্ক আৰোপ কৰে। ভাৰতীয় চেনিৰ ওপৰত আৰোপ কৰা আমদানি শুল্ক তাৰ মূল্যৰ প্রায় তিনি গুণ। ব্রিটিছ চৰকাৰৰ এই উদাহৰণ লৈ আন আন মহাদেশীয় চৰকাৰেও ভাৰতীয় উৎপাদিত সামগ্রীৰ ওপৰত উচ্চ হাৰত আমদানি শুল্ক আৰোপ কৰে। এনেকৈ এখন বৃহত্তৰ বজাৰ নোহোৱাৰ বাবে আৰু বিদেশী সামগ্রীৰ সৈতে এক অসমান প্রতিযোগিতাৰ বাবে বংগৰ বয়ন আৰু কুটীৰ শিল্পক ধ্বংস কৰা হৈছিল। বংগৰ অনা-ঔদ্যোগিকৰণ সম্পূর্ণ হোৱাৰ লগে লগে ভাৰতৰ ৰপ্তানি ব্যৱসায় নোহোৱা হৈ যায়। ভাৰতৰ পৰা ৰপ্তানিৰ দ্বিতীয় স্তৰত মূলতঃ কেঁচামাল আছিল। নীল, চেনি, পাটৰ কেঁচা সূতা, নিমখ আদি কম মূল্যত ইংলণ্ডলৈ পঠোৱা হৈছিল। এই সামগ্রীবোৰ কাৰখানাত তৈয়াৰী নহয়। এইবোৰ কৃষি-সামগ্রী। ১৯৩৩ চনৰপৰা মানচেষ্টাৰ আৰু লাংকশ্বেয়াৰৰ কপাহী সূতাৰ মিলবোৰলৈ মুখ্য উল্লেখ্যযোগ্য সামগ্রী হিচাপে মূলতঃ নীল ৰপ্তানি কৰা হৈছিল।

**মৰাপাট উদ্যোগ ঃ** কপাহী বস্ত্র উদ্যোগৰ পাছত মৰাপাট উদ্যোগ হৈছে ভাৰতৰ দ্বিতীয় উল্লেখযোগ্য উদ্যোগ। ইয়াৰ বেছিভাগ মিল হৈছে বংগৰ হুগলী নদীৰ পাৰে পাৰে। এই উদ্যোগসমূহ ঘাইকৈ স্থানীয় আৰু কেঁচামালৰ উৎসৰ ওচৰে-পাজৰে এইবোৰ গঢ়ি উঠিছে। ভাৰতৰ মৰাপাট উদ্যোগবোৰ স্কটিছ উদ্যোগ আৰু ভাৰতীয় শ্রমৰ উল্লেখযোগ্য দলিল। ১৯ শতিকাৰ আগলৈকে ই বংগৰ কুটীৰ শিল্প আছিল। কিন্তু ১৮৫৪ চনত জার্মান যুদ্ধৰ ফলত, বাছিয়াই যোগান ধৰা কেঁচা শণসূতা আৰু আঁহৰ যোগানৰ অন্ত পৰে। ইয়াৰ ফলত ভাৰতীয় মৰাপাটৰ চাহিদা যথেষ্ট পৰিমাণে বাঢ়ি যায়। মৰাপাটৰ দাম আৰু লাভ বাঢ়ি যোৱাৰ ফলত মৰাপাট খেতিৰ প্রসাৰতা বাঢ়ে। পশ্চিমবংগৰ চেৰামপুৰত মিঃ জর্জ অ'ক্লেণ্ডে প্রথমটো মৰাপাটৰ কল স্থাপন কৰে। দাণ্ডীত মৰাপাটৰ কল স্থাপন কৰাৰ ফলত তাঁতশালৰ বোৱনীসকলে প্রতিকূল সময়ৰ মুখামুখি হয়। কাৰণ সেই সময়ত বস্তাৰ কাপোৰ বা থৈলাৰ দৰে কেঁচা মৰাপাটেৰে তৈয়াৰী দুবিধ মুখ্য দ্রব্যত শিল্প-কর্মৰ সুযোগ তেনেই সীমিত আছিল। ১৮৮০ চনলৈ ভাৰতৰ ২২টা মৰাপাটৰ কলত প্রায় ২০০০০ লোকৰ সংস্থাপন হৈছিল। চাহিদাৰ তাৰতম্য সত্ত্বেও ভাৰতত মৰাপাট উদ্যোগে উন্নতি কৰি গৈছিল। ১৯১৩-১৪ চনলৈকে ভাৰতৰ ৬৪টা মৰাপাটৰ কলত ২,১৬,২৮৮জন লোকে কাম কৰিছিল আৰু এই কলসমূহৰ মুঠ উৎপাদন দাণ্ডীতকৈ সৰহ আছিল। স্বাধীনতাৰ পাছত ভাৰতে আন্তর্জাতিক বজাৰৰ সৈতে তীব্র প্রতিদ্বন্দ্বিতাৰ মুখামুখি হয়, কাৰণ পাকিস্তান, চীন আৰু লেটিন আমেৰিকাৰ কেইখনমান দেশে অত্যাধুনিক মৰাপাট উদ্যোগ স্থাপন কৰে আৰু ইবিলাকে উন্নতমানৰ সামগ্রী প্রস্তুত কৰে। তদুপৰি, লাহে লাহে প্লাষ্টিকৰ মোনা আদিৰ বিকল্প হিচাপে মৰাপাট আৰু কেনভাছৰ মোনাৰ ব্যৱহাৰে মৰাপাটৰ সামগ্রীৰ উৎপাদন বাঢ়িবলৈ ধৰে।

## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১ ঃ** 'থলুৱা উদ্যোগ' বুলিলে কি বুজে?

.....

**প্রশ্ন নং ২ ঃ** মানচেষ্টাৰ আৰু লাংকশ্বেয়াৰৰ কপাহী মিলবোৰৰ এবিধ উল্লেখযোগ্য ৰপ্তানি দ্রব্যৰ নাম কি?

.....

- **আন উদ্যোগসমূহ**

কপাহী উদ্যোগ আৰু মৰাপাট উদ্যোগৰ কাষৰীয়াকৈ ব্রিটিছ ভাৰতত আৰু কিছু উদ্যোগ ছেগা-চোৱোকাকৈ গঢ়ি উঠিছিল। এইবোৰ আছিল গ্লাছ, চেনি, কাগজ, চিমেণ্ট, চামৰাৰ কাম, ৰসায়নিক উপাদান, যন্ত্র-পাতি, খনিজ আৰু চাহ উদ্যোগ।

- **চেনিৰ উদ্যোগ**

প্রাক্-ব্রিটিছ যুগৰ এসময়ত চেনি উদ্যোগ ভাৰতৰ এক উল্লেখযোগ্য কৃষিজাত উদ্যোগ আছিল। কিন্তু ব্রিটিছ সদাগৰসকলৰ হস্তক্ষেপত পূর্বৰ চেনি তৈয়াৰীৰ পৰম্পৰা নিঃশেষ হৈ গৈছিল। কুৰি শতিকাৰ আৰম্ভণিতে ভাৰতত আধুনিক চেনি উদ্যোগৰ অভ্যুত্থান হয়। ১৯৩২ চনলৈকে ৩০টা চেনিকলত ১,৫৮,০০০ টন চেনি উৎপাদন কৰা হয়। ১৯৩৬ চনলৈকে সমগ্র ভাৰততে ১৩৫টা চেনিকল আছিল আৰু সেইবোৰত ৯,১৯,০০০ টনলৈকে চেনিৰ উৎপাদন বৃদ্ধি হৈছিল। এই পৰিমাণ ঘৰুৱা বজাৰৰ চাহিদা পূৰণৰ বাবে যথেষ্ট আছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত চেনিৰ ৰপ্তানি সম্পূর্ণ বন্ধ কৰা হয় আৰু তেতিয়া সমগ্র দেশত মুঠ ১৬১টা চেনিকল আছিল। যদিও নিৰাপত্তাৰ বেষ্টনীৰ মাজত চেনিকলবোৰ গা কৰি উঠিছিল, তথাপি ইয়াৰ উৎপাদনৰ খৰচ যথেষ্ট বেছি আছিল। এনে অৱস্থাত চেনিৰ দামো আছিল অতি বেছি। জাভা, হাৱাই আৰু ইজিপ্তৰ তুলনাত ভাৰতত কুঁহিয়াৰৰ উৎপাদন আছিল তুলনামূলকভাৱে কম। উত্তৰ প্রদেশ আৰু বিহাৰ আছিল চেনি উৎপাদনৰ মুখ্য ঠাই। ১৯২৬-২৭ আৰু ১৯৩০-৩১ চনৰ সময়ত কুঁহিয়াৰৰ উৎপাদন যথেষ্ট বৃদ্ধি পাইছিল।

- **গ্লাছ উদ্যোগ**

ব্রিটিছ যুগৰ আগতেই যদিও ভাৰতত গ্লাছৰ কামবোৰ শক্তিশালী হৈ উঠিছিল, তথাপিও ই আধুনিক স্তৰৰ সৈতে ফেৰ মাৰিবপৰা হোৱা নাছিল। ১৮ শতিকাৰ শেষৰ ফালে ভাৰতত কেইটামান গ্লাছৰ উদ্যোগ গঢ়ি উঠিছিল। কিন্তু ইউৰোপীয় উপাদানসমূহৰ প্রতিদ্বন্দ্বিতাত সিবিলাক তিষ্ঠিব পৰা নাছিল। গ্লাছৰ উদ্যোগৰ মুখ্য বিপদ আছিল কেঁচামাল আৰু কুশলী কামৰ অভাৱ। চৰকাৰে গ্লাছৰ উদ্যোগৰ চ'ডা আদি কেঁচামালৰ ওপৰত ৰপ্তানি শুল্ক কমাই দি ইবিলাকৰ পৃষ্ঠপোষকতা কৰিছিল। ১৯৩০ চনত গ্লাছৰ ৰপ্তানি বন্ধ কৰি, ৩০ৰ দশকৰ শেষৰ ফালে গ্লাছৰ উপাদানসমূহ উচ্চ মুনাফাৰ বিনিময়ত বিক্রী কৰা হয়। ১৯৪৬ চনত, ভাৰতত ৯৬টা গ্লাছৰ উদ্যোগ আছিল। ইবিলাকত হোৱা ১০৫ লাখ টন গ্লাছে দেশখনৰ চাহিদা পূৰণৰ বাবে যথেষ্ট নাছিল। এনেকেয়ে গ্লাছৰ ৰপ্তানি চলি আছিল। গ্লাছৰ উদ্যোগসমূহৰ সংখ্যা বৃদ্ধি হৈছিল যদিও উৎপাদনৰ গুণগত মান উন্নত হোৱা নাছিল।

- **কাগজ কল**

ভাৰততে প্ৰথম কাগজ কল স্থাপন হয় ১৮৭০ চনত হুগলী নদীৰ পাৰৰ বালি নামৰ ঠাইত। তাৰ পাছত তিতাগড়, লক্ষ্ণৌ, পুনা আৰু আচানচোলৰ ৰাণীগঞ্জত কেইবাটাও কাগজ কল পতা হয়। ১৮৯৩-৯৪ চনত কাকিনাৰাত এটা কাগজ কাৰখানা স্থাপন কৰা হয়। কুৰি শতিকাত আধুনিক উৎপাদন প্ৰক্ৰিয়াৰে কেইবাটাও কাগজ কল পতা হয়। ইবিলাকৰ ভিতৰত উল্লেখযোগ্য হৈছে ভদ্ৰৱতী (১৯৩৯)ৰ 'মহীশূৰ কাগজ কল' আৰু হায়দৰাবাদ (১৯৪২)ৰ 'শিবপুৰ কাগজ কল'। এই কাৰখানাবোৰে কাগজ উৎপাদনৰ বাবে কাঠ আৰু চাবাই ঘাঁহ কেঁচামাল হিচাপে ব্যৱহাৰ কৰিছিল। চৰকাৰে কাগজ উদ্যোগক নিৰাপত্তামূলক ব্যৱস্থাৰ অধীনত যথোচিত নিৰাপত্তা প্ৰদান কৰিছিল। এই ব্যৱস্থা ১৯২৫ চনৰ পৰা ১৯৪৭ চনলৈকে বাহাল আছিল। স্বাধীনতাৰ আগমুহূর্তলৈকে ভাৰতত থকা ১৬টা কাগজ কলত ২,০০,০০০ হান্দ্ৰা কাগজৰ উৎপাদন হৈছিল।

- **চিমেণ্ট**

১৯০৪ চনত মাদ্ৰাজত 'প'ৰ্টলেণ্ড চিমেণ্ট'ৰ উৎপাদন আৰম্ভ হয়। ১৯১২-১৩ চনত পোৰবন্দৰৰ কাটনি আৰু বুন্দীত আৰু তিনিটা চিমেণ্ট-কল স্থাপন কৰা হয়। প্ৰথম মহাসমৰৰ সময়ত চিমেণ্টৰ চাহিদা বাঢ়ি আহিছিল। ১৯২৪ চনলৈকে চিমেণ্টৰ উৎপাদন আছিল ২.৪ লাখ টন। সময়ত এই উৎপাদন ১২ লাখ টন পায়গৈ। ১৯৩৬ চনত 'এছ'চিয়েট চিমেণ্ট কোম্পানী'ৰ অধীনত দহটা চিমেণ্ট কোম্পানীয়ে গা কৰি উঠে। এই ব্যৱস্থাই পৰিচালনাৰ ধৰণৰ উন্নতি সাধে। এই উদ্যোগলৈ চৰকাৰী সাহায্য আগবঢ়োৱা হৈছিল।

- **চামৰা উদ্যোগ**

১৯ শতিকাত যুদ্ধত যোগান ধৰাৰ প্ৰয়োজনতে চামৰাৰ উদ্যোগে গা কৰি উঠে। ইতিমধ্যে নতুনকৈ চামৰাত কঁহ দি মৰা প্ৰথা আৱিষ্কাৰ হ'ল আৰু এই প্ৰথা ব্যৱহাৰ কৰি উৎপাদন আৰম্ভ কৰা হ'ল। ১৮৬০ চনত কানপুৰত আধুনিক চামৰা উদ্যোগ স্থাপন কৰা হ'ল। তাৰ পাছত ব'ম্বে আৰু মাদ্ৰাজত কেঁচা চামৰাত কঁহ দি মাৰি পকা কৰা কাৰখানা স্থাপন কৰা হয়। প্ৰথম মহাসমৰৰ সময়ত বুট জোতা তৈয়াৰৰ বাবে চামৰাৰ চাহিদা বাঢ়ে। সেই সময়ত ভাৰত চামৰা উৎপাদনত আত্মনিৰ্ভৰ আছিল। দক্ষিণ ভাৰতৰপৰা চামৰাৰ সামগ্ৰী ৰপ্তানি কৰা হৈছিল। ১৯৩০ চনত চামৰাৰ সামগ্ৰী উন্নীতকৰণৰ বাবে এক অনুসন্ধান সমিতি গঠন কৰা হয়। দ্বিতীয় মহাসমৰৰ সময়ত চামৰাৰ উৎপাদন কেইবাগুণো বৃদ্ধি পায়।

- **ৰসায়ন আৰু এলুমিনিয়াম**

ৰসায়ন আৰু এলুমিনিয়াম উদ্যোগ হৈছে এনে উদ্যোগসমূহৰ অন্যতম, যিবোৰ উদ্যোগ প্ৰথম মহাযুদ্ধৰ অন্ততো বৰ্তি থাকি উজলি আছিল। প্ৰথম মহাযুদ্ধৰ আগতে ৰসায়নিক পদাৰ্থ আৰু ইয়াৰ উৎপাদিত দ্ৰব্যবোৰ আমদানি কৰা হৈছিল। কিন্তু মহাযুদ্ধৰ সময়ত বৈদেশিক বাণিজ্য বন্ধ কৰি দিয়া হ'ল। ফলত আমাৰ দেশতে এনে কিছুমান উদ্যোগ গঢ়ি তোলা হ'ল। প্ৰথম মহাযুদ্ধৰ পাছত ৰসায়ন আৰু এলুমিনিয়াম উদ্যোগসমূহক হ্ৰস্বম্যাদী নিৰাপত্তা দিয়া হৈছিল। প্ৰথম মহাযুদ্ধৰ সময়ত ৰসায়ন উদ্যোগসমূহৰ উৎপাদন ক্ৰমান্বয়ে বাঢ়ি আহিছিল। মহাযুদ্ধৰ আৰম্ভণিতে এলুমিনিয়াম উদ্যোগৰ পূৰ্ণ বিকাশ হয়। কলিকতাৰ ওচৰত এটা এলুমিনিয়াম কাৰখানা স্থাপন কৰা হয়। এই কাৰখানাবোৰে ঘাইকৈ এলুমিনিয়াম শ্বিট আৰু আন কিছুমান সামগ্ৰী প্ৰস্তুত কৰিছিল।

## ৬.৪ বিশিল্পায়নৰ কাৰণ

১৯ শতিকাৰ প্ৰথমাৰ্ধত ভাৰতৰ থলুৱা হস্তশিল্প উদ্যোগবোৰৰ মূৰ তুলিব নোৱাৰাকৈ কঁকাল ভাগিল। ভাৰতৰ হস্তশিল্পৰ সমসাময়িকভাৱে ইংলেণ্ডত শিল্প বিপ্লৱৰ বুনিয়াদ গঢ়ি উঠিছিল আৰু ভাৰতৰ অৰ্থনীতিৰ বাঘজৰীডাল ইংলেণ্ডৰ কঠিন হাতৰ মুঠিত আছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতক শিল্প বিপ্লৱৰ সুবিধাসমূহৰপৰা বঞ্চিত কৰি ৰাখিছিল আৰু দুটা কাৰণত ভাৰতক প্ৰধানকৈ কৃষক দলৰ সভ্য কৰি ৰাখিছিল ঃ

১। ব্ৰিটিছ উদ্যোগসমূহৰ কাৰণে সস্তাতে কেঁচামাল পোৱা আৰু

২। ইংলেণ্ডত উৎপাদিত সামগ্ৰীৰ বাবে ভাৰতত এখন সুলভ বজাৰ পোৱা।

ইংলেণ্ড আৰু আন ইউৰোপীয় দেশসমূহৰ দৰে, ভাৰতৰ থলুৱা হস্তশিল্পৰ অৱনতিৰ পৰিণতিত কোনো কাৰিকৰী উদ্যোগ গঢ়ি উঠা নাছিল। ইয়াৰ মুখ্য কাৰণ আছিল—

ক) বৈদেশিক কাৰখানাত প্ৰস্তুত সস্তীয়া সামগ্ৰীৰ আগমন

খ) বৈদেশিক চৰকাৰৰ হেঁচা

কৃষি আৰু উদ্যোগ ক্ষেত্ৰৰ মাজত সমতা স্থাপনত ব্যাঘাত জন্মাৰ ফলত ৰাষ্ট্ৰীয় পুঁজিৰ উৎসতে অৰ্থনৈতিক আৰু ঔদ্যোগিক পতন ঘটিছিল আৰু লাখ লাখ শ্ৰমিকে থলুৱা জীৱিকাৰ পৰা অব্যাহতি ল'বলগা হৈছিল। তাৰ ফলত ঃ

ক) দেশত গ্ৰাম্য জীৱন-যাপন

খ) ভূমিৰ ওপৰত জনসংখ্যাৰ হেঁচা

গ) কৃষি-সম্পদৰ ওপৰত গাঁৱলীয়া লোকৰ নিৰ্ভৰশীলতা

ঘ) থলুৱা উদ্যোগৰ অৱলুপ্তি

ঙ) ভাৰতৰ ওপৰত ঔপনিৱেশিক মালিকৰ বৈদেশিক অৰ্থনৈতিক দমন

চ) তীব্ৰ দাৰিদ্ৰ্য আৰু নিবনুৱা

ভাৰতৰ অৰ্থনীতিৰ মেৰুদণ্ড হৈছে ইয়াৰ গাঁওবোৰ আৰু কৃষি। সামগ্ৰীৰ বাণিজ্যত হস্তশিল্পজাত উদ্যোগসমূহে উল্লেখযোগ্য স্থান দখল কৰিছিল। ইবিলাকৰ ভিতৰত কপাহী আৰু পাট কাপোৰ, হাতীদাঁতৰ সামগ্ৰী, কাঠৰ সামগ্ৰী, মণি-মুকুতা আদিয়ে আছিল প্ৰধান। প্ৰকৃততে, বয়ন-শিল্পই আছিল ভাৰতৰ হস্ত-শিল্পজাত উদ্যোগসমূহৰ ভিতৰত অন্যতম। কিন্তু ব্ৰিটিছৰ বিভিন্ন আঁচনিক হাথিয়াৰ হিচাপে লৈ ভাৰতৰ বেছিভাগ হস্ত-শিল্পজাত উদ্যোগক ধ্বংস কৰা হ'ল। বংগ, বিহাৰ আৰু উৰিষ্যাত হস্তশিল্পজাত উদ্যোগক ধ্বংস কৰা বা বিশিল্পায়ন হোৱাৰ লগে লগে এই প্ৰদেশসমূহত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে দেৱানী প্ৰথাৰ প্ৰৱৰ্তন কৰে। কোম্পানীয়ে বোৱনীসকলক তেওঁলোকৰ চাহিদা আৰু অৱস্থা মতে কাপোৰ তৈয়াৰ কৰিবলৈ বাধ্য কৰায়। বোৱনীসকলক এতিয়া এক নিৰ্দিষ্ট পৰিমাণৰ আৰু এক নিৰ্দিষ্ট গুণৰ কেঁচামাল যোগান ধৰা হ'ল। তেওঁলোকক এতিয়া তেওঁলোকৰ উৎপাদিত সামগ্ৰী কোম্পানীক বা কোম্পানীৰ তলতীয়া লোকসকলক বজাৰ দামতকৈ ১৫ শতাংশৰ পৰা ৪০ শতাংশ কম দামত বিক্ৰী কৰিবলৈ কোৱা হ'ল। কোম্পানীৰ এজেণ্টে বোৱনীসকলক আন কোনো কোম্পানী বা ব্যৱসায় প্ৰতিষ্ঠানত কাম কৰিবলৈ অনুমতি নিদিয়ে। এই আদেশ নমনা কোনো কোনোৰ বোলে আঙুলি কাটি দিয়াৰ উদাহৰণো আছে। সেয়ে সৰহসংখ্যক বোৱনীয়ে নিজৰ বৃত্তি এৰি দিছিল। ইয়াৰ ফলত কপাহী আৰু পাট কাপোৰৰ থলুৱা উদ্যোগলৈ ধ্বংস নামি আহিছিল।

ইংলেণ্ডৰ শিল্প বিপ্লৱ আৰু মুখ্যতঃ মেচিনেৰে তৈয়াৰী কাপোৰৰ আগমনে ভাৰতৰ থলুৱা বয়ন উদ্যোগ ধ্বংসৰ মূল কাৰণ। আৰু সেয়ে ভাৰতে ব্রিটিছ কাৰখানাসমূহলৈ কপাহী আৰু পাটৰ কেঁচামাল ৰপ্তানি কৰিবলৈ ল'লে। ভাৰত ব্রিটিছ সামগ্রী বেচিবৰ বাবে এখন উল্লেখযোগ্য বজাৰ হৈ পৰিল। ৰে'লাগাড়ীৰ যোগাযোগে পৰিবহণ ব্যৱস্থা উন্নত কৰাত ভাৰতৰ ভিতৰুৱা ঠাইতো ব্রিটিছ সামগ্রী বেচিবলৈ আৰু কেঁচামাল সংগ্রহ কৰিবলৈ সুচল হ'ল। আনকি শুল্কৰ ক্ষেত্রত ব্রিটিছে আৰোপ কৰা নীতিও বিশিল্পায়নৰ অন্যতম কাৰণ। ব্রিটেইনত ভাৰতীয় পাট কাপোৰৰ ৰপ্তানি বন্ধ কৰা হ'ল। পাছত যেতিয়া ৰপ্তানিৰ ক্ষেত্রত অনুমতি দিয়া হ'ল, তেতিয়া ভাৰতীয় সামগ্রীৰ ওপৰত ব্রিটিছ চৰকাৰে এক গধুৰ বাণিজ্য শুল্কৰ প্রৱর্তন কৰে। এই বাণিজ্য শুল্ক কোনো কোনো ক্ষেত্রত ৮০ শতাংশ পর্যন্ত বাঢ়ি গৈছিল। তদুপৰি, ভাৰতকে ধৰি আন আন দেশলৈ যন্ত্র-পাতিৰ ৰপ্তানি হোৱাত ভাৰতৰ হস্তজাত শিল্প বাৰুকৈয়ে ক্ষতিগ্রস্ত হৈছিল। ১৮৩৩ চনৰপৰা ভাৰতে মুক্ত বাণিজ্য-নীতি মানি ল'বলগা হ'ল আৰু তেতিয়াৰে পৰা ক্রমান্বয়ে আমদানি আৰু ৰপ্তানি শুল্ক কমি আহিল। ই ব্রিটেইনক সস্তীয়া কেঁচামাল পাবলৈ সুবিধা কৰি দিলে।

বিশিল্পায়নৰ আন এক কাৰণ হৈছে ভাৰতৰ বুদ্ধিজীৱী আৰু সাধাৰণ শ্রমিকৰ মাজত বৃহৎ ব্যৱধান। ই কেৱল কাৰীকৰি উন্নীতকৰণতে বাধা প্রদান কৰা নাছিল, ৰৰং শ্রমিক আৰু থলুৱা শিল্পীসকলক সামাজিকভাৱে অৱহেলিত কৰাৰ লগতে তলৰ শ্রেণীত ৰাখিছিল। সেয়ে, ভাৰতীয় থলুৱা উদ্যোগসমূহে কোনো উন্নতি কৰিবপৰা নাছিল আৰু ব্রিটিছৰ কাৰখানাসমূহৰ বিপক্ষে থিয় হোৱাত বিফল হৈছিল।

শ্রমৰ সুলভতাৰ বাবে ব্রিটিছ পুঁজিপতিসকলৰ বাবে ভাৰত আছিল বিনিয়োগ আৰু বিত্তৰ এক উপযুক্ত স্থান। বস্ত্র উদ্যোগ, মৰাপাট, চাহ উদ্যোগ আৰু খনিজ উদ্যোগ যেনে কয়লা, লো আৰু ষ্টীল আৰু আন বহুত উদ্যোগ যেনে চেনি, তৈলবীজ, চামৰা, মেংগানিজ, পেট্রে'লিয়াম, মাইকা আদিত উত্তৰণ ঘটিছিল। ইয়াৰ ফলত আধুনিক উদ্যোগ গঠনৰ লগে লগে নতুন পুঁজিপতি শ্রেণীৰ গঠন হৈছিল। বিভিন্ন জৰীপৰ পৰা জনা যায় যে সমূহীয়াভাৱে স্বদেশী আন্দোলনত যোগদান আৰু আন আন অন্দোলনত যোগদানৰ ফলত বৃহৎ হাৰত বিশিল্পায়ন বা থলুৱা উদ্যোগৰ ধ্বংস হৈছিল। ১৮ আৰু ১৯ শতিকাত শ্রমিক আৰু থলুৱা শিল্পীসকল আর্থিক দৈন্যত ভুগিছিল। এই কথাত কোনো সন্দেহ নাই যে, ভাৰতত আধুনিক কল-কাৰাখানা স্থাপন হোৱাৰ ফলত ইয়াৰ লাভৰ অংশ ব্রিটেইনলৈ গৈছিল আৰু থলুৱা শিল্পসমূহৰ ধ্বংস হোৱাৰ ফলত দেশখন সামূহিকভাৱে দৰিদ্রতাৰ কবলত পৰিছিল।

## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৩ ঃ** প্রাক্-ব্রিটিছ যুগৰ এটা উল্লেখযোগ্য কৃষি উৎপন্ন দ্রব্যৰ নাম।

.....

**প্রশ্ন নং ৪ ঃ** বিশিল্পায়নৰ এটা উল্লেখযোগ্য কাৰণ উল্লেখ কৰক

.....

**প্রশ্ন নং ৫ ঃ** ব্রিটিছ পুঁজিপতিসকলে ভাৰতত বিনিয়োগ কৰাৰ এটা কাৰণ ।

.....

## ৬.৫ আধুনিক উদ্যোগৰ বৃদ্ধি

ব্রিটিছৰ আগমনত, ভাৰতীয় অর্থনীতি সলনি হৈ পুজিঁপতি অর্থনীতিৰ ৰূপ লয়। প্রথমবাৰৰ কাৰণে ব্রিটিছ মূলধন ভাৰতৰ পটভূমিলৈ সলনি হয়। ১৮৪৫ৰপৰা ১৮৭৫ চনৰ ভিতৰৰ ৩০ বছৰত, ব্রিটিছ চৰকাৰে ভাৰতীয় ৰে'লসেৱাৰ বাবে প্রায় ৯৫ নিযুত টকা বিনিয়োগ কৰে। ৰেলসেৱাৰ উপৰি মৰাপাট প্রস্তুতকৰণ, চাহ-বাগিচা, বেংক আৰু জাহাজ-সেৱাত ব্রিটিছ মূলধন বিনিয়োগ কৰা হৈছিল। কিন্তু ১৮৭৫ চনলৈকে ইবিলাকৰ কোনো উল্লেখযোগ্য উন্নতি হোৱা নাছিল যদিও ১৮৭৫ চনৰ পাছৰপৰা উদ্যোগসমূহলৈ প্রগতি আহে।

২০ শতিকাৰ প্রথম দশকত ভালেমান ক্ষুদ্র উদ্যোগৰ ক্রমোন্নতি আৰম্ভ হয় আৰু এই সময়ছোৱাত যন্ত্রৰ ব্যৱহাৰ আৰম্ভ হয়। ১৯ শতিকাত চাহ, কফি আৰু নীল আদি কৃষিক্ষেত্রৰ উদ্যোগত ক্রমোন্নতি দৃষ্টিগোচৰ হয়। ১৮৫০ চনৰ পাছত বংগ, অসম, দক্ষিণ ভাৰতৰ চাহ উদ্যোগত বিদেশী পুঁজি বিনিয়োগ হয় আৰু ই এক উল্লেখযোগ্য ৰপ্তানি দ্রব্য হৈ পৰে। ব্যৱহাৰিক দিশত ভাৰতত উদ্যোগৰ উন্নতি অতি লেহেমীয়া আৰু দুখলগা। ভাৰতত উদ্যোগৰ উন্নতিৰ ক্ষেত্রত ব্রিটিছ আঁচনি মিত্রতাপূর্ণ নাছিল। ব্রিটিছ উৎপাানকাৰীয়ে ভাৰতৰ বস্ত্র আৰু আন আন উদ্যোগবোৰক প্রতিদ্বন্দ্বী জ্ঞান কৰিছিল। ভাৰতীয় উদ্যোগসমূহক নিৰাপত্তা প্রদান বিষয়টো উলাই কৰা হৈছিল আৰু ব্রিটেইনে ভাৰতত মুক্ত অর্থনীতিৰ নীতি প্রৱর্তন কৰিবলৈ বাধ্য হয়। উপৰুৱাকৈ ৰপ্তানিৰ ওপৰত বিশেষ সুবিধা প্রদান কৰা হয়।

১৮৫০ চনত ভাৰতীয় সংকটপূর্ণ উদ্যোগত ব্রিটিছ পুঁজিয়ে বিদ্রূপ কৰিছিল যদিও ১৮৫০ চনৰ পাছত ইউৰোপীয় পুঁজি ইবিলাকলৈ ব'বলৈ ধৰে। ১৯১৪ চনত চৰকাৰৰ আঁচনিয়ে ব্যক্তিগত পুঁজি আৰু উদ্যোগক উদগনি যোগাইছিল। অৱশ্যে প্রথম মহাযুদ্ধত ভাৰতীয় সামগ্রীসমূহৰ চাহিদা বৃদ্ধি হোৱাত উদ্যোগসমূহৰ উন্নতিত এক নতুন যুগৰ সূচনা হ'ল। এনে অৱস্থাৰ পৰিপ্রেক্ষিতত চৰকাৰে ১৯১৬ চনত ঔদ্যোগিক কমিছন আৰোপ কৰিবলৈ বাধ্য হয় আৰু লগে লগে ভাৰতত বিভিন্ন উদ্যোগৰ ক্রমোন্নতি হ'বলৈ ধৰে। তথাপিও ভাৰতীয় উদ্যোগৰ বেছিভাগৰে মালিকনাধীন বা নিয়ন্ত্রণ ব্রিটিছৰ দ্বাৰা আছিল। বিদেশী পুঁজিপতিসকলৰ মুখ্য উদ্দেশ্য আছিল ভাৰতীয় উদ্যোগসমূহৰপৰা অতিৰিক্ত মুনাফা আদায় কৰা। ভাৰতত ব্রিটিছ উদ্যোগীসকলে বিভিন্ন ভাৰতীয় উদ্যোগৰ উন্নতিত মনোনিবেশ কৰিছিল। ইয়াৰে প্রথম আছিল চাহ উদ্যোগ। ১৮৩৬ চনৰপৰা ১৮৬০ চনলৈকে সময়ছোৱাত চাহৰ এক লাভজনক ব্যৱসায় আছিল। ১৮৫৯ চনৰপৰা ১৮৬৫ চনলৈকে, লণ্ডন আৰু কলিকতাত ২০টা কোম্পানীৰ নাম অন্তর্ভুক্ত হয়। ১৮৬৬ চনৰপৰা ১৮৬৭ চনৰ ভিতৰত ভাৰতত ৬ নিযুততকৈও অধিক চাহ প্রস্তুত কৰা হয়।

পৰৱর্তী উদ্যোগ হৈছে কফি আৰু নীল। ১৮২৩ চনত বংগত প্রথম কফি খেতি আৰম্ভ হয় আৰু পৰৱর্তী সময়ত দক্ষিণ ভাৰততো ইয়াৰ খেতি কৰিবলৈ লোৱা হয়। চাহ আৰু কফিৰ দৰে, ১৮৬০ চনলৈকে নীলো ইউৰোপীয়ান খেতিয়কসকলৰ বাবে এক লাভজনক উদ্যোগ হৈ আছিল। মৰাপাট উদ্যোগ প্রধানকৈ ইউৰোপীয়ানসকলৰ দ্বাৰা বিদেশী পুঁজিৰে প্রতিষ্ঠা আৰু পৰিচালনা কৰা হৈছিল। ১৮৮৪ চনত ভাৰতীয় মৰাপাট কল এছোচিয়েচন প্রতিষ্ঠা কৰা হয়। ১৮৯০ চনলৈকে ভাৰতত মৰাপাট কলৰ সংখ্যা আছিল ১৩৭টা।

কয়লাৰ সৈতে উদ্যোগৰ উন্নতি আৰু ৰে'লপথ গভীৰভাৱে সাঙোৰ খাই আছে। ১৮৪৩ চনত বিখ্যাত বেংগল ক'ল কোম্পানী স্থাপন কৰা হয়। ১৮৭৯-৮০ চনলৈকে বংগ, বিহাৰ আৰু উৰিষ্যাৰ ৫৬টা কয়লা খনিত

যথেষ্টসংখ্যক কয়লা আহৰণ কৰা হৈছিল। কয়লাৰ সৈতে গভীৰভাৱে বান্ধ খাই আছে লো আৰু ষ্টীল উদ্যোগ। ১৯১৮ চনত, দ্বিতীয় মহাযুদ্ধৰ সময়ত ভাৰতীয় লো আৰু ষ্টীলে যথেষ্ট উৎসাহজনক স্থিতি পায়গৈ, যাৰ ফলত ষ্টীল উৎপাদনকাৰী দেশৰ তালিকাত ভাৰতৰ নাম ৬ষ্ঠ স্থানত থাকে।

ব্যৱহাৰিকভাৱে ব্রিটিছ আঁচনিসমূহে ভাৰতীয় উদ্যোগৰ সীমাবদ্ধতা আনি দিছিল আৰু ইবিলাকৰ উন্নতি লেহেমীয়া হৈ পৰিছিল। উদ্যোগৰ সকলো দিশ ইউৰোপীয়ান বণিকৰ হাতত থকাত স্বাভাৱিকতে ভাৰতৰ ব্যৱসায়িক গোষ্ঠী অসন্তুষ্ট হৈছিল। তেওঁলোকে উচ্চাকাংক্ষা বৰ্তাই ৰাখিবলৈ, ১৮৮৭ চনত বেংগল নেচনেল চেণ্টাৰ অব্ কমার্চ প্রতিষ্ঠা কৰে। এনে পৰিবেশত ভাৰতত কিছুমান উদ্যোগ গঢ়ি উঠে। ১৯০৫ চনত স্বদেশী আন্দোলনেও ভাৰতীয় উদ্যোগবোৰৰ ক্রমোন্নতিত বৰঙণি যোগাইছিল। কিন্তু স্বাধীনতাৰ সময়লৈকে ভাৰতীয় উদ্যোগ খণ্ডৰ ওপৰত ব্রিটিছৰ শোষণ আৰু দমন চলি আছিল। ক'ব পাৰি, ভাৰতত ইউৰোপীয়ান পুঁজিপতিসকলে আগভাগ লৈ প্রতিষ্ঠা কৰা আধুনিক উদ্যোগসমূহ প্রধানকৈ তেওঁলোকৰ লাভৰ বাবেহে আছিল।

- **কৃষি ক্ষেত্রৰ উদ্যোগ**

১৯ শতিকাৰ নীল, ৰবৰ, চাহ আৰু কফিৰ কৃষি ক্ষেত্রৰ উদ্যোগসমূহৰ ক্রমোন্নতি ব্রিটিছ-ভাৰতীয় অর্থনীতিৰ বুৰঞ্জীত এক উল্লেখযোগ্য বিকাশ।

→ **চাহ কৃষিক্ষেত্র**

বর্তমান বিশ্বৰ চাহ উৎপাদনকাৰী দেশবোৰৰ তালিকাত ভাৰত অন্যতম মুখ্য দেশ। ১৮২০ চনত অসমত বনৰীয়াকৈ গজা থলুৱা চাহগছ পোৱা গৈছিল। ১৮৩৫ চনত চৰকাৰে পৰীক্ষামূলকভাৱে চাহ বাগিচা পাতিবলৈ লয় যদিও সেই বাগিচা ১৮৩৯ চনত ভাৰতৰ প্রথম চাহ কোম্পানী 'আসাম টী কোম্পানী'ক বিক্রী কৰে। ভাৰতৰ চাহক এখন বজাৰ দিবলৈ সকলো সন্তোষজনক উপায় গ্রহণ কৰা হৈছিল। ১৮৫২ চনত প্রথমখন ব্যক্তিগত চাহ-বাগিচা প্রতিষ্ঠা হোৱাৰ পাছৰে পৰা চাহ বাগিচাৰ সম্প্রসাৰণ হ'বলৈ ধৰিলে। ১৮৫০ চনত কেৱল অসমতে নহয়, পশ্চিমবংগ, নিলগিৰি আৰু ট্রিভাংকোৰতো চাহ-বাগিচাৰ দ্রুত বিস্তাৰ হ'বলৈ ধৰে। একে আষাৰতে ক'বলৈ হ'লে, ১৮৫০ চনৰপৰা আধুনিক ভাৰতীয় চাহ উদ্যোগ ঠন ধৰি উঠে আৰু ১৯ শতিকাৰ শেষৰ ফালে ব্রিটেইনৰ বজাৰৰপৰা চীনদেশীয় চাহক অপসাৰণ কৰি ভাৰতীয় চাহে এক সন্তোষজনক স্থিতি লাভ কৰে।

ভাৰত আৰু শ্রীলংকাত চাহৰ উৎপাদন বৃদ্ধি হোৱাত ১৯ শতিকাৰ প্রথমার্ধত চাহৰ দাম যথেষ্ট কমি যায়। সেয়ে আমেৰিকা, অষ্ট্রেলিয়া, কানাডা আৰু ৰাছিয়াত নতুন বজাৰ বিচাৰি লোৱা হ'ল। ঘৰুৱাভাৱেও চাহৰ ব্যৱহাৰ বাঢ়ি আহে। ১৮৯৯ চনত প্রতিষ্ঠা কৰা ভাৰতীয় চাহ নিগমে চাহৰ গুণ আৰু মানবিশিষ্টকৰণত জোৰ দিছিল। ১৯১৪ চনত দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ সময়ত ভাৰতীয় চাহৰ জয়জয়-ময়ময় অৱস্থা আছিল। ইয়াৰ উৎপাদন আৰু ৰপ্তানিও সন্তোষজনক আছিল। প্রাক্-যুদ্ধকালীন অৱস্থাতকৈ যুদ্ধৰ সময়ছোৱাত চাহৰ দাম বেছি আছিল। কিন্তু তথাপিও মজুৰি স্থিৰ হৈয়েই থকাত মুনাফা যথেষ্ট বৃদ্ধি হৈছিল। ১৯৪১ চনত যুদ্ধত জাপানৰ অন্তর্ভুক্তিৰ লগে লগে মিত্র দলৰপৰা জাপান, ফৰমোচা, চীনা আৰু ডাচ্চ ইষ্ট ইণ্ডিজৰ চাহৰ যোগান সম্পূর্ণৰূপে বন্ধ হৈ যায়। সেয়ে তেতিয়া আমেৰিকা, ইংলণ্ড, মধ্য প্রাচ্যৰ দেশসমূহ আৰু অষ্ট্রেলিয়াত চাহৰ চাহিদা বৃদ্ধি হোৱাত ভাৰতীয় চাহ উদ্যোগে এখন ৰমৰমীয়া বজাৰ পাবলৈ সক্ষম হয়। চাহ উদ্যোগৰ এখন স্থিৰ ৰপ্তানি বজাৰ, তুলনামূলকভাৱে বর্ধিত মূল্য আৰু শ্রমিকৰ কোনো আহুকাল নাছিল।

→ **কফি কৃষি ক্ষেত্ৰ**

মূৰীয় বণিকে ১৬ শতিকাত প্ৰথমবাৰৰ বাবে ভাৰতত কফি গছৰ সূচনা কৰে আৰু দক্ষিণ ভাৰতৰ কেইবা ঠাইতো ইয়াৰ খেতি আৰম্ভ হয়। কিন্তু ১৮৩০ চনতহে প্ৰণালীবদ্ধভাৱে ভাৰতত কফিৰ খেতি কৰা হয়। ১৮৪০ চনত এটা ইউৰোপীয়ান সংগঠনে প্ৰথমখন কফিৰ বাগিচা পাতে। কিন্তু ১৮৬০ চনলৈকে ইয়াৰ ফচল ভাল হোৱা নাছিল। তেনে অৱস্থাতে উদ্যোগটোৰ উন্নতি হ'বলৈ ধৰে আৰু মূলতঃ মহীশূৰ, কুৰ্গ, ট্ৰিভাংকোৰ আৰু নীলগিৰিত ভালেকেইখন কফিৰ বাগিচা পতা হয়। ১৮৬০ চনৰপৰা ১৮৭৯ চনলৈকে নিৰৱচ্ছিন্নভাৱে কফি উদ্যোগৰ উন্নতি হ'বলৈ ধৰিলে। ১৮৬০ চনৰপৰা ১৮৭৯ চনলৈকে কফিৰ ৰপ্তানিৰ ক্ষেত্ৰতো অবিৰাম বৃদ্ধি হৈ থাকিল।

১৮৮৯ চনৰ পৰা ১৮৯৬ চনলৈকে, কফিৰ ক্ষেত্ৰত ভাৰতৰ মূল প্ৰতিদ্বন্দ্বী ব্ৰাজিলত ৰাজনৈতিক অশান্তিৰ বাবে ভাৰতীয় কফি উদ্যোগত এক অস্থায়ীভাৱে পুনৰ্জাগৰণৰ সূচনা হয়। এই পুনৰ্জাগৰণৰ ফলত ভালেমান ঠাইত কফিৰ স্থান চাহে অধিগ্ৰহণ কৰে। দ্বিতীয় মহাযুদ্ধৰ সময়ত ভাৰতীয় কফিয়ে ইউৰোপীয় বজাৰখন হেৰুৱায়। ফলত কফি উদ্যোগলৈ এক বিপৰ্যয় অহাৰ সম্ভাৱনা দেখা যায়। ফলস্বৰূপে ১৯৪২ চনত কফি বজাৰ সম্প্ৰসাৰণ অধ্যাদেশ জাৰি কৰা হয়। ১৯৪২ চনত এই অধ্যাদেশৰ অধীনত, পঞ্জীয়নভুক্ত প্ৰত্যেকখন কফিৰ বাগিচাই উৎপাদনৰ ৪০ শতাংশৰ বাবে এখন মুকলি বজাৰ পায়, আৰু বাকী থকাখিনি ভাৰতীয় কফি বোৰ্ডৰ জোঁট বন্ধনৰ নিয়ম অনুসৰি নিয়া হয়। ১৯৪৩ চনত কফি সম্প্ৰসাৰণ আইন কাৰ্যকৰী হয়। এই আইনৰ অধীনত ভাৰতীয় কফি বোৰ্ডে কফি বাগিচাসমূহৰ সমূহ শস্যৰ ওপৰত নিয়ন্ত্ৰণ চলাবলৈ অনুমতি পায়। এই আইনে কফিৰ দামো এক যুক্তিসংগত স্তৰত ৰাখিবলৈ সক্ষম হয়। অৱশ্যে কফি উদ্যোগত এই আইন কাৰ্যকৰী কৰিবৰ বাবে কোনো ধৰা-বান্ধা নিয়ম নাছিল। কফি বাগিচাত কাম কৰা বেছিসংখ্যক শ্ৰমিকেই আছিল চুবুৰীয়া জিলাসমূহৰ। নিজ নিজ কৃষিক্ষেত্ৰৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত তেওঁলোকে কফি বাগিচাত কাম কৰিবলৈ আহে। শ্ৰমিকসকলৰ অধিকাংশই অস্থায়ী। আন এটা দিশ হ'ল, বেছিভাগ কফি বাগিচাই অস্বাস্থ্যজনিত ঠাইত অৱস্থিত নহয়। এইবিলাক কাৰণতেই কফি বাগিচাৰ শ্ৰমিকসকলৰ স্বাস্থ্য তুলনামূলকভাৱে চাহ বাগিচাৰ শ্ৰমিকসকলতকৈ উন্নত।

→ **নীল উদ্যোগ**

অতি প্ৰাচীনকালৰে পৰা ভাৰতত নীলৰ খেতি কৰি অহা হৈছে। ইয়াক প্ৰধানকৈ ৰং হিচাপেই ব্যৱহাৰ কৰা হয়। ১৮ শতিকাৰ পৰা নীল ভাৰতৰ প্ৰধান ৰপ্তানি দ্ৰব্য হৈ পৰে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নীলৰ ব্যাপক বাণিজ্য কৰিছিল। কিন্তু ১৮ শতিকাৰ শেষৰ ফালে প্ৰধানকৈ দুটা কাৰণত ভাৰতৰ নীলৰ বেপাৰলৈ অৱনতি আহে। ইয়াৰে এটা কাৰণ হ'ল, আমেৰিকাৰ সৈতে প্ৰতিযোগিতা বাঢ়ি অহা আৰু ৰঙত ভেজাল আৰম্ভ হোৱা। ভাৰতৰ নীলৰ বজাৰখন পুনৰুত্থানৰ কাৰণে ১৯ শতিকাৰ আৰম্ভণিতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ৰেষ্ট ইণ্ডিজৰপৰা কৃষক আনিছিল আৰু পশ্চিমবংগৰ বিভিন্ন জিলাত তেওঁলোকৰ বসবাসৰ ব্যৱস্থা কৰি দিছিল। পশ্চিমবংগৰ নীল উদ্যোগৰ উন্নতিৰ লগে লগে পূৰ্বতে মূলতঃ ৰং হিচাপেই নীল ব্যৱহাৰ কৰা গুজৰাট আৰু পশ্চিম ভাৰতৰ ঠাই বিশেষে ইয়াৰ উন্নতি হ'বলৈ ধৰিলে। ১৮৫০ চনলৈকে ভাৰতীয় উদ্যোগৰ ইমানেই উন্নতি হ'বলৈ ধৰিলে যে, ১৮৫০ চনলৈ নীল ভাৰতৰ আটাইতকৈ উল্লেখযোগ্য ৰপ্তানি সামগ্ৰীৰ শাৰীলৈ উন্নীত হ'ল। যিদৰে চাহ আৰু কফি উৎপাদনত ইউৰোপীয়সকল প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিছিল, নীল উৎপাদনৰ বেলিকা কিন্তু তেনে হোৱা নাছিল। ১৮৬০ চনলৈকে ভাৰতীয় নীল উদ্যোগৰ সৰ্বাধিক উৎপাদন হয়। ১৮৬০ চনৰপৰা ১৮৯৫ চনলৈকে অৱশ্যে ইয়াৰ উৎপাদন স্থিৰ হৈ থাকে। জাৰ্মানীৰ কৃত্ৰিম নীলৰ সৈতে সাংঘাতিক প্ৰতিযোগিতা হোৱাত ১৮৯৭ চনৰপৰা ভাৰতীয় নীল উদ্যোগৰ পতন হ'বলৈ ধৰে।

প্ৰথম মহাযুদ্ধৰ সময়ত মিত্ৰজোঁটৰ বজাৰপৰা জার্মানৰ ৰংবোৰ অপসাৰিত হোৱাত ভাৰতীয় নীলৰ চাহিদা বৃদ্ধি পায়। কিন্তু মহাযুদ্ধৰ অন্ত পৰাৰ পাছত জার্মানৰ ৰং পুনৰ বজাৰলৈ আহে আৰু ভাৰতীয় নীল উদ্যোগৰ অধোন্নতি আৰম্ভ হয়। ১৯১৮ চনত ৰপ্তানিকৃত নীলৰ ওপৰত এক শুল্ক আৰোপ কৰা হয়, যাতে এই ধন নীলৰ গৱেষণা আৰু মান উন্নীতকৰণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা যায়। কিন্তু কৃত্ৰিম নীলৰ ব্যৱহাৰ বাঢ়ি অহাত পতন আৰম্ভ হয়।

→ **ৰবৰ উদ্যোগ**

১৯ শতিকাৰ শেষৰ ফালে ভাৰতত ৰবৰ খেতিৰ আৰম্ভ হয়। ২০ শতিকাৰ আৰম্ভণিত ৰবৰ খেতিৰ উদ্যোগত অতি দ্ৰুত উন্নতি হৈছিল। প্ৰথম মহাযুদ্ধৰ সময়ত ৰবৰৰপৰা উৎপাদিত সামগ্ৰীৰ যথেষ্ট সম্প্ৰসাৰণ হয়। ১৯২১ চনৰ শেষৰ ফালে অতিৰিক্ত উৎপাদনৰ বাবে ৰবৰৰ দামৰ হঠাত অৱনমন হয়। ফলস্বৰূপে, ৰপ্তানি সীমিতকৰণৰ বাবে বহুতো ভাৰতীয় খেতিয়কে আৰু শ্ৰীলংকা বিধানতন্ত্ৰ আৰু ব্ৰিটিছ মালায়াই ১৯২২ চনত স্বেচ্ছাই 'ষ্টিভেনছন প্লেন' বলৱৎ কৰে। ১৯৩৪ চনত ডাচ্চ ইষ্ট ইণ্ডিজে এক নতুন নিয়ন্ত্ৰণ বিধি আৰোপ কৰাত ৰবৰৰ দামত পুনৰুত্থিত হয়। ইয়াৰ ফলত উদ্যোগটোত সামান্য উত্থান হয় যদিও ১৯৩৯ চনলৈকে ভাৰতীয় ৰবৰ খেতিৰ উদ্যোগ অস্থিৰ হৈ আছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত ৰবৰৰ কৌশলী গুৰুত্ব সম্পূৰ্ণৰূপে সম্পন্ন কৰা হয়। ১৯৩৪ চনলৈকে ঘৰুৱা ব্যৱহাৰত ভাৰতীয় ৰবৰৰ প্ৰয়োগ আছিল তেনেই সীমিত। কিন্তু তেতিয়ালৈকে আভ্যন্তৰীণ উপভোগ ক্ৰমান্বয়ে বাঢ়ি আছিল। ৰবৰৰ চাহিদা অবিৰতভাৱে বাঢ়ি আছিল আৰু ভাৰতীয় ৰবৰ খেতিৰ উদ্যোগে ভাৰতীয় ৰবৰ উৎপাদিত উদ্যোগৰ চাহিদা পূৰাব পৰা নাছিল।

১৯৪৭ চনত ভাৰতীয় ৰবৰ বোর্ড গঠন কৰি ৰবৰৰ উৎপাদন আৰু বিতৰণ নীতি প্ৰয়োগ কৰা হয়। ইয়াৰ ফলত সকলো ৰবৰ উৎপাদকৰ নাম পঞ্জীভুক্ত কৰি বিভিন্ন স্তৰৰ ৰবৰ দাম নিৰ্ধাৰণ কৰাৰ লগতে কেঁচা ৰবৰৰ আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰত চৰকাৰক জবাবদিহি কৰা হয়। ঘৰুৱা উদ্যোগসমূহক উৎসাহিত কৰাৰ অর্থে, ভাৰত চৰকাৰে ৰবৰৰ ৰপ্তানিত বাধা-নিষেধ আৰোপ কৰে আৰু সামান্য মুনাফাৰ বিনিময়ত ৰবৰৰ মূল্য নিৰ্ধাৰণ কৰি বিশ্বৰ বজাৰতকৈ ভাৰতৰ ৰবৰৰ দাম সামান্য ওপৰত ৰখা হয়।

● **খনি আৰু অন্যান্য**

→ **কয়লা উদ্যোগ**

১৮২০ চনত ৰাণীগঞ্জত (পশ্চিমবংগ) আধুনিক পদ্ধতি ব্যৱহাৰ কৰা প্ৰথমটো কয়লা খনি আৰম্ভ হয়। কিন্তু ১৮৫৪ চনত ৰে'লপথৰ নিৰ্মাণ হোৱাৰ লগে লগে, কয়লা খনিয়ে উত্তৰণৰ চৰম সীমা পায়গৈ। ভাৰতীয় ৰে'লে কয়লা সৰবৰাহ কৰাৰ উপৰি কয়লাৰ উপযুক্ত গ্ৰাহক হিচাপেও পৰিগণিত হ'ল। চুয়েজ খাল উন্মোচনৰ সময়ত, বিশেষকৈ ইংলেণ্ডলৈ যথেষ্ট কয়লা আমদানি কৰা হয়। এনেকৈ ১৮৮০ চনত ৰপ্তানি কৰা কয়লাৰ পৰিমাণ হয় ৬০০০,০০০ টন। ব'ম্বে প্ৰধানকৈ বিদেশী কয়লাৰ ওপৰত নির্ভৰশীল আছিল। ব'ম্বেয়ে অকলেই প্ৰায় ৭০ শতাংশ আমদানিকৃত কয়লা ব্যৱহাৰ কৰিছিল। কিন্তু আমদানিকৃত কয়লাৰ মাজত প্ৰতিদ্বন্দ্বিতা হোৱা সত্ত্বেও ভাৰতীয় কয়লাৰ পঞ্জীয়ন ক্ৰমান্বয়ে বাঢ়ি আছিল। প্ৰথম মহাযুদ্ধৰ দুই দশকৰ আগলৈকে ভাৰতীয় কয়লাৰ উৎপাদন প্ৰায় দুগুণ হৈছিলগৈ। ভাৰতীয় ৰে'লৰ বাবে প্ৰয়োজন হোৱা সমুদায় কয়লা ভাৰততে উৎপাাদন হৈছিল। তদুপৰি, ৰপ্তানিকৃত ভাৰতীয় কয়লাৰ পৰিমাণে বিদেশৰপৰা আমদানিকৃত কয়লাৰ পৰিমাণক চেৰাই গৈছিল।

ৰে'লৰে আৰু ভাৰতৰ আন আন উদ্যোগসমূহৰ প্ৰধান ইন্ধন আছিল কয়লা। গৱর্ণৰ ৱাৰেণ হেষ্টিংছৰ

সময়ত ছোটনাগপুৰত প্ৰথমটো কয়লা খনিৰ কাম আৰম্ভ কৰা হয়। আলেকজেণ্ডাৰ এণ্ড কোম্পানীয়ে ১৮২০ চনত পশ্চিমবংগত খনিৰ পৰা আকৰ আহৰণৰ কাম আৰম্ভ কৰে। কেইবাটাও খনিৰ যুটীয়া গোট বিখ্যাত বেংগল ক'ল কোম্পানী ১৮৪৩ চনত গঠিত হয়। পশ্চিমবংগ, বিহাৰ আৰু উৰিষ্যাত ভাৰতৰ সৰহ পৰিমাণৰ কয়লা উৎপাদন হয়। ১৯৪৪ চনত ভাৰত চৰকাৰে ব্যক্তিগত পুঁজিপতিৰ দ্বাৰা নিয়ন্ত্রিত কয়লা খনিসমূহক নিয়ন্ত্রণ কৰাৰ উদ্দেশ্যে কয়লা খনি নিয়ন্ত্রণ আইন প্ৰৱৰ্তন কৰে। ১৯৭৩ চনত কয়লা উদ্যোগক ৰাষ্ট্ৰীয়কৰণ কৰা হয়।

**→ লো আৰু ষ্টীল উদ্যোগ**

লো প্ৰগলিত আৰু গঢ়ন কৰাই হৈছে ভাৰতৰ আটাইতকৈ পুৰণি ঔদ্যোগিক সফলতা। পুৰণিকালত সৰ্বসাধাৰণ লোকে সততে ব্যৱহাৰ কৰা এই ধাতুবিধে কেৱল ঘৰুৱা চাহিদাকে সামৰি লোৱা নাছিল, বৰং এই ধাতুৰে নিৰ্মিত ভালেমান সামগ্ৰী ভাৰতৰ বাহিৰলৈও ৰপ্তানি কৰা হৈছিল। ১৮৭৫ চনত বৰাকাৰত বেংগল আইৰণ কোম্পানীয়ে স্থাপন কৰা ভাৰতৰ প্ৰথমটো লোৰ বৃহৎ উদ্যোগ স্থাপন কৰা হয়। ১৯১৯ চনত উদ্যোগটো অধিক মূলধনেৰ বিনিয়োগ কৰি, বেংগল আইৰণ এণ্ড ষ্টীল কোম্পানী- এই নতুন নামেৰে পুনৰ সংগঠন কৰি লো, লোৰ পাইপ, ৰে'লৰ চিৰি আৰু আন আন থলুৱা বস্তু উৎপাদন কৰা হয়। আনুমানিক ১৯১৯ চনত সৰ্বশেষ তথ্যসম্বলিত আমেৰিকান শিল্প উৎপাদন সৰঞ্জাম আৰু সুবিধা আৰু যন্ত্ৰপাতিৰে ইণ্ডিয়ান আইৰণ এণ্ড ষ্টীল কোম্পানী স্থাপন কৰা হয়। ১৯৩৭ চনত ভদ্ৰাৱতীত মহীশূৰ আইৰণ ৱৰ্কছ স্থাপন কৰাৰ সমসাময়িকভাৱে ২,৫০,০০০ টন ধাৰক গুণসম্বলিত ষ্টীল কৰ্পোৰেচন অব বেংগলে ১৯৩৯ চনত কাম আৰম্ভ কৰে। ইয়াৰ পাছত ইণ্ডিয়ান আইৰণ এণ্ড ষ্টীল কোম্পানী আৰু ষ্টীল কৰ্পোৰেচন অব্ বেংগলে সংযুক্তকৰণৰ সিদ্ধান্ত লৈছিল।

**চৰকাৰী সাহাযপ্ৰাপ্ত উদ্যোগ**

ভাৰতৰ আইৰণ আৰু ষ্টীল কোম্পানীবোৰে ১৯৫০ চনৰ আগতে নানান সহযোগী উদ্যোগ, যেনে যন্ত্ৰপাতিৰ সঁজুলি, অস্ত্ৰ-শস্ত্ৰ আৰু খাৰ-বাৰুদ, বস্ত্ৰ আৰু আন উদ্যোগ, ৰে'লৰ ইঞ্জিন, জাহাজ নিৰ্মাণ, উৰাজাহাজ আৰু গাড়ী, বাইচাইকেল, চিলাইকল আৰু আন আন ইঞ্জিনিয়াৰিং সামগ্ৰী উন্নীতকৰণৰ কাম কৰা হৈছিল।

## ৬.৬ সৰবৰাহক অৰ্থনীতি হিচাপে ভাৰত

আধুনিক সময়ত অনুন্নত আৰু উন্নত দেশে মূলধন, শিল্পকৰ্ম, প্ৰযুক্তিবিদ্যা আদি বিকশিত দেশৰ ঘৰুৱা সম্পদক আদৰণি জনাই সংযোজকৰূপে অৰ্থনৈতিক উন্নয়নত সহায় কৰিছিল। উপনিবেশীয় যুগত বৈদেশিক মূলধনেৰে ভাৰতৰ দুৰ্ভাগ্যজনক উন্নয়নত ভাৰতত উপনিবেশীয় পৰিচালকৰ যোগেদি যথেষ্ট পৰিমাণে বৈদেশিক মূলধন সোমাইছিল যদিও সেই মূলধন উপনিবেশীয় অৰ্থনীতিৰ উন্নতিৰ বাবে খৰচ কৰা হোৱা নাছিল, বৰং ভাৰতীয় সম্পদৰ সম্পূৰ্ণ শোষণৰ বাবেহে তাক ব্যয় কৰা হৈছিল।

১৮৩৩ চনৰ চাৰ্টাৰ্ড আইনে ভাৰতত ব্ৰিটিছ বিত্তীয় মূলধনৰ প্ৰৱেশাধিকাৰৰ সূচনা কৰিলে। এই আইনে ব্ৰিটিছ নাগৰিকক ভাৰতত নিগাজীকৈ থকাৰ আৰু কোনো প্ৰতিবন্ধক নোহোৱাকৈ বেপাৰ-বাণিজ্য কৰিবলৈ অধিকাৰ প্ৰদান কৰিলে। কেইবাজনো উদ্যোগী ইংৰাজে ভাৰতীয় বাণিজ্যিক কাৰ্যত ধন বিনিয়োগ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। গতিকে বাণিজ্য, বেংকিং, চাহ আৰু কফি আদিত ব্ৰিটিছ মূলধন বিনিয়োগ কৰাৰ লগে লগে ভাৰতত আধুনিক উদ্যোগসমূহৰ উন্নতি হ'বলৈ ধৰিলে। কয়লা খনিত যথেষ্ট পৰিমাণে ব্ৰিটিছ অৰ্থ বিনিয়োগ কৰা হৈছিল। ভাৰতীয় ৰে'ল ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগে লগে কয়লাৰ চাহিদাও বাঢ়িছিল। লো আৰু

ষ্টীল উদ্যোগতো উল্লেখযোগ্য উন্নতি হয়। ইউৰোপীয় উদ্যোগীসকলে কয়লা উদ্যোগৰ উন্নতিত আদিৰে পৰাই উৎসাহ যোগাইছিল। বিদেশীসকলে উন্নত আৰু উৎপাদনমুখী খনিৰ মালিকনাধীন আয়ত্ত কৰিছিল। আৰম্ভণিৰে পৰা কয়লা আহৰণ আৰু উৎপাদনৰ কামত ভাৰতীয়সকল জড়িত হৈ আছিল। কিন্তু তেওঁলোকে বিকাশক হিচাপে স্বাক্ষৰ কৰিব নোৱাৰিছিল। ২০ শতিকাৰ আৰম্ভণিতে জাহাজ দপ্তৰ আৰু সমুদ্ৰ বাণিজ্য সম্পূৰ্ণৰূপে বৈদেশিক কোম্পানীৰ অধীনত আছিল।

ব্ৰিটিছ আঁচনিসমূহ ইউৰোপীয়ান আৰ্হিৰে ঔদ্যোগিক ভাৰতৰ সপক্ষে নাছিল। প্ৰকৃততে ভাৰতৰ ব্ৰিটিছ ঔদ্যোগিক উদ্যমী ব্যক্তিসকলৰ চৰিত্ৰত আছিল ঔপনিবেশিকীয় প্ৰভাৱ। তেওঁলোকে ব্যক্তিগত স্বাৰ্থতহে উদ্যোগসমূহৰ উন্নতি কৰিছিল। ৰে'লপথেই আছিল একমাত্ৰ বৃহৎ উদ্যোগ। ব্ৰিটিছ পুঁজিপতিসকলে দেশৰ ভিতৰুৱা অঞ্চলৰপৰা কেঁচামাল আহৰণ কৰিবলৈ বা উৎপাদিত সামগ্ৰী সহজে সৰবৰাহ কৰিবৰ কাৰণেহে এই উদ্যোগৰ উন্নতিত অৰিহণা যোগাইছিল। জলপথেৰে ইংলেণ্ডৰপৰা ভাৰতীয় বন্দৰবোৰলৈ আৰু ৰে'লপথৰ যোগেদি স্থানীয় বজাৰবোৰলৈ সুচলভাৱে সামগ্ৰী অনা হৈছিল। এনেকৈ ব্ৰিটিছ চৰকাৰে ধন বিনিয়োগ কৰি ভাৰতত ৰে'লপথ স্থাপনৰ বাবে আগভাগ লৈছিল আৰু প্ৰয়োজন হ'লে ৰে'ল বিভাগত হোৱা লোকচান মূৰ পাতি ল'বলৈও তেওঁলোক সাজু আছিল। এই ক্ষেত্ৰত আমি মনত ৰাখিব লাগিব যে, অদূৰ ভৱিষ্যতে ৰে'ল বিভাগে সহায়ৰ বাবে বৈদেশিক পুঁজি বিনিয়োগ কৰিছিল।

বেংকিং প্ৰতিষ্ঠানসমূহতো ব্ৰিটিছৰ নিয়ন্ত্ৰণ কঠোৰভাৱে চলি আছিল। এই বেংকবোৰৰ সঞ্চালক মণ্ডলী আৰু উচ্চ পদবীধাৰীসকল ইংৰাজ লোক আছিল। মাত্ৰ 'পঞ্জাব নেচনেল বেংক' আৰু 'বেংক অব্ ইণ্ডিয়া'ইহে নিজস্ব কিছুমান চিনাকি আৰু প্ৰসিদ্ধিৰে বৈদেশিক বেংকৰ লগত প্ৰতিদ্বন্দ্বিতাত নামিব পাৰিছিল। দীৰ্ঘদিন শাসক হিচাপে থকা সুবিধাৰ লগে লগে দেশৰ বণিক হিচাপে বণিজত দীঘলীয়া অভিজ্ঞতাৰ বাবে ব্ৰিটিছসকলে ভাৰতীয় অৰ্থনীতিক দমন কৰি ৰাখিব পাৰিছিল। ব্ৰিটিছ শাসকসকলে তেওঁলোকৰ নিজৰ স্বাৰ্থতহে ভাৰতৰ উন্নতিৰ হকে কাম কৰিছিল।

এজন পুৰণি জাতীয়তাবাদী লোক দাদাভাই নৌৰজীয়ে প্ৰথমে ব্ৰিটিছ মূলধনক আদৰণি জনাইছিল যদিও পাছলৈ তেওঁ ইয়াক গৰিহণা দিয়ে। বেছিভাগ জাতিয়তাবাদী সমালোচকেই ব্ৰিটিছ মূলধনৰ বিৰুদ্ধে মাত মাতিছিল; কাৰণ ইয়াৰ ফলত এক অভিনৱ পথেৰে ভাৰতৰ জাতীয় সম্পদ বাহিৰলৈ ওলাই গৈছিল। অৱশ্যে এনেকৈয়ে ব্ৰিটিছে আধুনিক উদ্যোগৰ সূচনা কৰিছিল। এইটোও সঁচা যে, তেওঁলোকে ভাৰতক ঔদ্যোগিক ক্ষেত্ৰত এখন আগবঢ়া দেশ হিচাপে পাবলৈ বিচৰা নাছিল।

## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৬ ঃ** কোন সময়ত চাহৰ বাণিজ্যত লাভজনক স্থিতি দেখা যায়?

.....

**প্ৰশ্ন নং ৭ ঃ** কোন চনত মৰাপাট কল সংস্থা স্থাপন কৰা হয়?

.....

**প্ৰশ্ন নং ৮ ঃ** প্ৰথমটো ভাৰতীয় চাহ কোম্পানীৰ নাম উল্লেখ কৰক।

.....

## ৬.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো—

- পৰম্পৰাগত আৰু থলুৱা উদ্যোগৰ ধ্বংসৰ মূলতে আছিল ব্রিটিছৰ ঔপনিবেশীয় শাসন।
- ঔপনিবেশীয় শাসনৰ সময়ত বয়ন আৰু বস্ত্র উদ্যোগে অসুবিধা আৰু ধ্বংসৰ সন্মুখীন হৈছিল।
- ঔপনিবেশীয় শাসনৰ সময়ছোৱাত ভাৰততে আধুনিক উদ্যোগৰ বাঢ়ন হৈছিল।
- কৃষি ক্ষেত্রৰ উদ্যোগ, খনিজ আৰু আন আন উদ্যোগৰ উল্লেখযোগ্য দিশ।
- সৰ্ৱৰাহক অর্থনীতি হিচাপে ভাৰতৰ ধাৰণা।

## ৬.৮ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থ ঃ**


1) Bandyopadhyay, Sekhar, (2013). *From Plassey to Partition.* Orient Blackswan; New Delhi: India
2) Desai, S.S.M. and Bhalerao, Nirmal, (2010). *Economic History of India.* Himalaya Publishing House; Mumbai: India.
3) Maiti, Provatansu. (2012). *Modern India. Sreedhar Publishers.* Kolkata: India


## ৬.৯ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** পৰম্পৰাগত উদ্যোগ মানেই থলুৱা উদ্যোগ। ভাৰতৰ পৰম্পৰাগত উদ্যোগৰ ভিতৰত তাঁতশিল্প, হস্তশিল্প, ইটা আদি।

**২নং প্রশ্নৰ উত্তৰ ঃ** নীল।

**৩নং প্রশ্নৰ উত্তৰ ঃ** চেনি।

**৪নং প্রশ্নৰ উত্তৰ ঃ** বিদেশী কল-কাৰখানাৰ উৎপাদিত সস্তীয়া সামগ্রী।

**৫নং প্রশ্নৰ উত্তৰ ঃ** সস্তীয়া শ্রমিক উপলব্ধ আছিল।

**৬নং প্রশ্নৰ উত্তৰ ঃ** ১৮৩৬ চনৰপৰা ১৮৬০।

**৭নং প্রশ্নৰ উত্তৰ ঃ** ১৮৮৪।

**৮নং প্রশ্নৰ উত্তৰ ঃ** আসাম টী কোম্পানী।

## ৬.১০ আৰ্হি প্ৰশ্ন

**(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** কোন দুখন ঠাই বয়ন উদ্যোগৰ মুখ্য কেন্দ্ৰ আছিল?

**প্ৰশ্ন ২ ঃ** ভাৰতৰ গ্লাছ উদ্যোগৰ মূল সমস্যা কি আছিল?

**প্ৰশ্ন ৩ ঃ** আধুনিক চামৰা কাৰখানা কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল?

**(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** 'ড্ৰেইন অৱ ৱেল্‌থ' বুলিলে কি বুজায়?

**প্ৰশ্ন ২ ঃ** 'বিশিল্পায়ন' বুলিলে কি বুজায়?

**প্ৰশ্ন ৩ ঃ** কপাহী আৰু মৰাপাট উদ্যোগৰ বাহিৰে আন উদ্যোগসমূহৰ বিষয়ে চমু টোকা লিখক।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** ব্ৰিটিছ ঔপনিবেশীয় শাসনৰ অধীনত কুটীৰ শিল্পৰ অধোন্নতিৰ এক খতিয়ান দিয়ক। ই আধুনিক উদ্যোগৰ সূচনা কৰিছিল নেকি?

**প্ৰশ্ন ২ ঃ** ব্ৰিটিছ উপনিবেশীয় শাসনৰ আধুনিক উদ্যোগৰ ক্ৰমবৃদ্ধি পৰীক্ষা কৰক।

*** ***** ***

# অধ্যায় ৭ ঃ কৃষিৰ বাণিজ্যিকীকৰণ

## অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ বজাৰ সম্প্রসাৰণৰ কৃষিৰ ওপৰত প্রভাৱ

৭.৪ নগদী শস্যৰ প্রতি মনোযোগ

৭.৫ ঔপনিৱেশিক সময়চোৱাত কৃষিৰ পৰা ৰপ্তানি অর্জন

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্রগতিৰ খতিয়ান

৭.৯ আর্হি প্রশ্ন

## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতৰ কৃষি খণ্ডৰ ওপৰত বজাৰ সম্প্রসাৰণৰ প্রভাৱ বর্ণনা কৰিব পাৰিব
- নগদী শস্যৰ (Cash Crops) কৃষি কর্মৰ খেতিৰ উত্থানৰ বিষয়ে বর্ণনা কৰিব পাৰিব আৰু
- কৃষি ভিত্তিক ৰপ্তানিৰ পৰা বিত্ত অর্জনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ৭.২ পৰিচয়

আগৰ অধ্যায়ত আমি বিভিন্ন কাৰকৰ কাৰণে/ফলত ভাৰতৰ পৰম্পৰাগত কুটীৰ শিল্পৰ পতনৰ বিষয়ে আলোচনা কৰিলো।

এই অধ্যায়টি, আমি কৃষিৰ বাণিজ্যিকীকৰণ নগদী শস্যৰ কাৰণে বৃদ্ধি পোৱা বিকল্পিত হোৱা দাবী/চাহিদা আৰু ভাৰতৰ প্রসংগত প্রেক্ষাপটত বজাৰ অর্থনীতিৰ অনাহত প্রৱেশৰ বিষয়ে আলোচনা কৰিম।

বৃটিছ শাসনৰ সময়চোৱাত কৃষিৰ নীতি 'কৃষিৰ বাণিজ্যিকীকৰণ'ৰ অভিমূখী আছিল যাক মাজে সময়ে অধুনিকীকৰণৰ প্রতীক হিচাপে সংকেত দিয়া হৈছিল। যি কি নহওক কৃষিৰ বাণিজ্যিকীকৰণৰ নামত আধুনিকীকৰণ এক বৃহৎ অর্থহীন কথা আছিল। যিহেতু ভাৰতক কৃষিৰ মূল্যৰ বিনিয়মত বৃটিছৰ উৎপাদিত সামগ্রীৰ এক বিক্রীৰ বজাৰ হিচাপে সমৃদ্ধি লাভ কৰিবলৈ অনুমতি দিয়া হৈছিল।

## ৭.৩ বজাৰ সম্প্রসাৰণৰ কৃষিৰ ওপৰত প্রভাৱ

১৮শ শতিকাৰ শেষার্দ্ধত ভাৰতীয় অর্থনীতিৰ প্রধান বৈশিষ্ট্য আছিল বাণিজ্যিকীৰণ। ই উদ্যোগিক উদ্দেশ্য/অভিপ্রায় বাবে/কাৰণে কেঁচা সামগ্রী হিচাপে ব্যৱহাৰ কৰা উপভোগ্য নোহোৱা কৃষি সামগ্রীৰ উৎপাদন আৰু নগদ ধনৰ সলনি বিনিময় কৰাক সূচায়। বৃটিছ সকলে অনুসৰণ কৰা বিভিন্ন ধৰণৰ/প্রকাৰৰ অর্থনৈতিক

নীতিয়ে ভাৰতীয় অৰ্থনীতিক ঔপনিবেশিক অৰ্থনীতিলৈ দ্ৰুত পৰিবৰ্তনত মূখ্য ভূমিকা গ্ৰহণ পথ প্ৰদৰ্শন কৰিছিল যাৰ প্ৰকৃতি আৰু গাঁথনিক বৃটিছ অৰ্থনীতিৰ প্ৰয়োজনীয়তাৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হৈছিল। বৃটিছ অৰ্থনৈতিক নীতিৰ এটা গুৰুত্বপূৰ্ণ দিশ আছিল কৃষিৰ বাণিজ্যিকীকৰণ। কৃষিৰ বাণিজ্যিকীকৰণে বজাৰত বিক্ৰীৰ কাৰণে কৃষক সকলৰ দ্বাৰা উৎপাদিত কৃষিভিত্তিক শস্য আৰু সামগ্ৰীক বুজায় আৰু তেওঁলোকৰ নিজৰ ভোগ ব্যৱহাৰৰ সামগ্ৰীক নুবুজায়।

বৃটিছ যুগটোক লগতেদ কৃষিখণ্ডৰ এক বাণিজ্যিক বিপ্লৱ হিচাপে জনা যায়। কৃষিৰ বাণিজ্যিকীকৰণৰ শিল্পৰ বিপ্লৱৰ সৈতে এক কাকতালীয় সংযোগ আছিল আৰু ১৮৬০ ৰ সময়চোৱাত বিখ্যাত হৈ পৰিছিল। নগদী লেনাদেনা বিনিময়ৰ ভিত্তি হৈ পৰিছিল আৰু বিনিময় প্ৰথাক বৃহৎ পৰিমাণে সলনি কৰিছিল। কৃষিৰ বাণিজিকীকৰণৰ প্ৰধান কাৰণ আছিল যে ভাৰত এতিয়া বৃটেইনলৈ কেঁচা সামগ্ৰী আৰু খাদ্য শস্যৰ যোগানকাৰী আৰু বৃটিছৰ উৎপাদিত সামগ্ৰীৰ আমদানিকাৰীলৈ সংকুচিত হৈছিল। ভূমি ৰাজহ পৰিশোধ টকা পইচাৰে কৰা হৈছিল আৰু ভাৰতে শস্যৰ বেপাৰী সদাগৰৰ উত্থান দেখা পাইছিল। ভাৰতৰ কৃষিৰ বাণিজ্যিকীকৰণ ভাৰতৰ উদ্যোগসমূহক যোগান ধৰিবলৈ সংঘটিত হোৱা নাছিল কিয়নো ভাৰত উদ্যোগিক বিকাশৰ ক্ষেত্ৰত বৃটেইন, ফ্ৰান্স, বেলজিয়াম আৰু ১৮শ শতিকাৰ অন্যান্য ইউৰোপীয় দেশৰ তুলনাত বহুদূৰ পিছপৰি আছিল। ভাৰতৰ কৃষিৰ বাণিজ্যিকীকৰণ মূলত বৃটিছ উদ্যোগসমূহক যোগান ধৰিবলৈ কৰা হৈছিল যে ইয়াক কেৱল সেই সমূহ কৃষিভিত্তিক উৎপাদিত সামগ্ৰীক লোৱা/গ্ৰহণ কৰা হৈছিল আৰু সফল কৃতকার্য হৈছিল যাক হয় বৃটিছ উদ্যোগসমূহক প্ৰয়োজন আছিল অথবা বৃটিছ সকললৈ ইউৰোপীয় আৰু আমেৰিকাৰ বজাৰেও নগদ বাণিজ্যিক লাভ কঢ়িয়াই আনিছিল।

**কৃষিৰ বাণিজ্যিকীৰণ কেনেকৈ সংঘটিত হৈছিল ?**

ভাৰতৰ কৃষিৰ বাণিজ্যিকীকৰণ বৃটিছসকলে তেওঁলোকৰ প্ৰত্যক্ষ বা পৰোক্ষ নীতি আৰু কার্যকলাপৰ যোগেদি আৰম্ভ/সূচনা কৰিছিল। চিৰস্থায়ী বন্দোৱস্ত আৰু ৰায়তৱাৰী বন্দোৱস্তিৰ ৰূপত আৰম্ভ কৰা নতুন ভূমি অধিকাৰ/বন্দোৱস্তিৰ ব্যৱস্থাই কৃষি ভূমিক এক মুক্তভাৱে বিনিময় যোগ্য সামগ্ৰী কৰি তুলিছিল। চিৰস্থায়ী বন্দোৱস্তিয়ে জমিদাৰ সকলক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰি এক শ্ৰেণীৰ চহকী/সম্পদশালী ভূ-স্বামীৰ সৃষ্টি কৰিছিল। তেওঁলোকে এই মালিকীস্বত্বৰ অধিকাৰত ভূমিৰ /মাটিৰ কিনা-বেচা কৰাত ব্যৱহাৰ কৰিছিল। তদুপৰি, কৃষি যি এক ব্যৱসায়িক প্ৰতিষ্ঠানতকৈ বৰং জীৱনৰ পথ আছিল, এতিয়া ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত বিক্ৰীৰ কাৰণে/বাবে বৃত্তি হিচাপে অৱলম্বন কৰাৰ আৰম্ভ কৰা হৈছিল।

কৃষিৰ বাণিজ্যিকীকৰণ সৰহ সংখ্যক ভাৰতীয় কৃষকৰ কাৰণে এক বল/শক্তি আৰু কৃটিম প্ৰক্ৰিয়া আছিল। ইয়াক বৃটিছ সকলে বাধ্য কৰোৱাৰ অধীনত আৰম্ভ কৰা হৈছিল। কৃষকসকলে সময়মতে ভূমি ৰাজহ আদায় দিব লগা হৈছিল আৰু বাগিচাৰ মালিক সকলৰ হেঁচাত তেওঁলোকৰ/তেওঁৰ এক নির্দিষ্ট ভূমিত বাণিজ্যিক শস্য ৰোপণ/উৎপন্ন কৰিব লগা হৈছিল।

**কৃষি বাণিজ্যিকীকৰণৰ কাৰকসমূহ-**

ভাৰতীয় কৃষিৰ বাণিজিকীকৰণত যথেষ্ট সংখ্যক কাৰকে উৎসাহিত আৰু উদ্দেশ্য সাধনত সহায় কৰিছিলঃ

১) বৃটিছ সকলে প্ৰতিষ্ঠা কৰা ৰাজনৈতিক ঐক্যই আৰু পৰিণতিত সৃষ্টি হোৱা একত্ৰিত ৰাষ্ট্ৰীয় বজাৰ এক গুৰুত্বপূৰ্ণ কাৰক আছিল। তদুপৰি মুদ্ৰা অৰ্থনীতিৰ প্ৰসাৰে বিনিময় প্ৰথাক আঁতৰাই পঠাইছিল আৰু কৃষিৰ সামগ্ৰী বজাৰৰ বস্তু হৈ পৰিছিল।

২) মূখ্য কাৰক আছিল বৃটিছ শাসনৰ অধীনত ভাৰতৰ ঔপনিবেশিক পৰাধীনতা। প্ৰথা আৰু পৰম্পাৰাক প্ৰতিযোগিতা আৰু চুক্তিয়ে সলনি কৰাইয়ো ভাৰতীয় কৃষিৰ বাণিজ্যিকীৰণক আগবঢ়ায়/আগুৱাই নিছিল। কপাহ, মৰাপাট, চাহ, ধঁপাত আদিৰ দৰে বহুতো বাণিজ্যিক শস্য বৃটেইনৰ চাহিদা পূৰণৰ কাৰণে আৰম্ভ কৰা হৈছিল।

৩) উন্নত যোগাযোগ ব্যৱস্থাই (ৰেললাইন আৰু জাহাজৰ দ্ৰুত বিকাশ) কৃষি সামগ্ৰীৰ বাণিজ্যৰ সম্ভৰ কৰি তুলিছিল বিশেষকৈ দীৰ্ঘ দূৰত্বৰ।

৪) ভাৰতীয় কৃষিৰ আন এটা বৃদ্ধি কৰা জোৰ দিয়া কাৰক আছিল ইংলেণ্ডত শিল্প বিপ্লৱে লাভ কৰা গতি। বৃটিছ উদ্যোগ সমূহৰ কাৰণে কেঁচা সামগ্ৰীৰ বৃদ্ধিৰ এক চাহিদা আছিল।

৫) আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিৰ সম্প্ৰসাৰণ আৰু বৃটিছৰ বিত্তীয় পুঁজিৰ প্ৰৱেশেও ভাৰতীয় কৃষিৰ বাণিজ্যিকীৰণক খৰতকীয়া (Belted) কৰি তুলিছিল।

৬) ভূমি ৰাজহ পৰিশোধক মুদ্ৰাকৰণ (monetization) কৰাও কৃষিৰ বাণিজ্যিকীকৰণৰ আন এটা গুৰুত্বপূৰ্ণ কাৰক আছিল।

৭) কৃষকসকলো ধন ধাৰে দিয়া মহাজনক সময়মতে সূত ঘূৰাই দিয়াৰ কাৰণে বাণিজ্যিক শস্যৰ উৎপাদনত সোমাই/জড়িত হৈ পৰিছিল।

৮) আমেৰিকাৰ গৃহ যুদ্ধইও ভাৰতত কৃষিৰ বাণিজ্যিকীকৰণত পৰোক্ষভাৱে উৎসাহিত কৰিছিল।

## ৭.৪ নগদী শস্যৰ মনোযোগ

এক নিৰ্ণায়ক প্ৰশ্নৰ ক্ষেত্ৰত কোনো সন্দেহ নাই যে ভাৰতত কৃষিৰ বাণিজ্যিকীকৰণৰ প্ৰকৃত হিতাধিকাৰী সকল কোন আছিল। তেওঁলোক সাধাৰণ ভাৰতীয় জনগণ আৰু বৃটিছ পুঁজিপতি আৰু তেওঁলোকৰ ঘৰুৱা সহযোগী (Collaborators) অমল ত্ৰিপাঠীয়ে তেওঁৰ Trade and Finance in the Bengal Presidency (1956) আলোচনা (argued) কৰিছে যে ভাৰতৰ জনসাধাৰণৰ কাৰণে বাণিজ্যিক শস্যৰ বিকাশ উপকাৰী আছিল। যি কি নহওঁক, এইটো ভালকৈ জনাজাত যে, ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ সম্পদ ভাৰতৰ জনসাধাৰণৰ আগ্ৰহৰ কাৰণে বিকশিত কৰা নাছিল। কিন্তু বৃটিছ সদাগৰ বণিক আৰু উৎপাদনকাৰী সকলৰ কাৰণে কৰিছিল। অন্যান্য বিদেশী ৰাষ্ট্ৰত কিছুমান বাণিজ্যিক শস্যৰ চাহিদা বৃদ্ধিয়ে, কৃষিৰ বাণিজ্যিকীকৰণত প্ৰেৰণা (Impetus) যোগাইছিল। নগদী শস্যৰ নিৰ্বাচনত মনোযোগ দিয়াত এক পৰিবৰ্তন (Shift) সাধন হৈছিল। এই আলোচনাৰ বিষয়ক বাখ্যা কৰাত আমি কিছুমান ক্ষেত্ৰ অধ্যয়ন গ্ৰহণ কৰিব/ল'ব পাৰো।

বৃটিছ সকলে তেওঁলোকৰ ৰপ্তানি শস্য অতি সাৱধানতাৰে নিৰ্বাচন কৰিছিল। কপাহ, ৰেচম, সূতা, কানি, নীল (Indigo) চেনী আৰু চাহপাত আদি নগদী শস্য আছিল য'ত কোম্পানীয়ে বেছিকৈ ইয়াৰ মনোযোগ কেন্দ্ৰীভূত (Focus) কৰিছিল। কপাহ আৰু ৰেচম সূতা ইংলেণ্ডত উৎপাদন কৰিব পৰা নগৈছিল। কানি/ভাং আৰু চাহপাতে চীনক প্ৰত্যক্ষভাৱে আঘাট হানিছিল। কানি/ভাঙক ইয়াৰ সন্মতিৰ বিৰুদ্ধে ৰপ্তানি কৰা হৈছিল আৰু চীনৰ একচেটীয়া বাণিজ্য ভাঙিবলৈ চাহপাত ভাৰতত উৎপাদন কৰা হৈছিল। ভাৰতৰ নীল আৰু কুঁহিয়াৰ বাগিচাই ইংৰাজ সকলক দক্ষিণ আমেৰিকাৰ বাগানৰ ওপৰত ভৰসা হ্ৰাস/কমোৱাত উৎসাহিত কৰিছিল। ইয়াৰ কোনো এটায়েই যিকোনো ইংৰাজ সামগ্ৰীৰ লগত ফেৰ মৰা/প্ৰতিযোগিতা কৰা আৰু সলনি কৰা নাছিল। আচলতে/প্ৰকৃততে, তেওঁলোকৰ কৃষি আৰু ৰপ্তানি ইংৰাজ সকলৰ বাণিজ্যিক আগ্ৰহৰ সৈতে খাপ খুৱাইছিল

(dovetailed) । দ্বিতীয়তে এই সকলো সামগ্ৰীয়েই তেওঁলোকৰ অধিকাংশৰ (bulk) তুলনাত/ক্ষেত্ৰত মূল্যবান আছিল। সেইসমূহৰ মূল্য প্ৰতি কেজি অথবা কিউবিক মিটাৰত উচ্চ/বেছি আছিল। যদি সস্তীয়া অধিকাংশ সামগ্ৰী ৰপ্তানি কৰা হয় পৰিবহণ ব্যয়ে সকলো লাভ হ্ৰাস কৰি পেলাব। একমাত্ৰ সামগ্ৰী যিসমূহ ইয়াৰ ওজনৰ ক্ষেত্ৰত লাভজনক আছিল সেইসমূহেহে ৰপ্তানিকাৰীৰ স্থিৰ লাভৰ নিশ্চিতি প্ৰদান কৰিছিল।

→ **কপাহ ঃ**

সেই সময়ত ভাৰতীয় কপাহ আটাইতকৈ গুৰুত্বপূৰ্ণ নগদী শস্য আছিল। ১৭৮৩ চনত ভাৰতীয় কপাহৰ ইংলেণ্ডলৈ ৰপ্তানি আৰম্ভ হৈছিল আৰু ১৮৪১ চনলৈ ইয়াৰ পৰিমাণ ৮০০ গুণ বৃদ্ধি পাইছিল। কিন্তু হিতাধিকাৰী সকল আছিল প্ৰধানলৈ লাংকাশ্বায়াৰৰ মিল মালিক সকল, ইউৰোপীয় ব্যৱসায়িক প্ৰতিষ্ঠান আৰু দেশীয় উচ্চ শ্ৰেণীৰ লোকসকল। মানচেষ্টাৰ ইংলেণ্ডৰ আটাইতকৈ ডাঙৰ/বৃহৎ বস্ত্ৰ উৎপাদক আছিল। মানচেষ্টাৰৰ উদ্যোগলৈ আমেৰিকাৰ পৰা কেঁচা কপাহ আমদানি কৰা হৈছিল। আমেৰিকাৰ ১৮৬০ চনৰ গৃহযুদ্ধই ইংলেণ্ডলৈ কেঁচা কপাহ ৰপ্তানিৰ ব্যৱসায়ত মোক্ষম আঘাত হানিছিল। মিলসমূহলৈ কপাহৰ যোগানৰ এই সমস্যা সমাধান কৰিবলৈ মালিক সকলে ভাৰতৰ পৰা কপাহ আমদানি কৰাৰ কথা চিন্তা কৰিছিল। ফলস্বৰূপে গুজৰাট আৰু বোম্বে অঞ্চলৰ কৃষক সকলে লাভ/মুনাফা বৃদ্ধি কৰিবলৈ কপাহখেতি আৰম্ভ কৰিছিল। বিংশ শতিকাৰ আৰম্ভনীত ভাৰতত উৎপাদিত ৯০ শতাংশ কপাহ বিদেশী বজাৰলৈ ৰপ্তানি কৰা হৈছিল। কিন্তু শতিকাটোৰ শেষৰ ফালে, কপাহ উৎপাদক সকলে বেচিকৈ দেশীয় উদ্যোগসমূহৰ ওপৰত ভৰষা কৰিবলগীয়া হৈছিল।

মৰিকা ভিকজিয়ানী (Marica Vieziani) নামৰ পণ্ডিত গৰাকীয়ে আঙুলিয়াই দেখুৱাইছে যে নেওঠনী (ginning) আৰু ছপাশাল (Pressing) উদ্যোগসমূহত দেশীয় ব্যৱসায়িক আগ্ৰহৰ জড়িতকৰণ এক ভাল বিনিয়োগৰ উদ্দেশ্যৰ বাহিৰত যোৱা নাছিল। যি কি নহওঁক, ইউৰোপী পৰিচালনাৰ ব্যৱসায়িক প্ৰতিষ্ঠান সমূহে এই কোম্পানীসমূহক তেওঁলোকৰ ৰপ্তানি বাণিজ্যৰ অগ্ৰগতিৰ এক আহিলা হিচাপে মতপোষণ কৰিছিল/দৃষ্টিৰে চাইছিল। দেশৰ ৰপ্তানি শস্য, বিশেষকৈ কেঁচা কপাহ, এনেকৈ বিদেশী ৰপ্তানিকৃত ব্যৱসায়িক প্ৰতিষ্ঠানৰ সম্পত্তি হৈ পৰিছিল। আচলতে, ভাৰতীয় মধ্যভোগী সকলে কৃষক সকলক স্থায়ী বিত্তীয় দাসত্বৰ বান্ধ খুৱাই ৰাখিছিল যি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ পাৰ হৈ গৈছিল। তেওঁলোক কৃষকসকলক আগধন দিছিল আৰু তেওঁলোকৰ কপাহ আনকি পূৰঠ হোৱাৰ আগতেই ক্ৰয় কৰিছিল।

→ **নীল ঃ**

নীল ৰপ্তানিৰ আন এটা গুৰুত্বপূৰ্ণ শস্য আছিল। ইয়াক বেংগল আৰু বিহাৰত এক বাধ্যতামূলক প্ৰথাৰ যোগেদি উৎপাদন কৰা হৈছিল। জনসাধাৰণক ইয়াক উৎপাদন কৰিবলৈ বল প্ৰয়োগ/বাধ্য কৰোৱা হৈছিল। পশ্চিমীয়া দেশত নীলক বস্ত্ৰ উদ্যোগত ৰং দিয়া কাৰক (Agent) হিচাপে প্ৰয়োজন হৈছিল। বেংগলত নীল খেতি ১৮ শ শতিকাৰ চতুৰ্থাংশত ইউৰোপীয়া বিনিয়োগকাৰী আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ কিছুমান এজেন্টৰ প্ৰচেষ্টাত আৰম্ভ হৈছিল। বেছিভাগ নীল খেতিয়ক প্ৰকৃততে ৰেষ্ট ইণ্ডিজৰ পৰা জোৰ জুলুম কৰি অনা দাস আছিল। প্ৰকৃততে/আচলতে ১৭৯০ চনলৈকে ইউৰোপৰ বাবে বেছিভাগ যোগান কেৰিবিয়ান উপনিবেশৰ পৰা ধৰা হৈছিল। ১৮ শ শতিকাৰ পৰা ১৯ শ শতিকাৰ প্ৰথমাৰ্দ্ধলৈ নীল এক প্ৰধান ৰপ্তানি সামগ্ৰী হিচাপে পৰিগণিত আছিল। কৃষক সকলক নীল উৎপন্ন কৰিবলৈ মুক্তভাৱে বল প্ৰয়োগ কৰা হৈছিল, যাৰ বাবে যি কি নহওক, নীল খেতি লাভৰ পৰা বহু দূৰত আছিল। D.H. Buchanan য়ে সংসদীয় পত্ৰত উল্লেখ কৰোতে, মন্তব্য আগবঢ়াইছে যে নীল খেতিৰ পৰিণতিত

ক্ষতি হৈছিল কিয়নো অন্যান্য শস্যত উৎপন্ন সম্পদ বেছি লাভজনকভাৱে নিয়োজিত (devoted) কৰিব পাৰিলোহেঁতেন।সেইটো কাৰণতে কৃষক সকলৰ ওপৰত আগধনত জোৰ দিয়া হৈছিল যি কোনো মতেই নীল খেতি কৰিবলৈ ইচ্ছুক নাছিল। তেওঁলোকৰ কাৰণে ই আছিল বল প্ৰয়োগ কৰা শ্ৰম দিনক দিনে বৃদ্ধি পোৱা ঋণ, জীৱ আৰু সম্পত্তিৰ নিৰাপত্তাহীনতা।

ঋণসমূহ মাজে সময়ে অবাস্তৱ আছিল যিহেতু সেইসমূহ পিতৃৰ পৰা পুত্ৰৰ হাতলৈ গৈছিল। যদি এজন কৃষকে এবাৰ টকা/ধন আগধন হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হয় তেওঁ ধাৰ/ঋণৰ দাসত্বৰ পৰা হাত সাৰিব নোৱাৰিছিল। তেওঁলোক দাসত্বৰ বান্ধোনেৰে বান্ধ খাই পৰিছিল। ইয়াৰ দৰে আন বিভিন্ন পথ/উপায়েৰে তেওঁলোকক হাৰাশাস্তি আৰু অপমানিত কৰা হৈছিল। বেংগলৰ এজন জিলা ন্যায়াধীশে এবাৰ মন্তব্য আগবঢ়াইছিল যে 'নীলৰ এটাও ডাঙৰ বাকচ ইংলেণ্ড গৈ পোৱা নাছিল যি মানৱ তেজেৰে মলিয়ন নাছিল।' অৱশেষত কৃষক সকল এক বিদ্ৰোহত লিপ্ত হৈ পৰিছিল-ঐতিহাসিক Blair B King য়ে 'নীল বিদ্ৰোহ' হিচাপে আখ্যা দিছিল যি ১৮৬০ শেষৰ ফালে জাৰ্মানী বিজ্ঞানী এডল্‌ফ ভন বেয়াৰে কৃটিম ৰাসায়নিক ৰং আৱিস্কাৰ কৰিছিল -আন্তঃৰাষ্ট্ৰীয় বজাৰত তাৎপৰ্যপূৰ্ণভাৱে প্ৰাকৃতিক নীলৰ চাহিদা হ্ৰাস কৰিছিল। এই দুয়োটা কাৰকেই নীল খেতিৰ পতন আৰু অৱসানত অৱিহণা যোগাইছিল।

### → ভাং/কানি (Opium)

ইষ্ট ইণ্ডিয়া কোম্পানী বিহাৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া জিলাত, যি বেংগল প্ৰেচীডেন্সীৰ এটা অংশ আছিল, আফু খেতি কৰাৰ প্ৰতি আগ্ৰহী আছিল। আফুৰ উৎপাদন আৰু বিক্ৰী সম্পূৰ্ণ ৰূপে ইষ্ট ইণ্ডিয়া কোম্পানীৰ নিয়ন্ত্ৰণত আছিল, যাক প্ৰধানকৈ চীনলৈ ৰপ্তানি কৰা হৈছিল। মাইকেল গ্ৰীণবাৰ্গে মন্তব্য আগবঢ়াইছে 'বেংগলৰ একচেটীয়া আফু খেতি/বেপাৰ ক্লাইৱৰ বিজয়ৰ উপহাৰ আছিল।' আফু খেতিয়কক বেয়া/কম (unattractive) মূল্য আগবঢ়ো হৈছিল আৰু উৎপাদনৰ এক নিৰ্দিষ্ট স্তৰ অব্যাহত ৰাখিবলৈ জোৰ দিয়া হৈছিল। বিহাৰৰ কয়ৰী (koeri) জাতি যি সৰহ সংখ্যক আফু খেতিয়কক প্ৰতিনিধিত্ব কৰিছিল- মাহতুচ (mahatoos) অথবা গ্ৰাম্য প্ৰধানৰ প্ৰভাৱৰ দ্বাৰা আফু খেতি কৰিবলৈ বাধ্য কৰিছিল, যি কৃষক সকলক সম্পূৰ্ণ অধীনত ৰাখিছিল। টেন চুঙে (Tan Chung) য়ে আফুৰ সম্পৰ্কত মন্তব্য আগবঢ়াইছিল-, বৃটেইন ভাৰত আৰু চীনক সাঙুৰি এক 'ত্ৰিপাক্ষিক বাণিজ্যৰ' দৰে আছিল। ১৮৪৫-৪৬ বৰ্ষৰ পৰা ১৮৮৫-৮৬ বৰ্ষলৈ ২২ শতাংশ হাৰত আফু উৎপাদন বৃদ্ধি পাইছিল।

### → চাহ পাত (Tea)

আন্তঃৰাষ্ট্ৰীয় বজাৰত চীনৰ চাহপাতৰ একমাত্ৰ একচেটীয়া বাণিজ্য ৰোধ কৰিবলৈ বৃটিছসকলে ১৮৩৩ চনত ভাৰতত চাহপাতৰ খেতি আৰম্ভ কৰিছিল। চৰকাৰৰ প্ৰেৰণা আৰু চৰকাৰী সাহাৰ্য্যৰ অধীনত, একচেটীয়াভাৱে ইউৰোপীয় মালিকাধীনত চাহ খেতি দ্ৰুতভাৱে বৃদ্ধি পাইছিল। নীল আৰু আফুৰ দৰে চাহপাতো ৰপ্তানিৰ বাবে আৰম্ভ কৰা হৈছিল। এই বেপাৰো ইউৰোপীয় সকলৰ নিয়ন্ত্ৰণত আছিল। লাভ আৰু বিদেশত দৰমহাত এটা বৃহৎ অংশ পৰিশোধ কৰা হৈছিল আৰু বাগান মালিক সকলে ইয়াত আচুতীয়াকৈ কিছু অংশ ৰাখিছিল।

বনুৱাসকলৰ ওপৰত অত্যাচাৰ শোষণ অতি নিষ্ঠুৰ আছিল যে মগনীয়া সকলৰ বৰ্ণনাৰ দৰে আছিল। সাধাৰণতে দূৰ অঞ্চলৰ নিৰ্দোষী জনজাতীয় পুৰুষ আৰু মহিলাক চাহ বাগানৰ বনুৱা হিচাপে নিয়োগ নিযুক্তি

দিয়া হৈছিল ইয়াৰে কিছু সংখ্যক অতি অস্বাস্থ্যকৰ ঠাইত অৱস্থিত আছিল। এই বনুৱাসকলক বাগান মালিক সকলৰ নিযুক্তি সম্পৰ্কীয় এজেন্টৰ দ্বাৰা ভৱিষ্যতৰ সম্ভাৱনাৰ মিছা আশাৰ দ্বাৰা প্ৰতাৰিত হৈছিল। বাগানত নিযুক্তিৰ বাবে দীঘলীয়া যাত্ৰাত এই বনুৱাসকলৰ মৃত্যুৰ সংখ্যা 'ভয়লগা' আছিল আৰু এবাৰ তেওঁলোক বাগান আহি পোৱাৰ পাছত তেওঁলোক কাৰ্যত বহতীয়া হৈ পৰিছিল। ১৮৬৫ চনৰ আইনে বাগান মালিক সকলক বনুৱাক গ্ৰেপ্তাৰৰ ক্ষমতাৰে সশস্ত্ৰ প্ৰদান কৰিছিল যদিহে তেওঁলোকে সেইটো কৰিবলৈ প্ৰচেষ্টা চলায় তেওঁলোকক কাম কৰিবলৈ অস্বীকাৰ কৰিলে কাৰাবাস দিব পাৰিছিল। Buchanan (বচাননে) আঙুলিয়াই দেখুৱাইছে যে চাহৰ জিলাসমূহৰ প্ৰায় ৫০,০০০ কুলীৰ এটা দলৰ মাজত ১৩,৯০৫ জনৰ মৃত্যু হৈছিল আৰু ৪,৪২৫ জন ডেৰ বছৰৰ ভিতৰত হাবিত/জংঘলত পৰিত্যক্ত আৰু অন্তৰ্ধান হৈছিল। ভাইচৰয় কাৰ্জন সন্মত হৈছিল যে 'বহুতো বাগিচাত কঠোৰ, নিষ্ঠুৰ আৰু উদৰীয় (abdominal) ঘটনা চলি আছিল,' যে কুলীসকলে আইনে নিৰ্ধাৰণ কৰি দিয়া মজুৰিৰ নামত একোৱেই লাভ কৰা নাছিল।

→ **মৰাপাট (jute)**

শেহতীয়া উৎপত্তিৰ আন এটা নগদী শস্য আছিল মৰাপাট। ১৯ শ শতিকাৰ দ্বিতীয় ভাগত বেংগলত বহুলভাৱে মৰাপাটৰ খেতি কৰা হৈছিল। হুগলী নদীৰ দুয়োপাৰে মৰাপাট কল স্থাপন কৰাত কেঁচা সামগ্ৰী হিচাপে মৰাপাটৰ চাহিদা দ্ৰুতভাৱে বৃদ্ধি পাইছিল। কেঁচা মৰাপাটো ইংলেণ্ডৰ দাণ্ডী (Dundy) ৰ ফেক্টৰীলৈ কাৰখানালৈ ৰপ্তানি কৰা হৈছিল। ১৮৭৫ চনৰ পাছত মৰাপাটৰ চাহিদাৰ অৱকাশ মন্দাবস্তা আহি পৰিছিল আৰু উদ্যোগসমূহৰ লোকচান হৈছিল। বোম্বে আৰু মাদ্ৰাজৰ মহামাৰীৰ অৱস্থাই কঢ়িয়াই অনা চাউলৰ নাটনিয়ে কৃষকসকলে মৰাপাটৰ সলনি ধান উৎপাদন কৰিছিল।

### অগ্ৰগতি নিৰীক্ষণ

**খালী ঠাই পূৰ কৰক-**

প্ৰশ্ন ঃ ১ বৃটিছসকলৰ বলপ্ৰয়োগৰ ফলত..... আৰম্ভ কৰা হৈছিল।

প্ৰশ্ন ঃ ২ 'কুলীসকলে আইনে নিৰ্ধাৰণ কৰি দিয়া মজুৰিৰ দৰে একো লাভ কৰা নাছিল'- এই উক্তিটো আগবঢ়াইছিল.....।

প্ৰশ্ন ঃ ৩ .....'নীল বিদ্ৰোহ' বুলি কোৱা হয়।

প্ৰশ্ন ঃ ৪ ..... বেংগলত বহুলভাৱে মৰাপাট খেতি কৰা হৈছিল।

## ৭.৫ কৃষিৰ পৰা ৰপ্তানি অৰ্জন

কৃষিৰ বাণিজ্যিকীকৰণ বৃটিছ বাগান মালিক, বেপাৰী আৰু উৎপাদক সকলৰ বাবে লাভজনক হিচাপে প্ৰমাণিত হৈছিল যিসকলে বাণিজ্যিক কৃষি সামগ্ৰী এক দলিয়াই দিয়া (Throw away) মূল্যত লাভ কৰি বৃহৎ মাত্ৰাত লাভ আৰ্জন কৰাৰ সুযোগ পাইছিল, ই লগতে সূদখোৰ মহাজনসকলৰো বৃটিছৰ মধ্যভোগী হিচাপে কাম কৰি বৃহৎ মাত্ৰাত লাভ আৰ্জন কৰাত আংশিকভাৱে সহায় কৰিছিল। বাণিজ্যিকীকৰণে কৃষক সকলক বেপাৰী আৰু ব্যৱসায়ী সকলৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছিল যি এক চুক্তিত কৃষকসকলে তেওঁলোকৰ উৎপাদিত শস্য

ধন ধাৰে দিয়া লোকসকলক তেওঁলোকে নির্ধাৰণ কৰি দিয়া দামত বিক্রী কৰিব। কৃষক সকলে শস্য চপোৱাৰ পাছত তেওঁলোকে যিকোনো মূল্যত তেওঁলোকৰ উৎপাদিত শস্য বিক্রী কৰিবলৈ বাধ্য হৈছিল। যিহেতু কৃষকসকলে চৰকাৰ ভূস্বামী আৰু সূদখোৰ মহাজনৰ দাবী পূৰণ কৰিবলগীয়া হৈছিল। এনেকৈ কৃষকসকলৰ উৎপাদিত শস্যক ব্যৱসায়ী সকলৰ ওচৰত 'বন্ধকত' থ'ব লগা হৈছিল যি কৃষক সকলক লোণৰ জড়িয়তে পুঁজি বিনিয়োগ কৰিছিল। এই নতুন সূদখোৰ সকলৰ কৃষকৰ উৎপাদিত শস্যৰ ওপৰত গভীৰ সম্বন্ধ (concern) আৰু নিয়ন্ত্রণ আছিল।

নগদী শস্য উৎপন্ন কৰি কৃষকসকলৰ লাভৰ অংশ গুৰুত্বপূর্ণভাৱে বৃদ্ধি পোৱা নাছিল। লাভৰ অংশ যিয়েই নহওঁক সূদখোৰ সকলৰ জেপলৈ (pocket) গৈছিল যিহেতু উৎপাদিত সকলে আংশিক বা সম্পূর্ণভাৱে সূদখোৰ সকলে আগতীয়াকৈ নির্দ্ধাৰণ কৰি দিয়া হাৰত তেওঁলোকৰ শস্য বিক্রী কৰিবলৈ বাধ্য হৈছিল। সামগ্রীৰ বিক্রীৰ প্রক্রিয়াত সার্বজনীন দামৰ হ্রাস বৃদ্ধিৰ/উঠা-নমাৰ (fluctuation) কোনো প্রভাৱ পৰা নাছিল।

নগদী শস্যত ধন ধাৰে দিয়া সকল প্রধানকৈ ইংৰাজ বেপাৰী আৰু ব্যৱসায়ী আছিল। তেওঁলোকৰ বর্হি বাণিজ্য, জাহাজ, বীমা আৰু বেংক আদিৰ ওপৰত নিমন্ত্রণ আছিল। তেওঁলোক নগদী শস্যৰ প্রকৃত হিতাধিকাৰী আছিল। লাভৰ এটা অংশ অৱশ্যে কম পৰিমাণত মহাজন, দালাল, মধ্যভোগী আৰু মজুতকাৰী (stockists) সকলো লাভ কৰিছিল। কিছুসংখ্যক কৃষক যি ইতিমধ্যে ধনী শ্রেণীৰ আছিল, তেওঁলোকো আগধন প্রদানৰ ব্যৱস্থাটোৰ পৰা লাভৱান হৈছিল। পঞ্জাৱৰ ধনী শ্রেণীৰ ঘেঁহু উৎপাদক সকলে কিছু লাভ অর্জন কৰিবলৈ সক্ষম হৈছিল। যিহেতু তেওঁলোকে তেওঁলোকৰ পথাৰত শস্য উৎপাদন কৰিবলৈ ধাৰে/ঋণ লোৱা ধনৰ ওপৰত ভৰসা কৰিব লগা নহৈছিল।

বৃটিছ শাসনৰ সময়ত কৃষক সম্প্রদায় ক্রমান্বয়ে অগ্রগতিত বর্দ্ধিত কৰ আৰু ভাড়াৰ বোজাত পীড়িত হ'ব লগা হৈছিল। জনসংখ্যা বৃদ্ধিৰ কাৰণে ভূমিৰ ওপৰত হেঁচা/বোজা অনিবার্য হৈ পৰিছিল। এটা শব্দত কৃষিভূমিৰ চাহিদা বৃদ্ধি পাইছিল যি সময়ত ভূমি সীমিত হৈ পৰিছিল। ১৮৯১-৯২ চনত এজন কৃষকৰ জনমূৰি ভূমি ২.২৩ হেক্টৰ আছিল। ১৯৩৯-৪০ চনত ইং ১.৯০ লৈ অৱনমিত হৈছিল।

ভাৰতীয় লোকে শোচনীয়ভাৱে পিড়ীত হ'ব লগা হৈছিল। ইয়াৰ পৰিণতিত খাদ্য শস্য উৎ পন্ন কৰা অঞ্চল ঠাই সংকুচিত হৈ পৰিছিল যিহেতু খাদ্য শস্যৰ ঠাইত বাণিজ্যিক অনা-খাদ্য শস্য প্রতিস্থাপন (substitution) কৰা হৈছিল। ১৮৯৪ ৰ পৰা ১৯৪৬ চনৰ সময়চোৱাত বাণিজ্যিক শস্যৰ উৎপাদন ৮৫শতাংশ বৃদ্ধি পাইছিল আৰু খাদ্য শস্যৰ সাংঘাতিকভাৱে নিম্নগামী হৈছিল। গ্রাম্য অর্থনীতিত ইয়াৰ সাংঘাটিক প্রভাৱ পৰিছিল আৰু মাজে সময়ে মহামাৰীৰ ৰূপ ধাৰণ কৰিছিল। কৃষিত বাণিজ্যিক বিপ্লৱৰ ফলত বতৰৰ অৱস্থা, মাটি ইত্যাদিৰ ওপৰত ভিত্তি কৰি অঞ্চল ভিত্তিত নির্দিষ্ট শস্য উৎপন্ন উৎপাদন কৰা হৈছিল যেনে বোম্বেত কপাহ, বেংগলত মৰাপাট আৰু অসমত চাহপাতত গুৰুত্ব আৰোপ কৰা হৈছিল।

কৃষিৰ বাণিজ্যিকীকৰণে কৃষিখণ্ডৰ বিশ্বৰ বজাৰৰ লগত যোগসূত্র স্থাপন কৰিছিল। বিশ্বৰ বজাৰত মূল্যৰ আন্দোলন (movement) আৰু ব্যৱসায়ৰ উঠা-নমা। উত্থান-পতনে ভাৰতীয় কৃষকৰ ভাগ্যক প্রভাৱিত কৰিছিল। কৃষিৰ বাণিজিকীকৰণৰ মিশ্র প্রভাৱ আছিল। যি সময়ত ইংলেণ্ডৰ শিল্প বিপ্লৱত সহায় কৰিছিল, একে সময়তে ভাৰতৰ স্ব-নির্ভৰশীল গ্রাম্য অর্থনীতি ভাঙি দিছিল/পেলাইছিল। বাণিজ্যিকীকৰণৰ আটাইতকৈ বেয়া প্রভাৱ আছিল ইউৰোপীয় সকলৰ হাতত ভাৰতীয় কৃষকসক পীড়িত হ'বলগীয়া হোৱাটো, যি অৱশেষত নীল বিপ্লৱৰ দৰে কৃষক বিদ্রোহত ইয়াৰ বহিপ্রকাশ ঘটিছিল। কৃষিৰ বাণিজ্যিকীকৰণে ভাৰতৰ গ্রাম্য অর্থনীতিত কিছু ধনাত্মক প্রভাৱো

পেলাইছিল ই সূচাৰু ৰূপত অঞ্চল ভিত্তিত শস্যৰ নির্দিষ্টকৰণ/নির্বাচন কঢ়িয়াই আনিছিল।

প্ৰথম আছিল কৃষিৰ ওপৰত নির্ভৰতা বৃদ্ধি পোৱা কৃষিকার্যত জড়িত জনসংখ্যাৰ শতকৰা হাৰ ১৮৯১ চনৰ ৬১ শতাংশ পৰা ১৯২১ চনত ৭৩ শতাংশলৈ বৃদ্ধি পাইছিল। অন্যহাতেদি, উদ্যোগৰ ওপৰত নির্ভৰশীল জনসংখ্যাৰ শতকৰা হাৰ ১৯১১ চনৰ ৫.৫ শতাংশ ৰ পৰা ১৯২১ চনত ৪.৯ শতাংশ লৈ অৱনমিত হৈছিল।

দ্বিতীয়তে, জর্জ ব্লাইনিছৰ (George Blynis) গৱেষনাত দেখুৱাইছে যে ১৯১১-৪৭ ৰ সময়চোৱাত জনমুৰি কৃষি উৎপাদন কৰি ০.৭২ শতাংশ অৱনতি ঘটিছিল। একে সময়চোৱাত জনমুৰি খাদ্য শস্যৰ উৎপাদন ২৯ শতাংশৰ অৱনতি ঘটিছিল। ১৮৯২-৯৩ আৰু ১৯১৯-২০ বর্ষৰ মাজত, খাদ্য শস্য উৎপাদনৰ অঞ্চল (area) ৪৩ শতাংশ বৃদ্ধি পাইছিল। অমিয়া বাগচীৰ (Amiya Bagchi) মূল্যায়নে/মূল্যাংকনে দেখুৱাইছে যে, বানিজ্যিক শস্যাৰ মূল্য প্ৰতি হেক্টৰত ৩৬.৭ ৰ পৰা ৩৭.৯ লৈ বৃদ্ধি পাইছিল যি সময়ত খাদ্য শস্যৰ ২৫.৪ ৰ পৰা ২২.৭ লৈ অৱনমিত হৈছিল।

এই পৰিসংখ্যাই প্ৰকাশ কৰে যে বৃটিছ শাসনৰ অধীনত কৃষি ব্যৱস্থা স্থবিৰ আৰু আনকি বছৰ বছৰ জুৰি শোচনীয় হৈ পৰিছিল। আচলতে/প্ৰকৃততে, কৃষিৰ ওপৰত ভৰষা বৃদ্ধি আৰু ৰপ্তানিকাৰী হিচাপে অনা খাদ্য শস্যত গুৰুত্ব বৃদ্ধি বৃটিছ সাম্ৰাজ্যবাদী নীতিৰ প্ৰত্যক্ষ ফলাফল আছিল, তাৰ যোগেদি ভাৰতক এক বজাৰ আৰু কেঁচা সামগ্ৰীৰ বজাৰ হিচাপে গঢ়ি তুলিছিল। এনেকৈ সামগ্ৰিকভাৱে ঔপনিবেশিক গাঁথনিটো ভাৰতৰ গ্ৰাম্য অর্থনীতিৰ কাৰণে এক (built-in-depressor) হৈ পৰিছিল/উঠিছিল।

## অগ্ৰগতি নিৰীক্ষণ

**তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক-**

প্ৰশ্ন ৫ ভাৰতীয় গ্ৰাম্য অর্থনীতিত কৃষিৰ বাণিজ্যিকীকৰণৰ এটা ধনাত্মক প্ৰভাৱ উল্লেখ কৰক।

.....

প্ৰশ্ন ৬ কৃষিখণ্ডৰ বাণিজ্যিকীকৰণ আৰু ইয়াৰ প্ৰভাৱৰ ওপৰত অমিয়া বাগচীৰ পর্যবেক্ষন/নিৰীক্ষণ কি আছিল।

.....

## ১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো যে-

- কৃষিৰ বাণিজ্যিকীকৰণে ভাৰতৰ গ্ৰাম্য অর্থনীতিলৈ সাংঘটিক পৰিৱর্তন আনিছিল।
- ১৯ শ শতিকাত ভাৰতৰ অর্থনীতিৰৰ প্ৰকৃতিত এক নতুন আৰ্হিৰ শোষণ কঢ়িয়াই অনা হৈছিল। গ্ৰাম্য সম্প্ৰদায়ৰ স্ব-নির্ভৰশীলতাই মৃত্যু আঘাট লভিছিল/মৃত্যু ঘন্টা বাজিছিল। কৃষি আৰু উদ্যোগৰ সংঘ/ঐক্য (Union) ছিন্ন ভিন্ন হৈ পৰিছিল। অনা-উদ্যোগীকৰণ বি- উদ্যোগীকৰণ সম্পূর্ণ হৈছিল।

## ৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Chandra Bipan (2009), *History of Modern India*. Orient Blackswan, New Delhi, India.
2. Chandra Bipan (2005), *Essays in Colonialism.* Orient Longman, New Delhi, India.
3. Maiti P and Saha, P.K (2012) *Modern India : 1707-1947 A.D,* Sreedhar Publisher, Kolkata : India
4. Dutta R.C. (2002) *The Economic History of India under Early British Rule,* Trubner & CO, London, UK.

## ৭.৮ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** নগদী শস্য/কৃষি বাণিজ্যিকীকৰণ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ভাইচৰয় কার্জন।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** নীল বিদ্রোহ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯ শ শতিকাৰ দ্বিতীয়ার্দ্ধত।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** ই ভাৰতৰ বিশ্ব অর্থনীতিৰ লগত যোগসূত্ৰ স্থাপন কৰিছিল।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** অমিয়া বাগচীয়ে পর্য্যবেক্ষন কৰিছিল যে বাণিজ্য শস্যৰ প্ৰতি হেক্টৰ মূল্য বৃদ্ধি পাইছিল যি সময়ত খাদ্য শস্যৰ নগণ্যভাৱে অৱনতি ঘটিছিল।

## ৭.৯ আৰ্হি প্ৰশ্ন

**ক) অতি চমু প্ৰশ্ন**

১) কিহে নীল খেতিৰ পতন আনিছিল/ঘটাইছিল?

২) মাহতুচ Mahtoos সকল কোন আছিল?

**খ) চমু প্ৰশ্ন**

১) নীল বিপ্লৱৰ Blue Mutiny ৰ ওপৰত চমুটোকা লিখক।

২) কৃষিৰ বাণিজ্যিকীকৰণৰ ফলত কোন আৰু কেনেকৈ লাভবান হৈছিল?

**গ) ৰচনাধর্মী প্ৰশ্ন ঃ**

১) নগদী শস্যৰ চাহিদা বৃদ্ধি আৰু কৃষকৰ ওপৰত ইয়াৰ প্ৰভাৱ বর্ণনা কৰক।

২) ভাৰতৰ কৃষিৰ ওপৰত বৃটিছ সকলে অনুসৰণ কৰা নীতিৰ প্ৰভাৱ আলোচনা কৰক।

** *** **

# অধ্যায় ৮ ঃ ঔপনিৱেশিক ভাৰতত যোগাযোগ ব্যৱস্থাৰ বিকাশ

## অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ বাট-পথৰ বিকাশ
৮.৪ ৰে'লপথ
৮.৫ বন্দৰ আৰু জলপথ
৮.৬ ডাক আৰু টেলিগ্ৰাফ সেৱা
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্ৰগতিৰ খতিয়ান
৮.১০ আৰ্হি প্ৰশ্ন

## ৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঔপনিবেশীয় যুগত ভাৰতৰ যোগাযোগ ব্যৱস্থাৰ ব্যাখ্যা কৰিব পাৰিব,
- বাট-পথৰ অৱস্থা আৰু বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- ৰে'ল ব্যৱস্থাৰ উন্নতি আৰু বিকাশৰ বিষয়ে আলোচনাকৰিব পাৰিব,
- বন্দৰ আৰু জলপথৰ বিষয়ে চমু আলোচনা কৰিব পাৰিব,
- ডাক আৰু টেলিগ্ৰাফ সেৱাৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব ।

## ৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি কৃষিৰ বাণিজ্যিকৰণৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়ত আমি ঔপনিৱেশিক শাসন কালত ভাৰতত যোগাযোগ ব্যৱস্থাৰ বিকাশৰ বিষয়ে আলোচনা কৰিম। সামৰিক, শাসন, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু সামাজিক দৃষ্টিকোণৰ পৰা যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতি অতি গুৰুত্বপূৰ্ণ বিষয়। এখন উপ-মহাদেশীয় আয়তন হিচাপে ভাৰতৰ ঠাইবোৰৰ দূৰত্ব পথালিয়ে যথেষ্ট বেছি। এটা অঞ্চলৰ পৰা আন এটা অঞ্চললৈ যাতায়ত কৰোঁতে ভালেমান প্ৰাকৃতিক বাধাও পোৱা যায়। বাৰিষা বতৰত যাতায়াত ব্যৱস্থা অতি শোচনীয় হৈ পৰে। ভাৰতৰ উপকূলীয় ৰেখা অতি দীঘল আৰু সাগৰেৰে যোগাযোগৰ যথেষ্ট সম্ভাৱনা আছে। ভাৰতৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিৰ এক আলোচনা হোৱা প্ৰয়োজন। ব্ৰিটিছ ভাৰতৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাত নিম্নোক্ত বিকাশসমূহ দেখা পোৱা যায়—

- নদীসমূহত ভাপ জাহাজৰ আৰম্ভণি
- বাট-পথৰ উন্নতি আৰু নিৰ্মাণ
- ৰে'ল ব্যৱস্থাৰ আৰম্ভণি
- আধুনিক ডাক আৰু টেলিগ্ৰাফ সেৱাৰ আৰম্ভণি

## ৮.৩ বাট-পথৰ বিকাশ

যোৱা শতিকাৰ মাজভাগলৈকে ভাৰতৰ পথ-যাতায়াত অৱস্থা সমূলি সন্তোষজনক নাছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বাট-পথৰ উন্নতিৰ বাবে একো মনোযোগ দিয়া নাছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ এই অমনোযোগিতাৰ বাবে, সাধাৰণতে বাট-পথৰ তদাৰক কৰা বিভাগ গড়কাপ্তানি বিভাগৰ পৰিৱৰ্তে প্ৰভিন্সিয়েল মিলিটেৰী বোৰ্ডক বাট-পথৰ উন্নতিৰ দায়িত্ব দিয়া হৈছিল। কোনো কোনো ব্যক্তিগত প্ৰশাসনেও অৱশ্যে বাট-পথৰ উন্নতিৰ ক্ষেত্ৰত মনোযোগ দিছিল। এনেকৈ, উইলিয়াম বেণ্টিংকে উত্তৰ ভাৰতৰ পৰা বংগলৈ এটা ঘাইপথ নিৰ্মাণৰ ধাৰণা উলিয়াইছিল। ইয়াৰ ফলতে গ্ৰেণ্ড ট্ৰাংক ৰোড সাজি উলিওৱা হ'ল। লৰ্ড ডেলহাউছিৰ শাসনকালত ভাৰতে বাট-পথ নিৰ্মাণৰ এক নতুন অধ্যায়ৰ সূচনা কৰে। ১৮৫০ চনৰ পিছত ৰে'লপথ বিভাগেও বাট-পথ নিৰ্মাণত হাত আগবঢ়ায়। এইক্ষেত্ৰত বাট-পথ ৰে'লপথৰ প্ৰতিদ্বন্দ্বী স্বৰূপে হৈ উঠা নাছিল বৰং ৰে'লপথৰ প্ৰসাৰৰ বাবে বাট-পথ নিৰ্মাণ জৰুৰী হৈ পৰিছিল। ৰে'লপথৰ সমান্তৰালভাৱে ৰাষ্ট্ৰীয় ঘাইপথবোৰ গৈ আছিল।

লৰ্ড মেয়ো আৰু লৰ্ড ৰিপণৰ প্ৰগতিবাদী আঁচনিবোৰে স্থানীয় স্বায়ত্ত শাসনৰ ক্ষেত্ৰত বাট-পথৰ দায়িত্ব স্থানীয় গোটৰ অধীনলৈ দিয়ে। এই কথাই বাট-পথৰ উন্নতিৰ কোনো কোনো ক্ষেত্ৰত উত্তেজকৰ দৰে কাম কৰে। অধিক বাট-পথৰ উন্নতি পৰীক্ষা কৰিবলৈ ১৯২৭ চনত চৰকাৰে ৰোড ডেভেলপমেণ্ট কমিটী গঠন কৰে। এই কমিটীয়ে কেন্দ্ৰীয় চৰকাৰক গ্ৰেণ্ড ট্ৰাংক ৰোডৰ নিৰ্মাণ আৰু তদাৰকৰ বাবে আৰু ৰাজ্যিক চৰকাৰ আৰু স্থানীয় গোটক বাকী থকা আন আন বাট-পথবোৰ চোৱাচিতা কৰিবৰ বাবে দায়িত্ব আগবঢ়ায়। কিন্তু বাট-পথৰ প্ৰকৃত উন্নতিৰ দিশটো যথেষ্ট লেহেমীয়া আছিল। কাৰণ ভূমি অধিগ্ৰহণত পলম, চিমেণ্ট, ষ্টীল আদি বাট-পথ নিৰ্মাণৰ বিভিন্ন সামগ্ৰী সংগ্ৰহত অসুবিধা, কুশলী লোকৰ অভাৱ, বাট-পথ নিৰ্মাণৰ যন্ত্ৰ-পাতিবোৰ ৰে'ল বিভাগে দিয়াত পলম কৰা আদিৰ উপৰি আটাইতকৈ গুৰুত্বপূৰ্ণ অসুবিধাটো আছিল বাট-পথ নিৰ্মাণৰ ক্ষেত্ৰত পুঁজিৰ অভাৱ।

জিলা আৰু গাঁৱৰ বাট-পথবোৰৰ একো উন্নতি হোৱা নাছিল ৰৱং মানুহৰ যাতায়াত আৰু কৃষি বাণিজ্যিক শস্যৰ সৰৱৰাহে সৃষ্টি কৰা যান-জঁটৰ বৃদ্ধি আৰু স্থানীয় গোটৰ সীমিত আৰ্থিক সম্পদৰ ফলত ইবিলাকৰ অৱনতিহে হৈছিল। সাংঘাটিক ধৰণে বাঢ়ি অহা গাড়ী-মটৰবোৰৰ ফলত প্ৰথম মহাযুদ্ধৰ শেষৰ ফালে বাট-পথৰ নিৰ্মাণ আৰু তদাৰকৰ বাবে নতুন অসুবিধাৰ সৃষ্টি হৈছিল। ইয়াত কোনো সন্দেহ নাই যে, ভাৰতৰ দৰে দেশ এখনত মানুহ আৰু বয়-বস্তু অনা-নিয়া কৰাত গাড়ী-মটৰৰ যথেষ্ট সুবিধা আছে। আনকি পাহাৰীয়া ঠাইবোৰত য'ত ৰে'লপথ নিৰ্মণ অসম্ভৱ বা খৰচ যথেষ্ট বেছি, তেনে ঠাইত আলিবাট নিৰ্মাণ কৰিব পৰা যায়। চহৰৰ চুবুৰীয়া ঠাইবোৰত গাড়ী-মটৰবোৰৰ যথেষ্ট সুবিধা আছে।

## অগ্রগতি নিৰীক্ষণ

**তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়া —**

**প্রশ্ন নং ১ ঃ** কাৰ শাসনকালত ভাৰতত বাট-পথ নির্মাণৰ নতুন যুগৰ সূচনা হয়?

.....

**প্রশ্ন নং ২ ঃ** কোন পথ ৰে'লপথৰ সৈতে সমান্তৰালকৈ আছিল?

.....

## ৮.৪ ৰে'লপথ

ভাৰতৰ ওপৰত ব্রিটিছৰ ৰাজনৈতিক আৰু অর্থনৈতিক আধিপত্যৰ ফলতে ৰে'ল উদ্যোগ গঢ়ি উঠে। ভাৰতত ৰে'লপথ নির্মাণৰ বাবে প্রথম প্রস্তাৱ আহে ১৮৪৩-৪৪ চনত। ১৮৫৩ চনত বোম্বাই আৰু থানেৰ মাজত প্রথমটো ৰে'ল লাইন মুকলি কৰা হয়। ১৮৫৫ চনত কলিকতা আৰু ৰাণীগঞ্জৰৰ মাজত ১২১ মাইল দূৰত্বৰ ৰে'লপথ নির্মাণ কৰা হয়। ১৮৫৬ চনৰ মাদ্রাজ ৰে'লৱেই মাদ্রাজ আৰু আৰকটৰ মাজত ৬৫ মাইল দূৰত্বৰ ৰে'লপথ নির্মাণ কৰে। ১৮৫৩ চনত, লর্ড ডেলহাউচিয়ে সমগ্র দেশতে ৰে'লপথ নির্মাণৰ প্রস্তাৱ আগবঢ়ায়। তেওঁৰ শাসনাধীন এলেকাৰ সকলো ভিতৰুৱা ঠাই বন্দৰৰ সৈতে সংযোগ কৰিব বিচাৰিছিল। ১৮৬৯ চনলৈকে এক গে�ৰাণ্টি ব্যৱস্থাৰ অধীনত জইণ্ট ষ্টক কোম্পানীয়ে ৰে'ল লাইনবোৰ নির্মাণ কৰে। অৱশেষত জইণ্ট ষ্টক কোম্পানীক ত্যাগ কৰা হয় আৰু ধাৰ কৰা পুঁজিৰে দেশৰ নিজৰ এজেন্সীবোৰে ৰে'লপথ নির্মাণৰ সিদ্ধান্ত লয়। ১৮৬৯ চনৰ পৰা ১৮৮০ চনলৈকে ৰে'লপথবোৰ সিন্ধু উপত্যকা, পঞ্জাব, উত্তৰ ৰাজপুতনা, মালৱা আৰু উত্তৰ বংগত ৰাজ্যৰ এজেন্সীবোৰে প্রত্যক্ষভাৱে নির্মাণ কৰিছিল। ১৮৮০ চনৰ পিছত গেৰাণ্টি ব্যৱস্থাৰ পুনৰাগমন হয় যদিও এইবাৰ ব্যৱস্থাবোৰ আগতকৈ সহজ আছিল। সেয়ে চৰকাৰে নিয়মীয়াকৈ কিছুমান লাইন নিজে ক্রয় কৰিছিল আৰু বাকী থকাবোৰ কোম্পানীলৈ এৰি দিছিল।

## জানি থোৱা ভাল

ৰাজ্যৰ এজেন্সীবোৰে প্রত্যক্ষভাৱে নির্মাণ কৰা ৰে'লপথবোৰ —

(১) সিন্ধু উপত্যকা

(২) উত্তৰ পঞ্জাৱ

(৩) ৰাজপুতনা

(৪) মালৱা

(৫) উত্তৰ বংগ

১৮৭৫ চনৰ ভিতৰত মুখ্য ঠাইবোৰ ট্রাংক লাইনৰ সৈতে সংযুক্ত হৈ পৰিল। ১৮৭০ চনত জব্বলপুৰ হৈ বোম্বাই আৰু কলিকতা সংযোগ কৰা হ'ল; বোম্বাই আৰু মাদ্রাজ ১৮৭১ চনত; কলিকতা আৰু দিল্লী ১৮৬৭ চনত। ছত্তিশগড়লৈ গুৰুত্বপূর্ণ মালবাহী লাইন আহিল ১৮৮০ চনত। ১৯০০ চনৰ ভিতৰত ভাৰতীয় ৰে'ল সেৱাই ২৫,০০০ মাইল সম্পূর্ণ কৰি মুখ্য ঠাইবোৰ সংযোগ কৰিলে। ১৯১৪ চনত আৰু ১০,০০০ মাইল সংযোগ কৰা

হ'ল। ১৯১৫ চনত, এজন চেয়াৰমেন আৰু দুজন সদস্যৰে ৰে'লৱে বোৰ্ড স্থাপন কৰা হ'ল। প্ৰথম মহাযুদ্ধৰ সময়লৈকে ৰে'ল লাইনৰ দ্ৰুত সম্প্ৰসাৰণ হৈছিল যদিও মহাযুদ্ধই এই প্ৰসাৰতাত বাধা দিয়ে। ৰাইজৰ বিপুল দাবীত ভাৰত চৰকাৰে পূব ভাৰতীয় ৰে'লৱে আৰু বৃহৎ ভাৰতীয় উপদ্বীপ ৰে'লৱে বিভাগক ১৯২৫ চনত, বাৰ্মা ৰে'লৱেক ১৯২৯ চনত আৰু দক্ষিণ পঞ্জাব ৰে'লৱে বিভাগক ১৯৩০ চনত প্ৰত্যক্ষভাৱে দায়িত্বভাৰ অৰ্পণ কৰে। ১৯২৫ চনত ৰে'লৱে বোৰ্ড পঞ্জীকৃত হয় আৰু কেন্দ্ৰীয় বাজেটৰ পৰা ৰে'লৱে বাজেট পৃথক কৰা হয়।

ভাৰতত ৰে'লৱেৰ উত্তৰণৰ যথেষ্ট গুৰুত্ব আছে। ৰে'লৱেৰ আৰম্ভণিয়ে মানুহৰ জীৱনৰ আৰ্থ-সামাজিক দিশলৈ এক বিপ্লৱৰ জোঁৱাৰ আনিছিল। ৰে'লৱেৰ ফলত যোগাযোগ ব্যৱস্থা যথেষ্ট খৰতকীয়া আৰু আৰামদায়ক হৈ পৰিল। এটা অঞ্চলৰ ৰাহি যে যোৱা সামগ্ৰী সৰবৰাহৰ বাবে আন এঠাইলৈ পঠাব পৰা হ'ল। ভাৰতীয় উদ্যোগৰ, বিশেষকৈ কয়লা আৰু কঁপাহ উদ্যোগৰ উন্নতিত ৰে'লৱেৰ ভালেখিনি অৱিহণা আছে। কৃষি আৰু কাৰখানাবোৰত হোৱা উৎপাদন ৰে'লৱেই যোগান ধৰা কয়লা শক্তিৰ বাবেহে সম্ভৱ হ'ল। অৱশেষত, ৰে'লৱে বিভাগেই ভাৰতৰ আধুনিক উদ্যোগ সম্ভৱ কৰি তুলিলে। ৰে'লৱেৰ সহায়তে কেঁচা কৃষিজাত দ্ৰব্যৰ এক বৃহৎ পৰিমাণৰ ৰপ্তানি বজাৰৰ উন্নতি হ'ল।

উপ-মহাদেশতখনত ৰে'লৱে বিভাগে যথেষ্টসংখ্যক শ্ৰমিকক নিয়োগ কৰিছে। তথাপিও এই জোৰা-টাপলি মৰা উন্নতিৰ কিছুমান অসুবিধা আছিল। বিভিন্ন কোম্পানীয়ে মূল জংচনকেইটালৈ বিভিন্ন ধৰণৰ ৰে'লৱে লাইনৰ ব্যৱহাৰ কৰিছিল। কিন্তু এই লাইনবোৰ কোনো পৰিকল্পনা কৰি নিৰ্মাণ কৰা হোৱা নাছিল। এইবোৰে এখন ঐক্যবদ্ধ ভাৰতৰ চানেকি লৈ গাইগুটীয়া অৰ্থনৈতিক গোট হিচাপে প্ৰতিপন্ন কৰিব বিচাৰিছিল। কিন্তু ইয়াৰ ফলত সামৰিক নিয়ন্ত্ৰণ, দুৰ্ভিক্ষ নিৰাময় আৰু বৈদেশিক বাণিজ্য মুকলি কৰিব পাৰ নাছিল। এটা অঞ্চলৰ পৰা আন এটা অঞ্চলৰ পৰিৱৰ্তে উপকূলক পশ্চাদভূমিৰ সৈতে সংযোগ কৰিবৰ বাবেহে ভালেমান লাইন নিৰ্মাণ কৰা হৈছিল। ইয়াৰ ফলত ভিতৰুৱা বাণিজ্যত অসুবিধা হৈছিল আৰু ফলস্বৰূপে উপকূলীয় অঞ্চলত উদ্যোগসমূহত কেন্দ্ৰীভূত হৈছিল। ৰে'লৱে লাইনৰ নিৰ্মাণে স্বভাৱিক জল-নিৰ্গমন ব্যৱস্থাত ব্যাঘাত দিয়া, বৃহৎ অঞ্চলৰ বনাঞ্চল ধ্বংস কৰা আদি ভালেমান পৰিপাৰ্শ্বিক বিজ্ঞান সম্বন্ধীয় অসুবিধাৰ সৃষ্টি কৰিছিল। সমগ্ৰ ভাৰতক বিশ্ব অৰ্থনীতিৰ আওতালৈ অনা হৈছিল।

উদ্যোগৰ উন্নীতকৰণৰ ৰে'ল বিভাগ হৈছে এক শক্তিশালী সহায়ক। জাপান আৰু জাৰ্মানীৰ দৰে ভালেমান ঔদ্যোগিক উন্নয়নৰ বাবে ৰে'ল বিভাগৰ বিভিন্ন আঁচনি প্ৰৱৰ্তন কৰা হৈছিল। যেতিয়া ভাৰতত ৰে'ল লাইন বহুওৱাৰ কাম আৰম্ভ কৰা হৈছিল, তেতিয়া মাৰ্ক্সৰ সুৰত কোৱা হৈছিল যে এই ব্যৱস্থা হৈছে 'সঁচাকৈয়ে আধুনিক উদ্যোগৰ পূৰ্বাভাস।'

**ৰে'লপথৰ বিকাশৰ পৰিণাম হ'ল—**

(ক) দেশখন ঘনীভূত হোৱাত পৃষ্ঠপোষকতা।

(খ) এক দেশ এক মানুহৰ ধাৰণা শক্তিশালী হৈ পৰিল কাৰণে ভ্ৰমণে বিভিন্ন ঠাইৰ বিভিন্ন মানুহৰ লগত যোগাযোগ বৃদ্ধি কৰে।

(গ) পাৰ্থক্য আৰু সমীভৱন দ্ৰুত গতিত আঁতৰিল। ই সামাজিক সচলতাত অত্যাৱশ্যকীয়, যি জাতীয় সজাগতা সৃষ্টিৰ এক শক্তিশালী আহিলা।

(ঙ) ই উৎপাদনত উৎসাহ বঢ়ায়। আভ্যন্তৰীণ আৰু বাহ্যিক বাণিজ্যৰ উন্নতি আনে।

### জানি থোৱা ভাল

ভাৰত চৰকাৰে প্ৰত্যক্ষ পৰিচালনা লয়—

- পূব ভাৰতীয় ৰে'লৱে— জানুৱাৰী,০১, ১৯২৫
- বৃহৎ ভাৰতীয় উপদ্বীপ ৰে'লৱে— জুন,০১, ১৯২৫
- বাৰ্মা ৰে'লৱে— জানুৱাৰী,০১, ১৯২৯
- দক্ষিণ পঞ্জাব ৰে'লৱে— জানুৱাৰী,০১, ১৯৩০

## ৮.৫ বন্দৰ আৰু জলপথ

জল পৰিবহণৰ বুৰঞ্জী নিম্নোক্ত শিতানকেইটাৰ সৈতে জড়িত ঃ

(১) আভ্যন্তৰীণ জলপথ

(২) মহাসাগৰীয় জলপথ

**আভ্যন্তৰীণ জলপথ ঃ** ইংলেণ্ডৰ দৰে ভাৰতৰ নদীবোৰ প্ৰাকৃতিক জলপথৰ বাবে সুচল নহয়। যিদৰে উত্তৰ ভাৰতৰ নদীবোৰ (গংগা, যমুনা, ব্ৰহ্মপুত্ৰ) ইয়াৰ মোহনা অংশৰ পৰা শ শ মাইল নৌ পৰিবহণ সাধ্য, ই সাধাৰণতে দক্ষিণৰ নদীবোৰৰ ক্ষেত্ৰত নহয়। ইয়াৰে কিছুমান নৌ পৰিবহণ সাধ্য নহয় আৰু কিছুমানৰ মোহনা অংশতহে বা কিছুমানত বাৰিষাহে নৌ পৰিবহণ সাধ্য হয়। আভ্যন্তৰীণ জলপথৰ যদি উচিত উন্নতি হ'লহেঁতেন, তেন্তে ৰে'লৱে ব্যৱস্থাত হেঁচা কমিলহেঁতেন আৰু দেশৰ ক্ষুদ্ৰ পৰিবহণ সেৱাৰ অভাৱ পূৰ হ'লহেঁতেন। কোনো কোনো ক্ষেত্ৰত জলসিঞ্চনৰ বাবে ব্যৱহাৰ কৰা খালবোৰো জল পৰিবহণৰ কামত ব্যৱহাৰ কৰিব পৰা হ'লহেঁতেন। জাতীয় পৰিকল্পনা আয়োগে (১৯৩৮) প্ৰদেশ আৰু আন্তঃপ্ৰদেশ কমিছনৰ যোগেদি কৃষি আৰু উদ্যোগৰ সুবিধাৰ বাবে, নদী আৰু জলপথৰ নিয়মীয়াকৰণ, উন্নতি আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াইছিল। কেন্দ্ৰীয় জলপথ জলসিঞ্চন আৰু নৌ পৰিবহণ কমিছনে নতুন জলপথৰ নিৰ্মাণ বা পুৰণি জলপথৰ পুনৰ্জীৱীকৰণেৰে আভ্যন্তৰীণ জলপথৰ প্ৰসাৰৰ সম্ভাৱনীয়তা বাহিৰ কৰিছে।

**মহাসাগৰীয় জলপথ ঃ** ভাৰতে ইয়াৰ অনুকূল ভৌগোলিক অৱস্থিতি আৰু দীঘলীয়া উপকূলীয় অঞ্চলৰ বাবে বিশ্ব-বাণিজ্যত এক উল্লেখযোগ্য স্থান দখল কৰিবলৈ সক্ষম হৈছে। ১৯শ শতিকাৰ প্ৰায় আৰম্ভণিলৈকে ভাৰতক এখন বৃহৎ নাৱিক-বৃত্তিৰ দেশ বুলিব পৰা হৈছিল। ভাৰতৰ জাহাজ-নিৰ্মাণ ব্যৱস্থা অতি উন্নতমানৰ আছিল যে এই জাহাজবোৰে ব্ৰিটিছ নিৰ্মিত জাহাজৰ সৈতে টেমছ নদীত পাল তৰিব পাৰিছিল। তথাপিও কাঠেৰে তৈয়াৰী বিভিন্ন জাহাজৰ সুবিধা থকাৰ বাবে ভাৰত লোৱে তৈয়াৰী জাহাজৰ অন্তৰ্ভুক্তিৰ পৰা বঞ্চিত হৈছিল।

ভাৰতীয় জাহাজ নিগম নামৰ এক চৰকাৰী কোম্পানীয়ে ভাৰতৰ সামুদ্ৰিক জাহাজৰ গমনাগমনৰ লগতে উপকূলীয় আৰু জল পৰিবহণৰ যাতায়াতৰ আন্তঃগাঁথনি পৰিচালনা কৰে। এন্ন'ৰ, চেন্নাই আৰু তিউতিকৰিন— এই তিনিটা বন্দৰ থকা ভাৰতৰ একমাত্ৰ ৰাজ্যখন হৈছে তামিলনাড়ু।

## ৮.৬ ডাক আৰু টেলিগ্রাফ সেৱা

প্রাক্-মোগল আৰু মোগল যুগত প্রচলন থকা ডাক সেৱাত মানুহে ঘোঁৰাত উঠি বা খোজকাঢ়ি গৈ চিঠি-পত্র বিতৰণ কৰিছিল। এই ব্যৱস্থা ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ আগছোৱালৈকে আছিল। বর্তমানৰ ভাৰতত সর্বত্রতে সমানুপাতিক ডাক বিতৰণ আৰু ডাক টিকটৰ জৰিয়তে (আগৰ দিনত ধন দিয়া হৈছিল) ডাক মাচুল দিয়াৰ ব্যৱস্থা কৰে লর্ড ডেলহাউচিয়ে। ১৮৫৬ চনৰ তেওঁৰ কার্য বিৱৰণীত লর্ড ডেলহাউচিয়ে বর্ণনা কৰা মতে, দেশত প্রৱর্তন কৰা সমানুপাতিক ডাক বিতৰণ ভাৰতৰ এক বিপ্লৱৰূপে সর্বত্রতে বিয়পি পৰিল আৰু ৰাইজৰ উপকাৰ সাধিলে। লর্ড ডেলহাউচিৰ ৰাজত্বকালতে ভাৰতত বৈদ্যুতিক তাঁৰ সেৱাৰ প্রৱর্তন কৰা হয়। যোগাযোগৰ এই দ্রুত সেৱাৰ গুৰুত্বপূর্ণ মূল্য অচিৰেই ৰাইজে আদৰি ল'লে। Dr. W. O Shaughnessy-এ দাখিল কৰা আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ ডিৰেক্টৰে গ্রহণ কৰা এক প্রতিবেদনৰ ভিত্তিত ১৮৫৩ চনত কলিকতা আৰু আগ্রাৰ মাজত এক টেলিগ্রাফ লাইন বহুওৱা হ'ল। ১৮৫৪ চনৰ ২ মার্চত পঠোৱা প্রথমটো টেলিগ্রাফ বার্তাই প্রায় ৮০০ মাইল দূৰত্ব সামৰি লৈছিল। ১৮৫৫ চনৰ ভিতৰত প্রায় ৪০০০ মাইল টেলিগ্রাফ লাইন বহুওৱা হ'ল। ডাক, টেলিগ্রাফ আৰু টেলিফোন সেৱা দেশখনত যথেষ্ট স্থিৰ গতিৰে হৈছিল যদিও আন উন্নত দেশবোৰৰ তুলনাত, ভাৰতত এই গতি বৰ লেহেমীয়া আছিল। তাৰ ফলত, ১৯৫০-৫১ চনত টেলিগ্রাফ অফিচৰ সংখ্যা ডাঘৰৰ সংখ্যাৰ প্রায় এক চতুর্থাংশ আছিল। ডাক-তাঁৰ বিভাগে স্বাধীনোত্তৰ কালত ২০০জনতকৈ অধিক অধিবাসী থকা প্রতিখন গাঁৱতে একোটাকৈ ডাকঘৰ স্থাপন কৰাৰ পৰিকল্পনা কৰে। এই পৰিকল্পনাই দেশত টেলিগ্রাফ আৰু টেলিফোন সুবিধাৰ কথাও চিন্তা কৰিছিল।

**ডাকঘৰ ব্যৱস্থা ঃ**

ঔপনিবেশিক ভাৰতত ডাকঘৰৰ ব্যৱস্থাই কেৱল যোগাযোগৰ মাধ্যম হিচাপে আর্বিভূত হোৱা নাছিল, ই লাহে লাহে এক গুৰুত্বপূর্ণ অর্থনৈতিক আৰু বিত্তীয় প্রতিষ্ঠান হিচাপে বিকশিত হৈছিল। ইয়াৰ আৰম্ভণি পৰর্য্যায়ত (১৯ শতিকাৰ মাজভাগ) ঔপনিবেশিক ৰাষ্ট্রই বিশাল ভূখণ্ডৰ ৰাজকীয় শাসন আৰু প্রশাসনিক যোগাযোগৰ সুবিধা সৃষ্টিৰ বাবে মূলতঃ ডাকঘৰ স্থাপন কৰিছিল। যি কি নহওক, যেতিয়া নগৰ-চহৰ, গাওঁ আনকি দুর্গম স্থানকো ঢুকি পোৱাকৈ ভৌগোলিকভাৱে ডাকঘৰৰ আন্তঃসংযোগ (Network) সম্প্রসাৰিত হ'ল- তেতিয়া ই ব্যাপকভাৱে সামাজিক আৰু অর্থনৈতিক ভূমিকা গ্রহণ কৰিবলৈ আৰম্ভ কৰিলে। এনে ৰূপান্তৰৰ এটা মাইলৰ খুটি আছিল ১৯শ শতিকাৰ শেষভাগত মানি অর্ডাৰ চার্ভিছৰ (money order sevices) লগত পৰিচয় কৰাই দিয়াটো। এইটোৱে প্রৱ্রজিত শ্রমিকসকলক বা কর্মচাৰীসকলক ভাৰতৰ ভিতৰত আৰু বিদেশত থকা সত্বেও তেওঁলোকে নিৰাপদে নিজৰ উপার্জনৰ টকা (remittance) নিজৰ পৰিয়াল-পৰিজনলৈ পঠিয়াব পৰিছিল। টুম্বেৰ (Tumbe, 2015) মত অনুসৰি- এই ব্যৱস্থা (মানি অর্ডাৰ ইক'ন'মী) টকা পঠোৱা অর্থনীতিৰ মূল ভেটিস্বৰূপ হৈ পৰিছিল, ই শ্রমিকৰ প্রৱ্রজনক গ্রাম্য-জীৱনধাৰাৰ লগত সংযোগ কৰিলে আৰু প্রত্যাহিক অর্থনৈতিক জীৱনত ডাকঘৰ হৈ পৰিছিল আৱশ্যকীয় মধ্যস্থতাকাৰী। অন্য এক মুখ্য উন্নয়নমূলক কার্য্য আছিল ডাক সঞ্চয় আঁচনিৰ (postel saving schemes) বৃদ্ধি কৰাতো, যিয়ে সাধাৰণ মানুহৰ পৰা কম পৰিমাণত টকা জমা কৰোৱা হৈছিল। এনেধৰণৰ আঁচনিবোৰ বিশেষভাগে উল্লেখযোগ্য আছিল কাৰণ এনে আঁচনিয়ে আনুষ্ঠানিক বেংকিং বাদ দি, গ্রাম্য পৰিয়াল, নিম্ন-আয়ৰ গোট আৰু সৰু বা ক্ষুদ্র সঞ্চয়কাৰীৰ দৰে জনগণক সামৰি লৈছিল। সময়ৰ লগত ডাকঘৰ এক নিৰাপদ সঞ্চয়ৰ বিশ্বাসযোগ্য প্রতিষ্ঠানৰূপে পৰিগণিত হৈছিল, বিশেষকৈ য'ত বেংক ব্যৱস্থা প্রায় নাথাকে।

**টেলিগ্রাফ ব্যৱস্থা ঃ**

ঔপনিবেশক ভাৰতত দুৰবার্তা ব্যৱস্থা বা টেলিগ্রাফ ব্যৱস্থা ১৯শ শতিকাৰ মধ্যভাগত ৰাষ্ট্ৰ পৰিচালিত যোগাযোগ ব্যৱস্থাৰ আন্তঃগাথনিৰ অংশ হিচাপে সৃষ্টি হৈছিল, মূলতঃ বাণিজ্যিক প্ৰয়োজনীয়তাতকৈ প্ৰশাসনীয় আৰু সামৰিক (military) প্ৰয়োজনীয়তাৰ দ্বাৰা ই বেছি প্ৰভাৱিত আছিল। ১৮৩০ আৰু ১৮৪০ চনৰ শেষৰ পিনে ইয়াৰ পৰীক্ষামূলক বিকাশ আৰম্ভ হৈছিল, যেতিয়া কলিকতাৰ আশে-পাশে থকা অঞ্চলত ইয়াৰ প্ৰাৰম্ভিক তাঁৰ (line) পৰীক্ষণ কৰা হৈছিল। যেতিয়া ১৮৫০ চনৰ আৰম্ভণিত ঔপনিবেশিক চৰকাৰে কলিকতা, ব'ম্বে, মাদ্ৰাজ আৰু উত্তৰাঞ্চলসমূহৰ মাজত যোগাযোগৰ বাবে বৃহৎ পৰিসৰৰ আন্তঃসংযোগৰ (large-scale network) অনুমোদন কৰিছিল তেতিয়াই টেলিগ্রাফ যোগাযোগ ব্যৱস্থাত এক নির্ণায়ক পৰিবর্তন ঘটিছিল। ১৮৫০ চনৰ মাজভাগলৈ হাজাৰ হাজাৰ মিটাৰ দূৰত্বলৈ টেলিগ্রাফৰ তাঁৰ (line) ইতিমধ্যে স্থাপিত হৈছিল আৰু সমগ্ৰ উপমহাদেশতেই এই আন্তঃসংযোগ (network) ব্যৱস্থা দ্ৰুতগতিৰে সম্প্ৰসাৰিত হৈছিল।

এণ্ড্ৰাবী আৰু সহ গৱেষকসকলে (2023) পৰামর্শ দিছে যে ঔপনিবেশিক ভাৰতৰ বাণিজ্যিক কার্য্যকলাপত বিশেষকৈ গোটেই অঞ্চলযুৰি মূল্যৰ পার্থক্য হ্ৰাস কৰাৰ ক্ষেত্ৰত টেলিগ্রাফ ব্যৱস্থাই গুৰুত্বপূর্ণ প্ৰভাৱ পেলাইছিল। ভৌগোলিকভাৱে দূৰত থকা বজাৰবোৰৰ মাজতো এই টেলিগ্রাফ ব্যৱস্থাই তথ্যৰ সৰবৰাহ উন্নত কৰিছিল। টেলিগ্রাফ ব্যৱস্থাৰ সৈতে পৰিচিত হোৱাৰ আগতে ব্যৱসায়ীসকলে অন্য ঠাইৰ মূল্যৰ বিষয়ে অসম্পূর্ণ জ্ঞান অথবা পলমকৈ লাভ কৰা তথ্যৰ দ্বাৰা কাম কৰিবলগীয়া হৈছিল। টেলিগ্রাফৰ যোগাযোগ প্ৰক্ৰিয়াৰ সৈতে সংযুক্ত হৈ প্ৰায় তাৎক্ষণিকভাৱে মূল্যৰ তথ্য অন্য ঠাইলৈ প্ৰেৰণ কৰিব পৰা গৈছিল, ইয়াৰ ফলত ব্যৱসায়ীসকলে 'লাভলৈ বিক্ৰীৰ সুযোগ' (arbitrage opportunity) চিনাক্ত কৰিবলৈ সক্ষম হয়, — নিম্নমূল্যৰ পৰা উচ্চমূল্যমানৰ ঠাইলৈ সামগ্ৰী (grain) বা শস্য দক্ষতাৰে স্থানান্তৰ কৰিব পৰা হ'ল। ইয়াৰ ফলত, টেলিগ্রাফৰ সংযোগে ৰেলপথ সম্প্ৰসাৰণৰ আগতেই ৭১ পৰা ১৩ শতাংশলৈ শস্যৰ মূল্যৰ ভিন্নতা হ্ৰাস কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ দ্বাৰা বুজিব পাৰি যে পৰিবহন ব্যৱস্থাত অহা স্বাধীনতাৰ উন্নতিয়ে বজাৰসমূহক একত্ৰিত কৰাত মুখ্য ভূমিকা পালন কৰিছিল। এই প্ৰভাৱ দ্ৰুত আৰু সুদুৰপ্ৰসাৰী আছিল। টেলিগ্রাফ সংযোগ স্থাপনৰ প্ৰথম বছৰতে শস্য বা সামগ্ৰীৰ মূল্যৰ অভিন্নতা আৰম্ভ হৈছিল আৰু এনে সুদুৰপ্ৰসাৰী প্ৰভাৱৰ ফলত চুবুৰীয়া অঞ্চলসমূহো লাভবান হৈছিল।

## অগ্ৰগতি নিৰীক্ষণ

**তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া —**

**প্ৰশ্ন নং ৩ ঃ** ৰে'লৱে লাইন প্ৰথমে কেতিয়া মুকলি কৰা হয়?

.....

.....

.....

**প্ৰশ্ন নং ৪ ঃ** ৰে'লৱে বোর্ডৰ গঠন কেতিয়া হৈছিল?

.....

.....

.....

**প্ৰশ্ন নং ৫ ঃ** কোনো ভিন্নতাহীন ডাক সেৱাৰ প্ৰৱৰ্তন কৰিছিল?

.....

.....

## ৮.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়নৰ কৰি আমি জানিব পাৰিলো-

- ঔপনিবেশীয় ভাৰতত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ বিষয়ে
- বাট-পথৰ অৱস্থা আৰু উন্নতিৰ বিষয়ে
- ভাৰতত ৰে'ল ব্যৱস্থাৰ গুৰুত্বৰ বিষয়ে
- বন্দৰ আৰু জলপথৰ ব্যৱস্থাৰ বিষয়ে
- ডাক আৰু টেলিগ্ৰাফ সেৱাৰ উন্নতিৰ বিষয়ে

## ৮.৯ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**


1) Bandopadhyay, Sekhar. (2013). *From Plassey to Partition.* Orient Blackswan. New Delhi, India.
2) Desai, A.R. (2016). *Social Background of Indian Nationalism.* Popular Prakshan. New Delhi, India.
3) Desai, S.S.M. and Bhalerao, Nirmal. (2010). *Economic History of India.* Himalaya Publishing House. Mumbai, India
4) Tumbe, Chinmay, (2015), Toward financial inclusion, The post office of India as a financial institution, 1880-2010 in The Indian and Social History Review. 52(4) Sage
5) Andrabi, Tahir, Bharat, Sheetal and Kuchlwein, Michael, (2023), Information and price comergenceÊ. Governmeny telegraphs in British India in The Indian Eco nomic and Social History Review. 60(3) Sage


## ৮.১০ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** লৰ্ড ডেলহাউচি

**২নং প্ৰশ্নৰ উত্তৰ ঃ** গ্ৰেণ্ড ট্ৰাংক ৰোড

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** ১৮৫৩ চনত বোম্বাই আৰু থানেৰ মাজত

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯০৫ চনত

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** লৰ্ড ডেলহাউচি

## ৮.১১ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** উত্তৰ ভাৰত আৰু বংগ সংযোগী ঘাইপথ নিৰ্মাণৰ ধাৰণা কোনে উলিয়াইছিল?

**প্ৰশ্ন ২ ঃ** জিলা আৰু গাঁৱত কিয় বাট-পথৰ উন্নতি হোৱা নাছিল?

**প্ৰশ্ন ৩ ঃ** কি ভিত্তিত ভাৰতৰ ৰে'ল ব্যৱস্থাৰ উন্নতি হৈছিল?

**প্ৰশ্ন ৪ ঃ** কোন চনত লৰ্ড ডেলহাউচিয়ে সমগ্ৰ ভাৰততে ৰে'ল ব্যৱস্থাৰ প্ৰস্তাৱ দিছিল?

**খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** ৰে'লপথ বিকাশৰ পৰিণাম উল্লেখ কৰক?

**প্ৰশ্ন ২ ঃ** চমু টোকা লিখক ঃ (ক) আভ্যন্তৰীণ জলপথ।

(খ) বাহ্যিক জলপথ।

**গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

**প্ৰশ্ন ১ ঃ** ঔপনিৱেশীয় ভাৰতত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা বৰ্ণনা কৰক।

**প্ৰশ্ন ২ ঃ** ভাৰতত ৰে'লসেৱা গুৰুত্ব ব্যাখ্যা কৰক।

**প্ৰশ্ন ৩ ঃ** ডাক আৰু তাঁৰ সেৱাৰ উন্নতিৰ ব্যাখ্যা কৰক।

# অধ্যায় ৯ ঃ ঔপনিৱেশিক ভাৰতত সামাজিক আৰু ন্যায়িক আন্তঃগাঁঠনিৰ বিকাশ

## অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ আধুনিক শৈক্ষিক সুবিধাৰ উত্তৰণ
৯.৪ স্বাস্থ্যজনিত সুবিধাৰ ক্রমোন্নতি
৯.৫ আধুনিক ভাৰতৰ আইন-ব্যৱস্থা
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আৰ্হি প্রশ্ন

## ৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঔপনিৱেশিক ভাৰতত আন্তঃগাঁঠনিৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- আধুনিক ভাৰতত শিক্ষা আৰু স্বাস্থ্যৰ সুযোগ আৰু বৃদ্ধিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব আৰু
- আধুনিক ভাৰতত আইন ব্যৱস্থাৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ৯.২ পৰিচয়

● ইয়াৰ আগৰ অধ্যায়ত আমি ঔপনিৱেশিক শাসনত যোগাযোগ ব্যৱস্থাৰ বিকাশৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়ত শিক্ষা, স্বাস্থ্য আৰু আইন ব্যৱস্থাৰ লগত জড়িত আন্তঃগাঁঠনিৰ বিকাশৰ বিষয়ে আলোচনা কৰিম।

ঔপনিবেশিকতাবাদে ভাৰতত কেইবা প্রকাৰেও ক্রিয়া কৰে ঃ ই সামাজিক জীৱনত গভীৰলৈকে সোমাই গৈ সাংস্কৃতিক দিশত প্রভাৱ পেলায় আৰু উপনিবেশীয় শাসন ব্যৱস্থা মজবুত কৰি তোলে। নতুন অঞ্চল, নতুন সমস্যা, নতুন প্রয়োজন, নতুন অভিজ্ঞতা আৰু নতুন ধাৰণাত ব্রিটিছ শক্তি বিয়পি পৰাত শাসন ব্যৱস্থালৈ ভালেমান সালসলনি আহিল। কিন্তু সাম্রাজ্যবাদৰ সামূহিক উদ্দেশ্য কেতিয়াও পাহৰি যোৱা নাছিল। ভাৰতৰ ওপৰত পশ্চিমীয়া ঔপনিবেশিকতাবাদ কেৱল ৰাজনৈতিক ক্ষেত্রতে প্রযোজ্য নাছিল বৰং পশ্চিমীয়া বিজ্ঞান, পশ্চিমীয়া কাৰিকৰী, ঔষধ, শিক্ষা আৰু আইনী ব্যৱস্থাতো ইয়াৰ প্রভাৱ আৰু দমন অনুভূত হৈছিল।

## ৯.৩ আধুনিক শৈক্ষিক সুবিধাৰ উত্তৰণ

ভাৰত দমন কৰাৰ প্ৰথম ৬০ বছৰত লাভ সংগ্ৰহতে ব্যস্ত বণিক ইষ্ট ইণ্ডিয়া কোম্পানীয়ে শিক্ষাৰ প্ৰতি সামান্য আগ্ৰহ দেখুৱাইছিল। তথাপিও ইয়াৰ আঁচনিত দুটা অতি সামান্য ব্যতিক্ৰম আছিল। ১৭৮১ চনত ৱাৰেন হেষ্টিংছে মুছলমান আইন আৰু তেনে বিষয় অধ্যয়নৰ বাবে কলিকতা মাদ্ৰাছা স্থাপন কৰে আৰু ১৭৯১ চনত, জনাথান ডানকানে হিন্দু আইন আৰু দৰ্শন অধ্যয়নৰ বাবে বাৰানসীত এখন সংস্কৃত কলেজ আৰম্ভ কৰে। এই উভয় অনুষ্ঠানতে শিক্ষাগ্ৰহণ কৰা শিক্ষাৰ্থীসকলে কোম্পানীৰ আদালতৰ আইনী ব্যৱস্থাত সততে সহায় আগবঢ়াইছিল। মিছনেৰী আৰু ইয়াৰ সমৰ্থকসকলে আৰু অনেক মানৱতাবাদী লোকে ভাৰতত কোম্পানীয়ে আৰোপ কৰা আধুনিক ধৰ্মনিৰপেক্ষ পশ্চিমীয়া শিক্ষাৰ প্ৰৱৰ্তনত তৎকালে হেঁচা প্ৰয়োগ কৰিছিল।

যেতিয়া অনেক ভাৰতীয়ক লৈ মানৱতাবাদীসকলে বিশ্বাস কৰিছিল যে, আধুনিক শিক্ষাই দেশত বৰ্তি থকা সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক কুপ্ৰভাৱবোৰ আঁতৰাব পাৰে, তেনে সময়ত মিছনেৰীসকলে বিশ্বাস কৰিছিল যে, আধুনিক শিক্ষাই দেশ-জনগণৰ ধৰ্মীয় বিশ্বাস মষিমূৰ কৰিব আৰু তেওঁলোকক খ্ৰীষ্টান ধৰ্মৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিব। ১৮১৩ চনত চাৰ্টাৰ আইন বলৱৎ কৰি শিক্ষিত ভাৰতীয়সকলক উৎসাহিত কৰা আৰু দেশত আধুনিক বিজ্ঞানৰ জ্ঞান উন্নীতকৰণৰ বাবে প্ৰয়াস কৰা হয়। এই আইন বলৱৎ কৰাৰ কাৰণে কোম্পানীয়ে এক লাখ টকা খৰচ কৰে। কিন্তু ১৮২৩ চনলৈকে কোম্পানী কৰ্তৃপক্ষই সেই ধনৰাশি উপলব্ধ কৰাব পৰা নাছিল।

এই ধনৰাশিৰ খৰচৰ কাৰণে ভালেমান বছৰ ভালেমান বাদানুবাদ চলি আছিল। একাংশই আধুনিক পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰৰ বাবেহে মাত্ৰ এই ধনৰাশি খৰচৰ পোষকতা কৰিছিল যদিও আন এচামে পশ্চিমীয়া বিজ্ঞান আৰু সাহিত্যৰ শিক্ষা দি, পৰম্পৰাগত ভাৰতীয় শিক্ষাৰ ভিত্তিত শিক্ষিত কৰি ছাত্ৰসকলকক চাকৰিৰ বাবে প্ৰস্তুত কৰি তুলিবৰ বাবেহে মত পোষণ কৰিছিল। আনকি, পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰৰ বাবে মত পোষণ কৰা এচামে শিক্ষাৰ মাধ্যমৰূপে আধুনিক বিদ্যালয় আৰু মহাবিদ্যালয়ৰ সহায় লোৱাৰ কথা কয়। এচামে ইয়াৰ বাবে ভাৰতীয় ভাষা ব্যৱহাৰৰ পোষকতা কৰাৰ সময়ত আন এচামে ইংৰাজী ভাষাৰ কথা কয়। দুৰ্ভাগ্যজনকভাৱে, এই প্ৰশ্নক লৈ যথেষ্ট খেলিমেলিৰ সৃষ্টি হৈছিল। ভালেমান লোকে শিক্ষাৰ মাধ্যম হিচাপে ইংৰাজী আৰু এটা বিষয় হিচাপেনো ইংৰাজী কেনে হ'ব এই লৈ বিপৰ্যয়ত পৰিছিল আৰু মাধ্যম হিচাপে ভাৰতীয় ভাষা আৰু এটা বিষয় পৰম্পৰাগত ভাৰতীয় শিক্ষাৰ মাজত পাৰ্থক্য বিচাৰি পোৱা নাছিল।

১৯৩৫ চনত যেতিয়া ভাৰত চৰকাৰে কেৱল ইংৰাজী ভাষাৰ মাধ্যমেৰে পশ্চিমীয়া বিজ্ঞান আৰু সাহিত্যৰ শিক্ষা দিয়াৰ বাবে সীমিত সম্পদৰ ব্যৱহাৰ কৰে, তেতিয়া এই খেলিমেলি দুটা আঁতৰ হয়। গৱৰ্ণৰ-জেনেৰেলৰ আইন সদস্য, লৰ্ড মেক্‌লেই তেওঁৰ বিখ্যাত টোকাত ঘোষণা কৰিলে যে, এই উদ্দেশ্য পূৰণৰ বাবে ভাৰতীয় ভাষা যথেষ্ট উন্নত নহয় আৰু 'প্ৰাচ্যৰ শিক্ষা পাশ্চাত্যৰ শিক্ষাতকৈ নিম্নমানৰ।' এইটো উল্লেখযোগ্য যে, মেক্‌লেৰ এই মতে তেওঁৰ প্ৰাচীন ভাৰতৰ বিজ্ঞান আৰু চিন্তাৰ অজ্ঞতা প্ৰদৰ্শন কৰিছে যদিও বাস্তৱৰ সৈতে সুদৃঢ় সম্পৰ্ক থকা পশ্চিমীয়া জ্ঞানৰ পথাৰখন সুন্দৰকৈ দেখুৱাই গৈছে। সেই কাৰণেই সেইসময়ৰ আগশাৰীৰ ভাৰতীয়সকলক নেতৃত্ব কৰা ৰাজা ৰামমোহন ৰায়ে 'আধুনিক পশ্চিমৰ বিজ্ঞান আৰু গণতান্ত্ৰিক চিন্তাৰ সম্পদ আহৰণৰ চাবি-কাঠি' বুলি কৈ পশ্চিমীয়া জ্ঞান আহৰণৰ পোষকতা কৰিছে। তেওঁলোকে উপলব্ধি কৰিছিল যে, পাৰম্পৰিক শিক্ষাই অন্ধবিশ্বাস, ভয় আৰু অধিনায়কতাবাদক প্ৰশ্ৰয় দিয়ে। আন কথাত, তেওঁলোকে অনুভৱ

কৰিলে যে, দেশৰ দাসত্ব প্ৰথা বাঢ়িহে গৈছে, কমাৰ কোনো লক্ষণ নাই। প্ৰকৃততে ১৯শ আৰু ২০শ শতিকাত কোনো ভাৰতীয়ৰে এই ক্ষেত্ৰত বিচ্যুতি ঘটা নাছিল। তদুপৰি, আধুনিক বুৰঞ্জীৰ সময়ছোৱাত ভাৰতীয়সকলৰ ওপৰত হেঁচা প্ৰয়োগ কৰা হৈছিল যাতে তেওঁলোকে পশ্চিমীয়া জ্ঞানৰ প্ৰতি মনোযোগ দিয়ে আৰু ই চৰকাৰৰ কাম-কাজত উল্লেখযোগ্য ভূমিকা লৈ আধুনিক দিশত শৈক্ষিক কাম-কাজবোৰৰ প্ৰসাৰ ঘটায়।)

ভাৰত চৰকাৰে, বিশেষকৈ বংগত, অতি খৰতকীয়া সিদ্ধান্ত ল'লে আৰু বিদ্যালয় আৰু মহাবিদ্যালয়বোৰত শিক্ষাৰ মাধ্যম ইংৰাজী কৰিলে। ইয়াৰ ফলত অধিক পৰিমাণৰ প্ৰাথমিক বিদ্যালয়ৰ পৰিৱৰ্তে কেইখনমান ইংৰাজী বিদ্যালয় আৰু মহাবিদ্যালয় আৰম্ভ কৰা হয়। জনশিক্ষাক অৱহেলা কৰা বুলি এই আঁচনি পাচলৈ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছিল। প্ৰকৃততে, আধুনিক আৰু উচ্চ শিক্ষাৰ অনুষ্ঠান খোলাৰ বাবে উদ্যোগ লোৱাটো কোনো ভুল নাছিল। একো নহ'লেও অন্ততঃ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক শিক্ষিত আৰু প্ৰশিক্ষণ দিয়াবলৈকে যথেষ্ট সংখ্যক বিদ্যালয় আৰু মহাবিদ্যালয়ৰ প্ৰয়োজন হৈছিল। কিন্তু উচ্চ শিক্ষাৰ প্ৰসাৰৰ লগে লগে জনশিক্ষাৰ বিষয়টোও হাতত ল'ব লাগিছিল। কিন্তু চৰকাৰে তাকে নকৰি শিক্ষাৰ আন অপ্ৰয়োজনীয় দিশতহে গুৰুত্ব দিছিল।

যিহেতু আবণ্টিত পুঁজিৰে মাত্ৰ এমুঠিমান ভাৰতীয়কহে শিক্ষিত কৰিব পৰা যাব, গতিকে সিদ্ধান্ত লোৱা হ'ল যে সেই পুঁজিৰে সমাজৰ উচ্চ আৰু মধ্য শ্ৰেণীৰ এচাম লোকক শিক্ষিত কৰা হওক যাতে তেওঁলোকে জনসাধাৰণক শিক্ষিত কৰি আধুনিক ধাৰণাৰ প্ৰসাৰ ঘটাব পাৰে। এনেকৈয়ে শিক্ষা আৰু আধুনিক ধাৰণা সমাজৰ উচ্চ শ্ৰেণীৰ পৰা নিম্ন শ্ৰেণীলৈ পৰিশোধিত হৈ গ'ল। ব্ৰিটিছ শাসনৰ শেষলৈকে এই আঁচনি চলি থাকিল। এইখিনিতে উল্লেখযোগ্য যে, যদিও শিক্ষা নিম্ন শ্ৰেণীলৈ পৰিস্ৰাৱিত হোৱা নাছিল, কিন্তু শাসকগোষ্ঠীৰ অনিচ্ছা সত্ত্বেও আধুনিক ধাৰণাই এক বৃহত্তৰ গোষ্ঠীলৈ গতি কৰিছিল।

বিদ্যালয় আৰু পাঠ্যপুথি, শিক্ষিত ভাৰতীয় বা বুদ্ধিজীৱীসকলৰ যোগেদি নহ'লেও ৰাজনৈতিক দল, প্ৰেছ, বেনাৰ, পোষ্টাৰ আৰু ৰাজহুৱা মঞ্চৰ যোগেদি গণতন্ত্ৰ, জাতীয়তাবাদ, সামাজিক আৰু অৰ্থনৈতিক সমতা আৰু ন্যায় আদিৰ ধাৰণা গ্ৰাম্য আৰু নগৰীয়া জনসাধাৰণৰ মাজত প্ৰসাৰিত হৈছিল। যদি শৈক্ষিক ব্যৱস্থাই এই ধাৰণা কঢ়িয়াইছিল তেন্তে, ভৌতিক আৰু সামাজিক বিজ্ঞান আৰু কলাৰ যোগেদি আহৰণ কৰিছিল আৰু ইয়াৰ যোগেদি তেওঁলোকৰ সামাজিক বিশ্লেষণ কৰাৰ ক্ষমতা বাঢ়িছিল। নহ'লে ইয়াৰ গঠন আৰু নমুনা, লক্ষ্য, প্ৰণালী, পাঠ্যক্ৰম আৰু বিষয় ঔপনিবেশিকতাবাদৰ সেৱা কৰিবৰ বাবেহে প্ৰস্তুত কৰা হৈছিল।

ভাৰতৰ শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে এক উল্লেখযোগ্য চিহ্ন হৈছে ১৮৫৪ চনৰ উডৰ প্ৰেৰণ পত্ৰ (এই দলিল কোৰ্ট অব্ ডিৰেক্টৰ্ছ আৰু জনপ্ৰিয়ভাৱে বোৰ্ড অব্ কণ্ট্ৰ'লৰ সভাপতি ছাৰ চাৰ্লছ উডৰ নামে�ৰে নামকৰণ কৰা)। ই ইংৰাজী শিক্ষাৰ মেগ্না কাৰ্টাৰূপে সমগ্ৰ ভাৰততে জনাজাত আৰু সেয়ে ই ভাৰত উপমহাদেশত আধুনিক শিক্ষাৰ আৰম্ভণিৰ এক উল্লেখযোগ্য আঁচনি হিচাপে চিহ্নিত হৈ ৰ'ল। জনসাধাৰণক শিক্ষাৰ দায়িত্ব দিবলৈ উডৰ প্ৰেৰণে ভাৰত চৰকাৰক নিৰ্দেশ দিছিল। কাকতে-পত্ৰে এই প্ৰেৰণে 'নিম্নস্তৰৰ পৰা অহা পৰিশোধন' প্ৰক্ৰিয়াক আদৰণি জনাইছিল। কাৰ্যতঃ চৰকাৰে শিক্ষাৰ প্ৰসাৰৰ বাবে নিচেই সামান্যহে কাম আৰু খৰচ কৰিছিল। এই প্ৰেৰণত দিয়া নিৰ্দেশনা মতে শিক্ষা বিভাগে সকলো প্ৰদেশতে শিক্ষানুষ্ঠান স্থাপনৰ পোষকতা কৰে আৰু ১৮৫৭ চনত কলিকতা, বোম্বাই আৰু মাদ্ৰাজত বিশ্ববিদ্যালয় স্থাপনৰ বাবে অনুমোদন জনায়। ১৮৫৮ চনত, বিখ্যাত বাংলা ঔপন্যাসিক বংকিম চন্দ্ৰ চেটাৰ্জী কলিকতা বিশ্ববিদ্যালয়ৰ দুজন স্নাতকৰ এজন হৈ উত্তীৰ্ণ হয়।

যথেষ্ট দাবী কৰা সত্ত্বেও, কোম্পানী আৰু পাচত ৰাণীৰ মুকুটৰ অধীনৰ ভাৰত চৰকাৰে ভাৰতত পশ্চিমীয়া শিক্ষা বা যিকোনো শিক্ষাৰ প্রসাৰৰ বাবে আচলতে কোনো ধৰণৰ উদ্যোগ লোৱা নাছিল। যি সামান্য আগ্রহ দেখুৱাইছিল, তাত জনহিতৈষী উদ্দেশ্য অলপহে আছিল। এই ক্ষেত্রত আধুনিক শিক্ষাৰে শিক্ষিত ভাৰতীয়, বিদেশী খ্রীষ্টিয়ান মিছনেৰী আৰু মানৱতাবাদী বিষয়া আৰু আন ইংৰাজৰ মাজত বিদ্রোহৰ সৃষ্টি হৈছিল। কিন্তু চৰকাৰে এচাম সস্তীয়া শিক্ষিত ভাৰতীয়ক যোগান ধৰি প্রশাসনৰ খৰচ বচোৱা আৰু ব্রিটিছ ব্যৱসায়ৰ অধীনত দ্বিতীয় শ্রেণীৰ পদৰ সংখ্যা বৃদ্ধিৰ প্রচেষ্টা কৰিছিল। কাৰণ এই কামৰ বাবে ভালেমান ইংৰাজ অনাটো যথেষ্ট খৰচসাধ্য আৰু বোধকৰো অসম্ভৱ আছিল। এনে শিক্ষাৰে শিক্ষিত হৈ এচাম সস্তীয়া কেৰাণীৰ সৃষ্টি হৈছিল আৰু তেওঁলোকে কোম্পানীৰ পশ্চিমীয়া প্রশাসনক সহায় কৰিছিল।

ভাৰতীয়সকলক শিক্ষিত কৰাৰ ব্রিটিছ আঁচনিৰ অন্তর্নিহিত উদ্দেশ্য হ'ল, ভাৰতত ব্রিটিছ উৎপাদিত সামগ্রীৰ বজাৰৰ প্রসাৰ ঘটোৱা। শেষত, পশ্চিমীয়া শিক্ষাই ভাৰতৰ জনসাধাৰণক শাসন বিশেষকৈ ব্রিটিছ আক্রমণকাৰী আৰু তেওঁলোকৰ শাসনৰ বাবে পুনৰ মিলন ঘটোৱা। এনেকৈ ব্রিটিছে দেশখনত তেওঁলোকৰ ৰাজনৈতিক ভেঁটি মজবুত কৰিবলৈ আধুনিক শিক্ষা ব্যৱহাৰ কৰিছিল।

প্রশাসনিক দিশত পৰম্পৰাগত ভাৰতীয় শিক্ষাই পৃষ্ঠপোষকতা নোপোৱাৰ ফলত ই লাহে লাহে নিঃকিন হৈ আহিল আৰু ১৮৪৪ চনত চৰকাৰী চাকৰিয়ালে ইংৰাজীৰ জ্ঞান আহৰণ কৰিব লাগিবই বুলি ঘোষণা জাৰি হোৱাৰ পাছত ইয়াৰ অৱস্থা আৰু পুতৌলগা হৈ পৰিল। ইয়াৰ ফলত ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰৰ জনপ্রিয়তা বাঢ়িল আৰু পৰম্পৰাগত বিদ্যালয়বোৰৰ অৱস্থা শোচনীয় হৈ আহিল।

শিক্ষা ব্যৱস্থাত এটা উল্লেখযোগ্য দুর্বলতা আছিল ভাৰতত জন-সাক্ষৰতা অর্থাৎ জনশিক্ষাৰ প্রতি অৱহেলাৰ ভাব; যাৰ ফলাফল ১৮২১ চনতকৈ ১৯২১ চনত ভালেখিনি উন্নত আছিল। ১৯১১ চনত অশিক্ষিত ভাৰতীয়ৰ সংখ্যা আছিল শতকৰা ৯৪জন আৰু ১৯২১ চনত সেই সংখ্যা হ'লগৈ ৯২জন। ভাৰতীয় ভাষাৰ ঠাইত শিক্ষাৰ মাধ্যম হিচাপে ইংৰাজী ভাষা প্রৱর্তনৰ ফলতো জনসাধাৰণৰ মাজত শিক্ষাৰ প্রসাৰত বাধা আহি পৰিছিল। ইয়াৰ ফলত শিক্ষিত লোক আৰু সাধাৰণ জনতাৰ মাজত ভাষিক আৰু সাংস্কৃতিক ক্ষেত্রত এক বৃহৎ ব্যৱধান আহি পৰিছিল।

তদুপৰি, বিদ্যালয় আৰু মহাবিদ্যালয়বোৰত ছাত্রই যিহেতু মাচুল দিবলগা হয়, সেয়ে শিক্ষা ব্যৱস্থাটো যথেষ্ট খৰচী হৈ পৰে আৰু বাস্তৱ ক্ষেত্রত একেচেতীয়াকৈ ধনী আৰু নগৰীয়া লোকৰ মাজতে আবদ্ধ থাকে। প্রায় এশ বছৰ কাল ই ইমানেই সীমাবদ্ধ হৈ আছিল যে, পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ ক্ষতিপূৰণ কৰা অসম্ভৱ হৈ পৰিল।

প্রাচীন শিক্ষা ব্যৱস্থাৰ এক উল্লেখযোগ্য শূন্যতা আছিল স্ত্রী-শিক্ষাৰ প্রতি একেবাৰে উদাসীন মনোভাব যাৰবাবে কোনো পুঁজিও আবণ্টন হোৱা নাছিল। ইয়াৰ বাবে আংশিকভাৱে চৰকাৰো উৎসাহী নাছিল; কাৰণ চৰকাৰে ৰক্ষণশীল ভাৰতীয়সকলৰ সংবেদনশীলতাক আঘাত কৰিব খোজা নাছিল। তদুপৰি, বিদেশী আমোলাসকলৰ চকুতো স্ত্রী-শিক্ষাৰ কোনো উপকাৰিতা নাছিল কাৰণ স্ত্রীসকলক চৰকাৰী কার্যালয়ত কেৰাণীৰ চাকৰিত মকৰল কৰিব নোৱাৰিছিল। তাৰ ফলত ১৯২১ চনত ১০০গৰাকী ভাৰতীয় মহিলাৰ বিপৰীতে মাত্র ২গৰাকীয়েহে পঢ়িব আৰু লিখিব পাৰিছিল আৰু ১৯১৯ চনত মাত্র ৪৯৯গৰাকী ছোৱালীয়ে বেংগল প্রেছিডেন্সীৰ চাৰিখন উচ্চ বিদ্যালয়ত শিক্ষালাভ কৰি আছিল।

কোম্পানীৰ প্রশাসনেও বৈজ্ঞানিক আৰু কাৰিকৰী শিক্ষাক অৱহেলা কৰিছিল। ১৮৫৭ চনলৈকে

ভাৰতৰ কলিকতা, বোম্বাই আৰু মাদ্ৰাজ— এই তিনি ঠাইতহে মাত্ৰ একোখনকৈ মেডিকেল কলেজ আছিল। ৰুঢ়কীত মাত্ৰ এখন ইঞ্জিনীয়াৰিং কলেজ আছিল য'ত কেৱল ইউৰোপীয়ান আৰু ইউৰোছিয়ানসকলেহে উচ্চ কাৰিকৰী শিক্ষা গ্ৰহণ কৰিব পাৰিছিল।

এনেবিলাক কাৰণতে অৰ্থনৈতিক ক্ষেত্ৰতো ভালেমান সমস্যা আহিছিল। চৰকাৰে শিক্ষাৰ বাবে কেতিয়াও শকত অংকৰ ধন মোকোলাব খোজা নাছিল। ১৮৮৬ চনৰ শেষৰ ফালে, শিক্ষাৰ ক্ষেত্ৰত প্ৰায় ৪৭ কোটি টকা ৰাজহ সংগ্ৰহ কৰাৰ সময়ত শিক্ষাৰ বাবে চৰকাৰে মাত্ৰ ১ কোটি টকা আবণ্টন কৰিছিল।

১৯০২ চনত ভাইচৰয়ৰ এক্সিকিউটিভ কাউন্সিলৰ এজন আইনী সদস্য থমাছ ৰালেৰ নেতৃত্বত লৰ্ড কার্জনে এক ইউনিভাৰছিটী কমিছনৰ আহ্বান কৰে। কমিছনৰ আহ্বান অনুমোদন হোৱাৰ পাছত, ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইনলৈ এক বাট মুকলি হয়। এই আইনে বিশ্ববিদ্যালয়সমূহৰ সাংগঠনিক গাঁঠনিত সালসলনিৰ প্ৰস্তাৱ দাঙি ধৰে। চদলাৰ কমিছন নামৰ আন এক কমিছনৰ আহ্বান কৰা হৈছিল। ইয়াৰ নেতৃত্বত আছিল লৰ্ড ছেমচফ'ৰ্ড। আন কমিছনবোৰৰ দৰে এই কমিছনেও ভাৰতীয়সকলক মাতৃভাষাৰে শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিছিল।

ভাৰতীয় শিক্ষা ব্যৱস্থাৰ আসোঁৱাহবোৰ উলিয়াই, শিক্ষা ব্যৱস্থাত ব্যাপক সংস্কাৰ অনাৰ উদ্দেশ্যৰে হাৰটগ কমিটী (১৯২৯) গঠন কৰা হয়। এই কমিটীয়ে প্ৰাথমিক শিক্ষা ব্যৱস্থাত ভালেমান বিসংগতি ধৰা পেলায় আৰু সেইবোৰ আছিল এনেধৰণৰ ঃ ভাৰতীয়সকলৰ অধিকাংশ লোকেই গাঁৱলীয়া, তেওঁলোকৰ দৰিদ্ৰতা, অস্বাক্ষৰতা, ৰক্ষণশীল, দুৰ্বল স্বাস্থ্য, শিক্ষক-প্ৰশিক্ষণৰ অভাৱ, অবৈজ্ঞানিক শিক্ষা-প্ৰদান পদ্ধতি আৰু বিদ্যালয়বোৰত অনিয়মীয়া উপস্থিতি। এই কমিটীয়ে যুটীয়াভাৱে প্ৰশিক্ষণপ্ৰাপ্ত আৰু উচ্চ শিক্ষিত শিক্ষকৰ নিযুক্তি আৰু শিক্ষকৰ চাকৰিৰ নিৰাপত্তা নিশ্চিত কৰে।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত কমিটীয়ে নিম্নোক্ত বিষয়কেইটাত গুৰুত্ব দিয়ে ঃ প্ৰশাসনীয় সেৱাৰ স্নাতকৰ মকৰলত বিভাগীয় পৰীক্ষাসমূহ প্ৰয়োগ কৰা, সাধাৰণ ভাৰতীয়ৰ মাজত ৰাজনৈতিক আৰু সমাজ বিজ্ঞানৰ জ্ঞান বিয়পাই দিয়া, কাষৰীয়া অঞ্চলৰ স্নাতকৰ বাবে নিযুক্তিৰ ব্যৱস্থা কৰা, উচ্চ শিক্ষাৰ মান উন্নীত কৰাৰ বাবে চেষ্টা কৰা, বিস্তৃত পুথিভঁৰাল নিৰ্মাণ কৰা আৰু ঐক্যবদ্ধ আৱাসিক আৰু শৈক্ষিক বিশ্ববিদ্যালয় স্থাপন কৰা।

যুদ্ধোত্তৰ কালত ভাৰতৰ শিক্ষা ব্যৱস্থা উন্নীতকৰণৰ বাবে ১৯৪৪ চনত Sargeant Scheme of Education গঠন কৰা হয়। Sargeant Plan of Educationৰ মতে, নাৰ্ছাৰী পৰ্যায়তে শিশুক সামাজিক অভিজ্ঞতাৰ জ্ঞান দিয়া আৰু সাধাৰণ ব্যৱহাৰ শিকোৱা হ'ব। এই কমিটীয়ে ৬-১৪ বছৰ বয়সৰ শিশুৰ বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া কৰে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত এই কমিটীয়ে তিনিবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰমৰ প্ৰস্তাৱ দিয়ে। হৰটগৰ দৰে Sargeant-ও বৃত্তিগত আৰু ঔদ্যোগিক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়ে।

## ৯.৪ স্বাস্থ্যজনিত সুবিধাৰ ক্ৰমোন্নতি

ব্ৰিটিছ ভাৰতত ৰাজহুৱা স্বাস্থ্যৰ বিৱৰ্তন আৰু ১৯শ আৰু ২০শ শতিকাৰ আৰম্ভণিত ৰোগ প্ৰতিৰোধৰ ইতিহাস চালে স্বাস্থ্য ক্ষেত্ৰত এক নতুন ধাৰাৰ বিকাশ চকুত পৰে। সংক্ৰামক ৰোগ আৰু ক্ৰান্তীয় ঔষধ প্ৰত্যক্ষভাৱে ঔপনিবেশিকতাবাদৰ ফল। ঔপনিবেশিকতাবাদৰ সংক্ৰান্ততে বিভিন্ন ৰোগ আৰু সিবিলাকৰ প্ৰতিৰোধ ব্যৱস্থাৰ ক্ষেত্ৰত সংক্ৰামক ৰোগৰ মহামাৰী নিৰ্ণয় কৰিব পাৰি যিবোৰৰ কিছুমান এতিয়াও তৃতীয় বিশ্বৰ

দেশবোৰত বৰ্তি আছে। এই কথাই সাম্ৰাজ্যবাদী চৰকাৰৰ তীক্ষ্ণ নিৰীক্ষণকৰণৰ বিকাশ আৰু মহামাৰীৰ প্ৰতি থকা সঁহাৰিৰ কথা মুকলি কৰিছে। ঔপনিবেশিকতাবাদৰ শক্তিয়ে কিদৰে স্বাস্থ্য আৰু ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা লৈ ব্ৰিটিছ ভাৰতৰ নাগৰিকসকলৰ স্বাস্থ্যৰ উন্নতি সাধিলে সেই কথা প্ৰতীয়মান হ'ল।

ভাৰতত পশ্চিমীয়া ঔষধৰ ইতিহাস চাবলৈ গ'লে ১৬০০ চনলৈ উভতি যাব লাগিব। তেতিয়া ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰথমটো দলতে জাহাজৰ শল্য চিকিৎসক হিচাপে চিকিৎসকৰ দল এটা আহি ভাৰত পাইছিলহি। ১৭৫৭ চনত, ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত ৰাজনৈতিক শাসন প্ৰতিষ্ঠা কৰাৰ পাচতে প্ৰশাসনিক আৰু সামৰিক সেৱাৰ উন্নতি হ'ল। কোম্পানীৰ সৈন্য আৰু কৰ্মচাৰীসকলক চিকিৎসা-সেৱা দিবৰ বাবে ১৭৬৪ চনত বংগত এটা চিকিৎসা বিভাগ স্থাপন কৰা হ'ল। ১৭৭৫ চনত, ইউৰোপীয়ান পৰিচালিত চিকিৎসালয়বোৰত ৰয়েল ইণ্ডিয়ান আৰ্মীৰ কমাণ্ডাৰ-ইন-চীফৰ সদস্যভুক্ত শৈল্য আৰু ভেষজ বিষয়ক চিকিৎসকৰ ব্যৱস্থা কৰা হ'ল। ১৭৮৫ চনত, বংগ, মাদ্ৰাজ আৰু বোম্বাইত ২৩৪জন শৈল্য চিকিৎসকেৰে একোটা চিকিৎসা বিভাগ স্থাপন কৰা হ'ল। চিকিৎসাৰ বিভাগ প্ৰশাসনিক আৰু সামৰিক উভয় বিভাগৰে চিকিৎসা-সেৱাৰ লগত জড়িত আছিল।

১৮৫৭ চনত, ভাৰতৰ সশস্ত্ৰ বিদ্ৰোহৰ ফলত ভাৰতৰ শাসন মুকুটৰ অধীনলৈ গ'ল আৰু প্ৰশাসনিক সেৱাৰ বিভিন্ন বিভাগৰ গঠন হ'ল। ১৮৬৮ চনলৈকে বংগত এটা সুকীয়া চিকিৎসাা বিভাগ স্থাপন হোৱা নাছিল। ১৮৬৯ চনত,ভাৰত চৰকাৰে এজন ৰাজহুৱা স্বাস্থ্য আয়ুক্ত আৰু এজন পৰিসংখ্যা বিষয়া নিযুক্ত কৰে। ১৮৯৬ চনত, ৰাষ্ট্ৰপতি শাসনৰ অন্ত পৰাত, তিনিওটা ৰাষ্ট্ৰপতীয় চিকিৎসা বিভাগ একত্ৰিত হৈ ভাৰতীয় চিকিৎসা সেৱা (IMS) গঠিত হয়।

১৯১৯ চনলৈকে চিকিৎসা বিভাগ কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত আছিল। ১৯১৯ চনৰ Mongtomery-Chelmsford সাংবিধানিক সংস্কাৰে ৰাজহুৱা স্বাস্থ্য, অনাময় ব্যৱস্থা আৰু জীৱন প্ৰকাশক পৰিসংখ্যা বিভাগসমূহ প্ৰদেশৰ অধীনলৈ আনিলে। ভাৰতৰ স্বাস্থ্য প্ৰশাসনৰ ক্ষেত্ৰত বিকেন্দ্ৰীকৰণত ই প্ৰথম খোজ। ১৯২০-২১ চনত, প্ৰদেশৰ ৰাজহুৱা স্বাস্থ্যৰ উন্নতিৰ বাবে পৌৰসভা আৰু স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাই আইনী পৰামৰ্শ দিবলৈ আৰম্ভ কৰিলে। ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইনে প্ৰদেশ চৰকাৰক এই ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা দিলে। দেশৰ ৰাজহুৱা স্বাস্থ্য সম্পৰ্কীয় কাম-কাজবোৰৰ মাজত সম্পৰ্ক ৰক্ষাৰ বাবে ১৯৩৭ চনত ৰাজহুৱা স্বাস্থ্য আয়ুক্তজনক সম্পাদকৰূপে লৈ স্বাস্থ্যৰ কেন্দ্ৰীয় উপদেষ্টা বোৰ্ড গঠন কৰা হ'ল। ১৯৩৯ চনত গৃহীত হোৱা মাদ্ৰাজ ৰাজহুৱা স্বাস্থ্য আইনখনেই এই ক্ষেত্ৰত ভাৰতত প্ৰথম আইন। দেশত বৰ্তী থকা স্বাস্থ্য-ক্ষেত্ৰৰ জৰীপ আৰু ভৱিষ্যতে উন্নয়নৰ দিহা-পৰামৰ্শৰ বাবে ভাৰত চৰকাৰে ১৯৪৬ চনত স্বাস্থ্য জৰীপ আৰু উন্নয়ন কমিটী (ভোৰ কমিটী) গঠন কৰে। কমিটীয়ে ১৯৪৬ চনত প্ৰতিবেদন দাখিল কৰে আৰু ৰাজহুৱা স্বাস্থ্য , চিকিৎসাক সাহায্য, বৃত্তিগত শিক্ষা, চিকিৎসা গৱেষণা আৰু আন্তৰ্জাতিক স্বাস্থ্য বিষয়ক জাতীয় স্বাস্থ্যৰ আওতালৈ অনা হয়।

বংগ, বোম্বাই, মাদ্ৰাজ, সংযুক্ত ৰাজ্য আৰু পঞ্জাবত কেন্দ্ৰীয় আৰোগ্য নিকেতন স্থাপন কৰা হয়। প্ৰাদেশিক ৰাজধানীসমূহত চৰকাৰী মানসিক চিকিৎসালয় স্থাপন কৰা হয়। চিকিৎসাৰ বিষয়াসকলক ইবিলাকত সেৱা আগবঢ়োৱা আৰু মানসিক স্বাস্থ্যৰ উন্নতিৰ বাবে গৱেষণা আদি কৰিবলৈ উৎসাহিত কৰা হয়। সৈনিকসকলৰ ক্ষেত্ৰত এই সেৱা আৰম্ভ হোৱাত সামৰিক বিভাগ আটাইতকৈ বেছিকৈ লাভান্বিত হৈছিল। সৈন্য-বিভাগৰ ৰাজকীয় আয়ুক্তৰ এক টোকা মতে ভাৰতৰ অনাময় ব্যৱস্থাত ব্ৰিটিছ সৈন্যৰ মাজত মৃত্যুৰ হাৰ যথেষ্ট বেছি। ৰাজকীয় আয়ুক্তৰ ১৮৫৯ চনৰ টোকাত ব্ৰিটিছ ভাৰতৰ অনাময় ব্যৱস্থা কাম-কাজৰ ইতিহাস আৰম্ভ হয়। কমিছনে প্ৰতিখন ৰাষ্ট্ৰপতি প্ৰশাসনত

একোটা ৰাজহুৱা স্বাস্থ্য কমিছন স্থাপনৰ আৰু ব্রিটিছ সৈন্যৰ স্বাস্থ্যৰ উন্নতিৰ বাবে অসামৰিক সমাজৰ অনাময় ব্যৱস্থা উন্নীত কৰি মহামাৰী নিয়ন্ত্রণৰ পৰামর্শ দিয়ে। মিলিটেৰী কেণ্টনমেণ্ট আইন ১৮৬৪ মতে, সৈনিকসকলৰ স্বাস্থ্যবিধিৰ উন্নতিৰ বাবে সামৰিক চিকিৎসাৰ বিষয়াৰ অধীনত একোটা অনাময় আৰক্ষী গোট গঠন কৰা হয়। লর্ড ৰিপনৰ স্থানীয় স্বায়ত্ত শাসন আঁচনিয়ে স্থানীয়ভিত্তিক অনাময় ব্যৱস্থা উন্নীতকৰণৰ বাবে পুঁজিৰ আবণ্টন বৃদ্ধি কৰে। ১৮৮৫ চনত, স্থানীয় স্বায়ত্ত শাসন আইন প্রযোজ্য হয় আৰু স্থানীয় গোট গঠিত হয়। স্থানীয় ক্ষেত্রত অনাময় ব্যৱস্থাৰ বাবে এইবোৰ জবাবদিহি হ'বলগা হয় যদিও কেন্দ্রীয় চৰকাৰে এই ক্ষেত্রত কোনো প্রয়োজনীয় কর্মচাৰী মোতায়েন কৰা নাছিল। ১৯১২ চনত, ভাৰত চৰকাৰে স্থানীয় ক্ষেত্রত উপ-অনাময় আয়ুক্ত আৰু স্বাস্থ্য বিষয়া নিযুক্ত কৰে আৰু অনাময় ব্যৱস্থাৰ বাবে পুঁজি বিনিয়োগ কৰে। ভাৰতৰ টীকাকৰণৰ ইতিহাস চালে দেখা পাওঁ, সৰুআইৰ টীকা আৱিষ্কাৰৰ পাছত, ১৮০২ চনত ছুপাৰিণ্টেডেণ্ট জেনেৰেল অব্ ভেকচিনেচন এজন মকৰল কৰা হয়।

নিজ নিজ এলেকাৰ স্বাস্থ্য-প্রশাসনৰ বাবে স্থানীয় গোটবোৰ জবাবদিহি হ'বলগা হয়। জিলাবোৰৰ পৌৰসভাৰ বাহিৰৰ অঞ্চলবোৰত স্থানীয় মুৰব্বীৰ সৈতে জিলা বোর্ড থাকে। এই বোর্ডবোৰে সাধাৰণ অনাময়, সংক্রামক ৰোগৰ নিয়ন্ত্রণ, খাদ্য আৰু পানী যোগানত বিশুদ্ধিকৰণ আদি নিয়ন্ত্রণ কৰে। ব্রিটিছ যুগত, চিকিৎসালয় সেৱা মুখ্যতঃ সৈন্য বিভাগৰ বাবেহে উপলব্ধ আছিল আৰু ডাঙৰ ডাঙৰ চহৰবোৰত ৰাজহুৱা স্বাস্থ্য বুলিলে অনাময় আৰু স্বাস্থ্যবিধিকে বুজাইছিল।

তথাপিও, এই কথা স্বীকাৰ কৰিবই লাগিব যে, প্রসৱ-ব্যৱস্থাৰ উন্নতিৰ বাবে ব্রিটিছে সুন্দৰ কাঠামো থৈ গ'ল।

এনেকৈ, ঔপনিবেশীয় ভাৰতত স্বাস্থ্য-প্রশাসনৰ বাবে চৰকাৰে ভালেকেইটা দিশত উল্লেখযোগ্য পদক্ষেপ লৈ গৈছে। সেইবোৰ হ'ল ঃ

১। ১৮৫৯ চনত ভাৰতীয় সৈনিকৰ স্বাস্থ্যৰ বুজ ল'বলৈ ৰয়েল কমিছন নিয়োগ কৰা।

২। ভাৰতীয় স্বাস্থ্য-আইন, ১৯১৯ৰ সংস্কাৰ সাধন।

৩। ভাৰতীয় স্বাস্থ্য-আইন, ১৯৩৫ৰ সংস্কাৰ সাধন।

এই প্রতিবেদনবোৰ আৰু আইনে যথাক্রমে কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ বিভিন্ন শিতানত কেইবাটাও উচ্চ পদবীৰ সৃষ্টি কৰিলে। ভাৰত চৰকাৰৰ আইন, ১৯১৯-এ ৰাজ্যিক ভিত্তিত স্বাস্থ্য-প্রশাসনক বিকেন্দ্রীকৰণ কৰি চিকিৎসাত প্রশাসন, চিকিৎসালয় প্রশাসন আদিত অন্তর্ভুক্ত কৰিলে। কেন্দ্রই পাচলৈ স্বাস্থ্য-প্রশাসনক সুন্দৰভাৱে পৰিচালিত কৰিবলৈ নিভৃত কাৰাদণ্ড আইন, ১৮২৫, টীকাকৰণ আইন, ১৮৮০, চিকিৎসা আইন, ১৮৮৬, সংক্রামক ৰোগ আইন, ১৮৯৭, ভাৰতীয় কাৰখানা আইন, ১৯১১, বিহ আইন, ১৯১৯, ভাৰতীয় ৰেড ক্রছ আইন, বিপদজনক ভেষজ আইন, ১৯৩০, ভাৰতীয় বন্দৰ স্বাস্থ্য নিয়ম, ১৯৩৮ আদি প্রৱর্তন কৰে।

## ৯.৬ আধুনিক ভাৰতৰ আইন-ব্যৱস্থা

ব্রিটিছে ন্যায়ৰ ক্ষেত্রত একশ্রেণী ধর্মীয় প্রশাসনৰ বিষয়ববীয়া আৰু অপৰাধী আদালতেৰে এক নতুন ধাৰা আৰম্ভ কৰে। ৰাৰেন হেষ্টিংছে এই ব্যৱস্থা আৰম্ভ কৰে যদিও ১৭৯৩ চনত কর্ণৱালিচে ইয়াক কার্যকৰী কৰে। প্রশাসনিক সেৱাৰ অন্তর্ভুক্ত এজন জিলা বিচাৰপতিৰ অধীনত প্রত্যেকখন জিলাতে একোখনকৈ দেৱানী আদালত বা চিভিল ক'ৰ্ট স্থাপন কৰা হয়। এনেকৈ কর্ণৱালিচে জিলা বিচাৰপতি আৰু কালেক্টৰৰ পদ দুটা সুকীয়া

সুকীয়া কৰি পেলায়। জিলা আদালতৰ পৰা অহা আবেদন প্ৰথমতে চিভিল আপীলৰ চাৰিখন ৰাজ্যিক আদালতলৈ আৰু তাৰ পাছত অৱশেষত সদৰ দেৱানী আদালতলৈ যায়। জিলা আদালতৰ অধীনত ইউৰোপীয়ান নেতৃত্বাধীন ৰেজিষ্টাৰৰ আদালত আৰু মুন্সিফ আৰু আমিনৰ দৰে ভাৰতীয় বিচাৰক থকা তলতীয়া আদালতবোৰ আছিল। অপৰাধজনিত বিচাৰবোৰ মীমাংসাৰ বাবে কৰ্ণৱালিচে বংগৰ ৰাষ্ট্ৰপতীয় ব্যৱস্থাক চাৰিটা বিভাগত বিভক্ত কৰে, য'ৰ প্ৰতিটো ক'ৰ্ট অব্ চাৰকুইট তদাৰকৰ বাবে একোজন প্ৰশাসনিক বিষয়া নিযুক্ত কৰা হৈছিল। এই আদালতবোৰৰ অধীনত ভালেমান ভাৰতীয় মেজিষ্ট্ৰেটে সৰু-সু�ৰা গোচৰবোৰৰ সমাধান কৰিছিল। ক'ৰ্ট অব্ চাৰকুইটৰ পৰা অহা আবেদনবোৰ সদৰ নিজামত আদালতলৈ যায়। অপৰাধী আদালতত মুছলিক অপৰাধী আইন সামান্য উন্নত আৰু কম অমানুষিক কৰা হ'ল যাতে হাত-ভৰি ছিঙাৰ দৰে কোনো শাস্তি দিয়া নহয়। দেৱানী আদালতে পৰম্পৰাগত আইনসমূহ প্ৰৱৰ্তন কৰিছিল যিবোৰ অতীজৰে পৰা এচাম মানুহৰ মাজত চলি আছিল।

১৮৩১ চনত উইলিয়াম বেণ্টিংকে ৰাজ্যিক ক'ৰ্টছ অব্ এপীল আৰু চাৰকুইট বন্ধ কৰে। তেওঁলোকৰ কামবোৰ জিলা বিচাৰপতি আৰু জিলা কালেক্টৰৰ দায়িত্বলৈ আহিল। বেণ্টিংকে আইনী ব্যৱস্থাত ভাৰতীয়সকলৰ স্থিতি আৰু ক্ষমতা উন্নীত কৰি উপ-মেজিষ্ট্ৰেট, তলতীয়া বিচাৰপতি আৰু মুখ্য সদৰামীন নিযুক্ত কৰে। ১৮৬৫ চনত, দেৱানী আৰু নিজামতৰ সদৰ আদালতৰ পৰিৱৰ্তে কলিকতা, মাদ্ৰাজ আৰু বোম্বাইত উচ্চ ন্যায়ালয় স্থাপন কৰা হয়।

ব্ৰিটিছে পুৰণি আইনসমূহৰ বিধিবদ্ধকৰণ আৰু অধিনিয়মৰ বাবে এক নতুন ব্যৱস্থাৰ আৰম্ভ কৰে। ভাৰতত ন্যায়ৰ পৰম্পৰাগত ব্যৱস্থা ঘাইকৈ ব্যৱহাৰিক আইনৰ ওপৰত প্ৰতিষ্ঠিত। যদিও তেওঁলোক সাধাৰণভাৱে ব্যৱহাৰিক আইন পালন কৰাতে অভ্যস্ত, ব্ৰিটিছে কিন্তু লাহে লাহে আইনৰ নতুন ব্যৱস্থালৈ প্ৰৱৰ্তন কৰে। তেওঁলোকে নিয়মীয়াকৰণ, বতী থকা আইনৰ বিধিবদ্ধকৰণ আৰু ন্যায়িক ব্যাখ্যাৰে সিবিলাকৰ আধুনিকীকৰণ কৰে।

১৮৩৩ চনৰ চার্টাৰ আইনে আইন প্ৰণয়নৰ সকলো ক্ষমতা গৱৰ্ণৰ-জেনেৰেল-ইন-কাউন্সিলৰ হাতত অৰ্পণ কৰে। ইয়াৰ অৰ্থ হ'ল, এতিয়া ভাৰতীয়সকলে ভালেই হওক বা বেয়াই হওক মানুহে-তৈয়াৰী আইনক চকু মুদি মানি লৈ তাৰ অধীনত জীয়াই থাকিব লাগিব আৰু তাৰবাবে তেওঁলোকে কোনো প্ৰশ্ন কৰিবও নোৱাৰে কাৰণ সেই আইনবোৰ ঐশ্বৰিক বুলি ভবা হয় গতিকে সিবিলাকক সমীহ কৰি চলি লাগিব। ১৮৩৩ চনত, ভাৰতীয় আইনক বিধিবদ্ধকৰণৰ বাবে লৰ্ড মেক্‌লেৰ নেতৃত্বত এক ল কমিছন গঠন কৰা হয়। ইয়াৰ ফলত ভাৰতীয় দণ্ডবিধি, পশ্চিম-উদ্ভূত দেৱানী বিধি আৰু অপৰাধী নীতি আৰু আইনৰ আন বিধিবোৰৰ উদ্ভৱ হ'ল। সমগ্ৰ দেশতে এই আইনসমূহ প্ৰৱৰ্তন হ'ল আৰু সকলো আদালততে এই সম-ব্যৱস্থা বাহাল থাকিল। এনেকৈ ক'ব পাৰি ন্যায়িকভাৱে ভাৰত একত্ৰিত হ'ল।

ব্ৰিটিছে এক নতুন আইনী ব্যৱস্থা আৰম্ভ কৰিলে। ইয়াৰ অৰ্থ হ'ল, তেওঁলোকৰ প্ৰশাসনে, অন্ততঃ সূত্ৰ মতে, স্পষ্টভাৱে প্ৰজাৰ অধিকাৰ, বিশেষ সুবিধা আৰু বাধ্যবাধকতাৰ কথা কৈছে, শাসকৰ ব্যক্তিগত বিচাৰবুদ্ধিৰ কথা নাহে। আইনৰ শাসন এক অৰ্থত এজন ব্যক্তিৰ ব্যক্তিগত স্বাধীনতাৰ প্ৰতিজ্ঞা-পত্ৰ। এইটো সঁচা যে ভাৰতৰ পূৰ্বৰ শাসকসকল পৰম্পৰা আৰু ৰীতি-নীতিৰ প্ৰতি দায়বদ্ধ আছিল। ব্ৰিটিছ শাসনৰ সময়ত প্ৰশাসনে আদালতে উল্লেখ কৰা আইন, লাগিলে সি কেতিয়াবা আসোঁৱাহপূৰ্ণ হ'লেও, মানিবলৈ বাধ্য।

ব্রিটিছ শাসনৰ অধীনত ভাৰতীয় আইন ব্যৱস্থা সমতাৰ আইন এই ধাৰণাৰ ওপৰত প্রতিষ্ঠিত আছিল। ইয়াৰ অর্থ আইনৰ চকুত সকলো মানুহ সমান। জাতি, বর্ণ, ধর্ম নির্বিশেষ সকলোৰে বাবে একেই আইন প্রয়োগ কৰা হ'ব। পূর্বতে ন্যায় ব্যৱস্থাই জাতি ব্যৱস্থাক মানি চলিছিল তাৰ ফলত তথাকথিত উচ্চ আৰু নিম্ন বর্ণৰ মাজত ভেদাভেদ আহিছিল। একেটা অপৰাধতে এজন অ-ব্রাহ্মণতকৈ ব্রাহ্মণ এজনক কম শাস্তি প্রদান কৰা হৈছিল। সেইদৰে আইনী ব্যৱস্থাত এজন জমিদাৰ বা সভাসদক এজন সাধাৰণ প্রজাৰ দৰে চোৱা হোৱা নাছিল।

তথাপিও, আইনৰ সমতাৰ ক্ষেত্রত এই উত্তম মূলনীতিত এটা ব্যতিক্রম আছিল। ইউৰোপীয়ান আৰু তেওঁলোকৰ সতি-সন্ততিৰ কাৰণে সুকীয়া আদালত আনকি আইন আছিল। ফৌজদাৰী গোচৰত তেওঁলোকে ইউৰোপীয়ান বিচাৰকৰ হতুৱাইহে মীমাংসা কৰাইছিল। বহুত ইংৰাজ বিষয়া, সামৰিক প্রশাসক, কৃষক আৰু মহাজনে ভাৰতীয় মানুহবোৰক অসাধু, কঠোৰ আৰু নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল। সেয়ে তেওঁলোক আন এক প্রকাৰৰ ন্যায়িক ব্যৱস্থাত নিমর্জ্জিত আছিল। আদালতৰ মাচুল, উকীল নিয়োগ কৰা আৰু খৰচ কৰি সাক্ষী গোটোৱা আদি কামৰ বাবে আইনী প্রক্রিয়াটো যথেষ্ট খৰচী হৈ পৰিছিল। অশিক্ষিত আৰু অজ্ঞ খেতিয়কসকলে আইনৰ মেৰেপেঁচবোৰ একো বুজি পোৱা নাছিল। প্রশাসকে প্রায়ে ধনী শ্রেণীৰহে পোষকতা কৰিছিল। আনফালে, প্রাক্-ব্রিটিছ যুগত ন্যায়িক ব্যৱস্থা তুলনামূলকভাৱে লৌকিকতাহীন, খৰতকীয়া আৰু কম খৰচী আছিল।

## অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ থমাছ ৰালেই কোন আছিল?

প্রশ্ন নং ২ ঃ আধুনিক ভাৰতীয় শিক্ষাৰ মেগ্না কার্টাৰ নাম লিখক?

প্রশ্ন নং ৩ ঃ 'মুনচিফ'সকল কোন আছিল?

প্রশ্ন নং ৪ ঃ ভাৰতীয় চিকিৎসা সেৱাৰ গঠন কোন চনত হৈছিল?

## ৯.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলোঁ—

- ভাৰতত ব্রিটিছসকলে প্রতিষ্ঠা কৰা শিক্ষা অনুষ্ঠান সমূহৰ বিষয়ে
- জনগণৰ বাবে ব্রিটিছ চৰকাৰে স্বাস্থ্য আৰু আইনৰ সুবিধাৰ বাবে আগবঢ়োৱা নীতি সমূহৰ বিষয়ে।

## ৯.৮ অধিক জানিবলৈ

### ইংৰাজী গ্রন্থ ঃ


1) Chandra, Bipan. (2009). *History of Modern India*. Orient Blackswan. New Delhi, India

2) Chandra, Bipan. (2005). *Essays in Colonialism*. Orient Longman. New Delhi, India

3) Pati, Biswamoy and Harrison, Mark. (2009). T*he Social History of Health and Medicine in Colonial India*. Routledge, New York, NY

4) Harrison, Mark. (1994). *Public Health in British India Anglo-Indian Preventive Medicine 1859-1914*. CUP. Cambridge, London

5) Mushtaq, Muhammad Umair. (2009). Public Health in British India A brief account of the history of Medical Services and disease prevention in Colonial India in the *Indian Journal of Community Medicine*. 34(1)

6) Maiti, P. and Saha, P.K. (2012). *Modern India 1707-1947 A.D.* Sreedhar Publishers. Kolkata, India

## ৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভাইচৰয়ৰ কার্যকৰী পৰিষদৰ সদস্য

২ নং প্রশ্নৰ উত্তৰ ঃ উডচৰ প্রেৰণ পত্র (Wood's Despatch)

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় বিচাৰক

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৮৯৬

## ৯.১০ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

প্রশ্ন নং ১ ঃ প্রথম ছুপাৰিণ্টেডেণ্ট জেনেৰেল অৰ ভেকচিনেচঅৰ নিযুক্তি কেতিয়া হৈছিল?

প্রশ্ন নং ২ ঃ ১৮৫৭ চনত ভাৰতত কেইখন চিকিৎসা মহাবিদ্যালয় আছিল?

**খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

প্রশ্ন নং ১ ঃ ১৮৩৩ চনৰ চনদ আইনৰ তাৎপর্য কি? উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ ১৯০২ চনৰ বিশ্ববিদ্যালয় আইনৰ অনুমোদনসমূহ উল্লেখ কৰক।

**গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

প্রশ্ন নং ১ ঃ ঔপনিৱেশিক শাসনৰ অধীনত আইন ব্যৱস্থাৰ বিকাশৰ বিষয়ে উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ ঔপনিৱেশিক শাসনৰ অধীনত স্বাস্থ্য সুবিধাৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰক।

*****

# অধ্যায় ১০ ঃ মুদ্রা আৰু বেংক ব্যৱস্থা

## অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ কোম্পানীৰ শাসনৰ পূৰ্বৰ মুদ্রা ব্যৱস্থা
১০.৪ কোম্পানী শাসনৰ সময়ছোৱাৰ মুদ্রা ব্যৱস্থা
- মুদ্রা আৰু বিনিময় ব্যৱস্থাৰ পুনৰুত্থান
- সোণ মজুতকৰণ

১০.৫ দ্বিতীয় বিশ্বযুদ্ধ আৰু মুদ্রাত ইয়াৰ প্ৰভাৱ
১০.৬ অনুষ্ঠানিক আৰু অনানুষ্ঠানিক ঋণ ব্যৱস্থা
১০.৭ বেংক আৰু বীমাৰ উত্থান
১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১০.৯ অধিক জানিবলৈ
১০.১০ অগ্রগতিৰ খতিয়ান
১০.১১ আৰ্হি প্ৰশ্ন

## ১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ কৰি আপোনি—

- ১৭৫০ চনৰপৰা ইংলিচ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ইংৰাজ ব্যক্তিগত ব্যৱসায়ী (Trade) ভাৰতত মূখ্য হৈ পৰাত ভাৰতৰ অৰ্থনীতিৰ পৰিৱৰ্তনৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ঋণ ব্যৱস্থা আৰু বৈদেশিক বিনিময়ৰ আৰ্হিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব, আৰু
- বৃটিছ চৰকাৰে ভাৰতত বেংক আৰু বীমাৰ উন্নতি সাধনৰ বিষয়ে আলোচনা কৰিব পাৰিব ।

## ১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি সমাজ, আইন ইত্যাদিৰ আন্তঃগাঁঠনিৰ বিকাশৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়ত আমি ঔপনিৱেশিক ব্যৱস্থাৰ বৈশিষ্ট্য যি হ'ল আৰ্থিক ব্যৱস্থা, তাৰ বিষয়ে আলোচনা কৰিম। আমি লগতে মুদ্রা আৰু বেংকিং ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিম।

## ১০.৩ কোম্পানীৰ শাসনৰ পূৰ্বৰ মুদ্রা ব্যৱস্থা

মোগল সকলৰ অধীনত মুদ্রা ব্যৱস্থা অতি সু-সংগঠিত আছিল। ধাতুৰ উচ্চ পৰ্যায়ৰ বিশুদ্ধতা পোৱা গৈছিল। মোগল মুদ্রা ব্যৱস্থা সম্ভৱত তিনি ধাতুযুক্ত হিচাপে অভিহীত কৰিব পাৰি। মুদ্রা তিনিপ্রকাৰৰ ধাতুৰে গঢ়া হৈছিল

যেনে, তাম, ৰূপ আৰু সোণ। যি কি নহওক, ৰূপৰ মুদ্রা বিত্ত আৰু টকা-পইচা সম্বন্ধীয় ব্যৱস্থাৰ মূল ভেঁটি আছিল। ৰূপৰ মুদ্রাৰ এক দীঘলীয়া প্ৰাক-মোগল ইতিহাস আছে। দিল্লীৰ চুলতানসকলে এক দীৰ্ঘ সময় ধৰি ইয়াক টংকা (Tanka) হিচাপে ব্যৱহাৰ কৰিছিল। ৰূপৰ মুদ্রাক চেৰছাহে প্ৰথম প্ৰমাণীকৃত (standardized) কৰিছিল। ইয়াক ৰূপায়া বুলি কোৱা হৈছিল। ৰূপৰ 'ৰূপায়া (Rupaya) ক ব্যৱসায় আৰু ৰাজহ লেনদেনৰ প্ৰধান মুদ্রা হিচাপে ব্যৱহাৰ কৰা হৈছিল।

মোগল সকলে আশ্ৰাফি (ashrafi) অথবা মোহৰ (muhr) নাম সোণৰ মুদ্রা মুদ্ৰণ কৰিছিল। এই মুদ্রাটোক প্ৰধানকৈ মজুত সঞ্চয় কৰা আৰু উপহাৰ হিচাপে দিবৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল। সৰু লেনদেনৰ কাৰণে আটাইতকৈ বহুলভাৱে ব্যৱহৃত মুদ্রা আছিল তামৰ ডাম (dam)।

তদুপৰি নিচেই সৰু লেনদেনত উপকূলীয়া অঞ্চলত কৰিচ (sea-shells/cowries)ৰ ব্যৱহাৰ কৰা হৈছিল।

ৰূপৰ ৰূপায়াৰ (rupaya) বাহিৰেও অন্যান্য প্ৰকাৰৰ মুদ্রাও ব্যৱহাৰ কৰা হৈছিল। এইসমূহৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য আছিল মাহমুদীচ (Mahmudis), গুজৰাটৰ এক দীৰ্ঘ সময়ৰ বাবে বিশ্বাসযোগ্য (staunching) মুদ্রা আছিল আনকি গুজৰাটত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠাৰ পাছটো ইয়াৰ মুদ্ৰণ অব্যাহত আছিল আৰু ব্যৱসায়িক লেনদেনৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল।

বিজয়নগৰ সাম্ৰাজ্যত, হুণ অথবা পেগোদা (pagoda) নামৰ সোণৰ মুদ্রা ব্যৱহাৰ কৰা হৈছিল। বিজয়নগৰ সাম্ৰাজ্য ভাঙি যোৱাৰ পাছতো বিজাপুৰ আৰু গোলকুণ্ডা ৰাজ্যত ইয়াৰ প্ৰচলন অব্যাহত আছিল। দাক্ষিণাত্যৰ বহুতো ৰাজ্যত তাম আৰু ৰূপৰ মিশ্ৰিত টংকা নামৰ এবিধ মুদ্রাৰ প্ৰচলন আছিল। দাক্ষিণ্যতাকৈল মোগল সাম্ৰাজ্যৰ সম্প্ৰসাৰণৰ পাছত সেই অঞ্চলত মোগল ৰূপৰ মুদ্রা তৈয়াৰ কৰিবলৈ বহুতো ছপাশাল স্থাপন কৰিছিল।

## ১০.৪ কোম্পানী শাসনৰ সময়ছোৱাৰ মুদ্রা ব্যৱস্থা

### ● মুদ্রা আৰু বিনিময় ব্যৱস্থাৰ পুনৰুত্থান

ভাৰতত মোগলসকলৰ মৌদ্রিক ব্যৱস্থা, মুদ্রাৰ এক কেন্দ্রীয়ভাৱে নির্দেশিত ব্যৱস্থা দ্বাৰা গঠিত আছিল। ৰাজকীয় মুদ্রা পৰিমাণ আৰু গুণ দুয়োটাকে অভূতপূৰ্ব আছিল। তদুপৰি, মোগল শাসকসকলে চিক্কাত (coin) সাঁচ বহুওৱাৰ (strike) অধিকাৰক সার্বভৌমত্বৰ একচেটিয়া বিশেষাধিকাৰ বুলি গণ্য কৰিছিল। এই দুয়োটা কাৰকে ভাৰতত ইউৰোপীয় বাণিজ্যিক কোম্পানীসমূহৰ অর্থনৈতিক কার্যকলাপ বিকাশত এক নিবৃত্তিকাৰক (deterrent) ভূমিকা পালন কৰিছিল, যাৰ বাবে তেওঁলোকে নগদ ধনৰ যোগানৰ কাৰণে ৰাজ্যৰ (realm) টকা শালৰ ওপৰত নির্ভৰ কৰিবলগীয়া হৈছিল। তদুপৰি অনুকূল বাণিজ্যৰ সন্তুলন অৱস্থা, ভাৰতত ইউৰোপীয় সামগ্ৰীয় কাৰণে এক বজাৰৰ অভাৱ আৰু ভাৰত আৰু ইউৰোপৰ মাজত ধাতুৰ মূল্যৰ পার্থক্য আদি কাৰক সমূহৰ কাৰণে এই কোম্পানীসমূহে ভাৰতত তেওঁলোকৰ বিনিয়োগত বিত্ত যোগান ধৰিবলৈ মূল্যৱান ধাতু আমদানি কৰিবলৈ বাধ্য হৈছিল। এইটো কৰিবলৈ যাওঁতে, হয় তেওঁলোকে ভাৰতীয় বিতৰকক আমদানিকৃত সোণ বা ৰূপৰ ডোখৰ (Bullion) বিক্ৰী কৰিছিল, অথবা ৰাজ্যৰ টকাশাললৈ নিছিল আৰু তেওঁলোকৰ ব্যৱহাৰৰ কাৰণে প্ৰচলিত মুদ্রালৈ পৰিৱর্তন কৰিছিল।

১৮ শ শতিকাৰ আৰম্ভণিত ভাৰতৰ সার্বভৌম কর্তৃত্বৰ দ্ৰুত বিকেন্দ্রীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। শতিকাটোক "পৰিৱর্তনৰ যুগ (period of transition)" বুলি বর্ণনা কৰা হয় য'ত ভাৰতে ইয়াৰ দ্ৰুত অর্থনৈতিক অৱস্থাৰ অৱনতিৰ সৈতে কঠিনতা আৰু নিদাৰুণ যন্ত্ৰণাৰ মাজেৰে পাৰ কৰিব লগা হৈছিল। মোগলৰ কেন্দ্রীয়

কর্তৃত্বৰ পতনক অর্থনীতিৰ ক্ষীপ্ৰ অৱনমিত ধাৰাৰ সৈতে সমান বুলি বিবেচনা কৰিছিল।

বৃটিছ সকলে ভাৰতত উপনিবেশ স্থাপন কৰাত মুদ্রাই এক অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। এটা ব্যৱসায়িক কোম্পানীৰ কাৰণে সদায়েই সামগ্ৰীৰ যোগানৰ কাৰণে আৰু ভাৰতত ইয়াৰ অন্যান্য বাণিজ্যিক কার্যৰ বাবে নগদ ধনৰ প্রয়োজন আছিল, ইয়াৰ কৃতকার্য পেছা/বৃত্তিৰ কাৰণে টকা যোগানৰ মাধ্যমক নিয়ন্ত্রণ কৰাটো নির্ণায়ক আছিল। একে সময়তে ই এনে এটা বিষয় আছিল যিটো যথেষ্ট সংখ্যক আভ্যন্তৰীণ আৰু বাহ্যিক কাৰকৰ সৈতে সাঙোৰ খাই আছিল। উদাহৰণস্বৰূপে, আন্তৰাষ্ট্রীয় বাণিজ্যৰ যোগেদি সোণ বা ৰূপৰ (bullion) টকুৰাৰ ভিতৰলৈ অহা-বাহিৰলৈ ওলাই যোৱাৰ পৰিণতিত প্রত্যক্ষভাৱে টকাৰ যোগান বিস্তাৰ সংকুচিত হয়, যি ইয়াৰ বদলি বস্তুৰ দামৰ ধাৰাত মুদ্রাস্ফীতি-মুদ্রা-সংকোচন লৈ আগুৱাই নিয়ে আৰু সমগ্ৰ সমাজত প্রভাৱ পেলায়।

দেশৰ বৃহৎ অংশৰ পৰা কোম্পানীৰ ৰাজহ সংগ্রহে কেৱল ভাৰতত ইয়াৰ বিনিয়োগত বিত্ত যোগান ধৰাই নহয়, লগতে ই ভাৰতৰ পৰা সম্পদৰ নির্গমনৰ এক নিয়মিত ধাৰা মুকলি কৰাত সক্ষম হৈছিল। আকৌ নগদ ধনেৰে ই ৰাজহ ই ৰাজহ আদায় কৰাৰ ক্ষমতাক এই অঞ্চলসমূহৰ মুদ্রাৰ অৱস্থাই নির্দ্ধাৰণ কৰিছিল। মুদ্রাৰ ওপৰত অয়াৰ নিয়ন্ত্রণৰ যোগেদি কোম্পানীয়ে ভাৰতৰ বৃহৎ টকাৰ/মুদ্রাৰ বজাৰত প্রৱেশ কৰিছিল যি প্রাক-ঔপনিবেশিক শাসনৰ সময়ত ইয়াৰ উল্লেখনীয় ঋণ আৰু বেংকিং গোটৰ সংগঠনৰ (network) যোগেদি এক সমৃদ্ধি লাভ কৰা অর্থনীতিক সমর্থন কৰিছিল। এই নেটৱর্ক সমূহে এক কঠোৰ আঘাত সহ্য কৰিব লগা হৈছিল কিয়নো কোম্পানীৰ বর্তাই ৰখা নীতিৰ যোগেদি/দ্বাৰা ইউৰোপীয় আর্হিত সজ্জিত অনুষ্ঠানসমূহৰ সৈতে সিহঁতক স্থানচ্যুত (supplanted) কৰা হৈছিল। এনেকৈ, মুদ্রা আছিল ঔপনিবেশকাৰী সকলৰ হাতত থকা দেশখনক অর্থনৈতিকভাৱে অধীনত ৰখা আটাইতকৈ শক্তিশালী (potent) আহিলা। কোম্পানীৰ দ্বাৰা সম্পদৰ নির্গমন কোম্পানীৰ বাবে এক গভীৰ অর্থ সংকটৰ হৈ পৰিছিল।

ৰাজনৈতিক শক্তিৰ দৰেই প্রাচ্যত ইংলেণ্ডৰ অর্থনৈতিক আধিপত্যৰ ভেঁটি ভাৰতৰ ভূমি ৰাজহৰ ওপৰতেই গঢ়ি তোলা হৈছিল। এনেকৈ, ১৮০৬ চনত, একমাত্র ধাতু হিচাপে ৰূপৰ সমর্থনত এক স্পষ্ট যুক্তি নির্ধাৰণ কৰা হৈছিল যি ভৱিষ্যতৰ দিনত ভাৰতত মুদ্রাৰ সংস্কাৰৰ বাট দেখু�ৱাইছিল।

১৭৭৩ চনৰ ৰেগুলেটিং এক্টৰ ফলত বেংগল হৈ পৰিছিল মুদ্রা সম্বন্ধীয় সংস্কাৰৰ কেন্দ্র। একেদৰে যেতিয়া ১৭৯৩ চনৰ চনদ আইনে বেংগল প্রেচিডেন্সীৰ সর্বোচ্চ কর্তৃত্ব নিশ্চিত আৰু শক্তিশালী/দৃঢ় কৰিছিল 'কর্ণৱালিচ ক'ড'ৰ (Cornwalis Code) অংশ হিচাপে আইনী/আইনগত বিধি বলবৎৰ যোগেদি মুদ্রাৰ সংস্কাৰ প্রক্রিয়া আৰম্ভ হৈছিল। ১৮৩৩ বর্ষৰ পৰা ভাৰতত ৰাজকীয়া প্রশাসন ব্যৱস্থা আৰম্ভ হৈছিল। ১৮৩৩ চনৰ চনদ আইনে বেংগলত এক কেন্দ্রীয় চৰকাৰ সৃষ্টি কৰিছিল আৰু গৱর্ণৰ জেনেৰেলক ভাৰতৰ কাৰণে বৃটিছ সংসদৰ পৰা কোনো পূর্ব অনুমোদন নোলোৱাকৈ, আইন আৰু বিধি প্রস্তুত কৰিবলৈ ক্ষমতা প্রদান কৰিছিল। ৰাজকীয় চৰকাৰক ভৌগোলিক দখলীকৃত অঞ্চল সমূহৰ কাৰণে এক একমানবিশিষ্ট (uniform) মুদ্রা সৃষ্টি কৰিব লগা হৈছিল । ১৮৩৫ চনৰ শেষলৈ, বৃটিছ ভাৰতত এক মৌদ্রিক সস্থাৰ প্রতিষ্ঠা কৰা হৈছিল। সমসাময়িকভাৱে পাছৰ বছৰসমূহত ভাৰতৰ প্রাদেশিক ৰাজ্যসমূহৰ টকা ছপা কৰাৰ অধিকাৰ বিলুপ্ত কৰা আৰু তেওঁলোকৰ অঞ্চললৈ বৃটিছ ৰূপী (Rupee) প্রসাৰ কৰা হৈছিল।

১৮৭৬ চনৰ The Native Coinage Act য়ে, এই মৌদ্রিক সস্থাৰ ঐক্যবর্দ্ধতাক এটা নির্দিষ্ট প্রকাৰ (form) দিবলৈ বিচাৰিছিল, এইটো নিশ্চিত কৰি যে ক্ষুদ্র দেশীয় ৰাজ্যসমূহত চলি থকা মুদ্রাসমূহে বৃটিছ

ৰূপীৰ ওজন আৰু সুন্দৰতাৰ মানদণ্ড অনুসৰণ কৰে। ১৮৩৫ চনৰ পাছৰ সময়চোৱাত বৃটিছ সকলৰ ভৌগোলিক বিস্তাৰত দেখা গৈছিল সমকালীনভাৱে কোম্পানীৰ ৰূপী আৰম্ভ কৰা যি নতুনকৈ অধিকৃত অঞ্চলসমূহৰ স্থানীয় মুদ্রাক আওপুৱণি কৰি পেলাইছিল। কোম্পানীৰ হাতত দৃঢ়ভাৱে সুৰক্ষিত এই মুদ্রাৰ যোগানৰ সৈতে, ই আঞ্চলিক অর্থনীতিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। সকলো স্থানতে চিক্কাই (sicca) পতাকা (Flag) অনুসৰণ কৰিছিল।

- **সোণ মজুতকৰণ**

সোণৰ মানদণ্ডই বুজাই যে ধনৰ কতৃপক্ষই অপর্যাপ্ত পৰিমাণৰ সোণ জমা কৰি ৰাখে (এশ শতাংশ), এক প্রতিশ্রুতিবদ্ধ বিনিময় হাৰত সোণলৈ মুদ্রণ কৰা সকলো প্রকাৰৰ ধনকে সোণলৈ পৰিৱর্তন কৰিবলৈ। আন শব্দত/কথাত, সোণৰ মানদণ্ড এটা পর্যায়লৈ আইনী সংযোজন যে দেশ এখনৰ আইনী দিশত গতি কৰোতাসকলে চাহিদা অনুসৰি এক নিদিষ্ট পৰিমাণৰ সোণলৈ ৰূপান্তৰ কৰিব। যিকিনহওক, সর্বপ্রথমে, সোণৰ মানদণ্ডই সোণৰ সম্বন্ধত (terms) প্রকাৰে প্রচলিত/প্রৱর্তিত হৈ থকা ধনৰ একক বুজাইছিল। সোণৰ মানদণ্ডৰ অধীনত, মুদ্রাৰ একক প্রয়োগ কৰা সোণৰ পৰিমাণৰ সম্বন্ধত নিৰূপণ কৰা হৈছিল আৰু নিদর্শন স্বৰূপে সোণলৈ ৰূপান্তৰিত কৰিব পৰা (অথবা ৰূপ, সোণ আৰু ৰূপ দুয়োটা ধাতুৰ ব্যৱস্থাৰ ক্ষেত্রত) চাচ্ছ (sachs) আৰু অন্যান্য সকলে নির্ধাৰণ কৰা মতে। ধনৰ একক সোণৰ এক নির্ধাৰিত নির্দিষ্ট মূল্যত ৰখা হৈছিল হয় কাগজক প্রত্যক্ষভাৱে অথবা প্রতীক/চিহ্নক (Token) সোণলৈ ৰূপান্তৰ কৰা। যুদ্ধৰ মাজৰ সময়চোৱাত "সোণ বিনিময় মানদণ্ডৰ" এক সালসলনি কৰা হৈছিল য'ত সদস্য দেশসমূহে তেওঁলোকৰ ধনক/মুদ্রাক সোণলৈ ৰূপান্তৰিত কৰিব কিন্তু সোণৰ বিকল্প হিচাপে বিদেশী বিনিময় ব্যৱহাৰ কৰিবলৈ প্রধান জমাদাৰী দেশৰ যেনে ইংলেণ্ড আৰু আমেৰিকাৰ মুদ্রা ব্যৱহাৰ কৰিব। এই ব্যৱস্থাটোৰ অধীনত সোণৰ স্থানীয় প্রচলন নাছিল আৰু তথাপিও দাম সোণত প্রকাশ কৰা হৈছিল।

যুদ্ধোত্তৰকালীন পুনৰ মীমাংসাত, বিশ্বই সোণৰ মানদণ্ড পুনৰ আৱিস্কাৰ কৰিছিল যাক Goldenweiser (১৯২৯) য়ে "সোণ জমাৰ মানদণ্ড হিচাপে" বর্ণনা কৰিছে যি তুলনামূলক ভাৱে নির্দিষ্ট আইনী চর্তৰ পৰা টকাৰ/কাগজী মুদ্রাৰ ৰূপান্তৰিত কৰাৰ বিষয়ত স্বাধীন আছিল আৰু ৰপ্তানিৰ বাবে সোণৰ উভৈনদী। এনেদৰে, "সোণৰ মানদণ্ড" বাক্যাংশটোৱে, এক ভিন্ন প্রকাৰৰ মানদণ্ড অন্তর্ভুক্ত কৰে যাৰ "স্থিৰ সম্বন্ধৰ" এক উমৈহতীয়া বৈশিষ্ট্য আছে, সোণৰ বিন্দু/ কেন্দ্রৰ ভিতৰত উঠা নমা কৰে, এখন দেশৰ মুদ্রা আৰু ইয়াৰ সোণৰ মাজত। ব্যৱস্থাটোৰ সংকটপূর্ণ মুহূর্ত আছিল সোণত চৰকাৰী প্রতিশ্রুতিৰ বিশ্বাসযোগ্যতা (credibility) আৰু এনেকুৱা প্রতিশ্রুতি আছিল আন্তঃৰাষ্ট্রীয়। এইটো কোৱো হয় যে সোণৰ মানদণ্ডৰ কার্যকৰীকৰণ কৰোতে সদায়েই কঠিনতাৰ মুখামুখি হৈছিল। সময়ৰ যিকোনো মুহূর্তত্বতে সোণৰ সম্পূর্ণ চাহিদা ইয়াৰ সীমিত যোগানতকৈ বেছি আছিল, আৰু সেয়েহে বিশ্বত লভ্য সোণৰ পৰিমাণ দেশসমূহৰ মাজত সদায় বৃদ্ধি পোৱা আধুনিক অর্থনৈতিক কার্যসমূহ বর্তাই ৰখাত কম হৈ পৰে। ১৯১৪ চনৰ বিশ্বযুদ্ধৰ আৰম্ভণিৰ সময়ত সোণৰ মানদণ্ড প্রায় সার্বজনীন ভাৱে কার্যকৰীকৰণ হৈ আছিল (Hawtrey 1919)। লগতে এইটোও দেখা গৈছিল যে সোণৰ মানদণ্ডই ধনৰ এককক একেৰূপ দিছিল, কেৱল সময়তেই নহয়, লগতে স্থানটো। সাহিত্যত, ১৮৮০ ৰ পৰা ১৯১৪ ৰ সময়চোৱাক বহুলভাৱে ধ্রুপদী সোণৰ মানদণ্ড হিচাপে উল্লেখ কৰা হৈছে।

## ১০.৫ দ্বিতীয় বিশ্বযুদ্ধ আৰু মুদ্রাত ইয়াৰ প্রভাৱ

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ভাৰতৰ আন্তৰাষ্ট্রীয় বিত্তীয় অৱস্থাৰ পৰিৱর্তন/সলনি হৈছিল। ইংলেণ্ডৰ ভাৰততে থকা ইয়াৰ সৈন্য বাহিনীৰ কাৰণে বৃহৎ পৰিমাণে সামৰিক খৰচ হৈছিল আৰু চুক্তি অনুসৰি ধাৰে দিয়া মিত্র বাহিনীৰ স্থানীয় খৰচত বিত্ত যোগান ধৰিব লগা হৈছিল। ভাৰতৰ যুদ্ধত বিত্ত যোগান ইংলেণ্ডতকৈ বেছি মুদ্রাস্ফীতিৰ আছিল আৰু বস্তুৰ দাম তিনিগুণ বৃদ্ধি পাইছিল, সেয়েহে এই স্থানীয় সেনাবাহিনীক সহায় কৰাত হোৱা খৰচ ষ্টাৰলিঙৰ ক্ষেত্রত অতি বেছি আছিল, যিহেতু বিনিময় মূল্য অপৰিৱর্তিত আছিল। পৰিণতিত ভাৰতে যুদ্ধৰ আগৰ ১.২ বিলিয়ন ডলাৰ ঋণ পৰিশোধ কৰিবলৈ সক্ষম হৈছিল আৰু ৫.১ বিলিয়ন ডলাৰৰ সাঁচতীয়া সম্পদ লাভ কৰিবলৈ সক্ষম হৈছিল, যুদ্ধৰ শেষত এক বৃহৎ অৱশিষ্ট (net) ঋণদাতা হৈছিল। এই নতুন সম্পদ সমূহ আৰু ঔপনিবেশিক সম্পদৰ নির্গমন নাইকীয়া হোৱাই যুদ্ধোত্তৰ বিকশিত ৰাজনীতিত এক ভীষণ (formidable) সুনাম বৃদ্ধি কৰিছিল।

## ১০.৬ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ঋণব্যৱস্থা

ভাৰতত স্থানীয়ভাৱে বিকশিত হোৱা বহলুৱা ঋণ প্রদানৰ গোটৰ সংগঠন বিনিময়ৰ ধনৰ ব্যৱস্থাক সমর্থন কৰিছিল, ধনৰ দাবীক অনুমতি প্রদান কৰি ধন পৰিশোধ আৰু দায়বদ্ধতা (obligation) মীমাংসা কৰাত ব্যৱহাৰ কৰিছিল । ভাৰতৰ আটাইতকৈ জনপ্রিয় ঋণৰ বিধিগত নথি (instrument) আছিল হুণ্ডি (hundi)। ই কেৱল কলিকতা আৰু বোম্বে অথবা বেনাৰচ আৰু নাচিকৰ দৰে দূৰত্বৰ ঠাইৰ মাজত ধনৰ হস্তান্তৰ কৰাক সহজসাধ্য কৰাই নাছিল, লগতে "বেংক মূলধনৰ গুৰুত্বপূর্ণ উৎস" হিচাপে সেৱা আগবঢ়াইছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত তেওঁলোকৰ প্রতিদ্বন্দ্বী অন্যান্য ইউৰোপীয় প্রতিদ্বন্দ্বী সকলৰ দৰে, নগদ ধন পৰিশোধ কৰিবলৈ বহুলভাৱে হুণ্ডি ব্যৱহাৰ কৰিছিল। ১৭৫৭ চনৰ পৰা ১৭৯৭ চনৰ সময় চোৱাত যেতিয়া ৰূপৰ মুদ্রাৰ নাটনি ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাবে এক চিন্তাৰ বিষয় হৈ পৰিছিল প্রেচিডেন্সী সমূহৰ ভিতৰত আৰু প্রেচিডেন্সীসমূহৰ মাজত প্রেৰিত ধন পৰিশোধ বেছিকৈ হুণ্ডিৰ যোগেদি কৰা হৈছিল। এনেকৈ ধনৰ পৰিশোধ আৰু বাণিজ্যৰ লাভ আৰু ইয়াক অব্যাহত ৰখাত, ভাৰতীয় বেংক ব্যৱস্থাত হুণ্ডী আটাইতকৈ কেন্দ্রীয় বৈশিষ্ট্যপূর্ণ বিধিগত নথি আছিল। পৰম্পৰাগত ঋণ ব্যৱস্থাক কেৱল ইউৰোপীয়ান সকলেই নহয় কোম্পানী দমনমূলক কার্যইও প্রত্যাহ্বান জনাইছিল। এজেন্সীসমূহ আৰু ইউৰোপীয় ব্যক্তিগত বেপাৰীসকলে কেৱল বাণিজ্য চলোৱা আৰু উৎপাদনত বিত্ত যোগান ধৰাই নহয় ই বেংক আৰু ঋণ নেটৱর্কত বলপূর্বক প্রৱেশ (inroad) কৰিছিল। ১৭৯০ চনত, উদাহৰণস্বৰূপে, অকল কলিকতাতেই ১৫টা এজেন্সী প্রতিষ্ঠান আছিল, যি তিনিটা বেংক আৰু চাৰিটা বীমা কোম্পানী কলিকতাত চলাইছিল আৰু ৰাজহুৱা নিৰাপত্তাত ধন বিনিয়োগ কৰিছিল। পৰিণতিস্বৰূপে, যদিও ভাৰতীয় সদাগৰ বেংকৰ হুণ্ডিৰ (hundi) ওপৰত ভিত্তিত গঢ়ি উঠা ঋণ নেটৱর্কে নতুন খেলুৰৈৰ হাতত ইয়াৰ ক্ষেত্রভূমি (turf) হেৰুৱাইছিল, ঋণৰ বিধিগত নথি পত্রই নিজে ইয়াৰ প্রত্যাহবান বর্তাই ৰাখিবলৈ সক্ষম হৈছিল। কোম্পানীয়ে বিভিন্ন সময়ত/বহু সময়ত চৰফ (sarrafs) সকলৰ সৈতে প্রত্যক্ষ সংঘাতত লিপ্ত হৈছিল। আমাৰ সমীক্ষাৰ সময়চোৱাত কোম্পানী আৰু স্থানীয় থলুৱা বেংকাৰ সকলৰ মাজত বৃদ্ধি পোৱা মতানৈক্যৰ বহুতো উদাহৰণ আছে। যি কি নহওক থলুৱা স্থানীয় চৰফ আৰু বেংকাৰ সকলক নিজৰ অধীনলৈ আনিবলৈ কোম্পানীৰ প্রচেষ্টা স্বত্বেও, ঋণৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্রণ দুর্বল নোহোৱাকৈ আছিল। বেংগলত বিত্তীয় আৰু ঋণৰ লেনদেনৰ ওপৰত কোম্পানীয়ে ইয়াৰ নিয়ন্ত্রণ প্রসাৰ কৰিবলৈ কৰাৰ প্রচেষ্টাত ১৮১৪ চনত কোম্পানীয় কঠোৰ নিষেধাজ্ঞা আৰোপ কৰিছিল,

যেতিয়া বিস্তৃত বিতং ষ্টাম্প কৰ অধিনিয়ম (stamp duty) প্রণয়ণ (regulation 1 of 1814) কৰিছিল। এই বিধি/আইনে বিধান দিছিল যে ১৮১৪ চনৰ ১ মে'ৰ পাছত, "প্রত্যেক ঋণপত্র (bond) প্রতিশ্রুতিবদ্ধ কাগজী টকা, বিনিময়ৰ হুণ্ডী, ঋণৰ নথি আৰু ধন পৰিশোধৰ অন্যান্য দায়বদ্ধতা, প্রত্যেক ৰচিদ আৰ পৰিচয় .... প্রত্যেক উপহাৰ, বিক্রি, আঁচনিৰ দলিল/চুক্তিনামা আৰু অন্যান্য সম্পত্তিৰ হস্তান্তৰ, আচল (real) অথবা ব্যক্তিগত, প্রত্যেক চুক্তি (lease) বন্ধকৰ দলিল, আৰু অন্যান্য মাটিৰ সীমিত চুক্তি (assignment), চুক্তিৰ প্রত্যেক দলিল, অংশীদাৰিত্ব চুক্তি, সুৰক্ষা, আৰু ব্যৱসায়িক প্রতিশ্রুতি (engagement) .... চৰকাৰী টিকটৰ ছপা থকা কাগজত লিখা হ'ব। যি কি নহওঁক, হুণ্ডিয়ে তেতিয়াও, সেইসমূহে আজিৰ দিনলৈকে আইনী দায়বদ্ধতা হিচাপে নহয় কিন্তু বিশ্বাসত কাম চলাই আছে/গৈছে। হুণ্ডিৰ মোহৰ আৰু চহী কঢ়িয়াই নুফুৰে, আৰু আনকি লেফাফাও নাথাকে, আৰু এতিয়াও গোটেই/সমগ্র দেশতে সার্বজনীনভাৱে গ্রহণ কৰে। হুণ্ডীক অসন্মান কৰাটো বিৰল আৰু ধন উলিয়াওতা জনৰ ঋণৰ লোকচানৰ প্রতীক হিচাপে দেখা যায়। এনেকৈ ভাৰতৰ ধনৰ বজাৰত এক প্রধান ভূমিকা পালন অব্যাহত ৰাখিছিল। কেৱল ব্যক্তিগতই নহয় চৰকাৰী লেনদেনটো। এইটোও যে বিংশ শতিকাৰ সময়চোৱাত বহুতো ভাৰতীয় ক্ষুদ্র ৰাজ্যই বৃটিছ চৰকাৰ আৰু স্বাধীন ভাৰতৰ চৰকাৰেও হুণ্ডিক এক 'চৰকাৰী' ঋণৰ বিধিগত নথি হিচাপে গ্রহণ কৰিছিল,

সমবায় সমিতিৰ আগমণৰ লগে লগে ভাৰতত আনুষ্ঠানিক ঋণ আৰম্ভ হৈছিল। ১৯শ শতিকাৰ শেষভাগত সমবায় সমূহৰ যোগেদি সৰু তাকৰীয়া ধনৰ লোকক একেলগ কৰি মিতব্যয়িতা (thrift) আৰু বিকাশৰ কাৰণে তেওঁলোকক পাৰস্পৰিকভাৱে সহায় কৰাৰ লক্ষ্যৰে আনুষ্ঠানিক ঋণ প্রদান ব্যৱস্থা আৰম্ভ হৈছিল।

১৯০৪ চনত প্রথম সমবায় আইন প্রণয়ন কৰা হৈছিল, যি ঋণপ্রদানকাৰী সমবায়ৰ উত্থান সহজসাধ্য কৰি তুলিছিল। ১৯০৪ আৰু ১৯১২ চনৰ মাজত সমবায় আন্দোলনে এক গুৰুত্বপূর্ণ গতি লাভ কৰিছিল, "মৌলিক কৃষিভিত্তিক সমবায় ঋণ সমাজ" এক নেটৱর্ক প্রতিষ্ঠা কৰি। 'নগৰীয়া ঋণ সমাজ' (urban credit societies) আৰু 'কেন্দ্রীয় সমবায় বেংক সংঘ' (central cooperative Banking Union) সকলো সমাজৰ মুঠ ২৬,৭৩৯ সংখ্যক সদস্য লৈ হৈছিল। ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনে নিগমক এক প্রাদেশিক বিষয় কৰিছিল - নীতিৰ মর্চাৰ (front) এক গুৰুত্বপূর্ণ পৰিৱর্তন। কৃষিৰ ওপৰত ৰাজকীয় আয়োগে (১৯২৮) পৰামর্শ আগবঢ়াইছিল যে সমবায় আন্দোলন গ্রাম্য ঋণৰ প্রসাৰ/বিস্তাৰ ঘটোৱাত বিশেষ গুৰুত্ব আৰোপ কৰি অব্যাহত ৰখা উচিত। ১৯২৯ বর্ষত বৃটিছ চৰকাৰে "ভাৰতীয় কেন্দ্রীয় বেংক অনুসন্ধান সমিতি" ঋণ প্রদানকাৰীসকলে মাত্রাধিক হাৰত মূল্য আদায় লোৱাৰ বিষয়টো অনুসন্ধান কৰিবলৈ গঠন কৰিছিল। সমিতিখনৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি বেংগল ঋণ প্রদানকাৰীৰ আইন (Bengal Money Lenders Act) (১৮৪০) গ্রহণ কৰি ঋণ প্রদানকাৰীসকলৰ কার্যকলাপ নিয়ন্ত্রণ কৰিবলৈ মূতৰ হাৰ নির্ধাৰণ কৰি অসুৰক্ষিত ঋণ/ধাৰত ২০ আৰু সুৰক্ষিত ঋণ বছৰি ১৫ শতাংশ সর্বোচ্চ সীমা থিৰাং কৰি (Cap) দিছিল। এই সময়চোৱাত প্রায়ে সকলো ৰাজ্যই সমবায় সমিতি স্থাপন কৰা আৰম্ভ কৰিছিল। ১৯৪৩ চনত হায়দৰাবাদ ৰাজ্যৰ নিজামাবাদ জিলাত ৩৬৫ জন সদস্য আৰু ১৩২৬ শস্যৰ টিপৰ (mound) এক মূলধনৰ অংশৰ সৈতে এক 'শস্য বেংক' পঞ্জীয়ন কৰা হৈছিল। এই ঋণ সমূহ বস্তুৰ আকাৰত প্রদান কৰা আৰু ঘূৰাই লোৱা হৈছিল। এই আছিল শস্য বেংকৰ প্রকাৰৰ উদাহৰণ যি ভাৰতৰ নির্দিষ্ট অঞ্চলৰ অস্তিত্ব ৰক্ষাৰ অর্থনীতিৰ প্রয়োজনক ঋণ সেৱা প্রদান কৰিছিল। বহুমুখী সমাজৰ ধাৰণাটোও প্রাক্ স্বাধীনতা যুগতেই আৰম্ভ কৰা হৈছিল। উদাহৰণস্বৰূপে অন্ধ্রপ্রদেশৰ 'এলামুৰা সমবায় গ্রামীন বেংক' আছিল গোদাবৰী

নদীৰ খালেৰে জলসিঞ্চন ব্যৱস্থা কৰা অঞ্চলত গঠিত এক সমাজ (society)। এই সমাজে আৱশ্যকীয়/দুখীয়া সদস্যক শিথিল/ব্যস্ত নোহোৱা (slack) ঋতুত দাৰ্ঘস্থায়ী উপভোক্তা সামগ্ৰী ক্ৰয় কৰিবলৈ কম ঋণ যোগান কৰিছিল যাতে সদস্যসকলক ঋণদাতা সকলৰ মুঠিৰ/কবলৰ পৰা ৰক্ষা কৰাটো নিশ্চিত কৰিব পৰা যায়।

## ১০.৭ বেংক আৰু বীমাৰ উত্থান

থলুৱা বেংক ব্যৱস্থা, থলুৱা বেংক সেৱা প্ৰদানকাৰী আৰু থলুৱা বেংক শব্দকেইটাই সাধাৰণতে "সকলো প্ৰকাৰৰ ব্যক্তিগত বেংক সেৱা, প্ৰদানকাৰী ধন/ধন প্ৰদানকাৰী বেংক ব্যৱস্থা আৰু ধন ধাৰে দিয়া প্ৰতিষ্ঠানক বুজায়"। ভাৰতত বাণিজ্যিক কাৰ্যকলাপ আৰম্ভ কৰাৰে পৰা, সকলো ইউৰোপীয় বাণিজ্যিক কোম্পানীয়ে তেওঁলোকৰ নগদ ধনৰ প্ৰয়োজন পূৰণ কৰিবলৈ, ধন হস্তান্তৰ, হ্ৰস্বম্যাদী লোণ আৰু সোণ বা ৰূপৰ টুকুৰাক মুদ্ৰালৈ সলনি কৰোতে ভাৰতৰ উচ্চ খাপত বিকশিত হোৱা স্থানীয় ধন আৰু ঋণ নেটৱৰ্কৰ ওপৰত ভৰষা কৰিব লগা হৈছিল। এই সকলোবোৰ কাৰ্য চৰফ (Sarrafs) সকলে সম্পন্ন কৰিছিল যি কেৱল ধন সলনি কৰোতাই নহয়, লগতে পূৰ্ণ পৰ্যায়ৰ হুণ্ডীত ৰেহাই দিয়া বেংকাৰ, জমা গ্ৰহণকাৰী আৰু ঋণ প্ৰদান কৰোতা আছিল।

১৮২০ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ট্ৰেজাৰী (Treasury) ব্যৱস্থা প্ৰতিষ্ঠা/স্থাপন কৰিছিল আৰু পৰিণতি স্বৰূপে ভাৰতীয় বণিকসকলৰ নিশ্চয়তা প্ৰদান কৰোতা হিচাপে প্ৰয়োজন নোহোৱা হৈছিল হুণ্ডীৰ ঠাইত জিলা ট্ৰেজাৰী বিধিয়ে (Bill) চৰকাৰী লেনদেনৰ মূল বিধিগত নথি হিচাপে স্থান লৈছিল। এই পৰ্যায়টোত ইংৰাজ এজেন্সী প্ৰতিষ্ঠান সমূহৰ দ্বাৰা প্ৰতিষ্ঠা কৰা যুটীয়া-ষ্টক বেংকৰ প্ৰভাৱ দেখা যায়। যি কি নহওক, বাণিজ্যিক বেপাৰৰ সৈতে মিশ্ৰিত কৰি বেয়া ফল পাইছিল, সিহঁতৰ সকলোৱেই সিহঁতৰ পৈতৃক/মূল (parent) এজেন্সী প্ৰতিষ্ঠান সমূহৰ সৈতে ভাঙোন/পতন হৈছিল। শতিকাটোৰ শেষৰফালে, ভাৰতৰ ধনৰ বজাৰ সম্পূৰ্ণৰূপ বহলুৱা হৈ পৰিছিল আৰু ইয়াক বাৰম্বাৰ ইয়াক অনুভৱ কৰা হৈছিল যে কোম্পানীৰ বিস্তৃত ভূখণ্ডৰ প্ৰশাসনক সমৰ্থন কৰিবলৈ আৰু লগতে ইয়াৰ বাণিজ্য আৰু বাণিজ্যিক প্ৰতিস্থান আৰু বেংক সমূহক ইউৰোপীয় আৰ্হিত প্ৰতিষ্ঠা কৰাটো অপৰিহাৰ্য আছিল। ১৮০৪ চনত মাদ্ৰাজত এচিয়াটিক বেংক স্থাপন কৰা হৈছিল।

এনেকৈ দেখা যায় যে ১৯ শ শতিকাত চৰকাৰ সমৰ্থিত বেংকৰ এক নতুন পৰ্যায়ে অৰ্থনৈতিক দৃশ্যপটত প্ৰভাৱ বিস্তাৰ কৰিছিল বিশেষকৈ মাদ্ৰাজ আৰু বেংগলত। নতুন ব্যৱস্থাপনাটোত স্থানীয় বেংকসমূহে সুসংগঠিত/সংহত বেংকসমূহৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাত বিফল হৈছিল আৰু পৰিণতিস্বৰূপে বেছিকৈ ভোগ কৰিবলগীয়া হৈছিল। চৰকাৰ সমৰ্থিত আৰু অন্যান্য যুটীয়া-ষ্টক বেংকসমূহে ছপা কৰা টকা/কাগজী মুদ্ৰাই "চৰকাৰৰ গ্ৰহণীয় এক প্ৰচলনৰ মাধ্যম" যোগাইছিল। এই নোটসমূহৰ কৃতকাৰ্যতাৰ ভাৰতৰ অৰ্থনীতিত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ আছিল যিহেতু ই ১৮৬১ চনত ভাৰতত এক পূৰ্ণ-পৰ্যায়ৰ চৰকাৰী কাগজী মুদ্ৰা আৰম্ভণীৰ ভেঁটি তৈয়াৰ কৰিছিল।

ভাৰতৰ বেংক উদ্যোগৰ আৰম্ভণি ১৭৮৬ চনত কলিকতাত (বৰ্তমান কলকতা) বেংগল বেংক স্থাপন কৰাত বিচাৰি পাব পাৰি (traced)। ঔপনিবেশিক যুগত বেংকৰ লক্ষ্য/উদ্দেশ্য আছিল প্ৰধানকৈ ঔপনিবেশিক শাসকসকলক তেওঁলোকৰ সাম্ৰাজ্য গঢ়া কাৰ্যত সম্পদ বৃদ্ধি কৰা আৰু সংখ্যাগতভাৱে কম বাণিজ্যিক সহায় কৰিবলৈ প্ৰশিক্ষণ কাৰ্যত সহায় কৰা। ভাৰতৰ ৰাজহুৱা আৰু দুয়োটা বেংকৰে এক দীঘলীয়া ইতিহাস আছে। ভাৰতত আধুনিক বেংক ব্যৱস্থা ১৮ শ শতিকাত কলিকতা আৰু বম্বেত ইংলিচ এজেন্সি হাউচ (English Agency House) খোলাৰ লগতেই আৰম্ভ হৈছিল। ১৯ শ প্ৰথমাৰ্ধত তিনিটা প্ৰেচিডেন্সী বেংক প্ৰতিষ্ঠা কৰা হৈছিল। ১৮৬০ চনৰ পাছত সীমিত দায়বদ্ধতাৰ আৰম্ভণিৰে ব্যক্তিগত বেংক দৃশ্যপটত ভুমুকি মাৰিছিল আৰু

বজাৰত বিদেশী বেংকে প্ৰৱেশ কৰিছিল। বিংশ শতিকাৰ আৰম্ভণিত যুটীয়া ষ্টক বেংকৰ আৰম্ভণি দেখা গৈছিল। ১৯৩৫ চনত প্ৰেচিডেন্সী বেংকসমূহক একেলগ কৰি ভাৰতৰ ইম্পেৰিয়েল বেংক গঠন কৰা হৈছিল, যাক পাছত ভাৰতীয় ষ্টে বেংক নামেৰে পু নামকৰণ কৰা হৈছিল। সেই বছৰতে ভাৰতৰ চেণ্ট্ৰেল বেংক আৰু ভাৰতীয় ৰিজাৰ্ভ বেংক কাম আৰম্ভ কৰিছিল। বেংক ব্যৱস্থাই অংশীদাৰিত্বৰ নতুন পৰিৱেশৰ লগত খাপ খোৱাত সু-সংগঠিত আছিল। বেংকসমূহে তেতিয়ালৈকে এক পৰম্পৰাগত বিত্তীয় মধ্যস্থতাকাৰীৰ কাৰ্য সম্পাদনা কৰিছিল।

**স্বাধীনোত্তৰ যুগ ঃ** স্বাধীনতাৰ কাহিলিপুৰাতে ভাৰতত বৃহৎ মাত্ৰাত/হাৰত পৰিৱৰ্তন সংঘটিত হৈছিল। ১৯৪৭ চনৰ স্বাধীনতাৰ সময়ত, ভাৰতৰ বেংক ব্যৱস্থা দেশখনত ৬০০ তকৈ বেছি বাণিজ্যিক বেংকে কাৰ্য চলাই একেবাৰে ভালকৈ বিকশিত হৈছিল। অৰ্থনীতিৰ এক বৃহৎ অংশ আৰু গ্ৰাম্য সমষ্টিসমূহৰ বেংকৰ প্ৰয়োজনীয়তাক ভালকৈ সামৰি লোৱাটো নিশ্চিত কৰিবলৈ ১৯২১ চনত স্থাপন হোৱা ইম্পেৰিয়েল বেংকক ভাৰত চৰকাৰে ৰাষ্ট্ৰীয়কৰণ কৰিছিল আৰু ১৯৫৫ চনৰ পৰা ভাৰতীয় ষ্টেট বেংকলৈ সলনি কৰিছিল। ১৯৫০ আৰু ১৯৬০ চনৰ মাজৰ সময়চোৱাত প্ৰগতি স্বত্বেও, এইটো অনুভৱ কৰা হৈছিল যে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ সৃষ্টি যথেষ্ট সুদুৰপ্ৰসাৰী নাছিল যিহেতু ক্ষুদ্ৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কৃষিৰ গাঁথনিটোৰ বেংকৰ প্ৰয়োজনীয়তাক তেতিয়াও পৰ্যাপ্ত পৰিমাণে সামৰি লোৱা নাছিল। এইটো আংশিকভাৱে বাণিজ্যিক আৰু ঔদ্যোগিক প্ৰতিষ্ঠানসমূহৰ মাজত বৰ্তি থকা ঘনিষ্ঠ/নিকট (close) বান্ধোনৰ কাৰণে যি তেওঁলোকক ঋণ লাভ কৰাত সুযোগ দিছিল। তদুপৰি/অতিৰিক্তভাৱে এটা ধাৰণা আছিল যে ভাৰতৰ বিকাশৰ কৌশলত অৰ্থনৈতিক বিস্তাৰৰ কাৰণে নিৰ্ণায়ক হিচাপে দেখা পোৱা খণ্ড (sector) সমূহৰ কাৰণে সম্পদ একত্ৰিত/একগোট কৰি বেংকসমূহে বেছি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা উচিত। পৰিণতিস্বৰূপে, বেংকসমূহৰ ওপৰত সামাজিক নিয়ন্ত্ৰণৰ নীতি ঘোষণা কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল বাণিজ্যিক বেংকসমূহৰ দ্বাৰা ঋণৰ পৰিচালনা আৰু বিতৰণৰ পৰিৱৰ্তন সাধন কৰা।

## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন ১ ঃ** পূব-ঔপনিৱেশিক ভাৰতত গুজৰাটত ব্যৱহাৰ হোৱা ৰূপৰ মুদ্ৰাৰ নাম লিখক?

.....

**প্ৰশ্ন ২ ঃ** হুন বা পাণ্ডডা ক'ত ব্যৱহাৰ হৈছিল?

.....

**প্ৰশ্ন ৩ ঃ** ভাৰতত বেংক ব্যৱস্থা আৰম্ভণিৰ আঁৰত কি উদ্দেশ্য আছিল?

.....

**প্ৰশ্ন ৪ ঃ** ভাৰতীয় বজাৰত দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱৰ বিষয়ে লিখক।

.....

**প্ৰশ্ন ৫ ঃ** ভাৰতীয় ষ্টেট বেংকৰ প্ৰতিষ্ঠা কেতিয়া হৈছিল?

.....

## ১০.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলোঁ—

- ঔপনিৱেশিক যুগৰ মুদ্রা ব্যৱস্থাৰ বিষয়ে
- আধুনিক ভাৰতত উত্থান হোৱা বেংকিং আৰু ঋণ ব্যৱস্থাৰ বিষয়ে
- ভাৰতীয় অর্থনীতিত বিশ্বযুদ্ধৰ প্রভাৱৰ বিষয়ে

## ১০.৯ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থ ঃ**

1. Irfan, Habib. (2013). The Agrarian System of Mughal India 1556-1707. OUP. Mumbai, India
2. Choudhuri, Roy Tapan and Habib, Irfan (ed). (1982). The Cambridge Econmic History of India- Vol-1. Cambridge University Press. London

## ১০.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মাহমুদি

২ নং প্রশ্নৰ উত্তৰ ঃ বিজয়নগৰ সাম্রাজ্য

৩ নং প্রশ্নৰ উত্তৰ ঃ বেংকৰ উদ্দেশ্য আছিল ঔপনিৱেশিক শাসক সকলক সাম্রাজ্য নির্মাণৰ বাবে সম্পদ আহৰণত সহায় কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ টকাৰ মূল্য তিনিগুণ বাঢ়িছিল আৰু ভাৰতীৰ বিত্তীয় অৱস্থা অধিক শোচনীয় হৈ পৰিছিল।

## ১০.১০ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

প্রশ্ন ১ ঃ 'হুনদি' বুলিলে কি বুজায়?

প্রশ্ন ২ ঃ 'চৰফ' সকল কোন আছিল?

**খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

প্রশ্ন ১ ঃ ব্রিটিছ শাসনৰ প্রাক্ সময়ছোৱাৰ মুদ্রা ব্যৱস্থাৰ বিষয়ে চমু টোকা লিখা?

প্রশ্ন ২ ঃ ঔপনিৱেশিক ভাৰতৰ ঋণ ব্যৱস্থাৰ ব্যাখ্যা লিখক।

**গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

প্রশ্ন ১ ঃ ঔপনিৱেশিক ব্যৱস্থাৰ অধীনত প্রাৰম্ভ কৰা বেংকিং ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাৰতীয় অর্থনৈতিক দৃশ্যপাটত বিশ্বযুদ্ধৰ প্রভাৱৰ বিষয়ে আলোচনা কৰা।

** ***** **

# অধ্যায় ১১ ঃ আধুনিক শিক্ষা ব্যৱস্থাৰ বিকাশ

## অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১২.২ পৰিচয়

১১.৩ স্থানীয় শিক্ষা ব্যৱস্থা

১১.৪ ঔপনিৱেশিক শাসনৰ সময়চোৱাৰ শিক্ষা নীতি

১১.৫ মিচনেৰীসকলৰ অৱদান

১১.৬ আধুনিক ভাৰতীয় শিক্ষাবিদ সকলৰ অৱিহনা

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১১.৮ অধিক জানিবলৈ

১১.৯ অগ্রগতিৰ খতিয়ান

১১.১০ আদর্শ প্রশ্নাৱলী

## ১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঔপনিবেশিক শাসনৰ আগমণৰ আগতে প্রচলিত শিক্ষা ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ঔপনিবেশিক প্রশাসনে ভাৰতৰ শিক্ষা ব্যৱস্থালৈ অনা পৰিৱর্তনৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ভাৰতত শিক্ষাৰ বিস্তাৰত খ্রীষ্টান মিচনেৰী সকলৰ অৱদানৰ বিষয়ে বর্ণনা কৰিব পাৰিব, আৰু
- আধুনিক ভাৰতীয় শিক্ষাবিদসকলৰ অৱদানৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি মুদ্রা আৰু বেংকিং ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়ত আমি আধুনিক শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিম, য'ত অন্তর্ভুক্ত হৈ আছে স্থানীয় আৰু ঔপনিবেশিক শিক্ষা ব্যৱস্থা।

## ১১.৩ স্থানীয় শিক্ষা ব্যৱস্থা

মুছলীম মোক্তাব আৰু মাদ্রাছা, হিন্দু পাঠশালা, বেংগলৰ টোলসমূহ, দক্ষিণ ভাৰতৰ আগ্রহৰ সমূহৰ দ্বাৰা (Agraharas) স্থানীয় শিক্ষা ব্যৱস্থাৰ গঠিত হৈছিল। এই অনুষ্ঠান সমূহত শিক্ষাৰ মাধ্যম আছিল সংস্কৃত, বেংগলী, হিন্দী, উর্দু, পার্চি, তেলেগু, তামিল ইত্যাদি।

উচ্চ শিক্ষা প্রদানৰ ব্যৱস্থা মাদ্রাচা আৰু অন্যান্য উচ্চ শিক্ষাৰ কেন্দ্র সমূহত বিৰাজ কৰিছিল। ভাৰতৰ জনগণৰ শিক্ষাগত প্রয়োজনীয়তা পূৰণত এই অনুষ্ঠান সমূহৰ গুৰুত্বক কম মূল্যাংকণকৰিব নোৱাৰি। অসন্তোষজনক বিত্তীয় অৱস্থাৰ বাবে এই অনুস্থানসমূহৰ ক্রমান্বয়ে পতন ঘটিছিল। ইয়াৰ বেছিভাগেই মন্দিৰ, ব্যক্তিগত বাসস্থান আৰু

জুপুৰি (Shed) আৰু শিক্ষক সকলৰ নিজৰ ঘৰত অনুষ্ঠিত হৈছিল।

এই শিক্ষা অনুষ্ঠানসমূহৰ নিৰন্তৰতা নাছিল আৰু স্থানীয় দাবীৰ অনুযায়ী বা অভাৱত হঠাতে আৱির্ভাব হৈছিল আৰু অন্তর্ধানো হৈছিল। নিয়ম অনুসৰি, তেওঁলোকৰ কার্যত সাম্প্রদায়িক নাছিল আৰু বিদ্যালয়ৰ খৰচ বহন কৰিব পৰা সকলোলৈকে বিদ্যালয়ৰ দুৱাৰ মুক্ত আছিল। বেছিভাগ শিক্ষক ব্রাহ্মণ আছিল আৰু নগদ ধন বা বস্তুৰ লোভৰ কাৰণে শিক্ষক বৃত্তি গ্রহণ কৰা নাছিল।

থলুৱা স্থানীয় বিদ্যালয়ৰ ছাত্রসমূহ বিভিন্ন সম্প্রদায়ৰ পৰা আহিছিল যদিও উচ্চ শ্রেণীৰ ল'ৰা ছোৱালীৰ সংখ্যাগৰিষ্ঠতা আছিল। এই বিদ্যালয়সমূহে প্রাথমিক পঢ়া, লিখা আৰু গণিতৰ শিক্ষা দিছিল। এই অনুষ্ঠানসমূহ ৰাজহুৱা শিক্ষাৰ বিস্তাৰৰ প্রধান কেন্দ্র আছিল।

বিদ্যালয়ৰ আকাৰ সাধাৰণতে সৰু আছিল। তাত নামভর্তিৰ কোনো নিয়মীয়া সময় নাছিল। বছৰৰ যিকোনো সময়তে ছাত্র-ছাত্রীয়ে বিদ্যালয়ত যোগ দিব পাৰিছিল আৰু নিজৰ অধ্যয়নৰ গতিৰ হাৰ (pace) অনুসৰণ কৰিব পাৰিছিল। স্থানীয় শিক্ষা ব্যৱস্থাৰ প্রধান গুণ আছিল থলুৱা পৰিৱেশৰ লগত ই খাপ খাই পৰিছিল আৰু ভিন্ন অর্থনৈতিক অৱস্থাত বর্তি থাকি জনপ্রিয়তা অর্জন কৰিছিল। সাধাৰণতে শিক্ষকসকলৰ প্রশিক্ষণ আৰু গভীৰ শিক্ষাৰ অভাৱ, সীমিত পাঠ্যক্রম আৰু কঠোৰ শাস্তি প্রদান আদি স্থানীয় শিক্ষা ব্যৱস্থাৰ ত্রুটি আৰু কিছু আঁসোৱাহ আছিল।

ব্রিটিছ চৰকাৰে স্থানীয় শিক্ষা ব্যৱস্থা মষিমূৰ কৰিছিল, যি স্মৰণাতীত সময়ৰে পৰা আমাৰ দেশত বর্তি আছিল। ক্রমান্বয়ে, স্থানীয় বিদ্যালয়সমূহ হ্রাস হৈছিল আৰু কিছুমান নতুন বিদ্যালয়ে ভুমুকি মাৰিছিল।

ভাৰতত শিক্ষাৰ প্রসাৰত খ্রীষ্টান মিচনেৰী সকলৰ প্রচেষ্টাক আৰোপ কৰিব পাৰি। তেওঁলোকৰ প্রাৰম্ভিক কার্যকলাপ প্রধানকৈ প্রাথমিক শিক্ষাত সীমাবদ্ধ আছিল। দেশৰ বিভিন্ন অংশত তেওঁলোকে প্রাথমিক বিদ্যালয় স্থাপন কৰিছিল। তেওঁলোকে স্থাপন কৰা বিদ্যালয়সমূহৰ প্রকৃতি আৰু বৈশিষ্ট্য যিয়েই নহওক কিয়, এই বিষয়টো অস্বীকাৰ কৰিব নোৱাৰি যে তেওঁলোকে দেশৰ শিক্ষা ব্যৱস্থাত এক নতন স্তৰ/পর্যায়ৰ আ�ৰম্ভণী কৰিছিল, যি দেশত বিৰাজ কৰি থকা শিক্ষা ব্যৱস্থাৰ ওপৰত এক সজীৱ প্রভাৱ বিস্তাৰ কৰিছিল।

## ১১.৪ ঔপনিৱেশিক শাসনৰ সময়চোৱাৰ শিক্ষা নীতি

বৃটিছ যুগত ভাৰতত আধুনিক শিক্ষা ব্যৱস্থা পৰম্পৰাগত স্থানীয় শিক্ষা ব্যৱস্থাৰ বিনিময়ত প্রতিষ্ঠা কৰা হৈছিল। ৰাজনৈতিক সংঘাত, এক শক্তিশালী কেন্দ্রীয় ৰাজনৈতিক কর্তৃপক্ষৰ অভাৱ আৰু গ্রহণযোগ্য পৃষ্ঠপোষকতাৰ অভাৱৰ বাবে স্থানীয় শিক্ষা ব্যৱস্থা ক্রমান্বয়ে হ্রাস পাইছিল আৰু বিপর্যয়ৰ সন্মুখীন হৈছিল।

ব্রিটিছ যুগত শিক্ষা ব্যৱস্থাৰ বিকাশ ঔপনিবেশিক শক্তিৰ প্রয়োজনীয়তাৰ দ্বাৰা নির্ধাৰিত হৈছিল।

১৭৬৫ চনত ইষ্ট ইণ্ডিয়া কোম্পানী বেংগলৰ এক শাসক শক্তিত পৰিণত হৈছিল। ৰাৱেন হেষ্টিংচ নিজে এজন বুদ্ধিজীৱি আছিল, ১৭৮১ চনত পার্চী আৰু আ�ৰবী ভাষা অধ্যয়ণৰ বাবে কলিকতা মাদ্রাচা প্রতিষ্ঠা কৰিছিল। ১৭৯১ চনত, জোনাথন ডানকেনৰ (Jonathan Duncan) প্রচেষ্টাৰ ফলত আইন, সাহিত্য আৰু হিন্দুৰ ধর্মীয় শিক্ষাৰ কাৰণে বেনাৰচত এক সংস্কৃত কলেজ প্রতিষ্ঠা কৰা হৈছিল। ইংৰাজ ন্যায়াধীশৰ সৈতে পৰামর্শদাতা(assessors)ৰ আৱশ্যকতাৰ বাবে ন্যায়িক বিভাগত সংস্কৃত, আৰবী, পার্চী ভাষাত জ্ঞান থকা ভাৰতীয় লোকসকলৰ প্রয়োজনীয়তা বৃদ্ধি হৈছিল। ভাৰতৰ প্রাদেশিক শাসকসকলৰ ৰাজনৈতিক বিভাগসমূহৰ সৈতে

যোগাযোগ কৰাৰ বাবে পার্চী আৰু আৰু মাতৃ ভাষাৰ জ্ঞানক মূল্য দিছিল। ৰাজহ আৰু বাণিজ্য বিভাগৰ কেৰাণীসকলে অশিক্ষিত জনগণৰ লগত সংযোগ আছিল আৰু তেওঁলোকৰ কাৰণে স্থানীয় ভাষাৰ জ্ঞান বাধ্যতামূলক আছিল।

১৮১৩ চনৰ চনদ আইন ভাৰতৰ শিক্ষাৰ ইতিহাসত এক নির্ণায়ক মুহূর্ত আছিল। এই আইনে শিক্ষাৰ প্রসাৰ কোম্পানীৰ দায়িত্বৰ ভিতৰত নিশ্চিতভাৱে অন্তর্ভুক্ত কৰিছিল। প্রথমবাৰৰ বাবে ব্রিটিছ গৱর্ণৰ জেনেৰেল পৰিষদে এক লাখ (কিন্তু এক লাখতকৈ কম নহয়) পৰিমাণৰ ধন শিক্ষাৰ বাবে ধার্য কৰা হৈছিল। এই আইনে দুটা প্রধান পৰিৱর্তন আনিছিল, এটা আছিল স্থানীয় শিক্ষাৰ দায়িত্ব গ্রহণ কৰা আৰু আনটো আছিল ভাৰতত মিচনেৰী কার্যকলাপৰ ওপৰত নিয়ন্ত্রণ শিথিল কৰা। ১৮১৩ চনৰ চনদ আইনৰ ৪৩ নং দফাত কিন্তু এই উদ্দেশ্য লাভ কৰাৰ ক্ষেত্রত প্রয়োগ কৰিবলগা পদ্ধতিৰ কোনো নির্দেশনা নাছিল।

১৮১৩ চনৰ চনদ আইনৰ ৪৩নং দফাৰ অস্পষ্টতাই ভাৰতত প্রাচ্য আৰু পাশ্চাত্যৰ শিক্ষাৰ বাদানুবাদ গভীৰ কৰিছিল। এটা দল প্রাচ্য তত্ববিদ আছিল যি ভাৰতীয় শিক্ষা সংস্কৃত, আৰৱী আৰু পার্চী ভাষাৰ মাধ্যমৰ যোগেদি বিকশিত হোৱাটো বিচাৰিছিল আৰু আনটো দল আছিল ইংৰাজীকৰণ কৰা যি ভাৰতত ইংৰাজী মাধ্যমৰ যোগেদি পশ্চিমীয়া শিক্ষাৰ বিকাশৰ পোষকতা কৰিছিল। চনদ আইনৰ দ্বাৰা ধার্য কৰা ধনখিনি মতবিৰোধৰ কাৰণে ১৮২৩ চনলৈকে খৰচ নকৰাকৈ আছিল। সেইকাৰণে ১৮১৩ চনৰ চনদ আইনৰ অনুমোদন ১৮২৩ চনলৈকে বিলম্ব হৈছিল যেতিয়া গৱর্ণৰ জেনেৰেলৰ পৰিষদে ভাৰতৰ শিক্ষাৰ বিকাশৰ বাবে বেংগল প্রেচিডেন্সীৰ কাৰণে এখন (General Committee of Public Instruction) ৰাজহুৱা শিক্ষাৰ সাধাৰণ সমিতি গঠন কৰিছিল। প্রাচ্যতত্ববিদ/পাশ্চাত্যবিদ বিতর্কৰ পৰিণতি স্বৰূপে, ভাৰতত শিক্ষাৰ বিস্তাৰ ১৮৩৫ চনলৈকে থমকি ৰৈছিল। ১৮৩৫ চনত মেকলেৰ প্রস্তাৱে বৃটিছ শিক্ষা নীতিৰ ক্ষেত্রত এক স্পষ্ট ছবি দাঙি ধৰিছিল। চনদ আইন অৱশেষত ১৮৩৩ চনত আৰু ২০বছৰৰ কাৰণে নৱীকৰণ কৰা হৈছিল। এই আইনৰ দ্বাৰা বেংগলৰ গৱর্ণৰ জেনেৰেলৰ কার্যবাহী পৰিষদত এজন আইনী সদস্যক নিযুক্ত কৰা হৈছিল। মেকলে আছিল প্রথম আইনী সদস্য।

মেকলে ইংৰাজী ভাষাৰ বিৰুদ্ধে আৰৱী আৰু সংস্কৃতৰ দাবীক অগ্রাহ্য কৰিছিল কিয়নো তেওঁ ইংৰাজী ভাষাক আধুনিক শিক্ষাৰ কাৰণে অতি গুৰুত্বপূর্ণ বুলি বিবেচনা কৰিছিল।

এই লিখিত টোকাত (Minutes) তেওঁ উল্লেখ কৰিছিল যে ব্রিটিছ চৰকাৰৰ প্রধান লক্ষ্য আছিল ভাৰতীয়সকলৰ মাজত ইউৰোপীয় সাহিত্য আৰু বিজ্ঞানৰ প্রসাৰ কৰা শিক্ষাৰ বাবে আবণ্টিত সকলো ধন ইংৰাজী মাধ্যমৰ যোগেদি সেই উদ্দেশ্যত খৰচ কৰা। তেওঁৰ লিখিত টোকাই অৱশেষত ভাৰতত শিক্ষাৰ লক্ষ্য, মাধ্যম, নীতি স্থিৰ কৰিছিল ।

অৱশেষত, মেকলেই তেওঁৰ ১৮৩৫ৰ লিখিত টোকাত বৃটিছ ৰাজৰ সমর্থনত এক শিক্ষা নীতি আৰম্ভ কৰিছিল যি ভাৰতীয় ভাষা আৰু জ্ঞানক অৱহেলা কৰিছিল আৰু ঔপনিবেশিক নির্দেশৰ (শিক্ষা নহয়) মাধ্যম হিচাপে ইংৰাজীৰ নেতৃত্বৰ প্রভাৱ প্রতিস্থা কৰিছিল।

১৯ শ শতিকাৰ আৰম্ভণিত ব্রিটিছ শাসকসকলৰ লক্ষ্য আছিল চৰকাৰৰ প্রতি আনুগত্য ভাব ৰখা ভাৰতীয় লোকসকলৰ এটা গোট সৃষ্টি কৰা। এই লক্ষ্যত উপনীত হোৱাৰ বাবে পৰিশ্রাৱণ তত্বৰ দ্বাৰা উচ্চ শ্রেণীৰ লোকসকলক শিক্ষিত কৰাৰ চেষ্টা কৰিছিল। এই তত্বৰ মতে, 'Education was to permeate the masses from above...'। উচ্চ শ্রেণীৰ লোকসকলক শিক্ষিত কৰি তোলাৰ পিছত, জনগণক শিক্ষিত কৰি তোলাৰ দায়িত্ব চৰকাৰে তেওঁলোকৰ

ওপৰত ন্যস্ত কৰিছিল।

চৰকাৰে জনগণক শিক্ষিত কৰিবলৈ পৰ্যাপ্ত ধন পোৱা নাছিল। বৃটিছ শাসকসকলক বাণিজ্য আৰু প্ৰশাসন চলাবলৈ শিক্ষিত কৰ্মচাৰীৰ প্ৰয়োজন। বৃটিছৰ ধাৰাত (line) ইংৰাজী মাধ্যমৰ যোগেদি শিক্ষা লাভ কৰা শিক্ষিত লোকসকলে চৰকাৰী সেৱাত নিযুক্ত লাভ কৰিব আৰু ইয়াৰ ফলত তেওঁলোকে জনসাধাৰণক নিয়ন্ত্ৰণ কৰিবলৈ নিজৰ প্ৰভাৱ ব্যৱহাৰ কৰিব।

১৯৫৪ চনত 'Wood's Educational Despatch' (চাৰ্লচ উদৰ নামাকৰণ) বলৱৎ কৰা হৈছিল। ই কোম্পানী চৰকাৰৰ শিক্ষা নীতি থিৰাং কৰিছিল। ঘোষণাপত্ৰৰ উদ্দেশ্য 'কেৱল উচ্চ মাত্ৰাৰ বুদ্ধিজীৱী সৃষ্টি কৰাই নহয় লগতে নৈতিক চৰিত্ৰ বৃদ্ধি কৰা আৰু কৰ্মচাৰী যোগান ধৰা।' শিক্ষাৰ কাৰ্যাৱলী আছিল ইউৰোপীয় কলা, দৰ্শন, বিজ্ঞান আৰু সাহিত্যৰ জ্ঞান বিস্তাৰিত কৰা। ইউৰোপীয় জ্ঞানৰ বিস্তাৰৰ কাৰণে ইংৰাজী আৰু মাতৃ ভাষা মাধ্যম হ'ব।

ঘোষণাপত্ৰৰ তাৎক্ষণিক ফলাফল আছিল ১৮৫৭ চনৰ তিনিখন বিশ্ববিদ্যালয় আইন প্ৰণয়ন কৰি কলিকতা, মাদ্ৰাজ আৰু বোম্বেত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা আৰু ব্ৰিটিছ ভাৰতৰ প্ৰতিখন প্ৰদেশতে এটা শিক্ষা বিভাগ সৃষ্টি কৰা হৈছিল।

১৮৮২ চনৰ ভাৰতৰ শিক্ষা আয়োগে প্ৰত্যক্ষ কাৰ্যৰ (enterprise) পৰা চৰকাৰক সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰিবলৈ আৰু সকলো প্ৰাথমিক বিদ্যালয় স্থানান্তৰ কৰি স্থানীয় স্বায়ত্ব শাসিত নিকায়ৰ যেনে পৌৰসভা আৰু স্থানীয় ব'ৰ্ড নিয়ন্ত্ৰণলৈ আনিবলৈ অনুমোদন জনাইছিল এনেকেয়ে ই চৰকাৰক শিক্ষাৰ প্ৰতি থকা তেওঁলোকৰ দায়িত্বৰ পৰা মুক্ত কৰিছিল। আয়োগৰ প্ৰধান অনুমোদন সমূহ—

- প্ৰাথমিক শিক্ষাক জনসাধাৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শিক্ষাৰ অগ্ৰাধিকাৰ পৰিসৰ হিচাপে ঘোষণা কৰি স্থানীয় বিদ্যালয় সমূহক প্ৰাথমিক শিক্ষা প্ৰসাৰৰ কৰা উৎসাহিত আৰু সমৰ্থন কৰা।
- স্থানীয় ভাষাক শিক্ষাৰ মাধ্যম হিচাপে নিৰ্বাচন কৰাত পৰিচালনা সমিতিৰ স্বাধীনতা স্থানীয় প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰিব।
- ইংৰাজী ভাষা শিকিবলৈ অনুদানৰ ভিত্তিত মাধ্যমিক বিদ্যালয় চৰকাৰে প্ৰতিস্থা কৰা, আৰু স্থানীয় থলুৱা জনগণৰ সহায়ত সমৰ্থনত প্ৰাথমিক বিদ্যালয় স্থাপন কৰা
- শিক্ষাৰ মানদণ্ড আৰু গুণাগুণ বৰ্তাই ৰখাটো বিবেচনা কৰি সকলো চৰকাৰী মাধ্যমিক বিদ্যালয় স্থানীয় পৰিচালনা সমিতিলৈ ক্ৰমান্বয়ে হস্তান্তৰিত কৰা।
- মাধ্যমিক শিক্ষাক দুটা শাখাত ভাগ কৰা এটাই বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষালৈ আগুৱাই নিছিল আৰু আনটো ছাত্ৰ-ছাত্ৰীক বাণিজ্যিক চাকৰিৰ কাৰণে প্ৰস্তুত কৰিবলৈ বেছি ব্যৱহাৰিক বৈশিষ্ট্য।

ভাৰত চৰকাৰে ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অৱস্থা আৰু সম্ভাৱনা/প্ৰত্যাশাৰ অনুসন্ধান কৰিবলৈ লিডচ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ মাইকেল চেদলাৰৰ অধ্যক্ষতাত কলিকতা বিশ্ববিদ্যালয় আয়োগ নিযুক্তি দিছিল। আয়োগৰ প্ৰধান অনুমোদন সমূহ আছিল ঃ

- বিশ্ববিদ্যালয়ৰ মধ্যৱৰ্তী শ্ৰেণীসমূহ মাধ্যমিক শিক্ষা প্ৰতিষ্ঠানলৈ হস্তান্তৰিত কৰিব লাগে।
- এক সন্মানীয় পাঠ্যক্ৰমৰ ব্যৱস্থাৰে বিশ্ববিদ্যালয়ৰ প্ৰথম উপাধি (degree) কাৰণে স্নাতক পাঠ্যক্ৰমৰ সময় তিনিবছৰলৈ বৃদ্ধি কৰা উচিত।

- ই অনুমোদন জনোৱা ধাৰাত উচ্চ মাধ্যমিক বিদ্যালয় আৰু মধ্যৱর্তী শিক্ষাৰ উদ্দেশ্য আৰু মেট্রিক আৰু মধ্যৱর্তী পৰীক্ষা অনুষ্ঠিত কৰিবলৈ মাধ্যমিক আৰু মধ্যৱর্তী শিক্ষাৰ এক বর্ড স্থাপন কৰিব লাগে।
- ১৯১৯ বর্ষত ভাৰত চৰকাৰে 'ভাৰত চৰকাৰ আইন, ১৯১৯' নামে জনাজাত এক প্রস্তাৱ গ্রহণ কৰিছিল যাক অন্য প্রকাৰে মণ্টেগু-চেমচফর্ড সংস্কাৰ আইন নামে জনা যায়। স্থানীয় শিক্ষা ভাৰতীয় মন্ত্রীক দিয়া হৈছিল।

১৯১৯ বর্ষত ভাৰত চৰকাৰ আইন (১৯১৯) প্রস্তাৱ গ্রহণ কৰিছিল। যাক মণ্টেগু চেমচর্ফড সংস্কাৰ আইন নামেৰেও জনাজাত। এই আইনৰ দ্বাৰা স্থানীয় শিক্ষাৰ দায়িত্ব ভাৰতীয় মন্ত্রীসকলক দিয়া হৈছিল, কিন্তু ইয়াৰ ত্রুটিৰ বাবে শিক্ষা ব্যৱস্থাৰ অৱসান ঘটিছিল। বিত্তীয় বিভাগ ব্রিটিছ নিয়ন্ত্রণত থকাৰ ফলত ভাৰতীয় শিক্ষা ব্যৱস্থা ধনৰ অভাৱত ক্ষতিগ্রস্ত হৈছিল।

১৯২৯ চনৰ হার্টগ সমিতিয়ে ভাৰতীয় শিক্ষাত গতিহীনতা আৰু ক্ষতিসমূহ দেখা দিয়া বুলি মন্তব্য কৰিছিল।

## ১১.৫ মিচনেৰী সকলৰ অৱদান

আদর্শগতভাৱে খ্রীষ্টান মিচনেৰীসকলে শিক্ষাৰ যোগেদি স্থানীয় অভ্যাস আৰু আচৰণ যাক তেওঁলোকে অসভ্য বুলি বিবেচনা কৰিছিল যেনে মূর্তি পূজা, বহু দেৱ-দেৰীৰ ওপৰত বিশ্বাস, ধর্মীয় গোড়ামী, বহুবিবাহ আৰু বহুতো অন্ধবিশ্বাস বিলোপ কৰাৰ লক্ষ্য কৰিছিল । তেওঁলোক লক্ষ্য আছিল স্থানীয় লোকক ধর্মান্তৰিত কৰা আৰু স্থানীয় ধর্মক তুচ্ছ প্রতিপন্ন কৰা। খ্রীষ্টান মিচনেৰীৰ বিদ্যালয়সমূহত বাইবেল হৈ পৰিছিল নিয়মীয়া পাঠৰ মান।

ঔপনিবেশিক চৰকাৰৰ অধীনত ভাৰতীয়সকলে কর্মসংস্থাপন লাভ কৰাৰ বাবে শিক্ষা অনুসৰণ কৰাৰ একমাত্র প্রধান উদ্দেশ্য আছিল। ইয়েই খ্রীষ্টান মিচনেৰী বিদ্যালয়সমূহক তেওঁলোকৰ বিদ্যালয়ৰ বেছিভাগ সময় আধ্যাত্মিক আৰু ধর্মীয় ক্ষেত্রত লিপ্ত হোৱাতকৈ পৰীক্ষাৰ প্রস্তুতিৰ ক্ষেত্রত অর্পন কৰিছিল। এইটোৰ বাহিৰেও খ্রীষ্টান মিচনেৰীসকলে বিদ্যালয় পৰিচালনা কৰিবলৈ চৰকাৰী ধনৰ ওপৰত বেছিকৈ নির্ভৰ কৰিব লগা হৈছিল। চৰকাৰী ধন লাভ কৰিবলৈ চৰকাৰে বিধান দিয়া পাঠ্যক্রম অনুসৰণ কৰাটো বিদ্যালয়সমূহৰ কাৰণে বাধ্যতামূলক আছিল। চৰকাৰী ধন সাহার্য লাভ কৰা যিকোনো মিচনেৰী বিদ্যালয়েই ছাত্র-ছাত্রীক ধর্মীয় শিক্ষা গ্রহণ কৰিবলৈ জোৰ দিব নোৱাৰিব। চৰকাৰী নীতি নিয়মৰ লগত সংগতি/মিল ৰখাৰ ক্ষেত্রত এই বিদ্যালয়সমবহ নিয়মীয়াভাৱে চৰকাৰী এজেন্সীৰ দ্বাৰা পৰিদর্শন কৰা হৈছিল।

ছাত্র-ছাত্রীক খ্রীষ্টান ধর্ম গ্রহণ কৰিবলৈ সম্মত কৰাত বিফলতা, বিদ্যালয় পৰিচালনাত সামাজিক আৰু ৰাজনৈতিক প্রভাৱ আৰু ব্রিটেইনৰ পৰা মিচনেৰী কার্যকলাপৰ নিভাজ নির্ভৰযোগ ফলাফল প্রদর্শন কৰাৰ হেঁচাই খ্রীষ্টান মিচনেৰী সকলক শিক্ষা আৰু পাছৰ পর্যায়ত শোষিত শ্রেণী আৰু বিধৱা সকলৰ সামাজিক উদ্দেশ্য/অভিপ্রায়ক গভীৰ ভাৱে ল'বলৈ বাধ্য কৰাইছিল। খ্রীষ্টান মিচনেৰীসকলে অস্পৃশ্যসকলৰ সংগঠনৰ এক প্রভাৱশালী গোষ্ঠীৰ নেতৃত্ব দিছিল।

অস্পৃশ্য লোকসকলৰ বাহিৰেও খ্রীষ্টান মিচনেৰীসকলে সৱলীকৰণৰ লক্ষ্যৰে আন এটা গোট আকোৱালি লৈছিল। এইসকল আছিল—বিধৱাসকল। তেওঁলোকে বিধৱাসকলক শিক্ষা দিয়া আৰম্ভ কৰিছিল আৰু পাছত তেওঁলোকক শিক্ষক আৰু ঔষধৰ বিধান দিওঁতা হিচাপে মিচনেৰী প্রতিষ্ঠান সমূহত নিয়োগ কৰিছিল। ভাৰতীয় সমাজৰ পৰিয়ালসমূহে আৰম্ভণিতে যদিও মিচনেৰীসকলৰ এই ব্যৱস্থাক বাধা দিছিল, ক্রমান্বয়ে বিধৱাসকলৰ

শিক্ষা আৰু কৰ্মসংস্থাপনক গ্ৰহণ কৰিছিল যিহেতু ই বিধৱাসকলৰ যত্ন লোৱাৰ তেওঁলোকৰ নিজৰ বোজা হ্ৰাস কৰিছিল। ইয়াত পুনৰ দুয়োপক্ষই বিধৱাসকলৰ শিক্ষাৰ পৰা লাভবান হৈছিল। কিছু পৰিমাণে ই মিচনেৰী বিদ্যালয় সমূহত খ্ৰীষ্টান শিক্ষকৰ প্ৰয়োজন পূৰণ কৰিছিল। তেওঁলোকে সতী প্ৰথা ৰোধ নিষেধ কৰা, ছোৱালীৰ শিক্ষাৰ উত্তৰণ আৰু বিধৱা বিবাহৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে হস্তক্ষেপ কৰিছিল।

- **খ্ৰীষ্টান মিচনেৰী শিক্ষাৰ প্ৰভাৱ**

ভি. সুব্ৰমণিয়ামে কৈছে যে ভাৰতৰ জাতীয়তাবাদ প্ৰথমতে ভাৰতত খ্ৰীষ্টান মিচনেৰীসকলৰ কাৰ্যৰ বিপৰীতে এক ধৰ্মীয় মতামতত সংঘটিত হৈছিল। তেখেতে তেখেতৰ মন্তব্যক শুদ্ধ প্ৰমাণিত কৰিবলৈ এইটো মন্তব্য আগবঢ়াইছে যে ৰাজা ৰামমোহন ৰায়, এনি বেচান্ট, বাল গংগাধৰ তিলক, মহাত্মা গান্ধী আৰু আন বহুতো লোকে দেশবাসীৰ ৰাজনৈতিক সচেতনতাৰ কাৰণে ধৰ্মীয় প্ৰতীক ব্যৱহাৰ কৰিছিল। প্ৰতিবাদী ধৰ্মীয় মতবাদ বেছি কাৰ্যকৰী আছিল কিয়নো খ্ৰীষ্টান ধৰ্মতো শাসকসকলৰ ধৰ্ম আছিল বুলি এটা ধাৰণা আছিল। যদিও ইংৰাজসকল খ্ৰীষ্টান মিচনেৰী সকলক অনাত অতি সাৱধান আছিল আৰু মিচনেৰী কাৰ্যকলাপক উৎসাহিত কৰা নাছিল, স্থানীয় লোকসকলৰ কাৰণে খ্ৰীষ্টান মিচনেৰী সকলৰ ঔপনিবেশিক চৰকাৰৰ লগত সম্বন্ধক এৰাই চলিব পৰা নগৈছিল। ঔপনিবেশিক চৰকাৰ আৰু খ্ৰীষ্টান মিচনেৰী দুয়োটাৰে কাৰ্যকলাপ পৰস্পৰৰ কাৰণে ক্ৰমবৰ্দ্ধমান ঋণাত্মক প্ৰভাৱ আছিল। মিচনেৰী সকলৰ ধৰ্মান্তকৰণৰ কাৰ্যকলাপ, আৰু শিক্ষাক ধৰ্মান্তৰকৰণ সম্পন্ন কৰা পন্থা হিচাপে ব্যৱহাৰ কৰাৰ লগতে দলিত আৰু মহিলাসকলৰ শিক্ষাই ভাৰতৰ এখন বিন্যাসৰ (Hierarchical) সমাজত দেশৰ উচ্চ শ্ৰেণীটোৰ সুৰক্ষিত কৰি ৰখা আগ্ৰহক আঘাত হানিছিল, অন্যহাতেদি প্ৰশাসনৰ উচ্চ পদবীত দেশীয় সকলতকৈ আগত ইংৰাজ লোকক নিয়োগ কৰা চৰকাৰী নীতিত প্ৰতিফলন ঘটা পক্ষপাতিত্বই সমাজৰ একে শ্ৰেষ্ঠ শ্ৰেণীটোৰ মাজত অপমানৰ সূচনা হৈছিল, যি সেই পদবীসমূহৰ দাবীদাৰ আছিল। এই কাৰকসমূহে একেলগে বিপৰীত ধৰ্মীয় মতবাদৰ ওপৰত জাতীয়তাবাদী কাৰ্যকলাপৰ আগুৱাই নিছিল। দলিত সম্প্ৰদায়ৰ সামাজিক কল্যাণৰ ক্ষেত্ৰত খ্ৰীষ্টান মিচনেৰীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তেওঁলোকে সমাজত প্ৰচলিত আসোৱাহসমূহৰ লগত যুঁজিবৰ বাবে শিক্ষাৰ পৃষ্ঠপোষকতা কৰিছিল।

## ১১.৬ আধুনিক ভাৰতৰ শিক্ষাবিদসকলৰ অৰিহনা

- **স্বামী বিবেকানন্দ**

স্বামী বিবেকানন্দ কেৱল এজন সমাজ সংস্কাৰকেই নাছিল, লগতে এজন শিক্ষাবিদ আছিল। তেওঁ ১৮৬৩ চনত কলিকতাত জন্মলাভ কৰিছিল। যদি শিক্ষাক সামাজিক পৰিৱৰ্তনৰ আটাইতকৈ শক্তিশালী সঁজুলি বুলি গণ্য কৰা হয়, শিক্ষাৰ তত্বত তেওঁৰ অৱদানৰ গুৰুত্ব সৰ্বোচ্চ।

তেওঁৰ মতে শিক্ষা এক অবিৰত প্ৰক্ৰিয়া, ই জীৱনৰ সকলো দিশ সামৰি ল'ব লাগে - দৈহিক, বস্তুবাদী, আৱেগিক, নৈতিক আৰু আধ্যাত্মিক। আধুনিকৰণৰ প্ৰতি তেওঁৰ মনোভাৱ হৈছে যিকোনো এটা কৰাৰ আগতে জনগণক শিক্ষিত কৰিব লাগে। তেওঁ ভাৰতৰ পৰা চাৰিটা অপযশ আঁতৰাব বিচাৰিছিল, ১)পণ্ডিতশ্ৰেণীৰ ধূর্তালি, ২)দাৰিদ্ৰতা, ৩)অজ্ঞতা, ৪)জ্ঞানীসকলৰ স্বৈৰাচাৰিতা।

বৰ্তমান তেওঁৰ শিক্ষামূলক ভাৱধাৰাৰ বহুত গুৰুত্ব আছে কিয়নো আধুনিক শিক্ষাই মানৱ জীৱনৰ মূল্যবোধৰ

লগত ইয়াৰ সংযোগ বহু পৰিমাণে হেৰুৱাইছে। সেয়েহে, তেওঁ পৰামৰ্শ আগবঢ়াইছে যে শিক্ষা মানুহৰ মগজুত অলপমান ঘটনা ঠাচি ভৰাই (stuffing) দিয়াৰ কাৰণে হোৱা উচিত নহয়, কিন্তু মানুহৰ মন সংস্কাৰ কৰাৰ লক্ষ্যৰে হোৱা উচিত। তেওঁৰ কাৰণে প্ৰকৃত শিক্ষা, পেছা বৃত্তিৰ কাৰণে নহয় কিন্তু দেশলৈ অৱদানৰ কাৰণে। এই মহান ধৰ্মীয় সন্ত আৰু সমাজ সংস্কাৰকজনৰ ১৯০২ চনত মাত্ৰ ৩৯ বছৰ বয়সত মৃত্যু হৈছিল।

- **ৰাজা ৰামমোহন ৰায়**

আধুনিক ভাৰতৰ নিৰ্মাতা, মহান ধৰ্মীয় আৰু সমাজ সংস্কাৰ আন্দোলন, ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাতা, ৰাজা ৰামমোহন ৰায়ে সামাজিক ব্যাধি যেনে সতীদাহ প্ৰথাৰ নিবাৰণত এক নিৰ্ণায়ক ভূমিকা পালন কৰিছিল। ইংৰাজী, আধুনিক চিকিৎসাবিদ্যা, প্ৰযুক্তিবিদ্যা আৰু বিজ্ঞানৰ অধ্যয়নক জনপ্ৰিয় কৰি তুলি ভাৰতৰ সমাজ ব্যৱস্থাৰ বহুতো পৰিৱৰ্তন সাধনৰ পোষকতা কৰিছিল। ৰাজা ৰামমোহন ৰায় এজন ভাৰতীয় ধৰ্মীয়, সামাজিক, শিক্ষা সংস্কাৰক আৰু মানৱতাবাদী আছিল, যি পৰম্পৰাগত হিন্দু সংস্কৃতিক প্ৰত্যাহ্বান জনাইছিল আৰু বৃটিছ শাসনৰ অধীনত ভাৰতীয় সমাজ ব্যৱস্থাৰ প্ৰগতিৰ ধাৰা দেখুৱাইছিল। ৰাজা ৰামমোহন ৰায়ক সঁচাকৈয়ে ভাৰতৰ আধুনিক শিক্ষা ব্যৱস্থাৰ অগ্ৰদূত পূৰ্বসুৰী বুলি ক'ব পাৰি। তেওঁৰ নৈতিক গুৰুত্ব আৰু শক্তি, তেওঁৰ কল্পনাৰ সাহসিকতাৰ বাবে ৰাজা ৰামমোহন ৰায়ক কেৱল এজন 'মহান শিক্ষা সংস্কাৰকেই নহয় লগতে দেশ নিৰ্মাতা' হিচাপে আখ্যা দিয়া হৈছিল। তেওঁ উপলব্ধি কৰিছিল যে ভাৰতৰ আটাইতকৈ প্ৰয়োজন আছিল প্ৰাচ্য আৰু পাশ্চাত্যৰ সংস্কৃতিৰ এক সংমিশ্ৰণ।

তেওঁ বিশ্বাস কৰিছিল যে পূব আৰু পশ্চিমীয়া সংস্কৃতিৰ সংমিশ্ৰণ প্ৰগতিৰ বাবে আৱশ্যকীয় আছিল। তেওঁ পশ্চমীয়া বিজ্ঞান আৰু সাহিত্যৰ জ্ঞানৰ সমৰ্থন কৰিছিল। তেওঁ ভাৰতীয় শিক্ষিত যুৱকসকলক এক গোট কৰাত ইংৰাজী শিক্ষাৰ সমৰ্থনত এটি জনমত সৃষ্টি কৰিছিল। তেওঁ পশ্চিমীয়া শিক্ষাৰ ধাৰাৰে লৰ্ড উলিয়াম বেণ্টিংৰ চৰকাৰক ইউৰোপীয় শিক্ষঙ্গ আৰম্ভ কৰাত সহায় কৰিছিল। আধুনিক শিক্ষা ব্যৱস্থাত ৰামমোহন ৰায়ৰ মহান অৱদান আছিল তেওঁ আধুনিক ভাৰতীয় ভাষাৰ শিক্ষাৰ ওপৰত মনোযোগ। মহিলাৰ শিক্ষাৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰিছিল ৰায়ে। যদিও এই কথা মিচনেৰীসকলে আগবঢ়াইছিল, কিন্তু ৰাজা ৰামমোহন ৰায়ে হিন্দুসকলৰ মাজত ইয়াক জনপ্ৰিয় কৰিছিল। তেওঁ মন্তব্য কৰিছিল যে ভাৰতীয় শিক্ষা পৰম্পৰা আৰু বিশ্বাসৰ অনুৰূপ আছিল মহিলাৰ শিক্ষা। ব্ৰাহ্ম সমাজে হিন্দু সমাজত প্ৰচলিত শিক্ষাৰ ক্ষেত্ৰত থকা বহু পক্ষপাতমূলক প্ৰথাক প্ৰতিৰোধ কৰাত মহান সেৱা আগ বঢ়াইছিল।

ৰামমোহনে সমাজ সংস্কাৰৰ বাবে শিক্ষাক এক আহিলা হিচাপে বিশ্বাস কৰিছিল। ১৮১৭ চনত, ডেভিদ হেয়াৰৰ (David Hare) সহযোগত, তেওঁ কলিকতাত হিন্দু কলেজ প্ৰতিষ্ঠা কৰিছিল। ১৮২৬ চনত তেওঁ বেদান্ত কলেজৰ প্ৰতিষ্ঠা কৰিছিল য'ত প্ৰাচ্য আৰু পাশ্চাত্যৰ সংমিশ্ৰিত জ্ঞানৰ বাবে জোৰ দিছিল।

শিক্ষাৰ নতুন ব্যৱস্থাটোত, তেওঁ ব্যৱহাৰিক বিষয়ৰ যেনে গণিত, দৰ্শন, ৰসায়ন বিজ্ঞান আৰু শৰীৰ তত্ত্বৰ লগত অন্যান্য প্ৰয়োজনীয় বিজ্ঞানৰ ব্যৱহাৰৰ আৰম্ভণি সূচনা কৰিছিল। লগতে তেওঁ বিভিন্ন ভাষাত ৰচনা কৰিছিল। তেওঁ প্ৰাচীন ভাৰতীয় ধৰ্মীয় আৰু দৰ্শনৰ কিতাপ বেংগললৈ অনুবাদ কৰিছিল। তেওঁ বাতৰিককাত 'সংসদ কৌমুদী' আৰু 'মিৰাতুল আকবৰী'ক তেওঁৰ ধাৰণাক ৰাইজৰ মাজলৈ লৈ যোৱাত ব্যৱহাৰ কৰিছিল।

- **মৌলানা আবুল কালাম আজাদ**

২০০৮ চনৰে পৰা ১১ নৱেম্বৰক জাতীয় শিক্ষা দিবস হিচাপে পালন কৰা হয়। স্বাধীন ভাৰতৰ প্ৰথম শিক্ষা মন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ জন্ম ১৮৮৮চনৰ ১১নৱেম্বৰত হৈছিল।

স্বাধীনোত্তৰ ভাৰতত শিক্ষাক দেশ গঢ়াৰ এক আধাৰ (foundation) খুঁটি হিচাপে আখ্যা দিয়া হৈছিল। সৰ্বভাৰতীয় শিক্ষাৰ ওপৰত বক্তৃতা দি ১৯৪৮চনৰ ১৬ জানুৱাৰীত আবুল কালামে কৈছিল, 'আমি এটা ক্ষণৰ কাৰণেও পাহৰিব নালাগে প্ৰত্যেক ব্যক্তিয়ে অন্ততঃ মৌলিক শিক্ষা লাভ কৰাটো এটা জন্মস্বত্ব যাৰ অবিহনে তেওঁ নাগৰিক হিচাপে নিজৰ কৰ্তব্য সম্পূৰ্ণভাৱে সম্পন্ন কৰিব নোৱাৰে।' যেতিয়া তেওঁক মুক্ত ভাৰতৰ শিক্ষামন্ত্ৰীৰ দায়িত্ব দিয়া হৈছিল সেই সময়ত দেশখন ব্যাপক নিৰক্ষৰতাত ভুগিছিল। দেশৰ বিকাশত শিক্ষাৰ ভূমিকাক উপলব্ধি কৰি মৌলানা আবুল কালাম আজাদে, শিক্ষাৰ কেন্দ্ৰীয় পৰামৰ্শদাতা নিকায়ৰ অধ্যক্ষ হিচাপে, প্ৰাপ্তবয়স্ক শিক্ষা আৰু স্বাক্ষৰতাত প্ৰেৰণা যোগাইছিল। তেওঁ কেৱল প্ৰাথমিক শিক্ষাতেই গুৰুত্ব আৰোপ কৰা নাছিল লগতে মাধ্যমিক শিক্ষা আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ বিভিন্ন উদ্যোগ লোৱাৰ পোষকতা কৰিছিল।

- **চাৰ চৈয়দ আহমেদ খান**

ভাৰতৰ বাস্তৱবাদী মুছলীম, মুছলীম সংস্কাৰক আৰু ১৯শ শতিকাৰ দাৰ্শনিক, চাৰ চৈয়দ আহমেদ খান ১৮১৭ চনৰ ১৭অক্টোবৰত দিল্লীত জন্ম হৈছিল। তেওঁ বিশ্বাস কৰিছিল যে মুছলীম সকলৰ ভৱিষ্যত তেওঁলোকৰ গোড়ামী দৃষ্টিভংগীৰ কাৰণে বিনাশ হ'ব। সেইবাবে তেওঁ বিদ্যালয় স্থাপন, আলোচনী প্ৰকাশনৰ দ্বাৰা পশ্চিমীয়া শৈলীৰ বৈজ্ঞানিক শিক্ষাৰ পৃষ্ঠপোষকতা কৰিছিল।

চাৰ চৈয়দ আহমেদ খান কেৱল গণতান্ত্ৰিক শিক্ষা তত্বৰ পুংখানুপুংখভাৱে বিবেচনা কৰাই নহয় লগতে শিক্ষাৰ ক্ষেত্ৰত ইউৰোপৰ সৈতে সমতা লাভ কৰা কাৰণে নেৰানেপেৰা প্ৰচেষ্টা চলাইছিল।

সম্ভৱত, এইটো ক'লে অতিৰঞ্জিত কৰা নহ'ব যে চাৰ চৈয়দ আহমেদ খান সমপৰ্যায়ৰ সকলৰ মাজত ভাৰতীয় সকলক শিক্ষিত কৰাত ক্ৰান্তিকাৰী পৰিৱৰ্তন অনাত দেখুওৱা প্ৰৱল উদ্যম আৰু নিজকে উচৰ্গা কৰাত প্ৰথম আছিল। চৈয়দ খানে মন্তব্য কৰিছিল যে শিক্ষাৰ অজ্ঞতা আৰু অভাৱৰ বাবে ভাৰত বিভিন্ন প্ৰাকৃতিক সম্পদত চহকী হোৱা স্বত্বেও ভাৰতীয়সকল দুখীয়া হোৱাৰ প্ৰধান কাৰণ আছিল।

মুছলীম ব্যক্তিগত আইনৰ ওপৰত তেওঁৰ মত স্পষ্ট আছিল আৰু চাৰ চৈয়দ আহমেদ খান মহিলাৰ শিক্ষাৰ অধিকাৰৰ এজন মহান সমৰ্থনকাৰী আছিল। বিবাহ বিচ্ছেদ আৰু মহিলাৰ অধিকাৰৰ প্ৰশ্নত অন্যান্য মুছলীম পণ্ডিতসকলতকৈ তেওঁৰ মত পৃথক আছিল আৰু তেওঁ লগতে মহিলাৰ বিৰুদ্ধে ঘৰুৱা হিংসাক কঠোৰ ভাষাৰে তেওঁ দোষী সাব্যস্ত কৰিছিল।

চাৰ চৈয়দে ১৮৬৩ চনত যুৱক সকলৰ মাজত বৈজ্ঞানিক মেজাজ শিকোৱা গঢ়াত 'বিজ্ঞান সমাজ' প্ৰতিষ্ঠা কৰিছিল, বিশেষকৈ মুছলীম যুৱক সকলৰ মাজত যিহেতু এইটো ধাৰণা কৰা হৈছিল যে তেওঁলোক আধুনিক বৈজ্ঞানিক শিক্ষা অনুসৰণত পিছ পৰি ৰৈছিল যাক উত্তৰ ভাৰতৰ বেছিভাগ অঞ্চলতেই পশ্চিমীয়া আৰু ধৰ্মবিৰোধী হিচাপে বিবেচনা কৰা হৈছিল।

১৮৭৫ চনত চাৰ চৈয়দ মহম্মেদান এংল অৰিয়েণ্টল কলেজ প্ৰতিষ্ঠা কৰিছিল

## অগ্ৰগতি নিৰীক্ষণ

**খালী ঠাই পূৰ কৰক ঃ**

**প্ৰশ্ন ১ ঃ** ..... য়ে ১৮৬৩ চনত বৈজ্ঞানিক সমাজ (Scientific Society) প্ৰতিস্থা কৰিছিল।

**প্ৰশ্ন ২ ঃ** ..... আছিল প্ৰথম ভাৰতীয় যি ভাৰতত এক সংস্কাৰ আন্দোলন আৰম্ভ কৰিছিল।

**প্ৰশ্ন** ৩ ঃ স্থানীয় শিক্ষা ব্যৱস্থাৰ ত্ৰুটি আছিল ..... ।

**প্ৰশ্ন** ৪ ঃ ..... য়ে হিন্দু মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল।

## ১১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ব্ৰিটিছ ৰাজে ভাৰতত আৰম্ভ কৰা আধুনিক পশ্চিমীয়া শিক্ষা ব্যৱস্থাৰ বিষয়ে জ্ঞাত হ'ল।
- ভাৰতৰ শিক্ষাৰ বিকাশত আধুনিক ভাৰতীয় শিক্ষাবিদসকলৰ অৱদানৰ বিষয়ে জানিব পাৰিলে।

## ১১.৮ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**

1) Desai, A. R.(2005). *Social Background of Indian Nationalism.* Popular Prakashan. New Delhi, India.

2) Ghosh, S.C.(2007). *History of Education in India.* Rawat Publications. New Delhi, India.

3) Seth, Sanjay.(2007). *Subject Lessons: The Western Education of Colonel India.* Duke University Press. London, U.K.

## ১১.৯ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** চাৰ চৈয়দ আহমেদ খান।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ৰাজা ৰামমোহন ৰায়।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** সীমিত পাঠ্যক্ৰম।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ৰাজা ৰামমোহন ৰায়।

## ১১.১০ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)**

**১ নং প্ৰশ্ন ঃ** স্বামী বিবেকানন্দ কোন আছিল?

**২ নং প্ৰশ্ন ঃ** ৰাজা ৰামমোহন ৰয় কোন আছিল?

**খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)**

**১ নং প্ৰশ্ন ঃ** ১৯২১ চনৰ কেন্দ্ৰীয় শিক্ষা পৰামৰ্শদাতা বৰ্ডৰ দুটা অনুমোদন উল্লেখ কৰক।

**২ নং প্ৰশ্ন ঃ** লৰ্ড কাৰ্জনৰ শিক্ষা নীতিৰ বিষয়ে চমু টোকা লিখক।

**গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)**

**১ নং প্ৰশ্ন ঃ** ব্ৰিটিছ শাসনৰ আগতে ভাৰতত প্ৰচলিত স্থানীয় শিক্ষা ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰক।

**২ নং প্ৰশ্ন ঃ** ভাৰতৰ শিক্ষাৰ আধুনিকীকৰণত মৌলানা আবুল কালাম আজাদৰ অৱদানৰ বিষয়ে ব্যাখ্যা কৰক।

*****

# অধ্যায় ১২ ঃ মধ্যবিত্ত শ্রেণীৰ উত্থান

**অধ্যায় গাঁথনি**

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ মধ্যবিত্ত শ্রেণী-অর্থ

- উত্থানৰ কাৰকসমূহ
- সামাজিক-ৰাজনৈতিক প্রেক্ষাপটত ইয়াৰ গুৰুত্ব

১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৫ অধিক জানিবলৈ

১২.৬ অগ্রগতিৰ নিৰীক্ষণ

১২.৭ আৰ্হি প্রশ্ন

## ১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্যবিত্ত শ্রেণীৰ তত্ব বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ব্রিটিছ শাসনৰ সময়ত সমাজৰ নতুন শ্রেণী উত্থানৰ আঁৰৰ কাৰকসমূহৰ বিয়যে ব্যাখ্যা কৰিব পাৰিব,
- মধ্যবিত্ত শ্রেণী জাতিৰ সামাজিক-ৰাজনৈতিক প্রেক্ষাপটত পেলোৱা প্রভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ঔপনিবেশীয় আঁচনিৰ ফলত গঢ়ি উঠা নতুন শিক্ষা ব্যৱস্থা আৰু খ্রীষ্টিয়ান মিচনেৰীসকলৰ উদ্যমী কাম-কাজৰ বিষয়ে আলোচনা কৰিছিলোঁ।

এই অধ্যায়নত আমি ঔপনিবেশীয় যুগৰ সময়ত গঢ়ি উঠা ভাৰতীয় সমাজৰ মধ্যবিত্ত শ্রেণীৰ বিষয়ে আলোচনা কৰিম। এই মধ্যবিত্ত শ্রেণীৰ উত্থানৰ কাৰণৰ বিষয়েও ইয়াত আলোচনা কৰা হ'ব।

১৭৪৫ চনত জেমছ ব্রেডশ্বয়ে 'মধ্যবিত্ত' শব্দটো ব্যৱহাৰ কৰিছিল। এই শব্দটোৰ কেইবাটাও আৰু কেতিয়াবা আপত্তিজনক অর্থও পোৱা যায়।

## ১২.৩ মধ্যবিত্ত শ্রেণী-অর্থ

মধ্যযুগীয় ইউৰোপৰ সামন্তবাদৰ সমাজত, প্রথম অৱস্থাত বণিক শ্রেণীৰ উন্নতিত গঢ়ি উঠা বুর্জোৱাসকলৰ আধাৰত শাসনাধিষ্ঠিত সমাজৰ পুঁজিপতিসকলক লৈয়েই এক মধ্যবিত্ত শ্রেণী গঠন হৈছিল।

ব্রিটিছ শাসনৰ সময়ত ভাৰতত সামাজিক শ্রেণীসমূহৰ উত্থানৰ কাৰণ আছিল নতুন সামাজিক অর্থনীতি, এক নতুন ৰাজ্য নীতি আৰু ৰাজ্যৰ শাসন প্রক্রিয়া আৰু নতুন শিক্ষা নীতি। ব্রিটিছ আগমন আৰু বিশ্ব

অর্থনীতিত ব্রিটিছৰ প্রভাৱৰ ফলত ভাৰতত গঠন হোৱা এই শ্রেণীসমূহৰ বিষয়ে প্রাচীন ভাৰতৰ সমাজ ব্যৱস্থাত জনা নাযায়। ভাৰতীয় সমাজত মূল পুঁজিপতি অর্থনীতিৰ ফলস্বৰূপে ভাৰতীয় লোকসকল কিছুমান নতুন সামাজিক গোট, নতুন শ্রেণীৰ মাজত সোমাই পৰিল।

এনেকৈ দেশৰ বিভিন্ন ঠাইত আৰু বিভিন্ন জাতিৰ মাজত এক নতুন সামাজিক শ্রেণী কিছুমানৰ উত্থান হ'ল। সময়ৰ লগে লগে ভাৰতত ব্রিটিছৰ ৰাজনৈতিক শক্তিৰ ওপৰত ভিত্তি কৰি নতুন সামাজিক অর্থনীতিৰ প্রসাৰ ঘটিল। এনেকৈ ব্রিটিছে ভাৰতক দমন কৰাৰ ফলত অর্থনীতিৰ ওপৰত যি প্রভাৱ পৰিল সি বিভিন্ন স্তৰত দেখা গ'ল। ৰাজনৈতিক শক্তিৰে শক্তিৱান দেশৰ বহুত ঠাইৰ ওপৰত অর্থনৈতিক প্রভাৱ পৰাও দেখা গ'ল। সেয়ে আগতীয়কৈ ব্রিটিছৰ প্রভাৱ পৰা ঠাইবোৰত নতুন সামাজিক শ্রেণীবোৰৰ উত্থাপন সোনকালে হোৱা দেখা গ'ল। এনেকৈ বংগত ব্রিটিছ চৰকাৰে, ভাৰতৰ বুৰঞ্জীত প্রথমবাৰৰ বাবে ব্যক্তিগত ভূমি-সম্পত্তিৰে জমিদাৰী প্রথাৰ প্রৱর্তন কৰে। সেয়েহে প্রথমবাৰৰ বাবে বংগ সমাজত দুই শ্রেণীৰ সৃষ্টি হ'ল জমিদাৰ আৰু ৰায়ত।

- **উত্থানৰ কাৰণ**

মূলতঃ ব্রিটিছ চৰকাৰে ভাৰতীয় সমাজৰ ওপৰত জাপি দিয়া বাণিজ্যিকীকৰণ, চৰকাৰৰ বিভিন্ন অর্থনৈতিক কার্য, বাহ্যিক পুঁজিপতিসকলৰ পৰা অহা নানান হেঁচা আৰু ভাৰতত আধুনিক উদ্যোগৰ গঠন ফলত সমাজৰ নতুন শ্রেণীসমূহৰ উত্থান হৈছিল।

ব্রিটিছ চৰকাৰে ব্যক্তিগত সম্পত্তি ব্যৱস্থাৰ আৰম্ভ কৰি বৃহৎ সম্পত্তিৰ মালিকানাৰে জমিদাৰী আৰু ৰায়তী-ৰাজ, জমিদাৰ আৰু কৃষক-মালিক নামৰ নতুন শ্রেণীবোৰৰ উত্থান কৰিলে। পিছত দীর্ঘম্যাদী চুক্তিত মাটি ভাৰালৈ দিয়া প্রথাৰে ভাৰাতীয়া আৰু উপ-ভাৰতীয়া শ্রেণীৰ জন্ম হ'ল; জমিদাৰীত বাস নকৰা জমিদাৰৰ দৰে মাটিৰ মালিকৰ একেলগে মাটি কিনা আৰু বিক্রী কৰাৰ লগে লগে মাটি আধিয়াৰত দিয়া আৰু মাটিৰ বাবে শ্রমিক নিয়োগ কৰা প্রথাৰো প্রৱর্তন হ'ল।

খেতিৰ গইনা লৈ জমিদাৰ, আধিয়াৰ আৰু কৃষক-মালিক আৰু ভূমি-শ্রমিক আদি শ্রেণীবোৰৰ উত্থানৰ লগে লগে আধুনিক মহাজন, বণিক আদি ব্যক্তিয়ে কৃষক আৰু বজাৰৰ মাজলৈ আহিল আৰু জমিদাৰীত বাস নকৰা জমিদাৰে ৰাজহ সংগ্রহত অধিক গুৰুত্ব আৰোপ কৰিলে। এই শ্রেণী আৰু দলবোৰৰ কথা প্রাক্ ব্রিটিছ যুগত জনা নাযায়।

মহাজন আৰু কৃষক শ্রেণী গ্রাম্য আৰু প্রাক্ ব্রিটিছ যুগত ভাৰতত বর্তি আছিল যদিও তেওঁলোকৰ কার্য আৰু স্থিতি পুৰণি অর্থনীতিতকৈ নতুন অর্থনীতিত একেবাৰে সুকীয়া আছিল। প্রাচীন ভাৰতৰ সমাজত মহাজনে এক অনন্য ভূমিকা লৈছিল। তেওঁ প্রায়ে গাঁৱৰ কৃষক আৰু শিল্পীক ধন ধাৰে দিছিল যদিও সেই ঋণৰ সুতৰ হাৰ কটকটীয়াভাৱে গাঁও পঞ্চায়তেহে বান্ধি দিছিল। তেতিয়াৰে পৰা তেওঁলোকৰ ভূমিকা সলনি হ'ল, কৃষিৰ ক্ষেত্রত সামাজিক শ্রেণীবোৰ আধুনিক বণিক আৰু মহাজনসকলৰ সৈতে নতুন পুঁজিপতি অর্থনীতিৰ সৈতে যোগসূত্র ঘটিল আৰু মধ্যযুগৰ প্রাক্ ব্রিটিছ অর্থনীতিৰ সমাজত এক সুকীয়া ভূমিকা লৈ তেওঁলোকে পূর্বতকৈ সম্পূর্ণ বিভিন্ন ধৰণৰ কার্য কৰিবলৈ ধৰিলে। আধুনিক বাণিজ্যিক বুর্জোৱা শ্রেণীৰো উত্থান ঘটিল। ব্রিটিছ শাসনৰ অধীনত ভাৰতৰ গ্রাম্য বা নগৰৰ, কৃষিজ বা ঔদ্যোগিক সকলো উৎপাদন বজাৰ উপযোগী হ'ল।

নতুন অর্থনৈতিক অৱস্থাত মূৰ দাঙি উঠা নতুন বাণিজ্যিক শ্রেণীবোৰ ভাৰতৰ প্রাক্ ব্রিটিছ যুগৰ ফল। দেশখনৰ গ্রাম্য বা নগৰৰ, কৃষিজ বা ঔদ্যোগিক সকলো উৎপাদনৰ বণিজ মহাজন শ্রেণীয়ে কৰিছিল। তেওঁলোকে

জমিদাৰ, আধিয়াৰ, কৃষক-বজাৰত সেইবোৰ বিক্রী কৰিছিল। তেনেকৈ তেওঁলোকে আধুনিক ঔদ্যোগিক উদ্যমীসকলৰ পৰা ঔদ্যোগিক সামগ্রী কিনি লৈ ভাৰতৰ আৰু বিশ্বৰ বজাৰত বিক্রী কৰিছিল।

ৰে'ল ব্যৱস্থাৰ স্থাপন আৰু ভাৰতৰ ব্যৱসায়ী শ্রেণীৰ হাতলৈ মুনাফা আৰু সঞ্চয় অহাত জমিদাৰ আৰু এক শ্রেণী ব্যৱসায়ীয়ে ভাৰতীয় মালিকানাধীন বস্ত্র উদ্যোগ, খনিজ উদ্যোগ আৰু আন আন উদ্যোগ নিজৰ হাতলৈ আনিলে আৰু সমাজত এক নতুন ঔদ্যোগিক বুর্জোৱা শ্রেণীৰ উত্থান হ'ল। এই শ্রেণীৰ লগে লগে ভাৰতত এচাম সর্বহাৰায়ো মূৰ দাঙি উঠিল। এতিয়া ভাৰতীয় সমাজত উদ্যোগৰ মালিক, খনিৰ মালিক আৰু নতুন পুঁজিপতি উদ্যোগৰ মালিকৰ লগতে কাৰখানাৰ শ্রমিক, খনিৰ শ্রমিক, ৰে'লৰে কর্মী, কৃষি কর্মী আদি নানান লোকৰ সমাহাৰ ঘটিল।

ঊনৈছ শতিকাৰ শেষৰ দশক আৰু তাৰ পিছত ভাৰতীয় উদ্যোগসমূহৰ স্থাপন আৰু দ্রুত বিকাশ হ'বলৈ ধৰিলে। ঔদ্যোগিক বিকাশৰ অনুপাতে ঔদ্যোগিক বুর্জোৱা আৰু শ্রমিক শ্রেণীও গঢ়ি উঠিল।

ব্রিটিছ শাসনৰ সময়ত ভাৰতীয় সমাজ ব্যৱস্থাত পেছাগত শ্রেণী হিচাপে আধুনিক অধিবক্তা, চিকিৎসক, আধুনিক শিক্ষা ব্যৱস্থাৰ সৈতে জড়িত শিক্ষক আৰু অধ্যাপক, ৰাজ্য প্রশাসনৰ সৈতে জড়িত বিভিন্ন বিষয়া, অভিযন্তা, ৰসায়নবিদ, কাৰিকৰী বিষয়ৰ ব্যক্তি, কৃষি বিজ্ঞানী, সাংবাদিক আৰু আন আন পেছাদাৰী ব্যক্তিসকলৰ নতুন সামাজিক গোটৰ বিকাশ হোৱা দেখা গ'ল। দেশৰ অর্থনৈতিক, সামাজিক আৰু ৰাজ্যিক ক্ষেত্রত শিক্ষিত ব্যক্তিসকল আধুনিক আইন, কাৰিকৰী, ভেষজ, অর্থনীতি, প্রশাসনিক বিজ্ঞান আৰু আন আন বিষয়ত সোমাই পৰিল। আচলতে নতুন ব্যৱসায়িক উদ্যোগ আৰু প্রশাসনৰ হেঁচাত ব্রিটিছ চৰকাৰে ভাৰতত আধুনিক শিক্ষাৰ বিকাশ ঘটায় আৰু আধুনিক শিক্ষানুষ্ঠানৰ হাৰ বৃদ্ধি হয়।

সমর্থৱান যিকোনো নাগৰিকে তেওঁলোকৰ শৈল্পিক, বৈজ্ঞানিক বা কাৰিকৰী জ্ঞান আৰু কৌশল অর্থৰ বিনিময়ত উপভোগ কৰিব পাৰিছিল। সামাজিকভাৱে ভাৰত পুঁজিপতি সমাজৰ এক উল্লেখযোগ্য অংশ হৈ পৰিল। পিছলৈ এওঁলোক আধুনিক জ্ঞান আৰু আধুনিক পশ্চিমীয়া আৰু কলাৰে প্রশিক্ষিত হৈ উঠিল। আইনৰ বিধি-শাস্ত্র আৰু আইন অধ্যয়ন আৰু চর্চা কৰা অধিবক্তাসকলৰ ওপৰত ব্রিটিছ চৰকাৰে অধিনিয়ম জাৰি কৰিলে। চিকিৎসকসকলে আধুনিক ভেষজ, অভিযন্তাসকলে আধুনিক কাৰিকৰী শিক্ষাৰে আৰু শিক্ষক-অধ্যাপকসকল পশ্চিমীয়া আর্হিৰ আধুনিক সামাজিক, ৰাজনৈতিক, অর্থনৈতিক, প্রাকৃতিক আৰু আন আন বিজ্ঞানৰ জ্ঞানৰ শিক্ষাৰে সমৃদ্ধ হৈ উঠিল। সাংবাদিক আৰু লেখকসকলে নানান কাকত সম্পাদনা কৰিবলৈ ল'লে আৰু তেওঁলোকে ৰচনা কৰা গ্রন্থ আদি বজাৰত বিক্রী হ'ল আৰু সেইবোৰ হাজাৰ হাজাৰ লোকৰ দ্বাৰা সমাদৃত হ'ল। পৰিচালক আৰু বিষয়াসকলে দেশৰ ৰাজনৈতিক আৰু অর্থনৈতিক প্রশাসনৰ অনেক জটিল বিষয় আৰু সমস্যা কৌশলেৰে সমাধা কৰিলে। ওপৰত উল্লেখ কৰা শ্রেণীসমূহৰ উপৰি আধুনিক নগৰ, চহৰসমূহত ব্যৱসায়ী, দোকানী আদি নানান শ্রেণীৰ লোক আছিল।

### ● সামাজিক-ৰাজনৈতিক ক্ষেত্রত গুৰুত্ব

নতুন সামাজিক শ্রেণীসমূহৰ এটা গুৰুত্বপূর্ণ বিষয় আছিল তেওঁলোকৰ জাতীয় চৰিত্র। ইয়াৰ কাৰণ হ'ল তেওঁলোক এখন একক ৰাজ্যৰ শাসন ব্যৱস্থাৰ অন্তর্গত। জাতীয়তাৰ ভিত্তিত ভাৰতৰ সকলো প্রদেশতে অর্থনৈতিক, ৰাজনৈতিক আৰু আন ক্ষেত্রত তেওঁলোকৰ স্বাভিমান বর্তি আছিল। ব্যক্তিয়েই হওক বা কোনো দলেই হওক, প্রত্যেকে নিজৰ স্বকীয়তা বজাই ৰাখি, দেশখনৰ স্বার্থত এক সমূহীয়া উদ্দেশ্য লৈ সংঘবদ্ধ হয়।

পুৰণি শ্রেণীসমূহৰ তুলনাত নতুন শ্রেণীসমূহ এক মহৎ একক জাতীয় অর্থনীতি আৰু দেশ শাসনৰ ভিত্তিত মূৰ দাঙি উঠিল। উদ্যোগপতি, কাৰখানা আৰু পৰিবহণ মালিক, আধুনিক বণিক, কৃষক-মালিক, আধিয়াৰ, ভূমি-শ্রমিক আনকি পেছাদাৰী শ্রেণীৰো শ্রেণী বিশেষে নিজা নিজা স্বার্থ আৰু সমস্যা আছিল। যেনে, প্রতিবাদ, অনুপাত, দৰমহা আৰু কামৰ অৱস্থা, ৰাজ্যভিত্তিক মূল্য নিয়ন্ত্রণ, কৰ আৰোপৰ ভিত্তি, আন আন অর্থনৈতিক ক্ষেত্রৰ সেৱা, আইনী বিধান, নিজৰ দলৰ স্বার্থ আগবঢ়াই নিব পৰা সামাজিক সুচলতা আৰু আন ৰাজনৈতিক ক্ষেত্রৰ অৱস্থা আদি। সেয়ে নতুন অর্থনৈতিক নীতি প্রয়োগ আৰু উন্নতিৰ লগে লগে ভাৰতৰ সমাজত সমসাময়িকভাৱে পুঁজিপতি সমাজ আৰু কেন্দ্রীভূত ৰাজ্য শাসন ব্যৱস্থা প্রৱর্তন হ'ল আৰু লক্ষ্য কৰা হ'ল যে, প্রতিটো নতুন শ্রেণীয়ে নিজৰ সাধাৰণ স্বার্থৰ প্রতি সজাগ হৈ পৰিল আৰু এক জাতীয় অর্থাৎ ভাৰতীয় সংগঠনবোৰে বুর্জোৱা শ্রেণীৰ উত্থানৰ প্রতি লক্ষ্য ৰাখি ইণ্ডিয়ান চেম্বার্ছ অব কমার্চ এণ্ড ফেডাৰেচন অব ইণ্ডাষ্ট্রিজ গঢ়ি তুলিলে। শ্রমিকসকলৰ মনতো ভাৰতীয় শ্রমিকৰ এক ধাৰণাৰ জাগি উঠিল আৰু সময়ত তেওঁলোকে সদৌ ভাৰতীয় অনুষ্ঠান হিচাপে অল ইণ্ডিয়া ট্রেড ইউনিয়ন কংগ্রেছৰ দৰে অনুষ্ঠানৰ জন্ম দিলে।

সকলো সামাজিক গোট যেনে, ছাত্র, মহিলা, চিকিৎসক, সম্পাদক আদি সকলোৱে নিজ নিজ সাধাৰণ স্বার্থৰ বাবে, নিজকে সংঘবদ্ধ কৰাৰ মানসেৰে অল ইণ্ডিয়া উইমেনছ কনফাৰেন্স, অল ইণ্ডিয়া মেডিকেল প্রেক্টিছ্নাৰছ এছ'চিয়েচন, অল ইণ্ডিয়া জার্নেলিষ্ট এণ্ড এডিটর্ছ কনফাৰেন্স আদি অনুষ্ঠানৰ জন্ম দিলে। আনকি ভাৰতৰ ৰাজকুমাৰসকলেও, পুৰণি শ্রেণীৰ সৈতে যোগাযোগ ৰাখি স্থিতি উন্নীতকৰণৰ উদ্দেশ্যৰে ভাৰতৰ ভিত্তিত, ইণ্ডিয়ান চেম্বাৰ অব প্রিন্সেছ গঠন কৰে। নতুন ভাৰতীয় সমাজত নতুন সামাজিক শ্রেণীবোৰৰ উত্থান হোৱাৰ লগে লগে নতুন সংগঠনবোৰে ভাৰতৰ মানুহৰ স্বার্থত উৎপাদন শক্তিৰ বিকাশ আৰু ভাৰতীয় সমাজত অর্থনীতিৰ অগ্রসৰতা আৰু আধুনিক শিক্ষা আৰু সংস্কৃতিৰ বিকাশৰ বাবে ৰাজ্য প্রশাসনৰ শক্তি বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে। নতুন শ্রেণীবোৰৰ ভিতৰৰে শিক্ষিতসকলে উদ্যোগৰ দ্রুত বিকাশ, কৃষিৰ ক্ষেত্রত অতিৰিক্ত হেঁচা কমাই দিয়া আদি দিশত চকু দিলে। তেওঁলোকে উপলব্ধি কৰিলে যে, দেশখনৰ সামাজিক আৰু অর্থনৈতিক উন্নতি ঘাইকৈ, পেছাদাৰী শ্রেণীৰ উন্নীতকৰণ মূলতঃ সাধাৰণ সমৃদ্ধি আৰু শিক্ষা আৰু সংস্কৃতিৰ বিকাশৰ ওপৰত নির্ভৰশীল।

## অগ্রগতি পৰীক্ষা

উত্তৰ দিয়ক—

১। 'মধ্যবিত্ত' শব্দটো কোনে প্রৱর্তন কৰিলে?

.....

২। মধ্যবিত্ত শ্রেণীৰ লেখত ল'বলগীয়া বিষয় কি?

.....

৩। কোনে ইণ্ডিয়ান চেম্বাৰ অব প্রিন্সেছ গঠন কৰে?

.....

৪। কৃষক আৰু বজাৰ আৰু জমিদাৰীত বাস নকৰা জমিদাৰৰ মাজৰ মাধ্যম কোন আছিল?

.....

## ১২.৪ সংক্ষিপ্তাষাৰ

এই অধ্যয়নৰ পিছত আমি জানিব পাৰিলোঁ—

- ঔপনিবেশীয় ভাৰতত বিভিন্ন কাৰণত মধ্যবিত্ত শ্ৰেণীৰ জন্ম হৈছিল।
- মধ্যবিত্ত শ্ৰেণীত সেইসকল ব্যক্তি আছিল যিসকল পশ্চিমীয়া নীতিৰে শিক্ষিত হৈছিল আৰু তেওঁলোক জমিদাৰ শ্ৰেণীৰ আছিল।
- মধ্যবিত্ত শ্ৰেণীয়ে সাধাৰণ জনতাৰ মাজত ব্ৰিটিছবিৰোধী ভাবধাৰা আনিছিল।

## ১২.৫ অধিক জানিবলৈ

1) Desai, A. R. (). *Social Background of Indian Nationalism*. Popular Prakashan. New Delhi, India.

2) Chandra, Bipan. (2005) *Essays in Colonialism.* Orient Longman. Delhi, India

3) Joshi, Sanjay, (2010). *The Middle Class in Colonial India*. O.U.P. London.

## ১২.৬ আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক

১। জেমছ ব্ৰডশ্ব

২। জাতীয় চৰিত্ৰ

৩। ভাৰতীয় ৰাজকুমাৰসকল

৪। মধ্যভোগী ব্যক্তি/ধন ধাৰে দিয়া মহাজন।

## ১২.৭ আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন (উত্তৰ ৫০টা শব্দৰ ভিতৰত)**

১। মধ্যবিত্ত শ্ৰেণীৰ সংজ্ঞা দিয়ক।

২। ভাৰতত নতুন সামাজিক শ্ৰেণী উত্তৰণৰ এটা কাৰক উল্লেখ কৰক।

**(খ) চমু প্ৰশ্ন (উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত)**

১। ভাৰতৰ বিভিন্ন ঠাইত গঢ়ি উঠা নতুন সামাজিক শ্ৰেণীবোৰ কিয় সমানুপাতিক আছিল, ব্যাখ্যা কৰক।

২। আধুনিক শিক্ষিত শ্ৰেণীৰ উত্থানৰ কাৰণবোৰ ব্যাখ্যা কৰক।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন (উত্তৰ ৩০০ৰ পৰা ৪০০টা শব্দৰ ভিতৰত)**

১। দেশৰ সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপতত নতুন সামাজিক শ্ৰেণীসমূহৰ ভূমিকা ব্যাখ্যা কৰক।

** ***** **

# ১৩ ঃ সংস্কাৰ আৰু নাৰী

**অধ্যায় গাঁথনি**

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ সংস্কাৰ আন্দোলন আৰু নাৰী

১৩.৪ সামাজিক প্ৰভাৱ

১৩.৫ নাৰী সংগঠনসমূহ

১৩.৬ স্বাধীনতা আন্দোলন আৰু নাৰী

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৮ অধিক জানিবলৈ

১৩.৯ অগ্ৰগতিৰ খতিয়ান

১৩.১০ আৰ্হি প্ৰশ্ন

## ১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কাৰ আন্দোলনৰ নাৰীৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়ে উল্লেখ কৰিব পাৰিব,
- ভাৰতত নাৰী সংগঠনৰ উত্থান সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- ভাৰতৰ স্বাধীনতা আন্দোলনত নাৰীৰ অৱদান সম্পৰ্কে আলোচনা কৰিব পাৰিব।

## ১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি মধ্যবিত্ত শ্ৰেণী উত্থান আৰু তাৎপৰ্যৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি সংস্কাৰ আন্দোলনৰ প্ৰভাৱ আৰু স্বাধীনতা আন্দোলনত নাৰীৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিম।

ঊনৈশ শতিকাৰ ভাৰতে একাধিক সামাজিক-ধৰ্মীয় আন্দোলন প্ৰত্যক্ষ কৰিছিল। পাশ্চাত্য শিক্ষা আৰু চিন্তাৰ প্ৰভাৱে ভাৰতৰ জনগণক জাগ্ৰত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কিছু সংখ্যক শিক্ষিত ভাৰতীয় সংস্কাৰবাদীয়ে বিপ্লৱৰ পৰিৱৰ্তন ধীৰে ধীৰে সংস্কাৰৰ পক্ষে নিছিল। একেদৰে ব্ৰিটিছ চৰকাৰৰ নৱজাগৰণৰ পৰা ভাৰতে সমতা, স্বাধীনতা মানৱ অধিকাৰৰ দৰে নতুন ধাৰণা লাভ কৰে। এই ধাৰণাসমূহে ভাৰতৰ বিভিন্ন অঞ্চলত সংস্কাৰ আন্দোলনৰ দিশে পৰিচালিত কৰিছিল। তেনে কেইগৰাকীমান মহান সংস্কাৰবাদী হ'ল ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, আৰুণা আচফ আলী আৰু পণ্ডিতা ৰামাবাঈ। এই সংস্কাৰবাদীসকলে মূলত ভাৰতীয় নাৰীৰ অৱস্থানৰ উন্নতিৰ দিশত মনোনিবেশ কৰিছিল। আনহাতে, ব্ৰিটিছ

ঔপনিবেশিক চৰকাৰেও তেওঁলোকৰ অৱস্থাৰ উন্নতিৰ বাবে বহুকেইটা প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰি তাৰ সমৰ্থন কৰিছিল। পৰৱৰ্তী সময়ত ঔপনিবেশিক শাসনৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা সংগ্ৰামত নাৰীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল। সৰোজনী নাইডু, এনী বেচান্ত, কস্তুৰবা গান্ধী, কমলাদেৱী চট্টোপধ্যায়ৰ দৰে বহুতো নাৰী স্বাধীনতা সংগ্ৰামীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই অধ্যায়টোৱে ব্ৰিটিছ ঔপনিবেশিক শাসনৰ বিৰুদ্ধে ভাৰতীয় স্বাধীনতা সংগ্ৰামত নাৰীৰ ভূমিকা, নাৰী সংগঠনৰ উত্থান আৰু সংস্কাৰ আন্দোলনক দাঙি ধৰা হৈছে।

## ১৩.৩ সংস্কাৰ আন্দোলন আৰু নাৰী

ভাৰতীয় সমাজ সংস্কাৰকসকলে প্ৰচুৰ প্ৰতিকূলতাৰ বিৰুদ্ধে কাম কৰিবলগীয়া হৈছিল। এইটো লক্ষণীয় যে, নাৰীসকল মূলতঃ ভাৰতীয় সমাজত নিম্ন স্থানত স্বীকৃত আছিল আৰু তেওঁলোকক পুৰুষসকলৰ নিকৃষ্টতৰ সংযোগী হিচাপে বিবেচনা কৰা হৈছিল। তদুপৰি, সেইসময়ত সাধাৰণতে শিক্ষাকো অস্বীকাৰ কৰা হৈছিল। একেদৰে ভাৰতীয় সমাজত নাৰীসকলৰ অৰ্থনৈতিকভাৱে কোনো স্বাধীনতা নাছিল। গতিকে ঊনৈশ শতিকাত 'মহিলা প্ৰশ্ন'ই ডাঙৰ আকাৰ ধাৰণ কৰিছিল। ঊনৈশ শতিকাৰ ব্ৰিটিছৰ ভাৰত শাসনৰ ক্ষেত্ৰত ই মূল প্ৰশ্নত পৰিণত হৈছিল কাৰণ ব্ৰিটিছ চৰকাৰে ভাৰতীয় সমাজৰ এই বিশেষ দিশটোত তেওঁলোকৰ দৃষ্টি নিবদ্ধ কৰিছিল। একে সময়তে সমগ্ৰ ভাৰতজুৰি সংস্কাৰৰ সন্ধান কৰা হৈছিল আৰু তাৰে বহুকেইটা সামাজিক সমস্যাক সম্বোধন কৰিছিল, যাৰ ভিতৰত বেছিভাগেই বিবাহ আৰু নাৰী মুক্তিৰ গুৰুত্ব সম্পৰ্কীয়। সমাজ সংস্কাৰ আন্দোলনৰ লক্ষ্য আছিল সমাজৰ সাধাৰণ কল্যাণ সাধনৰ বাবে সামাজিক কুফলসমূহ সমূলধ্বে ধ্বংস কৰা। সয়েহে সৰ্বাধিক গুৰুত্বপূৰ্ণ সমস্যাটো যিয়ে আলোকিত মতামতক আকৰ্ষণ কৰিছিল সেইটো আছিল সমাজত নাৰীৰ বাবে সতী আৰু মহিলা-শিশু নিৰ্যাতনৰ নিৰ্মম প্ৰথা বিলুপ্তকৰণ, বাল্য বিবাহ আৰু বহু বিবাহক গৰিহণা তথা বিধৱা পুনৰ বিবাহক জনপ্ৰিয়কৰণৰ বাবে।

ঊনৈশ শতিকাত ভাৰতীয় সমাজ সংস্কাৰকসকলৰ প্ৰচেষ্টাৰ কাৰণে নাৰীৰ অৱস্থা উন্নতিৰ বাবে ব্ৰিটিছ চৰকাৰে বহু কেইটা প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰিছিল।

### ● সতীদাহ প্ৰথাৰ বিলুপ্তি

এইটো লক্ষ্যণীয় যে সতী শব্দটোৰ আক্ষৰিক অৰ্থ হ'ল এগৰাকী 'খাঁটি আৰু পুণ্যৱান মহিলা'। আমোদজনক কথাটো হ'ল সতী প্ৰয়োগ কৰা হৈছিল সেইসকল উৎসৰ্গীকৃত স্ত্ৰীৰ ক্ষেত্ৰত যিয়ে তেওঁৰ স্বামীৰ সৈতে জীৱনটো চিৰকালীন নিৰবিচ্ছিন্নভাৱে পাৰ কৰিবলৈ বিবাহপাশত আবদ্ধ হৈছিল আৰু তাৰ প্ৰমাণ হিচাপে তেওঁৰ মৃত স্বামীৰ চিতাৰ জুইত জাঁপ দি নিজকে পুৰি মাৰিব লাগিছিল। প্ৰাৰম্ভতে, সতীদাহটো এটি স্বেচ্ছমূলক কাম আছিল যদিও পিছত ইয়াক বাধ্যতামূলক ৰীতিলৈ পৰিণত কৰা হয়। মধ্যযুগীয় সময়ত সম্ৰাট হুমায়ুনে সতীদাহৰ কুঅভ্যাস নিষিদ্ধ কৰিছিল যদিও সঠিকভাৱে প্ৰয়োগ কৰিব পৰা নাছিল। গতিকে সম্ৰাট আকবৰে সতীদাহত নিষেধাজ্ঞা আৰোপ কৰিছিল কিন্তু তেওঁ হিন্দু আভিজাত্যক সন্তুষ্ট কৰাৰ বাবে তাত অনুমতি দিছিল। ঐতিহাসিকভাৱে, সতীদাহৰ কুফলটো বহু হিন্দু আৰু ভাৰতৰ হিন্দু সমাজৰ প্ৰতিটো সামাজিক স্তৰৰ মাজত পোৱা যায়। একেদৰে, ব্ৰিটিছ ভাৰতৰ প্ৰথম অৱস্থাৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছ, লৰ্ড মিণ্টু আৰু লৰ্ড হেষ্টিংছে সতীদাহৰ কুপ্ৰথা নিষিদ্ধ কৰাৰ বাবে বিভিন্ন পদক্ষেপ আৰম্ভ কৰিছিল কিন্তু তেওঁলোকৰ পদক্ষেপ

ব্যর্থ হৈছিল।

মহান ভাৰতীয় আলোকিত সংস্কাৰকসকলৰৰ ভিতৰত এগৰাকী ৰাজা ৰামমোহন ৰায় (১৭৭২-১৮৩৩)-এ সতীদাহ প্রথাৰ বিৰুদ্ধে এক প্রচাৰৰ আৰম্ভণি কৰিছিল। এইখিনিতে এইটো উল্লেখ কৰা দৰকাৰ যে ৰাজা ৰামমোহন ৰায় ভাৰতত নাৰীৰ অধিকাৰৰ পথিকৃৎ হিচাপে পৰিচিত আৰু তেওঁ কলকাতাত ১৮২৮ চনৰ ২০ আগষ্টত ব্রহ্ম সমাজ প্রতিষ্ঠা কৰিছিল। ৰাজা ৰামমোহন ৰায় নাৰীৰ সতী প্রথাৰ আঁৰত থকা পুৰুষতান্ত্রিক মনোভাব সম্পর্কে ভালদৰেই অৱগত আছিল। তেওঁ স্পষ্টভাৱে যুক্তি দিছিল যে মনুস্মৃতি, শ্রুতিস আৰু স্মৃতিসৰ দৰে হিন্দু ধর্মগ্রন্থসমূহে সতী প্রথাক উৎসাহিত নকৰে। কিন্তু তেওঁ ৰক্ষণশীল হিন্দুসকলৰ পৰা তীব্র বিৰোধিতাৰ সন্মুখীন হ'বলগা হৈছিল যিসকল সতী প্রথা বিলুপ্তিৰ বিৰোধী আছিল কাৰণ তেওঁলোকে বিশ্বাস কৰিছিল যে এইটো এক পৰম্পৰাগ ৰীতি-নীতিৰ অংশ আছিল। অৱশেষত, ৰাজা ৰামমোহন ৰায়ে ব্রিটিছ ভাৰতৰ তদনান্তীন গৱর্ণৰ উইলিয়াম বেণ্টিংকক সতীৰ দৰে নিকৃষ্ট প্রথাক বন্ধ কৰিবৰ বাবে প্রয়োজনীয় পদক্ষেপ গ্রহণ কৰিবৰ বাবে অনুৰোধ কৰিছিল। লর্ড উইলিয়াম বেণ্টিংকে ১৮২৯ চনৰ ৪ ডিচেম্বৰত বিধি XVII প্রণয়ন কৰি ইয়াক এক অপৰাধ হিচাপে ঘোষণা কৰিছিল। ১৮২৯ৰ আইন প্রথমতে কেৱল বংগ প্রদেশত প্রযোজ্য হৈছিল কিন্তু ১৮৩০ চনত ইয়াক ভাৰতৰ বিভিন্ন প্রান্তলৈ সম্প্রসাৰিত কৰা হৈছিল। যি কি নহওক, ভাৰতৰ ইতিহাসত ই আছিল মহান যুগান্তকাৰী মুহূর্ত।

## ● কন্যা-শিশু হত্যা প্রথাৰ বিলুপ্তি

আন এক নিষ্ঠুৰ প্রথা বিশেষকৈ উচ্চ বর্ণৰ বঙালী আৰু ৰাজপুতসকলৰ মাজত প্রচলিত আছিল, সেয়া হ'ল জন্মৰ পছিতেই কন্যা-শিশু হত্যা ৰীতি। গতিকে নৱজাতক কন্যা-শিশুক জানি-শুনি হত্যা কৰাটোকে কন্যা-শিশু হত্যা বোলা হয়। কন্যা-শিশু হত্যা প্রথাৰ শতিকাজুৰি এক ইতিহাস আছে। ভাৰতৰ ব্রিটিছ চৰকাৰে ১৭৮৯ চনত প্রথম কন্যা-শিশু হত্যাৰ দৰে বর্বৰ প্রথাৰ ওপৰত সজাগ হৈছিল। পিছত, ১৮১৭ চনত, ব্রিটিছ বষিয়াসকলে উল্লেখ কৰিছিল যে কন্যা-শিশু হত্যাৰ প্রথা ইমানেই প্রসাৰিত আছিল যে গুজৰাটত ৰাজপুতৰ সম্পূর্ণ তালুক আছিল য'ত কোনো কন্যা শিশুৰ বংশৰ অস্তিত্ব নাছিল। ইতিমধ্যে, ব্রিটিছ চৰকাৰে বংগ আইন ১৭৯৫ আৰু ১৮০৪ বলৱৎ কৰে যাৰ দ্বাৰা ইয়াক অবৈধ হিচাপে ঘোষণা কৰা হৈছিল। পৰৱর্তী সময়ত ব্রিটিছ চৰকাৰে ভাৰতত কন্যা-শিশু সুৰক্ষাৰ বাবে ১৮৭০ চনত কন্যা-শিশু হত্যা প্রতিৰোধ আইন বলৱৎ কৰে।

## ● বিধৱা পুনৰ বিবাহ

ভাৰতত এটা সময় আছিল যেতিয়া মহিলাসকলক কেৱল নৰকৰ দর্জা হিচাপে ব্যৱহাৰ কৰা হৈছিল। এইটো লক্ষণীয় যে, ঊনবিংশ শতিকাত উচ্চ বর্ণৰ ভিতৰত বিধৱাক পুনৰ বিবাহত অনুমতি দিয়া হোৱা নাছিল। বিধৱাৰ জীৱন ইমানেই শোচনীয় আছিল যে তেওঁলোকৰ জীৱনক নৰককুণ্ডৰ পৰা বচাবলৈ সতী প্রথাৰ দ্বাৰা মৃত্যুকে অগ্রাধিকাৰ দিবলৈ বিচাৰে। কিন্তু ঈশ্বৰ চন্দ্র বিদ্যাসাগৰ আৰু কেশৱ চন্দ্র সেনৰ দৰে কেইগৰাকীমান মহান জ্ঞানী সংস্কাৰক বিধৱাৰ পুনৰ বিবাহৰ পক্ষত আছিল। ইফালে, ব্রহ্ম সমাজে বিধৱাৰ পুনৰ বিবাহক সমর্থন কৰিছিল আৰু ইয়াক জনপ্রিয় কৰাৰ বাবে যথেষ্ট কাম কৰিছিল। আনহাতে, ঈশ্বৰ চন্দ্র বিদ্যাসাগৰে ভাৰতত নাৰীৰ সৈতে সংযোজিত সকলো ধৰণৰ কু-ৰীতিৰ বিৰুদ্ধে এক যুদ্ধ তৈয়াৰ কৰিছিল। দেশত বিধৱা পুনৰ বিবাহ আইন কার্যকৰী কৰিবলৈ তেওঁ প্রয়োজনীয় কার্যব্যৱস্থা গ্রহণ কৰিছিল। অৱশেষত, ১৮৫৬ চনৰ ২৬

জুলাইত হিন্দু বিধৱা পুনৰ বিবাহ আইনখন বলৱৎ কৰা হয়। এইটো উল্লেখ কৰিবলগীয়া যে ১৮৫৬ চনৰ হিন্দু বিধৱা পুনৰ বিবাহ আইনখনৰ খচৰা প্ৰস্তুত আৰু কাৰ্যকৰী কৰিছিল লৰ্ড ডেলহাউচিয়ে। কিন্তু আইনখন প্ৰয়োগৰ সময়ত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল আছিল লৰ্ড কেনিং। ১৮৫৬ চনৰ হিন্দু বিধৱা পুনৰ বিবাহ আইনে ভাৰতত বিধৱা পুনৰ বিবাহক বৈধতা দিছিল আৰু তেওঁলোকৰ সকলো অধিকাৰ আৰু সকলো উত্তৰাধিকাৰ প্ৰদান কৰিছিল। পিছত বিষ্ণু শাস্ত্ৰী পণ্ডিতে ১৮৫০ৰ দশকত বিধৱা পুনৰ বিবাহ সংস্থা প্ৰতিষ্ঠা কৰিছিল। ইফালে, কৰণদাস মুলজী গুজৰাটত বিধৱা পুনৰ বিবাহৰ পক্ষত আছিল। কেইগৰাকীমান বিশিষ্ট কৰ্মী যেনে বি এম মালাবাৰি, ন্যায়াধীশ গোবিন্দ মহাদেউ ৰাণাডে আৰু কে নটৰাজনেও বধিৱাৰ পুনৰ বিবাহৰ অধিকাৰৰ পোষকতা কৰিছিল।

### ● বাল্য বিবাহ প্ৰতিৰোধ

ঔপনিবেশিক আমোলত সমাজ সংস্কাৰকসকলে ভাৰতত বাল্য বিবাহৰ বিষয়তো মনোনিবেশ কৰিছিল। অৱশ্যে ব্ৰিটিছ চৰকাৰো ব্যল্য বিবাহ প্ৰতিৰোধত আগ্ৰহী আছিল। কেশৱ চন্দ্ৰ সেন, যি এগৰাকী মহান সমাজ সংস্কাৰক আছিল, তেওঁ ব্ৰিটিছ চৰকাৰক ১৮৭২ চনত 'নেটিভ মেৰিয়েজ এক্ট' বা বাল্য বিবাহ আইন গৃহীত কৰিবৰ বাবে অনুৰোধ জনাইছিল। এই আইনখনত ল'ৰাৰ বিয়াৰ বয়স ১৮ বছৰ আৰু ছোৱালীৰ বিয়াৰ বয়স ১৪ বছৰ কৰিছিল। পিছত বি এম মালবাৰিৰ প্ৰচেষ্টাৰ কাৰণে নিৰ্ধাৰিত আইনখনৰ বয়স ১৮৯১ চনত বলৱৎ কৰা হৈছিল যিয়ে ১২ বছৰ বয়সৰ তলত ছোৱালীৰ বিয়া নিষিদ্ধ কৰিছিল। পৰিশেষত, বাল্য বিবাহ নিষিদ্ধকৰণ আইন ১৯২৯ চনত কাৰ্যকৰী কৰা হৈছিল যাক ইয়াৰ পৃষ্ঠপোষক হৰবিলাস সাৰদাই ছোৱালীৰ বিয়াৰ বয়স ১৪ বছৰ স্থিৰ কৰাৰ বাবে সাৰদা আইন নামে জনা যায়। স্বাধীন ভাৰতত, ১৯৭৮ৰ বাল্য বিবাহ নিয়ন্ত্ৰণ (সংশোধন) আইনখনত ছোৱালীৰ বিয়াৰ বয়স ১৮ বছৰ স্থিৰ কৰা হয়।

### ● নাৰী শিক্ষা

ঊনবিংশ শতিকাত নাৰীক শিক্ষা প্ৰদানৰ ক্ষেত্ৰতো ব্ৰিটিছ চৰকাৰে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। যি কি নহওক, খ্ৰীষ্টিয়ান মিছনাৰীসকলে ১৮১৯ চনত প্ৰথম কলকাতাত নাৰী কিশোৰী সংস্থা গঠন কৰিছিল। ইফালে, জে ই ডি বেথুনে ১৮৪৯ চনত মহিলা শিক্ষাৰ বাবে বেথুন স্কুল প্ৰতিষ্ঠা কৰিছিল। ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বাংলা মাধ্যমত ৩৫খনৰো অধিক ছোৱালী স্কুল প্ৰতিষ্ঠা কৰিছিল আৰু তেওঁক নাৰী শিক্ষাৰ পথিকৃৎ হিচাপে বিবেচনা কৰা হৈছিল। জ্যোতিৰাও ফুলেও আছিল নাৰী শিক্ষাৰ পথিকৃত। তেওঁ তেওঁৰ পত্নী সাবিত্ৰীৰ সৈতে পুনাত ছোৱালী স্কুল প্ৰতিষ্ঠা কৰিছিল। ১৯১৬ চনত প্ৰফেছ'ৰ ডি কে কাৰভেই প্ৰথম ভাৰতীয় মহিলা বিশ্ববিদ্যালয় স্থাপন কৰিছিল। একে সময়তে লেডী হার্ডিঞ্জে ১৯১৬ চনত দিল্লীত চিকিৎসা মহাবিদ্যালয় খুলিছিল। গতিকে, ব্ৰিটিছ ঔপনিবেশিক আমোলত ভাৰতত মহিলা শিক্ষাই প্ৰসাৰতা লাভ কৰিছিল।

### জানি থোৱা ভাল

ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ (২৬ ছেপ্টেম্বৰ, ১৮২০- ২৯ জুলাই, ১৮৯১) আছিল মহান পণ্ডিত আৰু সমাজ সংস্কাৰক। তেওঁ 'বিদ্যাসাগৰ' উপাধি লাভ কৰিছিল তেওঁৰ সংস্কৃত শিক্ষাৰ অসামান্য দক্ষতাৰ বাবে সংস্কৃত কলেজৰ পৰা। তেওঁ বাংলাৰ ইতিহাস (১৮৪৮), জীৱন চৰিত (১৮৫০), বোধদয় (১৮৫১), কথা মালা (১৮৫৬)ৰ দৰে বহু কেইখন গ্ৰন্থও লিখি থৈ গৈছে।

**চিন্তা-চৰ্চা কৰক**

ঊনৈশ শতিকাৰ ভাৰতৰ সমাজ সংস্কাৰকসকলৰ এখন তালিকা প্ৰস্তুত কৰা।

.....

.....

.....

## ১৩.৪ সামাজিক প্ৰভাৱ

ঊনৈশ শতিকাৰ সমাজ সংস্কাৰ আন্দোলন আছিল ভাৰতৰ নাৰীসকলৰ জীৱনৰ বহু আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ বাবে দায়বদ্ধ। মহিলাসকলে মহিলাসকলৰ সৈতে সম্পৰ্কিত কিছুমান নিষ্ঠুৰ আৰু বৰ্বৰ প্ৰথা সম্পৰ্কে সচেতন হয় আৰু নাৰী মুক্তিৰ বাবেও সচেতন হয়। সমাজ সংস্কাৰকসকলে মহিলাৰ সৈতে সম্পৰ্কিত পুৰণি প্ৰথাসমূহ ত্যাগ কৰিবলৈ আৰু এটি নতুন জীৱন-যাত্ৰা অৱলম্বন কৰাৰ বাবে লোকসকলক উদ্বুদ্ধ কৰে আৰু নাৰীৰ জীৱনলৈ পৰিৱৰ্তন আনিছিল। নাৰীসকলে তেওঁলোকৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰত এই জাতীয় প্ৰথাৰ বিৰূপ প্ৰভাৱ অনুধাৱন কৰিব পাৰিছিল। ঊনৈশ শতিকাৰ সংস্কাৰ আন্দোলনৰ কাৰণে নাৰীসকলৰ ভুক্তভোগীৰ অৱস্থাৰ যথেষ্ট উন্নতি হৈছিল। সংস্কাৰ আন্দোলনে আচলতে স্বাধীনতা আন্দোলনত ব্ৰিটিছ উপনিৱেশবাদৰ বিৰুদ্ধে তেওঁলোকৰ ঐক্যবদ্ধ সংগ্ৰামত সহায় কৰিছিল।

**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন ১ ঃ সতীদাহ প্ৰথা বিলুপ্তি ঘটোৱা ব্ৰিটিছ ভাৰতৰ গৱৰ্ণৰ জেনে�ৰেলগৰাকীৰ নাম লিখক?

.....

প্ৰশ্ন ২ ঃ ব্ৰাহ্ম সমাজ কোনে প্ৰতিষ্ঠা কৰিৰিছিল?

.....

প্ৰশ্ন ৩ ঃ কন্যা শিশু নিৰ্যাতন প্ৰতিৰোধ আইন কেতিয়া বলৱৎ কৰা হৈছিল?

.....

প্ৰশ্ন ৪ ঃ হিন্দু বিধৱা পুনৰ বিবাহ আইন কেতিয়া বলৱৎ কৰা হৈছিল?

.....

প্ৰশ্ন ৫ ঃ বাল্য বিবাহ নিয়ন্ত্ৰণ আইন কেতিয়া বলৱৎ কৰা হৈছিল?

.....

## ১৩.৫ নাৰী সংগঠনসমূহ

মহিলাৰ বাবে প্ৰথম সংগঠন পুৰুষৰ দ্বাৰা গঠিত হৈছিল যি সমাজ সংস্কাৰ সংস্থাৰ অন্তৰ্ভুক্ত আছিল। কেশৱ চন্দ্ৰ সেন যি ঊনৈশ শতিকাৰ ভাৰতৰ অন্যতম প্ৰসিদ্ধ সমাজ সংস্কাৰক আছিল, তেওঁ ভাৰতৰ নাৰীসকলৰ উন্নয়নৰ বাবে শিক্ষামূলক কাৰ্যসূচী, এখন মহিলা জাৰ্ণেল আৰু ভাৰত আশ্ৰম (ভাৰতীয় বৌদ্ধিক) গঢ়ি

তুলিছিল। পণ্ডিতা ৰামাবাঈ সৰস্বতী (২৩ এপ্রিল, ১৮৫৮ — ৫ এপ্রিল, ১৯২২)ৰ দৰে নাৰী সংস্কাৰকে নাৰীসকলৰ উত্থানৰ কাৰণেও প্রচেষ্টা গ্রহণ কৰিছিল। আচলতে পণ্ডিতা ৰামাবাঈক প্রথম ভাৰতীয় নাৰীবাদী বুলি জনা যায়। এম জি ৰানাডেৰ সহায়ত তেওঁ ১৮৮১ চনত নাৰী শিক্ষা আৰু বাল্য বিবাহৰ নিপীড়নৰ পৰা মুক্ত কৰাৰ বাবে আর্য মহিলা সমাজ প্রতিষ্ঠা কৰিছিল। তেওঁ ১৮৮৯ চনত যুৱতী বিধৱাসকলৰ বাবে মুক্তি মিছন আৰু কৃপা সদন তথা সাৰদা সদনো প্রতিষ্ঠা কৰিছিল নিচলা নাৰীসকলৰ বাবে। এইটো মনত ৰাখিব লাগিব যে ৰামাবাঈ ৰানাডে (২৫ জানুৱাৰী, ১৮৬৩-২৫ জানুৱাৰী, ১৯২৪), এম জি ৰানাডেৰ পত্নী আছিল নাৰীৰ সমস্যাৰ লগত সম্পর্কিত ভাৰতৰ সমাজ সংস্কাৰকৰ পথিকৃৎ। ৰামাবাঈ ৰানাডেই ১৯০৪ চনত নাৰীসকলৰ মাজত ৰাজহুৱা কথোপকথন উন্নত কৰিবৰ বাবে ব'ম্বেত 'ইণ্ডিয়াজ ছ'চিয়েল এণ্ড লিটাৰেৰি ক্লাব' প্রতিষ্ঠা কৰিছিল। আচলতে, তেওঁ আছিল প্রথম মহিলা অধিকাৰ কর্মী। ইয়াৰ পিছত ১৯১০ চনত সৰলা দেৱী চৌধাৰিনীয়ে স্ত্রী শিক্ষা উত্তৰণৰৰ বাবে এলাহাবাদত ভাৰত স্ত্রী মহামণ্ডল প্রতিষ্ঠা কৰিছিল আৰু এইটোক ভাৰতৰ প্রথম মহিলা সংগঠন হিচাপে বিবেচনা কৰা হয়। এই সংস্থাটোৰ কেইবাটাও শাখা লাহোৰ, এলাহাবাদ, কৰাচী, ঢাকা, অমৃতসৰ আৰু মেদিনাপুৰত স্থাপন কৰা হৈছিল।

ভাৰতীয় মহিলা সংস্থা (উইমেনছ ইণ্ডিয়া এছ'চিয়েচন, ডব্লিউ আই এ) হ'ল প্রথম সম্পূর্ণভাৱে নাৰীবাদী সংস্থা আৰু এইটো প্রতিষ্ঠা হৈছিল মাদ্রাজৰ আদায়াৰত ১৯১৭ চনত। ডব্লিউ আই এৰ প্রথম সভানেত্রী আছিল এনী বেচান্ত আৰু মার্গাৰেট কাজিনছ, এছ অম্বুজাম্মাল, সৰলাবাঈ নায়ক আছিল ডব্লিউ আই এৰ সন্মানিয় প্রতিষ্ঠাক সদস্যা। সংস্থাটোৰ উদ্দেশ্য আছিল সামাজিক সমস্যাসমূহৰ বিৰুদ্ধে যুঁজ দিয়া যি নাৰী শিক্ষাৰ অভাৱ, বাল্য বিবাহ আৰু ভোটাধিকাৰৰ অস্বীকৃতিৰ পৰা আৰম্ভ হৈছে। পিছত ভাৰতীয় ৰাষ্ট্রীয় স্ত্রী কাউন্সিল (নেচনেল কাউন্সিল অব উইমেন ফৰ ইণ্ডিয়া, এন চি ডব্লিউ আই) ১৯২৫ চনত প্রতিষ্ঠা হৈছিল যি মূলত আন্তঃৰাষ্ট্রীয় নাৰী কাউন্সিলৰ পৰা অনুমোদিত হৈছিল। এইটো হ'ল আন্তর্জাতিক নাৰী সংস্থাৰ সৈতে নিবিড়ভাৱে জড়িত ভাৰতৰ প্রথমটো নাৰী সংগঠন। আন্তর্জাতিক ফ'ৰামত ভাৰতীয় মতামতক জনাবৰ বাবে ই এক প্লেটফর্মৰ দৰে মতবিনিময় কৰিছিল। মেহৰীবাঈ টাটা, যি জামছেদজী টাটাৰ বৰ পুত্রৰ পত্নী আছিল, তেওঁ এই সংস্থাটো গঠন আৰু আগু�ৱাই নিয়াৰ ক্ষেত্রত মুখ্য ভূমিকা গ্রহণ কৰিছিল। অভিজাত শ্রেণীৰ প্রকৃতিৰ বাবে, ই বিকাশ হোৱাত আৰু ভাৰতৰ ৰাষ্ট্রীয় নাৰী সংগঠন হিচাপে বৈশিষ্ট্যপূর্ণ ভূমিকা গ্রহণত বিফল হৈছিল। সেয়েহে সর্বভাৰতীয় উইমেনছ কনফাৰেন্স (অল ইণ্ডিয়া উইমেনছ কনফাৰেন্স, এ আই ডব্লিউ চি) ১৯২৭ চনৰ জানুৱাৰী মাহত প্রতিষ্ঠা হৈছিল আৰু ১৮৬০ৰ সমবায় আইনৰ অধীনত ১৯৩০ চনত পঞ্জীয়নভুক্ত হৈছিল। এইটো আছিল একেবাৰে সঁচা অর্থত 'ভাৰতীয়' নাৰী সংগঠন। মার্গাৰেট কাজিনছে এইটো গঠনত মুখ্য ভূমিকা পালন কৰিছিল। এইটো উল্লেখনীয় কথা যে এই ডব্লিউ চি আৰম্ভ হৈছিল ১৯২৭ চনৰ পুনাত নাৰী শিক্ষা আৰু বিবাহ সংস্কাৰৰ ওপৰত উদাৰ নীতি লৈ। কমলাদেৱী চট্টোপধ্যায় আছিল এ আই ডব্লিউ চিৰ সম্পাদিকাসকলৰ ভিতৰত প্রথম এগৰাকী আৰু অমৃত কৌৰ আছিল প্রথম প্রতিষ্ঠাপক সদস্যাসকলৰ ভিতৰত এগৰাকী। এইটো আছিল কম আভিজাত্য সম্পন্ন আৰু ই বর্তমানেও ভাৰতত সক্রিয় হৈ আছে। এ আই ডব্লিউ চিয়ে নাৰীৰ ৰাজনৈতিক অধিকাৰ আৰু নাৰীক প্রভাৱিত কৰিব পৰা সকলো প্রশ্নক সংযুক্ত কৰি ইয়াৰ লক্ষ্যত অন্তর্ভুক্ত কৰিছে।

### জানি থোৱা ভাল

মার্গাৰেট কাজিনছ (১৮৭৮-১৯৫৪) আছিল আইৰিছ প্রতিবাদী আৰু দৈৱজ্ঞানী যিয়ে ১৯১৫ চনত ভাৰতলৈ প্রব্রজন কৰিছিল। তেওঁ ভাৰতীয় নাৰী আৰু ৰাষ্ট্রীয়তাবাদী আন্দোলনত সক্রিয়ভাৱে অংশগ্রহণ কৰিছিল। মার্গৰেট কাজিনছ ভাৰতৰ প্রথমগৰাকী মহিলা ন্যায়াধীশ (১৯২২) হৈছিল। তেওঁ ১৯৩১ চনৰ জানুৱাৰী মাহত লাহো�ৰত প্রথম সদৌ এছিয়া মহিলা কনফাৰেন্স (অল এছিয়া উইমেনছ কনফাৰেন্স) আৰম্ভ কৰিছিল।

## ১৩.৬ স্বাধীনতা আন্দোলন আৰু নাৰী

ব্রিটিছ শাসনৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা সংগ্রামৰ ইতিহাসত নাৰীৰ অৱদানৰ কথা উল্লেখ নকৰিলে আধৰুৱা হৈ থাকিব। প্রকৃতপক্ষে ভাৰতীয় নাৰীয়ে বিদেশী শাসনৰ পৰা মুক্তি পোৱাৰ বাবে প্রকৃত দেশপ্রেমবোধ আৰু নিঃসন্দেহে সাহসৰ সৈতে যুঁজ দিছিল। ইয়াত উল্লেখ কৰা প্রয়োজন যে, সৰহভাগ পুৰুষ মুক্তি যোদ্ধা কাৰাগাৰত বন্দী হৈ থকাৰ সময়ত জনগণৰ গণ আন্দোলনৰ লক্ষ্যত নাৰীৰ গুৰুত্বপূর্ণ ভূমিকা আছিল।

বিদেশী শাসনৰ বিৰুদ্ধে স্বাধীনতা সংগ্রামত নাৰীৰ অংশগ্রহণ লক্ষ্য কৰা যায় ১৮৫৭ চনৰ মহান বিদ্রোহত। ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ আছিল ১৮৫৭ চনৰ বিদ্রোহৰ মহান নায়িকা। আনফালে, চৌহান ৰাণী, হজৰত মহল, ৰাণী বাঈয়ে ব্রিটিছ শাসনৰ বিৰুদ্ধে যুঁদ্ধ ক্ষেত্রত তেওঁলোকৰ সৈন্য বাহিনীক নেতৃত্ব দিছিল।

১৮৮৫ চনত জাতীয় কংগ্রেছ প্রতিষ্ঠাৰ পৰায়ে প্রকৃতার্থত ভাৰতৰ স্বাধীনতা সংগ্রামৰ আৰম্ভণি ঘটিছিল। ১৮৮৯ চনত ব'ম্বেত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্রেছৰ অধিবেশনত ১০গৰাকী নাৰীয়ে সক্রিয়ভাৱে অংশগ্রহণ কৰাৰ কথা জানীবলৈ পোৱা যায়। অৱশ্যে, ১৯০৫ চনৰ বংগৰ স্বদেশী আন্দোলনে দেখুৱাইছিল ব্রিটিছ শাসনৰ বিৰুদ্ধে স্বাধীনতা সংগ্রামত ভাৰতীয় নাৰীৰ প্রৱেশৰ কথা। আনহাতে, স্বদেশী আন্দোলনে মহিলা শিল্প সমিতি (১৯০৬-১৯১৮)ৰ দৰে কেইবাটাও নাৰী সংগঠনৰ গঠনৰ কথা সূচায়। সৰলা দেৱীয়ে স্বদেশী আন্দোলনত নাৰীসকলক একত্রিত কৰিবলৈ বিশেষ পদক্ষেপ গ্রহণ কৰিছিল। স্বদেশী আন্দোলনৰ সময়ত নাৰীসকলে সমগ্র বংগত প্রতিবাদী সভাত সক্রিয়ভাৱে অংশগ্রহণ কৰিছিল আৰু আন কিছুমান ক্ষেত্রত প্রধানকৈ নাৰীসকলেই গোট খাইছিল।

অৱশ্যে, জনসাধাৰণৰ ক্ষেত্রত নাৰীৰ অংশগ্রহণেৰে অসহযোগ আন্দোলন আৰম্ভ হৈছিল ১৯২০ চনত, য'ত মহাত্মা গান্ধীয়ে বিপুল সংখ্যক মহিলাক এই আন্দোলনত যোগ দিয়াৰ বাবে অনুপ্রাণিত কৰিছিল। মহিলাসকলে মদৰ দোকান বন্ধ আৰু ধর্ণা আদিৰ দৰে প্রতিবাদী কার্যসূচীত অংশগ্রহণ কৰিছিল। 'ভাৰতৰ নাইটিংগেল' হিচাপে খ্যাত সৰোজনী নাইডুৱে অসহযোগ আন্দোলনত সক্রিয়ভাৱে নামি পৰিছিল। এইটোও উল্লেখযোগ্য যে, সৰোজনী নাইডু আছিল ১৯২৫ চনত ভাৰতীয় জাতীয় কংগ্রেছৰ সভাপতি হোৱা প্রথমগৰাকী ভাৰতীয় মহিলা। একেদৰে উর্মিলা দেৱী, সুনীতি দেৱীও অসহযোগ আন্দোলনৰ মহিলা মুক্তিযোদ্ধ হিচাপে পৰিচিত আছিল।

ইয়াৰ পিছত বৃহৎ সংখ্যক নাৰীয়েই ১৯৩০ চনৰ আইন অমান্য আন্দোলনত অংশগ্রহণ কৰিছিল। বিখ্যাত দাণ্ডী যাত্রাৰ সময়ত, হাজাৰ হাজাৰ মহিলাই গান্ধীক সহযোগিতা আগবঢ়াইছিল। বিদেশী বস্ত্র আৰু মদৰ

দোকানত ধৰ্ণা, প্ৰতিবাদী সমদল আদিটো মহিলাসকলেও অংশগ্ৰহণ কৰিছিল। মৃদুলা চানুথাই, হানচা মেথা, অভাটুজগাভাউ গোখলে, জানকীদেৱী আছিল আইন অমান্য আন্দোলনৰ সময়ত প্ৰখ্যাত মহিলা নেত্ৰী। বানৰ সেনাত যুৱ লোকসকলক সংগঠিত কৰাৰ ক্ষেত্ৰত নাৰীসকলে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। কোনো সন্দেহ নাই যে, আইন অমান্য আন্দোলনত নাৰীসকলৰ অংশগ্ৰহণে এক পৰৱৰ্তী ৰাষ্ট্ৰীয় আন্দোলনৰ ক্ষেত্ৰত এক নতুন আলোকৰ সন্ধান দিছিল, বিশেষকৈ ভাৰত ত্যাগ আন্দোলনৰ সময়ত।

১৯৪২ৰ ভাৰত ত্যাগ আন্দোলন আছিল এই অৰ্থত অনন্য যে ই বৃহৎ মাত্ৰাত নাৰীৰ অংশগ্ৰহণৰ সাক্ষী হৈ আছে। ঊষা মেহতা, মাতংগিনী হাজৰা, অৰুণা আচফ আলী আছিল ভাৰত ত্যাগ আন্দোলনৰ প্ৰখ্যাত মহিলা নেত্ৰী। ঊষা মেহতাই ব'ম্বাইত এটা গোপন ৰেডিঅ' ট্ৰেন্সমিটাৰ পৰিচালনা কৰিছিল। মাতংগিনী হাজৰা এগৰাকী মহান স্বাধীনতা সংগ্ৰামী আছিল যিয়ে ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ১৯৪২ চনৰ ৩৩ ছেপ্টেম্বৰত তামলুক আৰক্ষী থানাত ব্ৰিটিছ ভাৰতীয় আৰক্ষীয়ে তেওঁক গুলীয়াই হত্যা কৰিছিল। তেওঁক 'গান্ধী বুটী' বা 'বুঢ়া গান্ধী মহিলা' হিচাপে প্ৰখ্যাত আছিল। অৰুণা আচফ আলী ১৯৪২ চনৰ আত্মগোপন আন্দোলনৰ এগৰাকী প্ৰখ্যাত নেত্ৰী হৈ পৰিছিল। আনহাতে, কনকলতা বৰুৱাও আছিল ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ এগৰাকী মহান ভাৰতীয় মুক্তিযোদ্ধা। উল্লেখ্য যে ১৯৪২ চনৰ ২৯ ছেপ্টেম্বৰত অসমৰ গহপুৰ আৰক্ষী থানাৰ সম্মুখত ব্ৰিটিছ আৰক্ষীয়ে তেওঁক গুলিয়াই হত্যা কৰিছিল।

ইয়াৰ উপৰি সুভাষ চন্দ্ৰ বসুৰ ভাৰতীয় ৰাষ্ট্ৰীয় সেনাটো ভাৰতীয় মহিলায়ো যোগদান কৰিছিল। তেওঁ সাহসী ভাৰতীয় মহিলাৰ এটা গোট গঠন কৰিছিল, যাক 'ঝান্সি ৰাণীৰ ব্ৰিগেড' বুলি কোৱা হৈছিল। সুভাষ চন্দ্ৰ বসুয়ে লীগত মহিলা কল্যাণ বিভাগ এটাও গঠন কৰিছিল আৰু ডাঃ লক্ষ্মী সেহগালক ইয়াৰ নেতৃত্ব প্ৰদান কৰিছিল। তেওঁ সাধাৰণভাৱে 'কেপ্টেইন লক্ষ্মী' হিচাপে জনাজাত আছিল। সেয়েহে এইটো ক'ব পৰা যায় যে ভাৰতৰ স্বাধীনতা সংগ্ৰামত ভাৰতীয় নাৰীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

## চিন্তা-চৰ্চা কৰক

আপোনাৰ চুবুৰীয়াৰ কোনো স্বাধীনতা সংগ্ৰামী নাৰীসকলৰ এখন তালিকা প্ৰস্তুত কৰা।

.....

.....

.....

## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন ৬ ঃ শুদ্ধ/অশুদ্ধ বাচি উলিৱাওক ঃ**

(i) ঝান্সিৰ ৰাণী লক্ষ্মীবাঈ ১৮৫৭ চনৰ বিদ্ৰোহৰ মহান নায়িকা আছিল।

(ii) সৰ্ব ভাৰতীয় নাৰী অধিৱেশন (এ আই ডব্লিউ চি) গঠন হৈছিল ১৯৩০ চনৰ জানুৱাৰীত।

**প্ৰশ্ন ৭ ঃ খালী ঠাই পূৰ কৰা—**

(i) ..... আছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভানেত্ৰী। (এনী বেচান্ত/সৰোজনী নাইডু)

(ii) ভাৰতৰ প্ৰথম মহিলা ন্যায়াধীশ .....। (এনী বেচান্ত/মাৰ্গাৰেট কাজিনছ)

## ১৩.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়ন কৰি আমি জানিব পাৰিলো—

- ঊনৈশ শতিকাৰ সমাজ সংস্কাৰ আন্দোলনত সমাজত নাৰীৰ মৰ্যাদাৰ উন্নতিৰ বাবে জোৰ দিয়া হৈছিল। এই সংস্কাৰ আন্দোলনে ভাৰতৰ নাৰী সমাজত বুনিয়াদী পৰিৱৰ্তনৰ প্ৰচাৰ কৰিছিল, যাৰ ভিতৰত সতীদাহৰ অৱসান, কন্যা শিশু হত্যা বন্ধ, শিক্ষাৰ অধিকাৰ আদি আছিল। ব্ৰিটিছ চৰকাৰ আৰু ভাৰতীয় প্ৰসিদ্ধ সংস্কাৰসকলে, যিয়ে আধুনিকতাৰ দিশে অগ্ৰগতিশীল পদক্ষেপক স্বাগতম জনাইছিল, ভাৰতত নাৰীৰ উত্তৰণৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই গোটটোৱে ঊনৈশ শতিকাৰ সময়ছোৱাত নাৰী সংগঠনসমূহক বুজিবলৈ আমাক সহায় কৰে। এই সংগঠনসমূহে নাৰী মুক্তিৰ বাবে যথেষ্টখিনি অৱদান আগবঢ়াই থৈ গৈছে।
- স্বাধীনতা সংগ্ৰামত বহু কেইগৰাকী নাৰীয়েও অংশগ্ৰহণ কৰিছিল। এই মহিলা স্বাধীনতা সংগ্ৰামীসকলে অতি ওচৰৰ পৰা সংযোজিত হৈ সত্যাগ্ৰহ, অহিংস আৰু আইন অমান্য আন্দোলনৰ দৰে সংগঠিত জাতীয় আন্দোলনত অংশগ্ৰহণ কৰিছিল। সৰোজনী নাইডু, কমলা নেহৰু, এনী বেচান্ত, অৰুণা আচফ আলী আছিল ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ শীৰ্ষ মহিলা নেত্ৰী।

## ১৩.৮ অধিক জানিবলৈ


1) Altekar, A.S. (1962). *The Position of Women in Hindu Civilization,* Motilal Banarasidas, New Delhi, India

2) Ahir, Rajiv (2017). *A Brief History of Modern India,*: Spectrum Books (P) LTD. Delhi, India

3. Bandyopadhyay, Sekhar (2004). *From Plassey to Partition : A History of Modern India.* Orient Black Swan. New Delhi, India

4. Sing, P. (2011). *Women in Indian History.* Mohit Publications. Delhi, India.


## ১৩.৯ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** লৰ্ড উইলিয়াম বেণ্টিংক।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** ৰাজা ৰামমোহন ৰায়।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** ১৮৭০ খ্ৰীষ্টাব্দ।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ২০ জুলাই, ১৮৫৬ খ্ৰীষ্টাব্দ।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** ১৯২৯ খ্ৰীষ্টাব্দ।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** (i) শুদ্ধ

(ii) অশুদ্ধ

**৭নং প্ৰশ্নৰ উত্তৰ ঃ** (i) সৰোজনী নাইডু

(ii) মাৰ্গাৰেট কাজিনছ

## ১৩.১০ আৰ্হি প্ৰশ্ন

**(ক) বস্তুধৰ্মী প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** ভাৰতত সতী প্ৰথা কেতিয়া বিলুপ্ত হৈছিল?

**প্ৰশ্ন ২ ঃ** ব্ৰাহ্ম সমাজ কেতিয়া প্ৰতিস্থা হৈছিল?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** বিধৱা পুনৰ বিবাহৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা দুগৰাকী প্ৰখ্যাত সমাজ সংস্কাৰকৰ বিষয়ে উল্লেখ কৰা।

**প্ৰশ্ন ২ ঃ** অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰা মহিলা মুক্তিযোদ্ধাসকলৰ নাম উল্লেখ কৰা।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** ঊনৈশ শতিকাৰ সামাজিক সংস্কাৰ আন্দোলনৰ বিষয়ে আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** সমালোচনাত্মকভাৱে ভাৰতৰ স্বাধীনতা সংগ্ৰামত নাৰীৰ ভূমিকা ব্যাখ্যা কৰক।

*****

# অধ্যায় ১৪ ঃ ছপা মাধ্যমৰ আগমন

## অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ সংবাদ মাধ্যমৰ প্ৰাৰম্ভ

- ইংৰাজী আৰু আঞ্চলিক ভাষাৰ কাকতৰ বিকাশ
- সমাজত প্ৰভাৱ ঃ ধৰ্ম আৰু শিক্ষা

১৪.৪ সংবাদ মাধ্যম আৰু চৰকাৰৰ সংঘৰ্ষ

১৪.৫ মিচনেৰীসকলৰ অৱদান

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্ৰগতি খতিয়ান

১৪.১৯ আৰ্হি প্ৰশ্ন

## ১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্ৰিটিছ ঔপনিবেশৰ সময়ত ছপা মাধ্যম ব্যৱস্থা আৰু সংবাদ মাধ্যমৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- সমাজৰ ওপৰত প্ৰেছৰ প্ৰভাৱৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- সংবাদ মাধ্যম আৰু চৰকাৰৰ মাজৰ সংঘাতৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- সংবাদ মাধ্যমৰ বিকাশত খ্ৰীষ্টান মিচনাৰীসকলৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি সংস্কাৰ আন্দোলন আৰু নাৰীৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়ত ছপা মাধ্যমৰ আগমনৰ বিষয়ে আলোচনা কৰিম।

## ১৪.৩ সংবাদ মাধ্যমৰ প্ৰাৰম্ভ

ভাৰতলৈ ১৬শ শতিকাত ছপাশাল আহে। আমি জানো যে যোহান গুটেনবার্গে ১৪৪০ চনত ছপাশাল আৱিষ্কাৰ কৰিছিল। তদুপৰি, ১৫৫৬ চনৰ ৬ ছেপ্টেম্বৰত ভাৰতৰ এটা সৰু দ্বীপ গোৱাত, জোৱাও দি বওটা মাণ্টে স্পেইন দেশীয় এজন লোক ভাৰতলৈ অহাৰ লগে লগে প্ৰথম ছপা কলাৰ আগমন ঘটে। গোৱালৈ অহা

এছিপাশালে মিছনেৰীসকলৰ কাম-কাজত সহায় কৰিছিল। অৱশ্যে, ১৫৫৬ চনত গোৱাত আৰম্ভ হোৱা ছপাশালৰ ফলত Conclusioes Philosophicas প্ৰকাশ হ'ল। এইটো জনা গৈছে যে পৰ্টুগীজ আৰ্ক-বিশ্বপ Gaspar Gorge de Leao Pereira-এ ৰচনা কৰা the Compendio Spiritual De Vide Christea (Spiritual Compendium of Christian Life) খনেই হৈছে বৰ্তমানলৈকে বৰ্তি থকা ভাৰতৰ প্ৰথম ছপা পুথি। ১৫৬১ চনত Joao Quinquencio ছপা হৈ ওলায়। তথাপিও ভাৰতত ছপা হৈ ওলোৱা প্ৰথম পুথি হিচাপে Doctrina Christaৰ নাম ল'ব পাৰি। সেইদৰে ১৫৭৯ চনত ভেন্ত্ৰিত মিছনেৰীসকলে ছপাশাল পাতে। ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়েও ১৬৭৪ চনত বোম্বাইত ছপাশাল প্ৰতিষ্ঠা কৰে। এনেকৈ ভাৰতৰ বিভিন্ন স্থানত ছপাশাল প্ৰতিষ্ঠা কৰা হয়। জনা গৈছে, ১৮৩৫ চনত ভাৰতীয়সকলকো ছপাশাল প্ৰতিষ্ঠা কৰিবলৈ অনুমতি দিয়া হয়। পিছৰ সময়ত, ভাৰতত ইংৰাজীৰ লগে লগে আন আন আঞ্চলিক ভাষাতো বাতৰি কাকত প্ৰকাশ কৰা হয়। এনেকৈ, এই গোটত ভাৰতত বাতৰি কাকতৰ উন্নতিৰ ওপৰত আলোকপাত কৰে।

- **ইংৰাজী আৰু আঞ্চলিক ভাষাৰ বাতৰি কাকতৰ বিকাশ**

১৭৮০ চনৰ ২৯ জানুৱাৰী তাৰিখে জেমছ অগষ্টাছ হিকিয়ে 'দা বেংগল গেজেট' বা 'কেলকেত্তা জেনেৰেল এডভাৰটাইজাৰ' নামৰ ভাৰতৰ প্ৰথমখন বাতৰি কাকত প্ৰকাশ কৰা হয়। এইখন জনপ্ৰিয়ভাৱে প্ৰকাশ 'হিকিৰ গেজেট' নামেৰে জনাজাত হ'ল। প্ৰথম অৱস্থাত 'হিকিৰ গেজেট'ৰ মাত্ৰ দুটাহে পৃষ্ঠা আছিল যদিও পিছলৈ ই চাৰি পৃষ্ঠালৈ বাঢ়িল। কিন্তু ১৭৮২ চনত চৰকাৰৰ বিপক্ষে মাত মতাৰ বাবে ইয়াক জব্দ কৰা হয়। তাৰ পিছত ভাৰতত কেইবাখনো বাতৰি কাকত প্ৰকাশ হ'ল। হিকিৰ 'বেংগল গেজেট'ৰ পিছত কেইবাখনো বাতৰিকাকত যেনে, 'দা কেলকেত্তা গেজেট' (১৭৮৪), 'দা বেংগল জার্ণেল' (১৭৮৫), 'দা কেলকেত্তা ক্ৰনিকল' (১৭৮৬), দা মাদ্ৰাজ ক'ৰিয়াৰ' (১৭৮৮), 'দা বোম্বাই হেৰল্ড' (১৭৮৯), দা বোম্বাই ক'ৰিয়াৰ' (১৭৯১), 'দা বোম্বাই গেজেট' (১৭৯১) আদি ভাৰতত প্ৰকাশ হয়। পিছত, ভাৰতত বহুত ইংৰাজী বাতৰি কাকত প্ৰকাশ হয়। এইটো আমোদজনক কথা যে, ১৭৮৯ চনত বোম্বাইত 'দা বোম্বাই হেৰল্ড' প্ৰকাশ হোৱাৰ পিছৰ বছৰটোতে 'দা বোম্বাই ক'ৰিয়াৰ' প্ৰকাশ হৈ ওলাল। এই বাতৰিকাকতখন পিছত ১৮৬১ চনত 'দা টাইমছ অব ইণ্ডিয়া'ৰ লগত চামিল হয়। ১৮৬১ চনত ৰবার্টে নাইটে 'দা টাইমছ অব ইণ্ডিয়া' প্ৰকাশ কৰে। এই বাতৰিকাকতবোৰে ইউৰোপীয়ান আৰু এংলো ইণ্ডিয়ানসকলক বুদ্ধিদীপ্ত আমোদ প্ৰদান কৰিছিল। ইতিমধ্যে, কোম্পানীৰ বিষয়াসকলৰ মাজত চিন্তা হ'ল, এই বাতৰিকাকতবোৰ যদি লণ্ডন পায়গৈ তেন্তে তেওঁলোকৰ অসৎ কামবোৰ মুকলি হয়। দেখা গৈছিল, প্ৰথম অৱস্থাত বাতৰিকাকতবোৰে বোম্বাই আৰু মাদ্ৰাজত চৰকাৰৰ সৈতে কোনো সংঘাতলৈ অহা নাছিল। প্ৰেছ আইনৰ অনুপস্থিতিত, বাতৰিকাকতবোৰ কোম্পানীৰ বিষয়াসকলৰ দয়াত চলি আছিল।

### জানি থোৱা ভাল

১৭৪০ চনৰ ২৯ জানুৱাৰীত আয়াৰলেণ্ডত জেমছ অগষ্টাছ হিকিৰ জন্ম হয়। তেওঁ ১৭৮০ চনত ভাৰতৰ প্ৰথমখন বাতৰিকাকত 'দা বেংগল গেজেট' মুকলি কৰে। ১৮৮১ চনত তেওঁ তেতিয়াৰ গৱৰ্ণৰ জেনেৰেল, ৰাৰেন হেষ্টিছৰ সৈতে সংঘৰ্ষলৈ অহাৰ পিছত, ছুপ্ৰিম ক'ৰ্টে তেওঁক দোষী সাব্যস্ত কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰে। কিন্তু জেমছ হিকিয়ে কাৰাগাৰৰ পৰাও 'দা বেংগল গেজেট' প্ৰকাশ কৰি আছিল। যিয়েই নহওক, ১৭৮২ চনত এই বাতৰি কাকত জব্দ কৰা হয়। ১৮০২ চনত জেমছ হিকিৰ মৃত্যু হয়।

ব্রিটিছ শাসনৰ সময়ৰ আঞ্চলিক বাতৰিকাকতবোৰলৈ চকু দিয়া যাওক। আঞ্চলিক ভাষাৰ সকলো বাতৰিকাকতৰে প্ৰধান উদ্দেশ্য আছিল জাতীয় সচেতনতা জগাই তোলা। আঞ্চলিক ভাষাত প্ৰকাশিত প্ৰথমখন বাতৰি কাকত আছিল বাংলা ভাষাৰ 'সমাচাৰ দৰ্পণ'। এইখন শ্ৰীৰামপুৰ মিছন প্ৰেছৰ পৰা ১৮১৮ চনৰ ২৩ মে' তাৰিখে প্ৰকাশ হয়। সেইদৰে, 'দা বোম্বাই সমাচাৰ', এতিয়া 'মুম্বাই সমাচাৰ' নামেৰে প্ৰচলিত বাতৰিকাকতখনেই হৈছে একমাত্ৰ প্ৰকাশ হৈ থকা ভাৰতৰ আটাইতকৈ পুৰণি বাতৰি কাকত। এইখন ১৮২২ চনত ফাৰ্দুঞ্জী মেৰজাবেনে প্ৰকাশ কৰে। ইতিমধ্যে, ব্রিটিছ শাসনৰ সময়ত ভাৰততে কানাড়া ভাষাত কেইবাখনে বাতৰিকাকত প্ৰকাশ হৈছিল। ১৮৫৭ চনত, বৃহৎ বিদ্রোহৰ সময়ত আঞ্চলিক ভাষাৰ কেইবাখনে বাতৰিকাকতে সক্ৰিয় ভূমিকা লৈছিল। হ'ল— ৰাজা ৰামমোহন ৰায়ৰ 'বংগদূত', দাদাভাই নৌৰজীৰ 'ৰাষ্টগোফ্টাৰ', 'সমাচাৰ সুধাবৰ্ষণ', 'চুলতান-উল-আখটাৰ' আদি এনেকুৱা কেইখনমান সেইসময়ৰ বিখ্যাত বাতৰিকাকত আছিল। সেইদৰে, 'অমৃত বাজাৰ পত্ৰিকা' ভাৰতৰ আঞ্চলিক ভাষাৰ অন্যতম পুৰণি বাতৰিকাকত আছিল। ১৮৬৮ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে এই কাকতখন পোনতে বাংলা ভাষাত প্ৰকাশ হয়। পিছত ই ইংৰাজী ভাষাত প্ৰকাশ হ'বলৈ ধৰে। 'অমৃত বাজাৰ পত্ৰিকা'ৰ প্ৰতিষ্ঠাতা আছিল শিশিৰ কুমাৰ ঘোষ আৰু মতি লাল ঘোষ। ইতিমধ্যে ১৮৮১ চনৰ ১ জানুৱাৰী তাৰিখে বি, জি তিলকে মাৰাঠী ভাষাত 'কেশৰী' নামৰ সাপ্তাহিক বাতৰিকাকত এখন প্ৰকাশ কৰে। প্ৰকৃততে বি, জি, তিলকে আগৰকাৰ আৰু চিপ্লকাৰৰ সৈতে লগ হৈ 'মাৰাঠা' নামেৰে ইংৰাজী ভাষাত এখন সাপ্তাহিক বাতৰিকাকত প্ৰকাশ কৰে। লালা লাজপাট ৰায়েও লাহোৰৰ পৰা 'পাঞ্জাবী', 'বন্দে মাতৰম' আৰু 'দা পিপল' প্ৰকাশ কৰে। মোহনদাস কৰমচাঁদ গান্ধীয়ে তেওঁৰ বিখ্যাত কাকত 'ইয়াং ইণ্ডিয়া', 'নবজীৱন', 'হৰিজন', 'হৰিজন সেৱক' আৰু 'হৰিজন বন্ধু' প্ৰকাশ কৰে। এইটো উল্লেখ কৰা উচিত যে, বাৰীন্দ্ৰ কুমাৰ ঘোষে প্ৰকাশ কৰা 'যুগান্তৰ' নামৰ আঞ্চলিক ভাষাৰ বিখ্যাত বাতৰিকাকতখনে ব্রিটিছ চৰকাৰৰ বিপক্ষে হোৱা বৈপ্লৱিষক আন্দোলনত এক উল্লেখযোগ্য ভূমিকা লৈছিল। এইটো আমোদজনক কথা যে, ব্রিটিছ ঔপনিবেশিক চৰকাৰে আঞ্চলিক ভাষাৰ বাতৰিকাকতবোৰৰ প্ৰচাৰক ভাৰতত তেওঁলোকৰ আধিপত্যৰ প্ৰতি ভাবুকি বুলি লৈছিল।

- **সমাজত প্ৰভাৱ ঃ ধৰ্ম আৰু শিক্ষা**

ব্রিটিছ শাসনৰ সময়ত ভাৰতৰ সমাজৰ ওপৰত প্ৰেছৰ যথেষ্ট প্ৰভাৱ পৰিছিল। ব্রিটিছ যুগৰ ছপাৰ আৰম্ভ আৰু প্ৰেছে ভাৰতৰ শিক্ষা-ব্যৱস্থাত সহায় কৰিছিল। ছপাশালে কিতাপ আৰু বাতৰিকাকতৰ যোগেদি ধাৰণাবোৰ প্ৰচাৰ কৰাত সহায় কৰিছিল। এইটো উল্লেখযোগ্য যে ১৮শ শতিকাৰ দ্বিতীয় দশকত, কলিকতা গ্ৰন্থ সমাজে ইউৰোপত ছপা হোৱা বিজ্ঞাপনৰ পাঠ্যপুথিবোৰ নতুনকৈ ছপা কৰি শিক্ষাৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰী পদক্ষেপ ল'লে। বেপ্টিছ মিছনাৰীসকলেও এইক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা লৈছিল। ১৮২০ চনত, তেওঁলোকে বিভিন্ন আঞ্চলিক ভাষাৰ প্ৰায় ৭১০,০০০ খন স্কুলীয়া ছপা কৰি উলিয়ায়। ব্রিটিছ যুগৰ সময়ত, ভাৰতৰ এলেপ্পিত বিদ্যাৰম্ভম প্ৰেছ আৰু বুক ডিপো (১৯৩১), মাদ্ৰাজত প্ৰসাদ প্ৰিণ্টিং এণঅড প্ৰছেছিং (১৯৩৫), আদি স্থাপন কৰা হয়। এই প্ৰকাশন প্ৰতিষ্ঠাবোৰে ঘাইকৈ ভাৰতৰ আধুনিক শিক্ষা-ব্যৱস্থাৰ উন্নতিৰ বাবে পাঠ্যপুথি, বাতৰিকাকত আৰু আন আন কিতাপ ছপাৰ ক্ষেত্ৰত জড়িত হৈ আছিল। ইতিমধ্যে ছপাশালবোৰে স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিবলৈ লৈছিল। ১৯শ শতিকাৰ আৰম্ভণিত, কৈলাশবাসিনী দেবী, তাৰাবাঈ সিন্দে আৰু পণ্ডিত ৰামবাঈৰ দৰে কেইবাগৰাকীও লেখিকাই ভাৰতীয় সমাজত নাৰীৰ প্ৰকৃত অৱস্থা বৰ্ণনাই গ্ৰন্থ ৰচনা কৰিলে আৰু

তেওঁলোকক শিক্ষা গ্ৰহণৰ বাবে অনুপ্ৰেৰণা যোগালে। পিছলৈ, এক বৃহৎ সংখ্যক মহিলাই শিক্ষাৰ ক্ষেত্ৰত নিজকে নিয়োগ কৰিলে, যিটো ছপাশাল আৰম্ভ হোৱাৰ বাবেহে সম্ভৱ হ'ল।

ব্ৰিটিছ ঔপনিবেশীয় যুগত ছপাশালে ধৰ্মৰ ওপৰতো প্ৰভাৱ পেলাইছিল। নতুনকৈ ধৰ্ম সলনি কৰাৰ উদ্দেশ্যে মিছনেৰীসকলে ছপাশাল প্ৰতিষ্ঠা কৰে। তেওঁলোকে ভাৰতত আঞ্চলিক ভাষাৰ উন্নতিৰ বাবেও আগভাগ লৈছিল। খ্ৰীষ্টিয়ান মিছনেৰীসকলে কেইবাখনো ধৰ্মীয় সংস্কৃত পুথি ইংৰাজী ভাষালৈ অনুবাদ কৰে। ইতিমধ্যে, ছপাশালে হিন্দুসকলৰ মাজত ধৰ্মীয় পুথি, বিশেষকৈ আঞ্চলিক ভাষাৰ ধৰ্মীয় পুথি অধ্যয়নৰ বাবে উৎসাহ যোগায়। এইখিনিতে উল্লেখ কৰা সমীচিন হ'ব যে ১৮১০ চনত কলিকতাত তুলসীদাৰ 'ৰাম চৰিত মানস'ৰ ১ম সংস্কৰণ প্ৰকাশ হৈ ওলায়। ছপাশালৰ আৰম্ভণিৰ ফলত, ধৰ্মীয় পুথিবোৰ সাধাৰণ জনতাৰ ওচৰ পালেগৈ আৰু ভাৰতৰ নানা ধৰ্মমতক লৈ বিভিন্নজনৰ মাজত আৰু সম্পৰ্কে তৰ্ক-বিতৰ্কৰ সৃষ্টি হ'ল। ভাৰতৰ ধৰ্মীয়-সামাজিক সংস্কৰকসকলৰ অন্যতম এম, জি, ৰাণাডে-ই জ্ঞান প্ৰকাশ আৰু ইন্দু প্ৰকাশত ৰচনা লিখিবলৈ আৰম্ভ কৰিলে। এই দুয়োখন পত্ৰিকাই নিম্ন জাতৰ মানুহখিনিৰ মাজত সজাগতাৰ সৃষ্টি কৰিলে। তদুপৰি, ৰাজা ৰামমোহন ৰায়ৰ 'সংবাদ কৌমুদী'-এ ধাৰ্মিক মানুহখিনিৰ মনৰ পৰা ৰক্ষণশীলতা আঁতৰোৱাত সহায় কৰিলে। পিছৰ সময়ত, মহাত্মা গান্ধীৰ 'হৰিজন' নামৰ পত্ৰিকাখনে সমাজৰ পৰা অস্পৃশ্যতা আঁতৰ কৰাত অৰিহণা যোগাইছিল। এনেকৈ, ছপাশালে ভাৰতৰ সমাজত গভীৰ প্ৰভাৱ পেলাইছিল।

## চিন্তা-চৰ্চা কৰক

ব্ৰিটিছ যুগত ভাৰতৰ আঞ্চলিক ভাষাৰ বাতৰিকাকতবোৰৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

.....

## অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ভাৰতৰ ক'ত প্ৰথমটো ছপাশাল প্ৰতিষ্ঠা কৰা হৈছিল?

.....

প্ৰশ্ন ২ ঃ ছপাশাল কোনে উলিয়াইছিল?

.....

প্ৰশ্ন ৩ ঃ বোম্বাইত কেতিয়া ছপাশাল প্ৰতিষ্ঠা কৰা হৈছিল?

.....

প্ৰশ্ন ৪ ঃ ভাৰতৰ প্ৰথম বাতৰিকাকত কোনখন?

.....

প্ৰশ্ন ৫ ঃ ভাৰতৰ আঞ্চলিক ভাষাৰ প্ৰথম বাতৰি কাকত কোনখন?

.....

## ১৪.৪ সংবাদ মাধ্যম আৰু চৰকাৰৰ সংঘৰ্ষ

ব্রিটিছ ঔপনিবেশিকতাবাদৰ সময়ত চৰকাৰে বাতৰিকাকতবোৰ, বিশেষকৈ আঞ্চলিক ভাষাৰ বাতৰিকাকতবোৰ নিয়ন্ত্রণত ৰাখিবৰ বাবে বহুতো আইন প্রণয়ন কৰিছিল। এনেকৈ তেওঁলোকে প্রেছক লেকাম ধৰি ৰাখিবৰ বাবে কিছুমান আইন বলবৎ কৰিছিল।

**→ ছেন্সৰশ্বিপ প্রেছ-আইন, ১৭৯৯ ঃ**

লর্ড ৰেলেচলিয়ে ছেন্সৰশ্বিপ প্রেছ আইন, ১৭৯৯ প্রৱর্তন কৰে। এই আইনে প্রেছৰ যুদ্ধকালীন বাধা-নিষেধৰ লগতে প্রাক-ছেন্সৰশ্বিপ আইনো সামৰি লয়। এই আইন অনুসৰি প্রত্যেক বাতৰিকাকতে কাকতখনৰ মালিক, সম্পাদক আৰু প্রিণ্টাৰৰ নাম প্রকাশ কৰিব লাগিব। পিছত, লর্ড হেষ্টিংছে এই আইনৰ কিছু শিথিলতা আনে।

**→ লাইছেন্সৰ আইন, ১৮২৩ ঃ**

ব্রিটিছ চৰকাৰে লাইছেন্সৰ আইন, ১৮২৩ প্রৱর্তন কৰে। এই আইনে বাতৰিকাকত প্রকাশত আকৌ কিছু বাধা-নিষেধ আনি দিয়ে। এই আইন মতে ভাৰতৰ গৱর্ণৰ জেনেৰেলৰ যিকোনো বাতৰিকাকতৰ প্রকাশ বন্ধ কৰাৰ ক্ষমতা থাকিব। এইটো আমোদজনক কথা যে, এই বাধা-নিষেধবোৰ কেৱল আঞ্চলিক ভাষাৰ বাতৰিকাকতৰ ক্ষেত্রতহে আছিল। ৰাজা ৰামমোহন ৰায়ৰ মিৰাট-উল-আকবৰৰ প্রকাশ বন্ধ কৰি দিব লগা হৈছিল।

**→ প্রেছ আইন, ১৮৩৫ ঃ**

এইটো উল্লেখ কৰিব লাগিব যে লর্ড উইলিয়াম বেণ্টিঙে ভাৰতীয় প্রেছৰ প্রতি এক উদাৰ মনোভাৱ ল'বলৈ চেষ্টা কৰিছিল। কিন্তু বাধা-নিষেধসমূহ আঁতৰোৱাৰ ক্ষেত্রত দুবছৰ (১৮৩৫-৩৬) ভাৰতৰ গৱর্ণৰ জেনেৰেল হৈ থকা চালর্চ মেটকাফেৰ নামহে লোৱা হয়। তেওঁ নতুন প্রেছৰ আইন ১৮৩৫ প্রৱর্তন কৰে। ই এটা প্রিণ্টাৰ বা এজন প্রকাশকৰ প্রয়োজন দর্শাই দেখুৱাই এক প্রতিবেদন দাখিল কৰি প্রয়োজনত সেই প্রকাশনৰ কাম বন্ধ কৰে। লর্ড মেটকাফে 'ভাৰতৰ প্রেছৰ উদাৰক' হিচাপে জনা যায়।

**→ লাইছেন্সৰ আইন, ১৮৫৭ ঃ**

১৮৩৭ত বৃহৎ বিপ্লৱ আৰম্ভ হোৱাৰ লগে লগে, বাতৰিকাকতৰ ওপৰত কিছুমান বাধা-নিষেধ আৰোপ কৰা হয়। এই আইন এবছৰৰ বাবে কার্যকৰী কৰা হয়। বাতৰিকাকতৰ অনুজ্ঞা-পত্র বাতিল কৰিবৰ বাবে ব্রিটিছ চৰকাৰৰ অপৰিসীম অধিকাৰ আছিল। এইটোও উল্লেখ কৰিব লাগিব যে, চৰকাৰৰ বিপক্ষে কিবা প্রকাশ কৰিলেই চৰকাৰে পদক্ষেপ ল'ব পাৰে।

**→ আঞ্চলিক প্রেছ আইন, ১৮৭৮ ঃ**

ব্রিটিছ ভাৰতত, আঞ্চলিক ভাষাৰ বাতৰিকাকতৰ স্বাধীনতাৰ খর্ব কৰিবৰ বাবে ১৮৭৮ চনত আঞ্চলিক প্রেছ আইন জাৰি কৰা হয়। এইটো আমোদজনক কথা যে, এই আইনৰ গণ্ডীলৈ ইংৰাজী ভাষাৰ বাতৰিকাকতবোৰ অনা হোৱা নাছিল। আঞ্চলিক ভাষাৰ বাতৰিকাকতবোৰে যাতে ব্রিটিছ চৰকাৰৰ আঁচনিবোৰৰ সমালোচনা কৰিব নোৱাৰে তাৰবাবে সেই সময়ৰ ভাৰতৰ ভাইচৰয় লর্ড লিটনে প্রথমতে এই আইনৰ প্রস্তাৱ দিছিল। এই আইন গেগ্গিং আইন বুলি জনা যায়। ই আঞ্চলিক ভাষাৰ আৰু ইংৰাজী ভাষাৰ প্রেছৰ পার্থক্য আনিছিল।

আঞ্চলিক প্ৰেছ আইন ১৮৭৮-ৰ অধীনত 'দা সোম প্ৰকাশ', 'দা ভাৰত মিহিৰ', 'দা ডেক্কা প্ৰকাশ' আদি আঞ্চলিক ভাষাৰ বাতৰিকাকতবোৰৰ বিপক্ষে পদক্ষেপ লোৱা হৈছিল। অৱশ্যে, ১৮৮২ চনত লৰ্ড ৰিপনৰ অধীনৰ চৰকাৰে এই আঞ্চলিক প্ৰেছ আইনখন নাকচ কৰে। জাতীয় আন্দোলনে ১৮৮৫ চনৰ পৰা ভাৰতত প্ৰেছৰ উন্নতিৰ বাবে ক্ষিপ্ৰতা প্ৰদান কৰিছিল। কিন্তু সময়ে সময়ে কিছু সংখ্যক প্ৰেছ আইন জাৰি কৰা হৈ আছিল। ইতিমধ্যে, প্ৰেছ আৰু ব্ৰিটিছ চৰকাৰৰ মাজত সংঘৰ্ষ চলি থাকিল। প্ৰকৃততে, ১৮৮৩ চনত ভাৰতৰ প্ৰথমজন সাংবাদিক সুৰেন্দ্ৰনাথ বেনাৰ্জী কাৰাবন্দী হয়।

**→ বাতৰিকাকত আইন, ১৯০৮ ঃ**

ব্ৰিটিছ চৰকাৰে ১৯০৮ চনত বাতৰিকাকত আইন প্ৰৱৰ্তন কৰে। ই নখন বাতৰিকাকতৰ বিপক্ষে বাধা-নিষেধ আৰোপ কৰে আৰু সাতোটা প্ৰেছ বাজেয়াপ্ত কৰে।

**→ ভাৰতীয় প্ৰেছ আইন, ১৯১০ ঃ**

১৯১০ চনত ভাৰতীয় প্ৰেছ আইন প্ৰৱৰ্তন কৰা হয়। তদুপৰি, আঞ্চলিক প্ৰেছ আইন ১৮৭৮খন কিছু সাল-সলনি কৰি ১৯১০ চনৰ আইনখন বলৱৎ কৰা হয়। এই আইনমতে, স্থানীয় চৰকাৰক প্ৰিণ্টাৰ/প্ৰকাশকৰ পঞ্জীয়নৰ ওপৰত নিৰাপত্তা বৃদ্ধিৰ বাবে আৰু বাতৰিকাকতখন কোনো কাৰণত দোষমূলক কাৰ্যত লিপ্ত হ'লে তাৰ পঞ্জীয়ন কৰ্তন কৰাৰ অধিকাৰ সাব্যস্ত কৰা হৈছিল। সেয়ে, বাতৰিকাকতবোৰে স্থানীয় চৰকাৰক বাতৰিকাকতখনৰ প্ৰতিটো সংখ্যাৰ দুটাকৈ কপি জমা দিব লাগিছিল।

**→ ভাৰতীয় প্ৰেছ (জৰুৰীকালীন ক্ষমতা) আইন, ১৯৩১ ঃ**

যেতিয়া মহাত্মা গান্ধীৰ নেতৃত্বত আইন অমান্য আন্দোলন চলি আছিল, সেই সময়তে ব্ৰিটিছ ঔপনিবেশিক চৰকাৰে ভাৰতীয় প্ৰেছ (জৰুৰীকালীন ক্ষমতা) আইন, ১৯৩১ প্ৰৱৰ্তন কৰে। এই আইনে প্ৰদেশিক চৰকাৰক আইন অমান্য আন্দোলনৰ প্ৰচাৰত বাধা আৰোপ শক্তিশালী কৰিবৰ বাবে চেষ্টা কৰিছিল। তথাপিও, ১৯৩২ চনত এই আইনৰ বিস্তাৰিত ৰূপ হিচাপে ফৌজদাৰী সংশোধন আইন ১৯৩২ প্ৰৱৰ্তন কৰা হয়। দ্বিতীয় মহাযুদ্ধৰ সময়ত, প্ৰাক-ছেন্সৰশ্বিপ পুনৰ দৃঢ়কৰণ কৰে। ইতিমধ্যে, জৰুৰীকালীন প্ৰেছ আইন আৰু বিষয়া গোপন আইনৰো সংশোধন কৰা হয়। তথাপিও ১৯৪৭ চনৰ মাৰ্চ মাহত, চৰকাৰে ভাৰতত প্ৰেছৰ আইন-কানুনবোৰ পৰীক্ষা কৰিবৰ বাবে এক প্ৰেছ অনুসন্ধান কমিটি নিয়োগ কৰে। পিছত, ভাৰতে স্বাধীনতা লাভৰ অন্তত, ১৯৫১ চনত প্ৰেছ আইন (বিবাদমূলক বিষয়) প্ৰৱৰ্তন কৰা হয়। এই আইন ব্ৰিটিছ যুগত প্ৰৱৰ্তন কৰা আগৰ আন আইনবোৰতকৈ অধিক বিশদ। এনেকৈ ব্ৰিটিছ ঔপনিবেশিকতাবাদৰ সময়ত ভাৰতৰ প্ৰেছে নানান সমস্যাৰ সন্মুখীন হৈছিল।

### চিন্তা-চৰ্চা কৰক

ব্ৰিটিছ যুগত ভাৰতৰ প্ৰেছ আইনসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

.....

## ১৪.৬ মিচনেৰীসকলৰ অৱদান

এইটো উল্লেখ কৰিব লাগিব যে ১৫৫৬ চনত খ্ৰীষ্টিয়ান মিছনেৰীসকলে ভাৰতত ছপাশাল প্ৰতিষ্ঠা কৰিছিল। তাৰ পিছত, মিছনেৰীসকলে ভাৰতৰ প্ৰায়বোৰ আঞ্চলিক ভাষাতে বাতৰিকাকত প্ৰকাশ কৰে। জনা যায় যে, ভাৰতত প্ৰথমখন আঞ্চলিক ভাষাৰ আলোচনী ছপা কৰে শ্ৰীৰামপুৰৰ মিছনেৰীসকলে। তেওঁলোকে ১৮১৮ চনত 'দিগ দৰ্শন' নামৰ এখন মাহেকীয়া আলোচনী উলিয়ায়। 'দিগ দৰ্শন' হৈছে বাংলা ভাষাৰ প্ৰথমখন পত্ৰিকা। এইটো উল্লেখ কৰা যুগুত হ'ব যে, ১৮০০ চনৰ ১০ জানুৱাৰীত উইলিয়াম কেৰি আৰু তেওঁৰ সহযোগী দুজনে শ্ৰীৰামপুৰ মিছন প্ৰতিষ্ঠা কৰে। প্ৰাসংগিতভাৱে উল্লেখ কৰিব পাৰি যে, মূলতে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে উলিয়াম কেৰি পশ্চিমবংগলৈ আহিছিল আৰু তেওঁ বাইবেলখন বাংলা ভাষালৈ অনুবাদ কৰিছিল। সেইদৰে, শ্ৰীৰামপুৰ মিছনে 'সমাচাৰ দৰ্পণ' নামৰ বাংলা ভাষাৰ বাতৰিকাকত এখন প্ৰকাশ কৰে। ইতিমধ্যে, আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলেও অসমত তেওঁলোকৰ শাখা গঠন কৰে। তেওঁলোকে অসমীয়া সাহিত্যৰ ক্ৰমোন্নতিৰ বাবে যথেষ্ট অৰিহণা আগবঢ়াইছিল। তেওঁলোকে ১৮৪৬ চনত শিৱসাগৰৰ পৰা অসমীয়া ভাষাৰ প্ৰথমখন আলোচনী 'অৰুণোদয়' প্ৰকাশ কৰে। যদিও, ঔপনিবেশিক ভাৰতত মিছনেৰীসকলে ছপাশালক ভাৰতত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ আহিলা হিচাপেই ব্যৱহাৰ কৰিছিল, তথাপি আঞ্চলিক ভাষা আৰু সাহিত্যৰ ক্ৰমোন্নতিৰ বাবে তেওঁলোকৰ যথেষ্ট অৰিহণা আছে।

### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ **শুদ্ধ বা অশুদ্ধ বাছি উলিয়াওক**

(১) ১৭৯৯ চনত লৰ্ড ৰেলেচলিয়ে ছেন্সৰশ্বিপ প্ৰেছ আইন ১৭৯৯ প্ৰৱৰ্তন কৰে।

(২) ১৮৭৮ চনত আঞ্চলিক প্ৰেছ আইন জাৰি কৰা হয়।

**প্ৰশ্ন ৭ ঃ খালী ঠাই পূৰ কৰক —**

(১) ভাৰতীয় প্ৰেছ (জৰুৰীকালীন ক্ষমতা) আইন (১৯৩১/১৯৩২/১৯৩৩) চনত প্ৰৱৰ্তন হয়।

(২) _____ আইন গেগ্গিং আইন বুলি জনা যায়। (বাতৰিকাকত আইন, ১৯০৮/লাইছেন্সৰ আইন ১৮৫৭/আঞ্চলিক প্ৰেছ আইন)

## ১৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো—

(১) ব্ৰিটিছ ঔপনিবেশিকতাবাদৰ সময়ত ছপাশাল আৰু বাতৰিকাকতৰ ক্ষেত্ৰত যথেষ্ট উন্নতি হয়। ভাৰতত ভালেমান আঞ্চলিক ভাষাৰ বাতৰিকাকত প্ৰকাশ হয়। ছপাশাল আৰু বাতৰিকাকতৰ ক্ৰমোন্নতিয়ে ভাৰতীয় সমাজত, বিশেষকৈ শিক্ষাৰ বিকাশত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। এইটো উল্লেখনীয় যে, ছপাশালৰ ক্ষেত্ৰখনত খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ বৰঙণি অপৰিসীম। তেওঁলোকে ইয়াক ধৰ্ম প্ৰচাৰৰ আহিলা হিচাপে প্ৰয়োগ কৰিছিল।

(২) ব্রিটিছ চৰকাৰে ভাৰতীয় প্রেছৰ, বিশেষকৈ আঞ্চলিক ভাষাৰ বাতৰিকাকত স্বাধীনতা খর্ব কৰিবিৰ বাবে আৰু ব্রিটিছ আইনৰ ক্ষেত্র সমালোচনা বন্ধ কৰিবৰ বাবে বহুত বাধা-নিষেধ আৰোপ কৰিছিল। তেওঁলোকে ভাৰতত প্রেছ এটা বা বাতৰিকাকত এখনৰ মালিকীস্বত্ব পাবলৈ চলাবলৈ অনুজ্ঞা-পত্র লোৱাটো বাধ্যতামূলক কৰিছিল আৰু চৰকাৰৰ বিপক্ষে বাতৰি প্রকাশ কৰা যিকোনো বাতৰিকাকতৰ প্রকাশ ৰদ কৰিছিল।

## ১৪.৭ অধিক জানিবলৈ


1) Desai, A.R. (2010). Social Background of Indian Nationalism. Popular Prakshan. New Delhi, India

2) Joshi, Sanjay. (2010). The Middle Class in Colonial India. OUP. New Delhi, India


## ১৪.৮ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্ন উত্তৰঃ** গোৱা

**২ নং প্রশ্ন উত্তৰঃ** জোহান্স গুটেনবার্গ

**৩ নং প্রশ্ন উত্তৰঃ** ১৬৭৪

**৪ নং প্রশ্ন উত্তৰঃ** বেংগল গেজেট

**৫ নং প্রশ্ন উত্তৰঃ** সমাচাৰ দর্পণ

**৬ নং প্রশ্ন উত্তৰঃ** ১। শুদ্ধ
২। অশুদ্ধ

**৭ নং প্রশ্ন উত্তৰঃ** ১। ১৯৩১
২। আঞ্চলিক প্রেছ আইন।

## ১৪.৯ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)—**

**প্রশ্ন ১ ঃ** ভাৰতত প্রথম ছপাশাল কেতিয়া স্থাপন কৰা হৈছিল?

**প্রশ্ন ২ ঃ** জেমছ অগষ্টাছ হিকি কোন আছিল?

**প্রশ্ন ৩ ঃ** 'ভাৰতৰ প্রেছৰ উদাৰক' হিচাপে কাক জনা যায়?

**খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)—**

**প্রশ্ন ১ ঃ** ব্রিটিছ ঔপনিবেশিকতাবাদৰ সময়ৰ দুখন আঞ্চলিক ভাষাৰ বাতৰিকাকতৰ নাম উল্লেখ কৰক।

**প্রশ্ন ২ ঃ** ১৮৭৮ চনত আঞ্চলিক প্রেছ আইনৰ দ্বাৰা প্রকাশ বন্ধ কৰা দুখন বাতৰিকাকতৰ নাম উল্লেখ কৰক।

**গ) ৰচনাধর্মী প্রশ্ন— (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)—**

**প্রশ্ন ১ ঃ** ভাৰতত ছপাশালৰ জন্ম আৰু বিকাশৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ২ ঃ** চৰকাৰ আৰু প্রেছৰ সংঘর্ষ সম্পর্কে আলোচনা কৰক।

*****

# অধ্যায় ১৫ঃ ভাৰতত কৃষক আন্দোলন আৰু অন্যান্য

## অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ কৃষক আন্দোলন আৰু কৃষক সভাৰ ভূমিকা
- পথৰুঘাটৰ আন্দোলন
- ফুলগুৰি ধাৰা
- লাচিমা বিদ্রোহ
- পাবণা বিদ্রোহ
- সন্থাল বিদ্রোহ

১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৫ অধিক জানিবলৈ
১৫.৬ অগ্রগতিৰ খতিয়ান
১৫.৭ আৰ্হি প্রশ্ন

## ১৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ভাৰতত ব্যাপকভাৱে বিয়পি পৰা কৃষি বিদ্রোহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- কৃষক সভা আৰু অনুষ্ঠানৰ উত্থানৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব আৰু
- ঔপনিবেশিক ভাৰতত বিভিন্ন কৃষক জনজাতীয় আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ১৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি সংবাদ মাধ্যমৰ বিকাশ আৰু ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়ত আমি ব্রিটিছ বিৰোধী বিভিন্ন কৃষক বিদ্রোহৰ বিষয়ে আলোচনা কৰিম। আমি এতিয়া পথৰুঘাট, ফুলগুৰি ধাৰা আৰু লাচিমা বিদ্রোহৰ বিষয়ে আলোচনা কৰিম। এই বিদ্রোহসমূহ অসমত সংঘটিত হৈছিল।

## ১৫.৩ কৃষক আন্দোলন আৰু কৃষক সভাৰ ভূমিকা

ভাৰতৰ মুঠ জনসংখ্যাৰ আশী শতাংশতকৈও বেছি হোৱা সত্ত্বেও তথা বৃটিছ শাসনৰ ফলত আটাইতকৈ শোচনীয়ভাৱে কৃষকসকল ক্ষতিগ্রস্ত হোৱাৰ পাছতো কিষাণ সভা আন্দোলনৰ সূচনা হোৱাৰ আগলৈকে বৃটিছ শাসিত ভাৰতবর্ষত কৃষক আন্দোলন তেনেই কম আছিল আৰু যিবোৰ আন্দোলন হৈছিল সেইবোৰো তেনেই বিচ্ছিন্ন প্রকৃতিৰ আছিল। ইয়াৰ এক কাৰণ আছিল বৃটিছে খেতিয়কসকলৰ বিভিন্ন ভূমি ৰাজহ বন্দৰস্ত অঞ্চলৰ দ্বাৰা বিভক্ত কৰিছিল যাৰ বাবে কৃষকসকলৰ ওজৰ আপত্তি অঞ্চল ভেদে বেলেগ বেলেগ আছিল। কৃষিকর্মত

জড়িত গোষ্ঠীটোৰ মাজত থকা জাতিভেদ ব্যৱস্থাই বৃটিছ শাসনৰ বিৰুদ্ধে এক সংঘবদ্ধ সংগ্ৰাম কৰাৰ ক্ষেত্ৰত এক বাধা হৈ পৰিছিল। তদুপৰি বৃটিছৰ ভূমি ৰাজহ ব্যৱস্থাৰ আৰম্ভণি ঘটাৰ পাছত ভাৰতীয় স্বায়ত্বশাসিত কৃষিগত অনুষ্ঠান, যেনে— পঞ্চায়ত গাঁওসভা আদিবোৰ নোহোৱা হৈ পৰিল আৰু জমিদাৰ,শহদাৰ, মহলদাৰ আদিৰে গঠিত এক শোষক শ্ৰেণীৰ উত্থান ঘটিল। ভাৰতীয় কৃষি জীৱনত সেই অন্তৱৰ্তী ব্যৱস্থা নাছিল যিয়ে খেতিয়কসকলক একত্ৰিত কৰি শোষণৰ বিৰুদ্ধে সৰৱ কৰাব পাৰিছিল।

- **পথৰুঘাটৰ আন্দোলন ঃ** পথৰুঘাটৰ বিদ্রোহক অসমীয়াত পথৰুঘাটৰ ৰণ বুলি জনা যায়। দৰং জিলাৰ পথৰুঘাটত ১৮৯৪ চনতবিদ্রোহৰ সূচনা হৈছিল। ইয়াতো ৰাজহৰ পৰিমাণ বৃদ্ধিৰ বাবে জনসাধাৰণৰ ক্ষোভ হৈছিল। এনেদৰে বৰ্দ্ধিত কৰা ভূমি-কৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত্য কৰিবলৈ কেৱল মাথো এখন ৰাইজ মেল আয়োজন কৰাতে ক্ষান্ত নাথাকি উক্ত ৰাইজ মেলত গাঁওবাসীক সতৰ্ক কৰি দিয়া হৈছিল যাতে কোনোৱে চৰকাৰক বৰ্দ্ধিত ৰাজহ আদায় নিদিয়ে। ১৮৯৪ চনৰ ২৮ জানুৱাৰীত যেতিয়া এদল পুলিচ বাহিনীয়ে পৰিশোধ নকৰা খেতিয়কৰ সম্পত্তিৰ ওপৰত আক্ৰমণ চলালে গোটেই বাহিনীটোক উত্তেজিত জনতাই ঘেৰি ধৰিলে।এই ঘটনাটিৰ পাছতে বিদ্রোহীসকলে পুলিচ কেম্প অভিমুখে অগ্ৰসৰ হ'ল আৰু ফলশ্ৰুতিত পুলিচে মুকলিভাৱে গুলিচালনা কৰিলে। এই গুলিচালনাত বহুকেইজন গাঁওবাসীৰ মৃত্যু ঘটিছিল। কিছুমান আঘাতপ্ৰাপ্ত হৈছিল। ইয়াৰ দ্বাৰা বৃটিছে পথৰুঘাটৰ বিদ্রোহীসকলক সম্পূৰ্ণভাৱে দমন কৰিলে।

- **ফুলগুৰিৰ বিদ্রোহ ঃ** অসমীয়াত 'ফুলগুৰিৰ ধেৰা' নামে পৰিচিত ফুলগুৰিৰ বিদ্রোহ ১৮৫৭ চনৰ পাছত অসমত হোৱা প্ৰথম কৃষক বিদ্রোহ আছিল। বৰ্তমান নগাঁও জিলাত ফুলগুৰি নামৰ ঠাইখন অৱস্থিত।এই অঞ্চলৰ বেছিভাগ লোকেই লালুং আৰু কছাৰী। যিহেতু ফুলগুৰিৰ লোকসকলৰ বেছিভাগেই আফিং সেৱন কৰিছিল, সেয়েহে আন ঠাইৰ তুলনাত এই অঞ্চলত আফিঙৰ ব্যৱহাৰ বেছি আছিল। বৃটিছ চৰকাৰে আফিঙৰ দাম বৃদ্ধি কৰাত ইয়ে ফুলগুৰিৰ মানুহৰ মনত আক্ৰোশৰ সৃষ্টি কৰিলে। বৃটিছ চৰকাৰে ব্যক্তিগতভাৱে আফিঙৰ খেতি কৰাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা কাৰ্যই ফুলগুৰিৰ মানুহৰ মনত অসন্তোষৰ মাত্ৰা বৃদ্ধি কৰালে। তদুপৰি এটি গুজব প্ৰচাৰ হ'ল যে অনতিপলমে বৃটিছ চৰকাৰে তেওঁলোকৰ সকলো ধৰণৰ আয়ৰ উৎস, যেনে— পাণ-তামোলৰ খেতি আৰু বাগিচাত ফলৰ খেতি আদিৰ ওপৰত শুল্ক আৰোপ কৰিব। উল্লিখিত কাৰণসমূহৰ বাবে বিদ্রোহৰ সূত্ৰপাত ঘটিল আৰু প্ৰথম অৱস্থাত এই প্ৰতিবাদ ৰাইজ মেলৰ জৰিয়তে আৰম্ভ হ'ল। ১৮৬১ চনৰ ১৭ অক্টোবৰৰ দিনা যেতিয়া এখন মেলত বিভিন্ন গাঁৱৰ লোক সমবেত হ'ল তেতিয়া বৃটিছৰ আৰক্ষীয়ে গাঁওবাসীক জোৰ কৰি ছত্ৰভংগ দিয়াৰ চেষ্টা কৰিলে। ঘটনাটোৱে তাৰ লোকসকলক ইমান বেছি ক্ষোভিত কৰিলে যে ছত্ৰভংগ দিয়াব খোজা পুলিচ বাহিনীৰ ওপৰত তেওঁলোক জঁপিয়াই পৰিল। পুলিচৰ সৈতে হোৱা এই মুখামুখি আক্ৰমণত বহুতো পুলিচ আহত হোৱাৰ লগতে নগাঁও জিলাৰ সহকাৰী পুলিচ আয়ুক্ত মি. ছিংগাৰ মৃত্যুমুখত পৰিছিল। অৱশ্যে অতিৰিক্ত আৰক্ষী বাহিনীৰ দ্বাৰা চলা এক অভিযানত বিদ্রোহী সকলক কৰায়ত্ব কৰা হয় আৰু তেওঁলোকৰ নেতৃবৃন্দক মৃত্যুদণ্ড আথবা যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰা হ'ল। যদিও ফুলগুৰিৰ বিদ্রোহ অসফল হ'ল তথাপিও ইয়াৰ তাৎপৰ্যক নুই কৰিব নোৱাৰি। বৃটিছ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে ই অসমীয়া খেতিয়কৰ প্ৰথম সৰ্বসমাদৃত বিদ্রোহ আছিল। প্ৰথম বাৰৰ বাবে মধ্যবিত্ত শ্ৰেণীৰ বুদ্ধিজীৱী মহল ফুলগুৰিৰ বিদ্রোহীসকলৰ সমৰ্থনত ওলাই আহিছিল। ইয়েই নহয়, আন গ্ৰাম্যবাসী আৰু জনজাতিসকলৰ বাবেও এই বিদ্রোহ এক প্ৰেৰণা হৈ পৰিছিল। পৰৱৰ্তী কিছু বছৰৰ ভিতৰত দৰং আৰু কামৰূপ জিলাৰ খেতিয়কসকলে বৃটিছৰ বিৰুদ্ধে বিৰুদ্ধে বিদ্রোহ ঘোষণা কৰাই এই কথাৰ সত্যতা প্ৰতিপন্ন কৰে।

## জানি থোৱা ভাল

ৰাইজমেলঃ - অসম ৰাইজমেল আছিল গাঁও পঞ্চায়ত বা সৰ্ভসাধাৰণ লোকৰ সভা। এই সভা গাঁওৰ সদস্যসকলে জনকল্যাণৰ স্বাৰ্থজনিত কাৰ্যৰ আলোচনা কৰিছিল আৰু ৰাইজৰ হকে সিদ্ধান্ত গ্ৰহণ কৰিছিল।

- **লাচিমাৰ বিদ্রোহ ঃ** এই প্ৰতিবাদৰ মূল কাৰণ আছিল ভূমি ৰাজহ বৃদ্ধি। লাচিমাৰ বিদ্রোহীসকলে বিদ্রোহৰ কালছোৱাত হিংসাত্মক পন্থা অৱলম্বন কৰিছিল। তেওঁলোকে ৰাজহ সংগ্ৰহকাৰীসকলক আক্ৰমণ কৰিছিল, যিবোৰ বৃটিছ চৰকাৰৰ এজেণ্ট আছিল। ঘটনাটি সংঘটিত হৈছিল ১৮৯৪ চনৰ ২১ জানুৱাৰীত কামৰূপ জিলাৰ লছিমাৰ কাষৰ কালপাত। ৰাজহ সংগ্ৰহকাৰীবোৰক গাঁওবাসীয়ে এনে নিৰ্দয়ভাৱে প্ৰহাৰ কৰিছিল যে তাৰে এজনৰ মৃত্যু হৈছিল। খণ্ডত বলিয়া হৈ বৃটিছ পুলিচে তাৎক্ষণিকভাৱে পয়সত্তৰ গৰাকী গাঁওবাসীক গ্ৰেপ্তাৰ কৰিছিল। কিন্তু উত্তেজিত গাঁওবাসীয়ে কম সময়ৰ ভিতৰতে গ্ৰেপ্তাৰ হোৱা লোক কেইজন পুলিচৰ জিম্মাৰ পৰা মোকলাই আনিছিল। ইয়ে গাঁওবাসীৰ ওপৰত পুলিচৰ চৰম আতিশয্য নমাই আনিছিল। পুলিচৰ অত্যাচাৰ সহিব নোৱাৰি বিদ্রোহীসকলে সেও মানিব লগা হৈছিল। এনেদৰে এই বিদ্রোহৰ অন্ত পৰিছিল।

- **জনজাতীয় বিদ্রোহ ঃ**

ভূমি ৰাজহ বন্দবস্তীৰ দ্বাৰা বৃটিছ শাসনে জনজাতীয় অৰ্থনীতিত এক মাধমাৰ শুধাইছিল। ৰাজহৰ বাবে বনাঞ্চলবোৰত বৃদ্ধি পোৱা চৰকাৰী নিয়ন্ত্ৰণে তেওঁলোকৰ আৰ্থ-সামাজিক জীৱন বেয়াকৈ প্ৰভাৱিত কৰিছিল। তেওঁলোকে ঝুম খেতিৰ সুবিধা হেৰুৱাইছিল। জীৱ-জন্তুক ঘাঁহ খুৱাবলৈ জংঘলৰ মাটি ব্যৱহাৰ আৰু ৰন্ধনৰ বাবে জংঘলৰ কাঠ ব্যৱহাৰ কৰাৰ প্ৰথাগত অধিকাৰ তেওঁলোকে হেৰুৱাইছিল। জংঘলৰ ঠিকাদাৰসকলৰ শোষণৰ বলি হ'বলৈ আগুৱাই অহাটো তেওঁলোকে নিজকে নিজে প্ৰত্যক্ষ কৰিছিল। ইউৰোপীয় মিছনেৰীসকলে খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ কৰা হেতুকে তেওঁলোকৰ ধৰ্মীয় জীৱন ভাগি পৰিছিল। জনজাতি লোকসকলে অনুভৱ কৰিছিল যে বৃটিছৰ এই কৰ্মকাণ্ডবোৰৰ এটা অন্যতম লক্ষ্য হৈছে তেওঁলোকক ধৰ্মান্তৰিত কৰা। এই ধৰ্মান্তকৰণ বিহাৰ আৰু অসমৰ (উত্তৰ-পূৱৰ) পাহাৰীয়া অঞ্চলবোৰত সংঘটিত হৈছিল। এনে পৰিস্থিতিত বৃটিছ চৰকাৰৰ বিৰুদ্ধে জনজাতি লোকসকলে ক্ষোভত ভাগি পৰিছিল।

- **পাবনা বিদ্রোহ ঃ**

পূৱ বংগৰ (বৰ্তমান বাংলাদেশ) স্থায়ী বন্দৱস্তীৰ অঞ্চলবোৰত জমিদাৰে সকলে ৰায়তক দখলীস্বত্বৰ পৰা বঞ্চিত কৰাবলৈ বিভিন্ন প্ৰথা অৱলম্বন কৰিছিল। জমিদাৰসকলে যেতিয়াই কৰৰ জৰিয়তে খাজানা বৃদ্ধি কৰিলে আৰু শঠকাৰী উপায়,অন্যায়মূলক জোৰ-জুলুম আৰু বলপূৰ্বক উচ্ছেদৰ দ্বাৰা খেতিয়কসকলে ১৮৫৯ চনৰ আইনৰ জৰিয়তে পাব পৰা দখলীস্বত্বত বাধা প্ৰদান কৰিব চেষ্টা কৰিলে তেতিয়াই কৃষকসকলে বিদ্রোহ আৰম্ভ কৰিলে। ১৮৭৪ চনত পাবনাৰ এখন কৃষক সংঘৰ গঠন হ'ল। তুলনামূলকভাৱে সমৃদ্ধ আৰু মৰাপাট উৎপাদনকাৰী জিলা পাবনা এই আন্দোলনৰ কেন্দ্ৰবিন্দু আছিল, য'ত কৃষকসকলে কৃষক সংঘৰ অধীনত জমিদাৰৰ অনুচিত দাবীৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। এই কৃষক সংঘৰ মূল নেতাসকল আছিল — ইশান চন্দ্ৰ ৰয়, সম্ভু পাল আৰু কে মুলাহ। এই সংঘৰ বেনাৰত ১৮৭০ৰ পৰা ১৮৮৫ চনৰ ভিতৰত পূৱ বংগৰ ভালে সংখ্যক জিলাত খেতিয়কসকলে এক আন্দোলন আৰম্ভ কৰিছিল। পাবনাৰ কৃষক সংঘৰ সদস্যসকলে বিবাদবোৰত খৰছৰ বাবে এক পুঁজি গঠন কৰিছিল। ড্ৰাম বজাই গাঁওবাসীক আমন্ত্ৰণ কৰি গণসভা অনুষ্ঠিত কৰা হৈছিল আৰু তেওঁলোকে খাজানা নিবিবলৈ প্ৰচাৰ কাৰ্য চলাইছিল। এই প্ৰতিৰোধ আন্দোলন মূলতঃ বৈধ প্ৰকৃতিৰ আৰু শান্তিপূৰ্ণ আছিল।

জটেদাৰসকল ঃ - এটি ভূ-স্বামী শ্রেণীৰ লোকসকল।

পাবনাৰ বিক্ষোভৰ দুটা লক্ষ্যণীয় বৈশিষ্ট্য আছিল। প্রথমতে, ই এনে এক সময়ত কৃষক সংঘবদ্ধতাৰ এক আৰ্হি দেখুৱাইছিল যি সময়ত খেতিয়কসকলক সংগঠিত কৰাৰ কোনো কিষাণ সভা বা ৰাজনৈতিক দল নাছিল। দ্বিতীয়তে, এই আন্দোলন অসাম্প্রদায়িক আছিল। যদিও জমিদাৰসকলৰ গৰিষ্ঠ সংখ্যকেই হিন্দু আছিল আৰু ৰায়তসকলৰ বৃহৎ অংশ মুছলমান আছিল তথাপি হিন্দু খেতিয়কসকলে তেওঁলোকৰ মুছলমান কৃষক বন্ধুসকলৰ সৈতে একেলগে থিয় হৈ হিন্দু জমিদাৰৰ বিৰুদ্ধে যুঁজ দিছিল। এই অঞ্চলৰ বহু বাতৰি কাকত, যেনে— হিন্দু পেট্রিয়ত আৰু অমৃত বাজাৰ পত্রিকাই জমিদাৰ পক্ষত (জমিদাৰসকলৰ প্রতি সহানুভূতিশীল আছিল) বাবে খেতিয়কসকলৰ এই সীমিত দাবীবোৰৰ বিৰোধিতা কৰিছিল। তেওঁলোকে ইয়াক মুছলমান ৰায়ত আৰু হিন্দু জমিদাৰৰ মাজত এক সাম্প্রদায়িত সংঘাত বুলি বর্ণনা কৰিবলৈ চেষ্টা চলাইছিল। কিন্তু আচৰিতভাৱে এই আন্দোলনৰ দুজন বিশিষ্ট নেতা ঈশান চন্দ্র ৰায় আৰু শম্ভুনাথ পাল হিন্দু আছিল। আন কিছুমান বিশিষ্ট নেতা, যেনে— আৰ চি দত্তৰ দৰে লোকে ৰায়তৰ পক্ষত যোগ দিছিল। আৰ চি দত্তই এই বিষয়ক 'পিজেণ্ট্রি অৱ বেংগল' নামৰ এখন কিতাপ ১৮৭৪ চনত লিখি উলিয়াইছিল। খেতিয়কসকলৰ এই বিক্ষোভ ১৮৮৫ চনলৈ চলি থাকিল। দশকজোৰা এই সংগ্রামৰ ফলশ্রুতিত বেংগল টিনেঞ্চি এক্ট ১৮৮৫ বিলখন গ্রহণ কৰা হ'ল। যদিও এই আইনখনে ৰায়তসকলৰ জমিদাৰী নিষ্পেষণৰ নিষ্ঠুৰ বিষয়বোৰৰ পৰা কিছু পৰিমাণে সকাহ দিলে, জোটদাৰ তথাপি লগতে ই শক্তিশালী দলৰো জন্ম দিলে। পাছলৈ এই সকলে জমিদাৰ। পাছলৈ এই জোটদাৰসকল জমিদাৰ সকলৰ লেখিয়াকৈ শোষকলৈ পৰিণত হ'ল।

- **সান্থাল বিদ্রোহ ঃ**

১৮৫৭ চনৰ বিদ্রোহৰ পূর্বৱর্তী কালছোৱা বর্তমানৰ ঝাৰখণ্ড ৰাজ্যৰে চোলাংপুৰ সান্থাল এলেকাত এটা প্রধান জনজাতীয় প্রতিৰোধী আন্দোলন আৰম্ভ হৈছিল যাক সান্থাল বিদ্রোহ বুলি জনা গৈছিল। তেওঁলোকৰ এই বিদ্রোহৰ মূল কাৰণ আছিল মহাজন আৰু জমিদাৰৰ মাজৰ মানুহৰ দ্বাৰা সীমাহীনভাৱে শোষিত হোৱা। সম্পত্তি আৰু মাটি বাজেয়াপ্ত কৰাৰ বাবে সান্থালসকলে বৃটিছ শাসনৰ বিৰুদ্ধে মাতিবলৈ বাধ্য হৈছিল। তদুপৰি বনাঞ্চলত বলপূর্বকভাৱে বনুৱাসকলক কাম কৰোৱা আৰু জনজাতীয় মহিলাক কর্মস্থলীত যৌন নির্যাতন কৰাটো সান্থালসকলৰ বাবে এক প্রধান উদ্বেগৰ কাৰণ হৈ পৰিছিল। ছিধো আৰু কানুৰ নেতৃত্বত তেওঁলোকে ইয়াৰ বিৰুদ্ধে থিয় দিলেহি আৰু এই শোষণৰ বিৰুদ্ধে বিদ্রোহ কৰে। ১৮৫৫ চনৰ ৩০ জুনত দহ হাজাৰজন সান্থালে ভাঘাদিহিত সমবেত হয় য'ৰ পৰা তেওঁলোকে বৃটিছৰ এই শোষণৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। যাৰ বিৰুদ্ধে তেওঁলোকৰ নিয়মীয়া শাৰীবদ্ধ সৈন্য মকৰল কৰিব লগা হৈছিল। মেজৰ বাৰোৰ নেতৃত্বত বৃটিছ সেনাৰ সান্থালৰ হাতত পৰাজয় এই বিদ্রোহৰ প্রাথমিক অৱস্থাৰ এক গুৰুত্বপূর্ণ ঘটনা আছিল। অৱশ্যে ১৮৫৬ চনৰ শেষলৈ বৃটিছ সৈন্যই সান্থালসকলক সম্পূর্ণভাৱে দমন কৰিবলৈ সক্ষম হয়। ভৱিষ্যতলৈ সান্থালসকলৰ এই বিদ্রোহৰ যাতে পুনৰাবৃত্তি নঘটে তাৰ বাবে বৃটিছে সেই অঞ্চলত সান্থাল পৰগণাৰ এখন সুকীয়া জিলা হিচাপে গঠন কৰে।

- **কৃষক সভাৰ ভূমিকা**

কৃষকৰ স্বার্থ হানি কৰা নীতিৰ উত্থান হোৱাৰ বাবে, কৃষক সংগঠন সমূহ গঠিত হৈছিল। ১৯২৯ চনত বিহাৰ প্রাদেশিক কৃষক সভা। এই সভাৰ সভাপতি আছিল স্বামী হজানন্দ সৰস্বতী। এই সভায়ে চৰকাৰৰ কঠোৰ প্রতিৰোধ কৰিছিল। কৃষকসকল নির্যাতিত শ্রেণীৰ লোক আছিল আৰু তেওঁলোক বহুত উৎপীড়নৰ বহিল হৈছিল। কৃষক সভাৰ লক্ষ্য আছিল কৃষকসকলক সংগঠিত কৰা আৰু তেওঁলোকক ৰাজনৈতিক আৰু অর্থনৈতিকভাৱে

সবল কৰা। সৰ্বভাৰতীয় কৃষক সভা (All India Kisan Sabha) এ সকলো বিলাত বাকী খাজনা ৰদ কৰাৰ, দাবী দিছিল। লগতে ঋণৰ সমস্যাৰ বাবে খাজনা ৰাজহ ৰিহাই আৰু জমিদাৰসকলক বে-আইনী কার্যৰ বাবে শাস্তি দিয়াৰ দাবী দিছিল। কৃষক সভায়ে সকলো কৃষকক প্ৰতিনিধিত্ব কৰিছিল। বেংগলত বেংগল প্ৰাদেশিক কৃষক সভাৰ গঠনৰ আগ ধৰিছিল সাম্যবাদী লোকসকলে।

## জানি থোৱা ভাল

- **মোণ্ডা বিদ্রোহ** - ১৮৯৯-১৯০০ চনৰ ভিতৰত বিৰছা মোণ্ডাৰ নেতৃত্বত হোৱা মোণ্ডা বিদ্রোহ ঊনৈশ শতিকাৰ সর্ববৃহৎ জনজাতীয় বিদ্রোহ আছিল। এলেকাবোৰত বৃটিছ শাসনৰ সমাপ্তি হোৱা বুলি ঘোষণা কৰিছিল। তেওঁলোকে মোণ্ডা গিৰি বা মোণ্ডা চৰকাৰ প্ৰতিষ্ঠাৰ কথাও ঘোষণা কৰিছিল। মোণ্ডা বিদ্রোহেই আছিল একমাত্ৰ বিদ্রোহ য'ত মহিলাসকলেও তেওঁলোকৰ মতাবোৰৰ সতে বিদ্রোহত জঁপিয়াই পৰিছিল আৰু বৃটিছৰ বিৰুদ্ধে তীব্ৰ প্ৰত্যাহবান গঢ়ি তুলিছিল। এই বিদ্রোহ দমন কৰিবলৈ বৃটিছে তেওঁলোকৰ নিয়মীয়া শাৰীবদ্ধ সেনা মকৰল কৰিব লগা হৈছিল। বিৰছা মোণ্ডাৰ গ্ৰেপ্তাৰ আৰু পৰৱর্তী সময়ত কাৰাগাৰত তেওঁৰ মৃত্যু ঘটাত মোণ্ডা বিদ্রোহ ধ্বংস হৈ গ'ল। অৱশ্যে জনজাতীয় আন্দোলনৰ ইতিহাসৰ ক্ষেত্ৰত ই এক গুৰুত্বপূর্ণ ঘটনা হৈ ৰ'ল।
- **মোপলাৰ বিদ্রোহ ঃ** মালৱাৰ অঞ্চলত মোপলাৰ মুছলমান কৃষকৰ অসন্তোষে এক ধর্মীয় ৰহনৰ কাহিনীৰে অব্যাহত আছিল য'ত জমিদাৰ আৰু বৃটিছ বিৰোধী অসন্তুষ্টিক হিন্দু-মুছলমান দৃষ্টিকোণেৰে চোৱা হৈছিল। ১৮৩৬ আৰু ১৮৫৪ চনৰ ভিতৰত বাইশটা বিদ্রোহ সংঘটিত হৈছিল বুলি লিপিবদ্ধ হৈছিল; ১৮৮২-১৮৮৫ৰ ভিতৰত আৰু অধিক বিদ্রোহ সংঘটিত হয়। মোপলাসকলক অসহযোগ আন্দোলনৰ সময়ছোৱাত কংগ্রেছ আৰু খলিফা আন্দোলনকাৰীসকলে সংগঠিত কৰে। এক আসন্ন মুছলমান সমতাবাদী ৰাষ্ট্ৰৰ প্ৰতিশ্রুতিও দিয়া হৈছিল। ১৯২১ চনৰ আগষ্ট মাহৰ ২০ তাৰিখত পুলিচে তিৰুৰাইনগাড়ী মছজিদত চলোৱা এক তালাচীয়ে এক গুৰুতৰ বিদ্রোহৰ স্ফুলিংগ উদ্দীপিত কৰিলে য'ত ব্যাপকভাৱে আৰক্ষী চকী আক্রমণ চলোৱা হ'ল। ১৯২১ চনৰ ডিচেম্বৰৰ ভিতৰত বৃটিছৰ প্ৰতিশোধমূলক ব্যৱস্থাৰ ফলত বেচৰকাৰীভাৱে ১০০০০তকৈ অধিক মোপলাক হত্যা কৰা হৈছিল আৰু ৫০০০০তকৈ অধিকে হয় আত্মসমর্পন কৰিলে অথবা পুলিচৰ হাতত আতক হ'ল আৰু এনেদৰে বিদ্রোহটিৰ ৰাজহাড় ভাগি পৰিল।

## অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰাইজমেল আছিল জনসাধাৰণৰ সভা/জনসাধাৰণ ন্যায়ালয়। (শুদ্ধ উত্তৰ বাচি উলিয়াওক)

প্রশ্ন নং ২ ঃ ৰঙীয়া বিদ্রোহৰ পিছত ৰাইজমেলৰ ওপৰত কোনে নিষিদ্ধ আজ্ঞা দিছিল।

প্রশ্ন নং ৩ ঃ অঙ্গামি নগা পাহাৰৰ অঞ্চল বৃটিছে ..... চনত অধিকাৰ কৰিছিল।

প্রশ্ন নং ৪ ঃ ফুলগুৰি ধাৰাত নিহত হাৰা নগাঁওৰ সহকাৰী পুলিচ আয়ুক্ত আছিল ..... জনাজাত।

## ১৫.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো—

- ভাৰৰ চৌদিশে বৃটিছ বিৰোধী কৃষক আৰু জনজাতীয় লোকৰ বিদ্রোহৰ বিষয়ে।
- নিজৰ ভূমিৰ অধিকাৰ হেতু অসমতো কৃষক জনজাতীয় গোষ্ঠীৰ লোকসকলে বৃটিছৰ বিৰুদ্ধে বিদ্রোহ

কৰিছিল।

- যদিও এই বিদ্রোহ অসফল হৈছিল, কিন্তু জনসাধাৰণৰ মাজত বৃটিছ বিৰোধী ভাৱৰ দ্বাৰ মুকলি কৰি দিছিল।

## ১৫.৫ অধিক জানিবলৈ


1) Desai, A.R. (1979). *Peasant Struggle in India*. OUP. New Delhi, India
2) Chandra, Bipan. (1966). The *Rise and Growth of Economic Nationalism* in India. Har Anand Publications. New Delhi, India
3) Chandra, Bipan et al. (1988). India's Struggle for Independence (Ed). Penguin. New Delhi, India
4) Barpujairi, H.K. (1993). The *Comprehensive History of Assam* (Vol-V) (Ed). Publication Board. Guwahti, India
5) Guha, Ranajit. (1983). *Elementary Aspects of Peasant Insurgency in Colonial India*. Duke Universtity Press. New Delhi, India


## ১৫.৬ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ** ঃ জনসাধাৰণৰ সভা

**২নং প্রশ্নৰ উত্তৰ** ঃ কামৰূপ জিলা উপায়ুক্ত, মেক কেৰ

**৩নং প্রশ্নৰ উত্তৰ** ঃ ১৮৬৬

**৪নং প্রশ্নৰ উত্তৰ** ঃ মিষ্টাৰ চিংগাৰ।

**৫নং প্রশ্নৰ উত্তৰ** ঃ পথৰুঘাটৰ ৰণ

## ১৫.৭ আৰ্হি প্রশ্ন

**(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন নং ১** ঃ মোণ্ডা বিদ্রোহৰ মুখ্য নেতা কোন আছিল?

**প্রশ্ন নং ২** ঃ অসমৰ প্রথম কৃষক বিদ্রোহ কোনখন আছিল?

**(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন নং ১** ঃ অসমত কৃষক বিদ্রোহৰ তাৎপর্য কি আছিল?

**প্রশ্ন নং ২** ঃ অসমত কৃষক বিদ্রোহৰ চমুটোকা লিখক।

**(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)**

**প্রশ্ন নং ১** ঃ কৃষক বিদ্রোহৰ কাৰণসমূহ আৰু তাৎপর্যৰ বিষয়ে আলাচনা কৰক।

**প্রশ্ন নং ২** ঃ ব্রিটিছ বিৰোধী জনজাতীয় আন্দোলনৰ বিষয়ে আলোচনা কৰক।

******

## প্রসংগ পুথি

ইংৰাজী গ্ৰন্থ ঃ


- Desai, A.R. (2016). Social Background of Indian Nationalism. Sage. New Delhi, India
- Roy, Tirthankar. (2000). The Economic History of India: 1857-1947. OUP, US.
- Habib, Irfan. (2016). Indian Economy: 1858-1914 (Volume 28) of People's History of India. Tulika Books. New Delhi, India
- Chandra, Bipan. (2009). History of Modern India.Orient Blakswan. Hyderbad, India.
- Tomlinson, B.R. (1998). The New Cambridge History of India: 1860-1970. Foundation Books. New Delhi, India
- Bandyopadhyay, Sekhar. (2013). From Plassey to Partition. Orient Blackswan. New Delhi, India
- Desai, S.S.M and Bhalerao, Nirmal. (2010). Economic History of India. Himalaya Publishing House. New Delhi, India
- Maiti, Provantansu. (2012). Modern India. Sreedhar Publications. Kolkata, India
- Chandra, Bipan. (1999). Essays in Colonialism. Orient Blackswan. New Delhi, India
- Dutt, R.C. (2000). The Economic History of India under Early British Rule. Trubner and Co. London, UK
- Pati, Biswamoy and Harrison, Mark. (2009). The Social History of Health and Medicine in Colonial India. Routledge, NY: NY
- Harrison, M. (1994). Public Health in British India: Anglo-India Preventive Medicine 1859-1914. CUP, Cambridge, UK
- Pati, Biswamoy and Harrison, Mark. (2009). The Social History of Health and Medicine in Colonial India. Routledge, NY: NY
- Mushtaq, Md Umair. (2009). Public Helath in British India: A brief account of the history of emdical services and disease prevention in colonial India in the Indian Journal of Community Medicine. Vol (34) Issue (1)
- Ghosh, S.C. (2007). History of Education in India. Rawat Publications. New Delhi, India
- Seth, Sanjay. (2007). Subject Lessons: The Western Education of Colonial India. Duke University Press. London, UK
- Altekar, A.S. (1962). The Position of women in Hindu Civilization. Motilal Banarsi Dass Publication. New Delhi, India

- Singh, P. (2011). Women in India History. Mohit Publications. New Delhi, India
- Nataraj J. (1955). History of Indian Journalism. Publication Division of Minitry of Information and Broadcasting. New Delhi, India
- Chandra, Bipan. (1966). Rise and Growth of Economic Nationalism in India. Har-Anand Publications. New Delhi, India
- Chandra, Bipan. (1988). India's Struggle for Independence 1857-1947. Penguin Publication. New Delhi, India
- Guha, Ranajit. (1983). Elementary Aspects of Peasant Insurgency in Colonial India. Duke University Press. New Delhi, India
- Barpujari, H.K. (1993). The Comprehensive History of Assam (Vol-V). Publication Board. Guwahati, India.